*জানুৱাৰী ৭ তাৰিখৰ জন্মদিনত ৰিজুমণি (দুহিতা)লৈ উপহাৰ...*

# সামাজিক মূল্যবোধ আৰু বুদ্ধিজীৱীৰ ভূমিকা

ভৱপ্ৰসাদ দেউৰী

**Samajik Mulyabudh Aru Budhijivir Bhumika** : A collection of some Assamese articles written by **Sri Bhavaprasad Deori**, Diphu, Karbi Anglong, Assam, Phone No. 03671-273781 and published by **Radiant Publications Ltd.**, Diphu. All right reserved by the author.

First Edition : January 2008 Price : **Rupees fifty only**

---

**প্ৰকাশক ঃ** ৰেডিয়েণ্ট পাব্লিকেশ্যনচ্
ডিফু-৭৮২ ৪৬০

**পৰিবেশক ঃ** ত্ৰিবেণী বুকষ্টল
ডিফু বাছষ্টেণ্ড,
মুখ্য ডাকঘৰৰ সমীপত
ডিফু, কাৰ্বি আংলং।

**প্ৰথম সংস্কৰণ ঃ** জানুৱাৰী ২০০৮

**প্ৰচ্ছদ পৰিকল্পনা ঃ** ৰিংকুমণি

**মূল্য ঃ** ৫০.০০ টকা মাত্ৰ

**ডি টি পি ঃ** প্ৰণৱজ্যোতি বৰা
সংবাদ প্ৰতিদিনৰ
ডিফু

**মুদ্ৰক ঃ নৰ্থ-ইষ্ট প্ৰিণ্টাৰ্চ্ছ**
**উত্তৰ শৰণীয়া, লালমাটি, গুৱাহাটী-৩**
**ফোন ঃ** ২৬৬৩৮০৩

# আগকথা

এই প্ৰবন্ধ সংকলনত সন্নিবিষ্ট একুৰি পাঁচটা লেখা ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত দৈনিক কাকত 'সংবাদ প্ৰতিদিনৰ' লেখকৰ 'অন্তৰ্দৃষ্টি' কলমৰ। প্ৰত্যেকটো লেখাৰ অন্তত উল্লেখ কৰাৰ দৰে, ২০০৬ আৰু ২০০৭ বৰ্ষকালৰ নিৰ্বাচিত কিয়দংশ। সংকলনটো এই সিঁচৰতি হৈ থকা লেখা প্ৰবিষ্টিসমূহ এটা সংগঠিত ৰূপ।

উক্ত কাকতখনৰ তাগিদাত অৱধাৰিতভাৱে লেখিবলৈ লোৱা আমাৰ চিন্তাধাৰাৰ লেখাবোৰ এটা সংগঠিত ৰূপ দিব যাওঁতে প্ৰায় কেইটা লেখাৰে নতুন তথ্য আৰু চিন্তাক বিভিন্ন উৎস আৰু নানান দৃষ্টিভংগীৰে প্ৰয়োজনীয় সংযোজন আৰু সংবৰ্ধন ঘটোৱা হৈছে। এই বিষয়-বস্তুৰ মূল্যায়ন কৰাৰ লগতে ইতিবাচক আৰু সৃষ্টিশীল দিশৰ প্ৰতি মনোযোগ দিয়াৰ ই মাথোন এটি সামান্য প্ৰয়াস। প্ৰবিষ্টি লেখাসমূহৰ তথ্যৰ আঁৰত থকা কাকত-আলোচনী, গ্ৰন্থ, সুধী-পুৰুষৰ চিন্তা-চৰ্চা আৰু অংগীকাৰবদ্ধ এচাম লেখক-লেখিকাৰ অকুণ্ঠ সহযোগৰ কথা কৃতজ্ঞচিত্তে সুঁৱৰিছোঁ।

এই সংকলনটো প্ৰস্তুত কৰাত 'সংবাদ প্ৰতিদিনৰ' মুখ্য সম্পাদক সঞ্জু বৰা, সম্পাদক ভৱেন বৰুৱাৰ লগতে উক্ত কাকতগোষ্ঠীৰ সাংবাদিক স্বৰূপ লস্কৰ, এম. আচাবুৰ ৰহমান, দেৱজ্যোতি বৰা, ৰাজীৱ মেছ আৰু প্ৰণৱজ্যোতি বৰালৈ ধন্যবাদ জনাইছোঁ। এখেতসকলে নেৰা-নেপেৰা তাগিদা নকৰা হ'লে এই সংকলনখনবো জন্ম নহ'লেহেঁতেন। পঢ়ুৱৈ সমাজ আৰু লেখক-সাংবাদিক-বন্ধু বহুজনৰ উৎসাহপূৰ্ণ মন্তব্য এই লেখকৰ বাবে পাথেয়।

পদ্মশ্ৰী ৰং বং তেৰাংদেৱে কামৰ ব্যস্ততাৰ মাজতো একলম লেখি দিয়াৰ বাবে তেখেতক আন্তৰিক সম্বৰ্ধনা জনাইছোঁ। ডিব্ৰুগড় বেডিয়েণ্ট পাব্লিকেশ্যনচ্-এ বিশেষ আগ্ৰহেৰে গ্ৰন্থখন প্ৰকাশৰ হাতত লোৱাৰ বাবে এই লেখক কৃতজ্ঞ। প্ৰবন্ধ সংৰক্ষণ আৰু সংকলনৰ কৃতিত্ব সহধৰ্মিণী বিংকুমণি গগৈৰ।

৭ জানুৱাৰী ২০০৮ — তৰুণপ্ৰসাদ দেউৰী

ডিব্ৰু-৮৭২ ৪৬০

# প্ৰবন্ধৰ ক্ৰম


| | | |
|---|---|---|
| ১. | দুৰ্নীতি প্ৰতিৰোধ আৰু প্ৰতিকাৰ | ১ |
| ২. | অৰ্থনীতিৰ বিকাশ : সম্ভাৱনা আৰু অন্তৰায় | ৫ |
| ৩. | অসম বিশ্ববিদ্যালয় আৰু অসমীয়া ভাষা | ১১ |
| ৪. | বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শন | ১৪ |
| ৫. | কবিসকলৰ সামাজিক দায়বদ্ধতা | ১৬ |
| ৬. | সাহিত্যত প্ৰেম আৰু অশ্লীলতা | ২০ |
| ৭. | ইচ্ছা মৃত্যু আৰু আইনগত অধিকাৰ | ২৩ |
| ৮. | গোৱাৰ ঐতিহ্য আৰু পৰম্পৰা | ২৭ |
| ৯. | ৰাজনীতি আৰু মূল্যবোধ | ৩২ |
| ১০. | মূল্য বৃদ্ধি আৰু জনসাধাৰণৰ ওপৰত ইয়াৰ প্ৰভাৱ | ৩৫ |
| ১১. | প্ৰসংগ : তৰোৱাল বনাম কলম | ৩৯ |
| ১২. | সাংবাদিকতা আৰু বাতৰিকাকতৰ ভূমিকা | ৪২ |
| ১৩. | সামাজিক মূল্যবোধ আৰু বুদ্ধিজীৱীৰ ভূমিকা | ৪৫ |
| ১৪. | টকাৰ অৱমূল্যায়ন আৰু জাতীয় অৰ্থনীতি | ৪৯ |
| ১৫. | সমাজ ব্যৱস্থা আৰু শিক্ষাৰ মূল্যায়ন | ৫২ |
| ১৬. | অশান্ত অসমত শান্তিৰ সন্ধান | ৫৫ |
| ১৭. | খোৱা পানীৰ অভাৱ আৰু ফ্লু'ৰাইডৰ প্ৰভাৱ | ৫৯ |
| ১৮. | প্ৰসংগ : গীত আৰু গান | ৬৩ |
| ১৯. | বন্ধ-দুষ্কৃতি আৰু জাতীয় অৰ্থনীতি | ৬৭ |
| ২০. | ভূপেন হাজৰিকাৰ গীত আৰু ইয়াৰ মূল্যায়ন | ৭০ |
| ২১. | ব্লেক মানি আৰু অৰ্থনীতিত ইয়াৰ প্ৰভাৱ | ৭৪ |
| ২২. | বিজ্ঞান আৰু সমাজৰ আন্তঃক্ৰিয়া | ৭৮ |
| ২৩. | মৃত্যু : যৎকিঞ্চিৎ অনুভৱ | ৮১ |
| ২৪. | আধুনিক শিক্ষা ব্যৱস্থাৰ বিকাশ আৰু বিন্যাস | ৮৪ |
| ২৫. | জ্যোতিপ্ৰসাদৰ আদৰ্শ, বিশ্বাস আৰু প্ৰমূল্যৰ ধাৰণা | ৮৮ |

# দুৰ্নীতি প্ৰতিৰোধ আৰু প্ৰতিকাৰ

দুৰ্নীতি! ইয়াৰ অৰ্থ কু-নীতি, অসৎ নীতি, দুৰাত্মা, ন্যায়-বিৰুদ্ধ আচৰণ, কু-ব্যৱহাৰ ইত্যাদি যি ৰূপতে আত্মপ্ৰকাশ নকৰক কিয়, ইয়াৰ মূল ভেটি হৈছে অৰ্থনীতি। সাধাৰণতে জনজীৱনৰ লগত ধন-সম্পত্তি আদিৰ নীতি-বৰ্হিভূতভাৱে আত্মসাৎ কৰা প্ৰক্ৰিয়াটোক দুৰ্নীতি বুলি কোৱা হয়। এই দুৰ্নীতিৰ লগত সহবাস কৰিবলগীয়া পৰিস্থিতি এটাৰ উদ্ভৱ কেতিয়া আৰু কেনেকৈ হ'ব পালে, সেইটো চিন্তাৰ বিষয়।

প্ৰাচীন কালৰে পৰা দুৰ্নীতিৰ যোগেদি সা-সম্পদ আহৰণ কৰাটো এক প্ৰচলিত প্ৰথা ৰূপে গণ্য হৈ আহিছে। মধ্যযুগত অৰ্থৰ বিনিময়ত পদবী ক্ৰয়-বিক্ৰয় কৰাৰ কথা জনা যায়। তুৰ্কী সম্ৰাটসকলৰ শাসন কাল আৰু চীন দেশৰ চিয়াং কাইচেকৰ শাসন কালত মুক্তহস্তে উৎকোচ প্ৰদান আৰু গ্ৰহণ কৰাটো এক সামাজিক ৰীতিত পৰিণত হৈছিল। এটা সময়ত ৰোমত উৎকোচৰ নামত ধন সংগ্ৰহ কৰাটো এক প্ৰচলিত প্ৰথা আছিল।

পৰিবৰ্তনশীল সমাজৰ সাম্যবাদী স্তৰৰ পৰিসমাপ্তি আৰু দাসযুগ আৰম্ভ হোৱাৰ লগে লগে মানৱ সমাজত প্ৰথমে শ্ৰেণী বিভক্ত সমাজলৈ ৰূপান্তৰ ঘটে। এই যুগত সমাজৰ উৎপাদিকা শক্তিসমূহৰ বিকাশ আৰু এই উৎপাদিত সামগ্ৰীৰ ওপৰত সমাজৰ সকলো স্তৰৰ মানুহৰ সমস্বত্ব আৰু সমঅধিকাৰ ক্ৰমান্বয়ে লোপ পাবলৈ ধৰে। এক শ্ৰেণীৰ লোকে নিজৰ হাতত থকা এই উৎপাদিত উপায়সমূহৰ বলত সমাজৰ শ্ৰমজীৱী জনসাধাৰণৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ ধৰিলে। সমাজত এক শ্ৰেণীলোকে আন এক শ্ৰেণীৰ লোকক শোষণ কৰা আৰু শোষকসকলৰ ইচ্ছানুযায়ী পৰিচালনা কৰিব পৰা অৱস্থা এটা আহি পৰিল। ফলত, এই শ্ৰেণীবিভক্ত হৈ পৰা সমাজৰ দাস প্ৰথাই শোষক শ্ৰেণীটোক সম্পূৰ্ণ ৰূপে শাৰীৰিক শ্ৰমেৰে উৎপাদন কৰা কামৰ পৰা বিৰতি লাভ কৰিলে। অৰ্থাৎ কাম নকৰাকৈ ৰাহি উৎপাদন ভোগ কৰিব পৰা উদ্বৃত্তজীৱীৰ উদ্ভৱ হ'ল। আনহাতে, শাৰীৰিক শ্ৰম আৰু মানসিক শ্ৰমৰ বিভাজনত সমাজৰ আনটো শ্ৰেণীৰ বৃহৎসংখ্যক লোক সম্পূৰ্ণ ৰূপে শোষক শ্ৰেণীটোৰ অনুকম্পা হৈ পৰিল। ইয়াৰ দ্বাৰা কামৰ মাজেদি চিন্তাৰ সম্প্ৰসাৰণ আৰু বিকাশ ঘটাৰ সমস্ত প্ৰক্ৰিয়াটোৰ বিলুপ্তি ঘটিল।

## সামাজিক মূল্যবোধ আৰু বুদ্ধিজীৱীৰ ভূমিকা

মূলতঃ সমাজৰ এক শ্ৰেণীলোক জীৱন ধাৰণৰ উপাদানসমূহ শাৰীৰিক শ্ৰম নকৰাকৈয়ে সহজতে পোৱাৰ ব্যৱস্থা কৰা হ'ল। শোষিতসকলৰ মাজত শোষণ ব্যৱস্থাৰ প্ৰতি সহজতে আচ্ছন্ন কৰা মোহবোৰে সাধাৰণ মানুহৰ ধ্যান-ধাৰণা, ৰীতি-নীতি আদি সকলোতে কু-প্ৰভাৱ পেলাব ধৰিলে। ফলস্বৰূপে, এনেধৰণৰ স্বাৰ্থজনিত কাৰণত দুষ্কৃতি আৰু অপ-সংস্কৃতিৰ বাহন ৰূপত দুৰ্নীতিয়ে সমাজত গা কৰি উঠিবলৈ ল'লে। পৰৱৰ্তীকালত সামন্তযুগ আৰু ইয়াৰ পিছৰ পুঁজিবাদী যুগত এখন সমাজ গঢ়াৰ নামত শোষক-শাসকসকলৰ স্বাৰ্থ ৰক্ষাৰ আঁচনিসমূহে একেধৰণৰ দৃষ্টিভংগী আৰু নীতি গ্ৰহণ কৰি পৰস্পৰে এই দুৰ্নীতিৰ লগত সহবাস কৰিবলগীয়া পৰিৱেশ এটাৰ সৃষ্টি কৰিলে। সমাজৰ স্বাৰ্থ আৰু ব্যক্তি স্বাৰ্থৰ মাজত কোনো পাৰ্থক্য নথকা গণতান্ত্ৰিক দেশ এখনত দুৰ্নীতিয়ে মহামাৰী ৰূপত গা কৰি উঠাটো সাম্প্ৰতিক কালত বিশেষ তাৎপৰ্যপূৰ্ণ বহন কৰিছে।

সম্প্ৰতি ভাৰতবৰ্ষত অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক বিষয়ত দুৰ্নীতিয়ে অতি ঘৃণনীয় ৰূপত আত্মপ্ৰকাশ কৰিছে। ভাৰতৰ সংসদীয় গণতন্ত্ৰৰ পৰা আৰম্ভ কৰি জনসমাজৰ বিভিন্ন স্তৰলৈকে জনসাধাৰণৰ কল্যাণকামী আদৰ্শ সম্পূৰ্ণ ৰূপে বিসৰ্জন দি ৰাজনৈতিক চৰিত্ৰৰে ক্ষমতা আৰু ভোগ বিলাসত মতলীয়া হৈ পৰিছে। ঐতিহাসিক কালৰ পৰা আমাৰ দেশৰ সামাজিক ভেটি দুৰ্নীতিমুক্ত নহ'লেও স্বৰাজোত্তৰ কালত দুৰ্নীতিপৰায়ণ লোকৰ তৎপৰতা ক্ৰমান্বয়ে বৃদ্ধি পোৱাটো উল্লেখনীয়। ৰাজ্যখনৰ আমোলাতান্ত্ৰিক মন্ত্ৰী, বিষয়া-কৰ্মচাৰী, শিক্ষানুষ্ঠান, ব্যৱসায়-বাণিজ্য, অনুষ্ঠান-প্ৰতিষ্ঠান সৰ্বত্ৰতে আজি অবাধ আৰু অপ্ৰতিৰোধভাৱে দুৰ্নীতিয়ে দেশৰ চালিকাশক্তিৰ এটা নীতিৰ ভিতৰত স্থিতি গ্ৰহণ কৰিছে। আমাৰ সমাজৰ আঁহে আঁহে বদ্ধমূল হৈ পৰা দুৰ্নীতিৰ অংকুৰে সম্প্ৰতি ভাৰত, চীন, আমেৰিকা আদি পৃথিৱীৰ বিভিন্ন দেশলৈ বিয়পি পৰালৈ লক্ষ্য কৰি ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে সেয়ে কৈছিল— ইট্‌চ্ এ গ্লোবেল ফেন'মেনন।

কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ মতে চৰকাৰী চাকৰিয়ালে দুৰ্নীতি কৰি চৰকাৰৰ ৰাজহকে হজম কৰি পেলাইছিল। কৌটল্যাই এনে দুৰ্নীতিৰ ৪০ টা মান উদাহৰণ দিছে। সম্প্ৰতি সমাজৰ সৰ্বস্তৰৰ লোক দুৰ্নীতিত নিমজ্জিত। ৰাজনৈতিক নেতা-পালিনেতাকেধৰি প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, ৰাজ্যপালৰ নামলৈকে দুৰ্নীতিৰ তালিকাত অন্তৰ্ভুক্ত। সৌদিনা হৰ্ষদ মেহেতাই তদানীন্তন প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওক নন্দিয়াল সমষ্টিৰ নিৰ্বাচনৰ সময়ত এক কোটি টকা দিয়া বুলি কৰা বিষয়টোৱে সমগ্ৰ দেশতে আলোড়ন সৃষ্টি কৰিছিল। দেশৰ আইন কানুনৰ সুৰুঙাৰে দুৰ্নীতি ভ্ৰষ্টাচাৰত লিপ্ত এইসকল ৰাজনৈতিক নেতা, বিষয়া, আমোলাই নিজক সুৰক্ষিত

কৰি ৰখাটো উল্লেখনীয়। ইতিমধ্যে বিশ্বৰ কেইবাজনো প্ৰভাৱশালী ৰাষ্ট্ৰনেতা দুৰ্নীতি কৰাৰ অভিযোগত ক্ষমতা চ্যুত হৈছে কিন্তু ভাৰতবৰ্ষত ব'ফৰ্চ বন্দুকৰ কেলেংকাৰীৰ লগত জড়িত ঘটনাৰ বাবে দেশৰ বৈদেশিক মন্ত্ৰীগৰাকীক পদত্যাগ কৰিবলৈ বাধ্য কৰাৰ পৰিৱৰ্তে চৰকাৰে তুচ্ছ ঘটনা বুলিহে ক'বলৈ প্ৰয়াস কৰাটো তাৎপৰ্যপূৰ্ণ।

এক সমীক্ষা মতে আমাৰ দেশত প্ৰতিৰক্ষা মন্ত্ৰণালয়ে ২০ হাজাৰ কোটিৰ পৰা ৩০ হাজাৰ কোটি টকা ব্যয় কৰে কেৱল অস্ত্ৰ-শস্ত্ৰ, গুলী-বাৰুদ আদি ক্ৰয় কৰোঁতে। ইয়াৰ উপৰি পেট্ৰ'লিয়াম মন্ত্ৰণালয়ে প্ৰাকৃতিক গেছ, তেল আদি ক্ৰয় কৰাৰ ক্ষেত্ৰত ২০ হাজাৰ কোটি টকা, শক্তি বিভাগত ১০ হাজাৰ কোটি টকা, যাতায়াত আৰু পৰিবহন দপ্তৰত হাজাৰ হাজাৰ কোটি টকা ব্যয় কৰে। এই সন্দৰ্ভত ১৫ শতাংশৰ পৰা ৪০ শতাংশ কমিছন লোৱাটো এতিয়া স্বাভাৱিক কথা হৈ পৰিছে।

মেদিনী চৌধুৰীয়ে 'দুৰ্নীতি নিৰ্মূলকৰণ' প্ৰবন্ধটিত এইদৰে কৈছে— দুৰ্নীতিৰ লক্ষণসমূহৰ ভিতৰত মন কৰিবলগীয়া দুটা লক্ষণ হ'ল— ই প্ৰকাশ্যভাৱে আইন-শৃংখলাৰ সমস্যাৰ সৃষ্টি নকৰে; দুৰ্নীতি যেতিয়া সংঘটিত হয়, নিৰীহ, নিৰিবিলি পৰিৱেশ হয়। ইয়াৰ আনটো মন কৰিবলগীয়া লক্ষণ হ'ল ক্ষতিগ্ৰস্ত পৰাই ইয়াত আপোন ইচ্ছাৰে অংশগ্ৰহণ কৰে, সেইটো কাৰো ক্ষতি আশংকাত নহয়, লাভৰ আশাত। *(অগ্ৰদূত, ২ ছেপ্তেম্বৰ ১৯৯২)*

ভাৰতীয় গণতন্ত্ৰত দুৰ্নীতি পৰায়ণ আৰু ভ্ৰষ্টাচাৰীসকলকলৈ দুৰ্নীতি নিবাৰণ কৰাটো সম্প্ৰতি এক জটিল প্ৰশ্ন হৈ পৰিছে। মহাভাৰতৰ পোৱা যায় যে স্বয়ং ভগবান শ্ৰীকৃষ্ণও দুৰ্নীতিত লিপ্ত হৈছিল। কুৰুক্ষেত্ৰ ৰণত কৃষ্ণই পাণ্ডৱৰ পক্ষলৈ যুদ্ধ পৰিচালনা কৰিছিল। কিন্তু চৰ্ত আছিল শোৱাৰ পৰা চকু মেলিয়েই যাকে প্ৰথমে দেখিব, কৃষ্ণই তাৰেই পক্ষ ল'ব। দুৰ্যোধনে কৃষ্ণৰ মূৰৰ শিতানতে বহিছিল আৰু অৰ্জুনে কৃষ্ণৰ ভৰিৰ পথানত বহিছিল। কৃষ্ণই বুদ্ধি কৰিয়েই চকু মেলি ভৰিৰ পথানলৈ চাই অৰ্জুনক দেখা পোৱাৰ বাবেই অৰ্জুনৰ ফলীয়া হ'ল। এইদৰে নীতি বিসৰ্জন দি আৰু দুৰ্নীতিত নিবিড়ভাৱে আত্মসমৰ্পণ কৰি এনে এক আত্মঘাতীমূলক পৰিস্থিতিয়ে আমাৰ প্ৰাত্যহিক জীৱনক এক গভীৰ সংকটৰ ফালে দ্ৰুত গতিত ঠেলি দিয়ে অথচ কৌৰৱৰ লেখীয়া দুৰ্নীতিৰ পুতিগন্ধময় পংকিলতাৰ গুৰি শিপাডাল অন্বেষণ কৰি নিৰ্মূল কৰাত কৃষ্ণৰ নীতি বিসৰ্জন অপঘাতমূলক প্ৰক্ৰিয়াও যদি দুৰ্নীতি হয়, তেন্তে নিৰ্বিবাদে নিৰ্বিকাৰ চিত্তে নিৰ্লজভাৱে আঁকোৱালি ল'ব পৰা নীতিগত বস্তুটো নো কি? অনস্বীকাৰ্য যে আমাৰ সমাজত আজিও সৎ আৰু নিকা ভাবাপন্ন ব্যক্তিৰ অভাৱৰ উপক্ৰম হোৱা নাই। পৰিৱৰ্তনৰ ধুমুহাৰ

ছাটিয়ে ইয়াত সতকাই দিশ পৰিৱৰ্তন কৰাৰ ফলত দুৰ্নীতিৰ অক্টোপাছৰ আৱেষ্টনীত এইসকল আজি স্তব্ধ হৈ পৰিছে।

১৯৪৭ চনত দেশত দুৰ্নীতি ৰোধৰ নিমিত্তে এখন আইন প্ৰণয়ন কৰিছিল। সেই আইনৰ অধীনত ১৯৮১ চনৰ পৰা ১৯৮৭ চনৰ ভিতৰত ৩০০-৪০০ টা দুৰ্নীতিৰ গোচৰ পঞ্জীভুক্ত হৈছিল। কেৱল ১৯৯৪ চনত এই দুৰ্নীতিৰ গোচৰ পঞ্জীয়ন হৈছিল ২,১০৪ টা। এই পৰিসংখ্যাই দেশৰ সৰ্বস্তৰৰ লোক দুৰ্নীতিৰ জালত বন্দী তাকে প্ৰতিপন্ন কৰিলে। দেশত দুৰ্নীতি ৰোধ কৰা, হ্ৰাস কৰা আদিৰ ক্ষেত্ৰত চৰকাৰ বহুগুণে কঠোৰ আৰু দৃঢ় হোৱা উচিত। চৰকাৰৰ দুৰ্নীতি তদন্ত কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ অৰ্থে পূৰ্বৰ পৰাই থকা সংস্থাসমূহক নতুন ৰূপত সজাই তুলি পূৰ্বতকৈ অধিক শক্তিশালী আৰু সক্ৰিয় কৰি তুলিব লাগিব।

'দুৰ্নীতি ৰোধ কৰাৰ ক্ষেত্ৰত 'তথ্য জনাৰ অধিকাৰ আইন-২০০৫'ৰ কথা বিশেষভাৱে উল্লেখ কৰাৰ প্ৰয়োজন আছে। আচলতে ক'বলৈ গ'লে দুৰ্নীতি ৰোধ কৰাৰ বাবে এই আইনখন হৈছে এক নতুন অস্ত্ৰ। কিন্তু এই আইনখনত থকা বিভিন্ন বিধি-ব্যৱস্থা আৰু এই বিধি-ব্যৱস্থাৰ সহায়ত জনসাধাৰণে পালন কৰিবলগীয়া বা পালন কৰিব পৰা দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কত জনসাধাৰণৰ মাজত যেনে ধৰণেৰে প্ৰচাৰ-কাৰ্য চলাব লাগিছিল; তেনেধৰণেৰে প্ৰচাৰ-কাৰ্য চলোৱা এতিয়াও পৰিলক্ষিত হোৱা নাই।'

দুৰ্নীতি নিবাৰণত চৰকাৰ এখনৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। আমোলাতান্ত্ৰিক জটিলতা হ্ৰাস কৰাৰ লগতে দুৰ্নীতি নিৰ্মূল অভিযানৰ তৎপৰতা বৃদ্ধিৰ যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰিব লাগিব। এইক্ষেত্ৰত জনসাধাৰণৰো ঐকান্তিক প্ৰচেষ্টা এটাৰ প্ৰয়োজন আছে। এজন বিশিষ্ট সমালোচকৰ ভাষাত-এখন সুস্থ নিকা সমাজ গঢ়িবলৈ হ'লে প্ৰথমে প্ৰত্যেকৰ অন্তৰত ঘৃণাৰ ভাব জগাব পাৰিব লাগিব সেইটো হৈছে দুৰ্নীতি পৰায়ণ মানুহৰ প্ৰতি ঘৃণা।

*[১৭ মে ২০০৬]*

# অৰ্থনীতিৰ বিকাশ ঃ সম্ভাৱনা আৰু অন্তৰায়

সাম্প্ৰতিক দেশৰ ৰাজনৈতিক প্ৰেক্ষাপটত ৰাজনৈতিক স্বাধীনতাই যিমান গুৰুত্ব পাই আহিছে সেই অৰ্থত অৰ্থনৈতিক স্বাধীনতাই গুৰুত্ব লাভ কৰা নাই। প্ৰকৃতাৰ্থত, অৰ্থনৈতিক স্বাধীনতাৰ অবিহনে ৰাজনৈতিক স্বাধীনতাৰ বিশেষ কোনো গুৰুত্ব নাই বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। ৰাজনৈতিক স্বাধীনতাৰ প্ৰধান সহায়ক শক্তি হৈছে অৰ্থনৈতিক স্বাধীনতা। বৰ্তমান অসমৰ সামাজিক জীৱন নিশকটীয়া আৰু সংকটময় হোৱাৰ মূলতে হ'ল অৰ্থনৈতিক। অৰ্থনৈতিক বৈষম্যৰ অজুহাতত সমাজৰ দ্বন্দ্ব, সংঘাত আদিৰ সৃষ্টি হৈ আহিছে।

অৰ্থনৈতিক হীনাবস্থাৰ মূলতঃ দেশৰ সম্পদ সৃষ্টিৰ মনোনিৱেশৰ অভাৱ। দুখ-দৰিদ্ৰ আৰু অভাৱৰ তাড়নাত যন্ত্ৰণাকাতৰ মানসিক বিকাশৰ সামাজিক অৰ্থনৈতিক অনগ্ৰসৰতাই অপ্ৰত্যাশিতভাৱে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। এফালে পুঁজিৰ উচ্চ হাৰৰ সঞ্চয় আৰু আনফালে বৃহৎ বিনিয়োগৰ ফলত দেশত দেখা দিয়া নিম্ন স্তৰৰ জনমূৰি আয়ও সাধাৰণ জনতাক সমূলি স্পৰ্শ কৰিব পৰা নাই। ২০০২-০৩ বৰ্ষত অসমৰ জনমূৰি আয় আছিল ৬,২১১ টকা। আনহাতে মিজোৰাম, নাগালেণ্ড আৰু চিকিমৰ জনমূৰি আয় হ'ল ১০,০০০ টকা। উল্লেখ্য যে ২০০০ চনত অসমৰ দৰিদ্ৰতা অনুপাত আছিল ৩৬.৫৫ শতাংশ আনহাতে সৰ্বভাৰতৰ অনুপাত আছিল ২৬.১০ শতাংশ। অসমৰ দৰিদ্ৰতা দূৰীকৰণৰ ক্ষেত্ৰত আশানুৰূপ প্ৰগতি নোহোৱাৰ এখন ছবি ইয়াৰ দ্বাৰা দাঙি ধৰা দেখা যায়। আমাৰ দেশত উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ পৰিকল্পনাৰ লক্ষ্য আগত ৰাখি কেন্দ্ৰীভূত গাঁথনি, পঞ্চ বাৰ্ষিক পৰিকল্পনা, ৰাজহুৱা খণ্ড, বৈদেশিক ঋণ, সাহায্য, সহযোগিতা আদিৰ সমন্বয়ত এক সম্পূৰ্ণ উন্নয়নৰ ষ্ট্ৰেটেজী গ্ৰহণ কৰা হ'ল যদিও সঁচা অৰ্থত সাধাৰণ জনতাৰ আৰ্থিক বাস্তৱিক বিশেষ প্ৰতিফলিত কৰিব পৰা দেখা নগ'ল। এই অৰ্থনৈতিক ক্ষেত্ৰখনৰ লগত উৎপাদনমুখী আন্দোলন ঠন ধৰি উঠিব নোৱাৰাটো অন্যতম কাৰণ ৰূপে আজি চিহ্নিত হৈছে।

পৃথিৱীৰ দেশসমূহক উন্নত, উন্নয়নশীল আৰু অনুন্নত দেশ হিচাপে ভাগ কৰা হৈছে। উন্নত দেশসমূহৰ বছৰি ১০ শতাংশ ওপৰত উন্নয়ন হয়, কিন্তু অনুন্নত দেশসমূহৰ বাৰ্ষিক উন্নয়নৰ হাৰ হ'ল ১০ শতাংশৰ তলত। পৃথিৱীৰ প্ৰায় ৩০০ খন দেশৰ ভিতৰত ১৪১ খন দেশ উন্নয়নশীল, ১৫ খন উন্নত আৰু বাকীখিনি

অনুন্নত অৰ্থনীতিৰ। ভাৰতবৰ্ষ উন্নয়নশীল দেশৰ অংগ আৰু ইয়াৰ বাৰ্ষিক উন্নয়ন ২ শতাংশৰ পৰা ৩ শতাংশ। এক অৰ্থনীতি সমীক্ষা মতে এখন দেশৰ অৰ্থনীতি অনুন্নত হোৱাৰ কাৰণ হ'ল সেই দেশৰ লোকৰ ৭০ শতাংশৰ পৰা ৯০ শতাংশ কৃষি নিৰ্ভৰশীলতা। বৰ্তমান ভাৰতবৰ্ষ ধাৰত ওলমি থকা পৰিমাণ হ'ল ৫০ হাজাৰ কোটি টকা। অসমৰ ক্ষেত্ৰত এই পৰিমাণ হ'ল ১৪ হাজাৰ কোটি টকা। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিয়ে আগবঢ়োৱা সূত্ৰ অনুযায়ী উন্নয়নৰ হাৰ ২.৫ শতাংশ তললৈ নামি যাতে অৰ্থনীতিৰ প্ৰত্যাগমন নহয় এই কথাত চৰকাৰে গুৰুত্ব দিয়া উচিত।

বিশ্বায়ন প্ৰক্ৰিয়া পূৰ্বে অৰ্থাৎ ১৯৫১ চনৰ পৰা ১৯৯১ চনলৈকে ভাৰতৰ বৈদেশিক বাণিজ্যৰ মুঠ বৃদ্ধিৰ হাৰ আছিল মাত্ৰ ১৩ শতাংশ আৰু ১৯৯১-২০০১ চনৰ সময়ছোৱাত বছৰি এই বৃদ্ধিৰ হাৰ হৈছিল ৪৩ শতাংশ। ১৯৯০-৯১ চনত ভাৰতৰ ৰপ্তানিৰ পৰিমাণ আছিল ৭২ নিযুত টকা আৰু ২০০১-০২ চনত বৃদ্ধি পাই ৩,৮৩,২৫৬ নিযুত টকা হয়গৈ। অৱশ্যে যোৱা চাৰি বছৰত (২০০২-০৬) এই বৃদ্ধিৰ হাৰ কিছু হ্ৰাস পাই ২৪ শতাংশ হৈছে।

আভ্যন্তৰীণ পুঁজি গঠনৰ বাবে উৎপাদনশীলতা বৃদ্ধি অপৰিহাৰ্য। উৎপাদনশীলতা বৃদ্ধি হ'লে আয় বাঢ়ে, আয় বাঢ়িয়ে সঞ্চয় বাঢ়ে, সঞ্চয়ৰ ফলত পুঁজি গঠন হয়। গতিকে উৎপাদনশীলতা বৃদ্ধিৰ বাবে যথোপযুক্ত ব্যৱস্থা লোৱাটো সকলো পক্ষৰ পৰা নিত্যান্ত আৱশ্যক। এই বিষয়ত বিশেষ উদ্যোগ ল'ব পৰা গ'লে ৰাজ্যখনৰ অৰ্থনৈতিক স্বচ্ছল আৰু গতিশীলতা পাব বুলি আশা কৰিব পাৰি।

এই দেশৰ অৰ্থনৈতিক উদ্বৃত্ত ইংলেণ্ডলৈ কঢ়িয়াই লৈ যোৱাৰ পৰা আৰম্ভ কৰি স্বৰাজোত্তৰ কালৰ নিজৰ দায়িত্বশীল জাতীয় চৰকাৰ এখন থকাৰ পিছতো কেৱল ক্ষমতা আৰু শাসন ব্যৱস্থাক অত্যাধিক গুৰুত্ব দিয়াৰ ফলত দেশৰ অৰ্থনৈতিক উন্নয়নত বাধাপ্ৰাপ্ত হৈছে। দিল্লীৰ 'চেন্টাৰ ফৰ্ পলিচি অল্টাৰনেটিভ্' নামৰ সংস্থাটোৱে প্ৰস্তুত কৰা 'Left behind a case study of Assam' শীৰ্ষক সমীক্ষা মতে ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত পূৰ্বাঞ্চলত বিকাশৰ হাৰ পিছপৰা। বিগত সময়ছোৱাত ভাৰতৰ বিকাশৰ গড় আছিল ৫.৯৮ শতাংশ। ইয়াৰ ভিতৰত উত্তৰ-পূবত বিকাশৰ হাৰ আছিল ৪.৪৭ শতাংশ। আনহাতে অসমৰ অৰ্থনৈতিক বিকাশৰ হাৰ আছিল ২.৪৭ শতাংশ।

সৰ্বভাৰতীয় বিত্তীয় প্ৰতিষ্ঠানসমূহে অসমৰ প্ৰতি কৰা বৈষম্যমূলক দৃষ্টান্ত কেৱল এইটোৱে নহয়। ১৯৯৫-৯৬ চনত সৰ্বভাৰতীয় বিত্তীয় প্ৰতিষ্ঠানসমূহে বিনিয়োগ কৰা মুঠ ৩৭,০৬৯ কোটি টকাৰ ভিতৰত অসমৰ অংশ কেৱল ১২৭

কোটি টকা, যিটো মুঠ বিনিয়োগৰ মাত্ৰ ০.৩৪ শতাংশহে। ১৯৯১ চনৰ অৰ্থনৈতিক উদাৰীকৰণৰ আগৰ আৰু পিছৰ বিনিয়োগৰ প্ৰকৃতি পৰীক্ষা কৰিলেও অসমৰ ক্ষেত্ৰত এক বিপৰীতমুখী ছবিহে দেখা পোৱা যায়। ১৯৮৮-৯১ চনৰ প্ৰাক্ উদাৰীকৰণৰ কালছোৱাত অসমত উদ্যোগ প্ৰতিষ্ঠাৰ বাবে ভাৰত চৰকাৰে ৭৩খন আবেদন লাভ কৰিছিল; কিন্তু ১৯৯১ চনৰ আগষ্ট মাহৰ পৰা ১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ উদাৰীকৰণৰ পৰৱৰ্তী কালছোৱাত অসমত উদ্যোগ প্ৰতিষ্ঠাৰ বাবে কেৱল ৪৮ খন আবেদনহে পোৱা হয়, যিটো সময়ত মহাৰাষ্ট্ৰ, গুজৰাট, তামিলনাডু আদি ৰাজ্যসমূহে হাজাৰ হাজাৰ কোটি টকাৰ বিনিয়োগ লাভ কৰিবলৈ সক্ষম হৈছে। *(আমাৰ অসম, ১ জুন ২০০০)*

স্বৰাজোত্তৰ কালৰ পৰা উদ্ভূত জাতীয় আশা-আকাংক্ষাৰ উন্মেষনে অসমৰ ৰাইজক এখন সৰ্বাংগ সুন্দৰ সমৃদ্ধিশালী ৰাজ্যৰ প্ৰতিচ্ছবি দাঙি ধৰিব বুলি আশা কৰা হৈছিল। কিন্তু অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ বৈষম্যমূলক দৃষ্টান্তই ৰাজ্যিক অৰ্থনীতিৰ ওপৰত প্ৰত্যাশিতভাৱে প্ৰভাৱ পেলাবচাৰী আমাৰ ৰাজ্যখনে অৰ্থনৈতিক অবনতিৰ দিশতহে গতি কৰা দেখা যায়। দেশৰ ষাঠি বছৰীয়া পৰিকল্পনাৰ ইতিহাসে ৰাজ্যখনৰ বুনিয়াদী সা-সুবিধাসমূহক গঢ় দিব নোৱাৰাটো পৰিতাপৰ বিষয়। দেশৰ বাস্তৱ পৰিস্থিতিত অৰ্থনীতিৰ বহু আকাংক্ষিত পৰিবৰ্তন হৈছে যদিও অসমৰ জনসাধাৰণে সোণৰ অসম গঢ়াৰ ক্ষেত্ৰত সময়ে সময়ে নানান সমস্যাৰো সন্মুখীন হ'ব লগা হৈছে। ইয়াৰ অৰ্থনৈতিক উন্নয়নত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক কাৰণবোৰে বিশেষ বাধা প্ৰদান কৰি অহাটো উল্লেখনীয়। উন্নয়নৰ যথেষ্ট সম্ভাৱনা থকা সত্ত্বেও, সম্পদৰ যথোপযুক্ত ব্যৱহাৰ নোহোৱাৰ ফলত অসম আজিও উন্নতৰ পৰ্যায়ত উন্নীত হ'ব পৰা নাই।

অসম ঘাইকৈ তিনিবিধ প্ৰাকৃতিক সম্পদত চহকী— জল সম্পদ, তেল সম্পদ আৰু বনজ সম্পদ। ভাৰতৰ নদী সমষ্টিৰ ভিতৰত মুঠ জল সম্পদৰ পৰিমাণত ব্ৰহ্মপুত্ৰই সৰ্বাধিক যদিও জল সম্পদৰ আহৰণ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত এটা নগণ্য অংশহে ব্যৱহৃত হৈছে। জলসিঞ্চনৰ ক্ষেত্ৰটো দেশৰ ভিতৰতে সৰ্বনিম্ন স্থান পাইছে। এক চৰকাৰী পৰিসংখ্যা মতে অসমৰ মুঠ খেতিৰ এলেকাৰ ১৬ শতাংশহে পানী যোগানৰ ব্যৱস্থা আছে। কেন্দ্ৰীয় ভূজল পৰিষদৰ তথ্য অনুসৰি অসমৰ ভূগৰ্ভত বৰ্তমান ২,৭১৯ নিযুত ঘন মিটাৰ (মিলিয়ন কিউবিক মিটাৰ) পানী আছে। উত্তৰ-পূবৰ অন্য ৰাজ্যতকৈ সৰ্বাধিক। ইয়াৰোপৰি নদী-নাদ, খাল-বিল, জলাশয় আদিৰ কিন্তু অসমৰ ৩,৪৬০ লাখ হেক্টৰ কৃষি ভূমিৰ কেৱল ২১.১ শতাংশ কৃষি ভূমিত খেতিৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা আছে। স্বৰাজোত্তৰ কালত শতদ্ৰুত বুকুত স্থাপন কৰা ভাক্ৰা-ডামে পঞ্জাবৰ মৰুভূমি প্ৰায় অঞ্চলত এটা

সেউজ বিপ্লৱৰ সূচনা কৰাৰ উপৰি উত্তৰ প্ৰদেশ, হাৰিয়ানা আৰু ৰাজস্থানত জলসিঞ্চনৰ যোগান ধৰিবলৈ সক্ষম হৈছে। এই ভাক্রা-ডামৰ পৰা এহেজাৰ দুশ মেগাৱাট বিদ্যুৎ উৎপাদন কৰি কাষৰীয়া ৰাজ্যবোৰত বিজুলী সৰবৰাহ কৰাটো উল্লেখনীয়। ইয়াৰ উপৰি ঘেঁহু উৎপাদন বিষয়ত পঞ্জাবে বিশ্বৰ ভিতৰতে এখন শ্ৰেষ্ঠ কৃষি ক্ষেত্ৰ ৰূপে পৰিগণিত হৈছে। বৰঞ্চ অসমৰ অৰ্থনীতিৰ কৃষিয়েই হৈছে সকলো দিশৰ পৰা সৰ্বপ্ৰধান ক্ষেত্ৰ। ১৯৭৯-৮০ চনত কৃষি খণ্ডৰ অৱদান আছিল মাত্ৰ ৫৮ শতাংশ। বৰ্তমান এই কৃষি খণ্ডৰ পৰা আয় হয় কেৱল ৩৭ শতাংশ। ৰাজ্যখনৰ শ্ৰমিক গোষ্ঠীৰ ৬৪.৬ শতাংশ কৃষি কৰ্মত নিযুক্ত আৰু মুঠ জনসংখ্যাৰ ৭৭ শতাংশ কৃষিৰ ওপৰত নিৰ্ভৰশীল। মন কৰিবলগীয়া যে অসমৰ জল সম্পদৰ পৰা বিজুলী উৎপাদন কৰাৰ ওপৰত অসমৰ প্ৰগতি বহু পৰিমাণে নিৰ্ভৰ কৰিছে। অসমত জলবিদ্যুতৰ উৎপাদন যথেষ্ট সম্ভাৱনা থকা সত্ত্বেও ইয়াৰ বিপৰীতে ৰাজ্যখনত তুলনামূলকভাৱে বহু কম পৰিমাণৰ জলবিদ্যুৎ শক্তি উৎপাদিত হয়। ভাৰতবৰ্ষত বিজুলী শক্তিৰ উৎপাদনৰ হাৰ ২০০২ চনত ৪৩.৭৫ শতাংশ, ইয়াৰ বিপৰীতে অসমৰ হাৰ আছিল ৩৩ শতাংশ। এক চৰকাৰী তথ্য মতে অসমত ৬৭৪ মেগাৱাট জলবিদ্যুৎ উৎপাদনৰ সম্ভাৱনা আছে। ইয়াৰ বিপৰীতে ৰাজ্যখনত ৫৭৭.০৪ মেগাৱাট বিজুলীৰ ০.৩ শতাংশহে জলবিদ্যুৎ শক্তিৰ পৰা উৎপাদিত হয়।

ভূগৰ্ভস্থ খাৰুৱা তেল সম্পদত অসম এখন চহকী ৰাজ্য। এইবিধ সামগ্ৰীয়ে অসমৰ অৰ্থনীতিত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। অসমৰ তেল উদ্যোগৰ ইতিহাস পৃথিৱীৰ তেল উদ্যোগৰ সমকালীন যদিও অসমৰ অৰ্থনীতিত আশানুৰূপ প্ৰভাৱ পেলাব পৰা নাই। অসমত উৎপাদিত খাৰুৱা তেলৰ কেৱল ৩০ শতাংশহে ৰাজ্যখনৰ ভিতৰত শোধন কৰা হয় কিন্তু ইয়াৰ উৎপাদিত ৭০ শতাংশই বাহিৰলৈ পঠোৱা হয়। অসমত কেবাটাও তেল শোধনাগাৰ স্থাপন কৰা হৈছে যদিও এইবোৰৰ শোধন ক্ষমতা সীমিত। বঙাইগাঁও শোধনাগাৰত পলিষ্টাৰ সূতা তৈয়াৰ কৰা কেঁচামাল প্ৰস্তুত কৰা সুবিধাকণ আছে। অন্য শোধনাগাৰ কেইটাত খাৰুৱা তেলৰ পৰা পেট্ৰলিয়াম, কেৰাচিন আদিৰ বাহিৰে অন্যান্য সামগ্ৰী প্ৰস্তুত কৰিব পৰা সুবিধা নাই। খাৰুৱা তেলৰ ভিত্তিত আৰু খাৰুৱা তেলৰ উপ-সামগ্ৰীক ভিত্তি কৰি অন্য উদ্যোগ গঢ়ি উঠিবৰ সম্ভাৱনা অতি ক্ষীণ। আনহাতে উক্ত প্ৰাকৃতিক গেছৰ সদ্ব্যৱহাৰ নকৰি অসমৰ তেল উৎপাদন ক্ষেত্ৰত হাজাৰ হাজাৰ বৰ্গ মিটাৰ প্ৰাকৃতিক গেছ জ্বলাই পেলোৱা হৈছে। স্বাধীনতা লাভৰ পিছত দেশৰ অভ্যন্তৰীণ তেল উৎপাদনৰ ক্ষেত্ৰত অসমৰ লগতে সমান্তৰালভাৱে আগভাগ লোৱা গুজৰাটৰ অভাৱনীয় ৰূপান্তৰত তেল উদ্যোগেই হ'ল মূল উৎস।

সম্প্ৰতি গুজৰাটত শোধনাগাৰৰ ভিত্তিত এটা সুবিস্তাৰিত পেট্ৰোকেমিকেলচ প্ৰকল্প গঢ়ি উঠাৰ লগতে তেল আৰু তেলজাত সামগ্ৰীৰ ভেটিত সম্ভৱপৰ প্ৰায় সকলো উদ্যোগেই স্থাপিত হৈছে। ফলত তেল উদ্যোগে ৰাজ্যখনৰ আয়, নিযুক্তি আৰু ৰাজহৰ ক্ষেত্ৰত বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। অসমৰ শোধনাগাৰ কেইটাৰ পৰা আংশিকভাৱে হ'লেও এটা সম্ভাৱনা সৃষ্টি কৰিব পৰা গ'লে অসমৰ অৰ্থনীতিত আশানুৰূপ প্ৰভাৱ পেলাব বুলি ক'ব পাৰি।

এক সমীক্ষাত প্ৰকাশ পোৱা মতে অসমত স্থাপন কৰিবলৈ ওলোৱা গেছ ক্ৰেকাৰটোৰ পৰা ইথিলিন ৩ লাখ টন আৰু অক্সি এলকহলচ ৬,৫০০ টন বছৰি উৎপাদন হ'ব যিবিলাকৰ পৰা আকৌ ৰন্ধন সামগ্ৰী, গাৰ্হস্থ্য সামগ্ৰী, বৈদ্যুতিক সা-সৰঞ্জাম, বিমানত ব্যৱহাৰ কৰা বস্তু, বিভিন্ন ৰং, আঠা, ঔষধ, বিস্ফোৰক, অগ্নিনিৰ্বাপক আদি বস্তুৰ উৎপন্ন উদ্যোগ গঢ়িবলৈ সুবিধা পাব আৰু ২.৫ লাখ নিবনুৱাৰ কৰ্ম সংস্থান দিব পাৰিব।

বনজ সম্পদতো অসম চহকী। ইয়াৰ ২৬,১৩,০৫৮ হেক্টৰ মাটিত আৱৰি থকা বনাঞ্চলৰ বহুমূলীয়া গছ, বিভিন্ন জাতৰ চৰাই আদিৰে ভৰপূৰ। অসমৰ বাঁহ-বেত-পাটি আদিৰে বনোৱা সামগ্ৰীৰ সমাদৰ অতুলনীয়। অৱশ্যে ইয়াত উৎপন্ন হোৱা তৰা, পাটিদৈ, খাগৰী, বিৰিণা আদিৰ ভিত্তিত কোনো উদ্যোগ গঢ়ি উঠা নাই। বৰঞ্চ প্ৰাকৃতিক সম্পদক চহকী নোহোৱাকৈয়ো জাপান, দক্ষিণ কোৰিয়া, চিংগাপুৰ আদি দেশবোৰে আমদানীকৃত সম্পদৰ ওপৰত ভিত্তি কৰি এইবোৰৰ বৃহৎ ঔদ্যোগীকৰণ গঢ় লৈ উঠিছে। অসমত ইতিমধ্যে গঢ়ি উঠা বাঁহ, কাঠ, ৰবৰ আদিৰ নানা বিধ উদ্যোগৰ লগত স্থানীয় জনসাধাৰণৰ সম্পৰ্ক স্থাপন আৰু প্ৰয়োজনীয় সামগ্ৰী উৎপাদনৰ স্বাৰ্থত ইয়াৰ আনুষংগিক উদ্যোগ গঢ়ি তোলাৰ প্ৰয়োজন আছে।

কৃষিৰ নিম্নমানৰ উৎপাদন আৰু উৎপাদিত শক্তিৰ স্থবিৰতা কাৰণবশতঃ স্বাধীনতাৰ কেইবাটাও দশক অতিক্ৰম কৰাৰ পিছতো অসমৰ কৃষি খণ্ডত আশাপ্ৰদভাৱে উন্নীত হোৱা নাই। লগতে বিত্তীয় নাটনি, অনুন্নত বজাৰ ব্যৱস্থা, ভূমি আৰু শ্ৰম উৎপাদিকাৰ নিম্নমান, কৃষি সম্বন্ধীয় শিক্ষা আৰু দৃষ্টিভংগীৰ নিম্নমান, অনুপযুক্ত জলসিঞ্চন, ভূমিৰ উৎপাদিকা শক্তিৰ ক্ষয়ীকৰণ, নিয়োজিত কৃষি প্ৰযুক্তিৰ নিম্নমান ইত্যাদি ইয়াৰ অন্যতম কাৰণ বুলি ক'ব পাৰি।

ভাৰতৰ কৃষি আৰু গৱেষণা প্ৰতিষ্ঠানে সমগ্ৰ দেশত এটা সমীক্ষা চলাই উল্লেখ কৰিছে যে ভাৰতৰ কৃষি খণ্ডৰ দুটা দিশত দুৰ্বলতা আছে। প্ৰথমটো হ'ল— কৃষি খণ্ডৰ নিম্ন উৎপাদনশীলতা আৰু দ্বিতীয়টো হ'ল আন্তৰ্জাতিক পৰ্যায়ত কৃষি সামগ্ৰীৰ গুণগত মান উন্নত কৰা। উক্ত প্ৰতিষ্ঠানটোৱে মত প্ৰকাশ কৰা মতে

ভাৰতত উৎপাদিত কৃষি সামগ্ৰীৰ উৎপাদন ব্যয় যিহেতু যথেষ্ট কম গতিকে ভাৰতবৰ্ষই বিশ্ববজাৰ দখল কৰিবলৈ সক্ষম হ'ব। বৰ্তমান গ্ৰামোঞ্চলত যি দৰিদ্ৰতা নিবনুৱা তথা ছদ্মবেশী নিবনুৱাৰ সমস্যা আছে সেইবোৰ সম্পূৰ্ণকৈ সমাধান হৈ দেশখনৰ সৰ্বাংগীণ উন্নয়ন সম্ভৱপৰ হ'ব।

অসমৰ নিবনুৱা সমস্যা অতি ভয়াৱহ। ২০ লাখ নিবনুৱাক সংস্থান দিয়া চৰকাৰৰ বাবে সম্ভৱ নহয়। স্বনিয়োজিত যোজনাৰ দ্বাৰা এই সমস্যা দূৰ কৰাৰ সম্ভাৱনা আছে যদিও পথৰ সঠিক সন্ধান চৰকাৰে দিব নোৱাৰাৰ ফলস্বৰূপে অসমত নৱপ্ৰজন্মৰ অপৰিসীম পৰিশ্ৰম কৰিব পৰা ক্ষমতা থকা সত্ত্বেও এইক্ষেত্ৰত হতাশাহীন মনোভাৱ আৰু ত্যাগ স্বীকাৰ কৰাৰ মনোবৃত্তি ঠন ধৰি উঠিব পৰা নাই। সকলো সমস্যাৰে দুটা ৰূপ আছে। এটা নেতিবাচক আৰু আনটো ইতিবাচক। সকলো সমস্যাৰ নেতিবাচক দিশটোৰ উপৰি ইতিবাচক দৃষ্টিভংগী গ্ৰহণ কৰিব পৰা ক্ষমতা চৰকাৰৰ স্বৰূপাৰ্থত সঠিক আৰু কঠোৰ সিদ্ধান্ত ল'ব পৰা মানসিকতা থাকিব লাগিব। দেশৰ ভৱিষ্যতৰ অৰ্থনীতি পৰিকাঠামোক চিন্তিত কৰি চৰকাৰী পক্ষই প্ৰতিবছৰে ৰাজ্যখনৰ হাজাৰ হাজাৰ স্নাতক সমপৰ্যায়ৰ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰী, বিভিন্ন ব্যক্তিগত চৰকাৰী বিশ্ববিদ্যালয় শিক্ষানুষ্ঠানৰ পৰা ওলাই অহা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কৰ্ম নিয়োগৰ নতুন নতুন ক্ষেত্ৰসমূহ চিনাক্ত কৰি তেনে ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমৰ নতুন সূচী প্ৰস্তুত কৰাটো সময়োপযোগী বুলি গুৰুত্ব দিয়া উচিত।

উল্লেখ্য যে অসমৰ বিত্তীয় অৱস্থা অতি শোচনীয়। সম্প্ৰতি ১৪ হাজাৰ কোটি টকাৰ ধাৰ অসমৰ জনসংখ্যা ২ কোটি ৬০ লাখ মানুহৰ মূৰৰ ওপৰত বোজা জাপি দি অসমৰ বিত্তীয় অৱস্থা টনকিয়াল কৰিব খোজা হৈছে। অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত প্ৰাৰম্ভিকভাৱে দুটা ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰা প্ৰয়োজন আছে— প্ৰথমতে, চৰকাৰী খৰচৰ পৰিমাণ অৰ্থাৎ 'অনুৰ্বৰা খৰচ' (Unproductive Expenses)ৰ পৰিমাণ কমাই আনিব লাগিব। দ্বিতীয়তে, ৰাজহ বৃদ্ধিৰ বাবে প্ৰশাসনীয় পৰিকাঠামো সুদৃঢ় কৰি তুলিব লাগিব।

*[২২ মে ২০০৬]*

# অসম বিশ্ববিদ্যালয় আৰু অসমীয়া ভাষা

শিলচৰস্থ অসম বিশ্ববিদ্যালয়; ই অসমৰ মানুহৰ বিদ্যায়তনিক আৰু বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ এক অন্যতম প্ৰতিষ্ঠান। ইতিমধ্যে এটা দশক জুৰি উক্ত বিশ্ববিদ্যালয়খনে বিদ্যায়তনিক দিশত নিজস্ব ভূমিকা পালন কৰি আহিছে। ইয়াৰ এফিলিয়েশ্যন বৰাক উপত্যকাতে সীমাবদ্ধ হৈ থকা নাই। ইয়াৰ পৰিসীমা সমগ্ৰ অসম জুৰি বাহাল ৰাখিছে। উক্ত বিশ্ববিদ্যালয়খনৰ জন্মলগ্নতে অসম বিশ্ববিদ্যালয় আইন ১৯৮৯ৰ কেতবোৰ দফা সংশোধন কৰাৰো অৱকাশ নথকা নহয়। উল্লেখ্য যে অসম বিশ্ববিদ্যালয় আইন ১৯৮৯ৰ ৬ নং ধাৰাৰ ২ নং অনুসৰি অসমৰ কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ, উত্তৰ কাছাৰ পাৰ্বত্য জিলা আৰু কাৰ্বি আংলং জিলাৰ সকলো মহাবিদ্যালয় শিলচৰৰ উক্ত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধীনস্থ আৰু স্বীকৃতিপ্ৰাপ্ত। সেইমতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত কাৰ্বি আংলং জিলাৰ ১, উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ ১, কাছাৰৰ ৭, কৰিমগঞ্জৰ ৪ আৰু হাইলাকান্দিৰ ১ মুঠ ১৫খন মহাবিদ্যালয়, এখন আইন মহাবিদ্যালয় আৰু কেইবাখনো ভেন্চাৰ মহাবিদ্যালয় শিলচৰৰ উক্ত বিশ্ববিদ্যালয়ৰ অধীনস্থ হৈছে। লগতে ৬ নং ধাৰাৰ ৩ নং দফা অনুসৰি আন ঠাইত থকা মহাবিদ্যালয়ো উক্ত বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰিব। এইক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰকাশ কৰা এক বিজ্ঞপ্তি মতে ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক অখণ্ডতাৰ পৰা কোনো মহাবিদ্যালয় হস্তান্তৰ কৰিবলৈ হ'লে এই দুখন বিশ্ববিদ্যালয়ৰ সন্মতি অবিহনে কোনো শিক্ষানুষ্ঠান বা বিশ্ববিদ্যালয় দুখনৰ নিয়ন্ত্ৰণৰ পৰা উক্ত বিশ্ববিদ্যালয়খনলৈ স্থানান্তৰ কৰিব নোৱাৰিব বুলি কৈছে। আনপিনে, ১ নং দফা অনুসৰি উক্ত বিশ্ববিদ্যালয়ৰ পৰিসীমা সমগ্ৰ অসম জুৰি বাহাল ৰাখিছে।

কথা হ'ল, অসমৰ ডিব্ৰুগড়, গুৱাহাটী দুখন বিশ্ববিদ্যালয় আৰু তেজপুৰত আন এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত কৰি ইয়াৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ পিছতো ৬ নং ধাৰাৰ ২ নং দফামতে কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ সকলো মহাবিদ্যালয় শিলচৰৰ উক্ত বিশ্ববিদ্যালয়ৰ অধীনস্থ কৰি ইয়াৰ পৰিসৰ আকৌ সমগ্ৰ অসম কৰাৰ

যুক্তিযুক্ততা ক'ত সেইটো চিন্তাৰ বিষয়। এইক্ষেত্ৰত অসম বিশ্ববিদ্যালয়ৰ চৰিত্ৰ 'নন এফিলেটিং' কৰাৰ দাবীৰ যুক্তিযুক্ততাও নথকা নহয়। আনকি বৰাক উপত্যকাতে উক্ত বিশ্ববিদ্যালয়ৰ এফিলিয়েশ্যন সীমাবদ্ধ নকৰি ইয়াৰ পৰিসীমা সমগ্ৰ অসম জুৰি বাহাল থাকিলে অদূৰ ভৱিষ্যতে বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ গতিশীলতাত স্থবিৰতাই দেখা দিয়াৰো সম্ভাৱনা আছে। গুৱাহাটী বিশ্ববিদ্যালয়ে জনজাতীয় অঞ্চলত ইংৰাজী মাধ্যমত স্বীকৃতি দিছে যদিও এইক্ষেত্ৰত কাৰ্বি আংলং জিলাখনৰ মহাবিদ্যালয়সমূহ উক্ত অসম বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত হোৱাত ৰাজ্যখনৰ বিদ্যায়তনিক দিশত এক গুৰুত্বপূৰ্ণ বিষয় ৰূপে বিবেচিত হৈছে। ভাষা ভিত্তিক গঠিত অসম ৰাজ্যত উক্ত বিশ্ববিদ্যালয়খনৰ ভাষাগত মৰ্যাদা অটুট ৰখাৰ গুৰু দায়িত্বৰ প্ৰশ্ন আজি আহি পৰিছে। উক্ত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ ভিতৰত বঙালী, হিন্দী, পাৰ্চী, মণিপুৰী, আৰবী আদি ভাষা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাদান কৰিবলৈ সিদ্ধান্ত বাহাল আছে যদিও অসমীয়া বিষয়টো অন্তৰ্ভুক্ত নোহোৱাত ৰাজ্যখনৰ বিভিন্ন মহলত গভীৰ উদ্বেগ প্ৰকাশ পাইছে।

১৯০৭ চনলৈকে কলকাতা বিশ্ববিদ্যায়লৰ বি.এ. শ্ৰেণীত অসমীয়া বিষয় পাঠ্য হিচাপে অন্তৰ্ভুক্ত হোৱা নাছিল। সেইসময়ত কটন কলেজৰ অধ্যক্ষ চুড়্মাৰ্চন চাহাবৰ নিৰ্দেশ মতে পদ্মনাথ গোহাঁইবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ে প্ৰস্তুত কৰি দিয়া এটা টোকাৰ বাবেই কলকাতা বিশ্ববিদ্যালয়ে ১৯০৭ চনত অসমীয়া বিষয়টোক বি.এ. শ্ৰেণীৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিবলৈ বাধ্য হয়। ইয়াৰ আগত ১৮৫৩ খ্ৰীষ্টাব্দত অসমৰ অৱস্থাৰ বিষয়ে অনুসন্ধান কৰিবলৈ অহা মোফাট্ মিলচ্ চাহাবৰ হাতত আনন্দৰাম ঢেকিয়াল ফুকনে অসমৰ ৰাজহ উৎপন্ন বস্তু, আৰ্থিক অৱস্থাৰ লগতে ১৮৩৬ চনত গ্ৰাস কৰা বঙলা ভাষাৰ ঠাইত অসমত অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা কৰা সপক্ষে এটি টোকা অৰ্পণ কৰিছিল। অসমৰ আদালত আৰু পঢ়াশালিবোৰত বঙলা ভাষা জাপি দিয়াৰ অযুক্তিকতা আৰু বিষময় পৰিণামৰ কথা বৰ্ণনা কৰি ঢেকিয়াল ফুকনে ১৯৫৫ চনত 'A Few Remarks on Assamese Language' নামৰ এখনি পুস্তিকা লিখি প্ৰকাশ কৰিছিল। ফলত ১৯৭৩ চনত লেফ্‌টেনেন্ট গৱৰ্ণৰে অসমৰ আদালত আৰু পঢ়াশালিবোৰৰ পৰা বঙলা ভাষা উঠাই দি তাৰ ঠাইত অসমীয়া ভাষা পুনৰ প্ৰচলন কৰিবলৈ আদেশ জাৰি কৰে। পৰবৰ্তী কালত ভাৰতবৰ্ষৰ উচ্চ শিক্ষানুষ্ঠানসমূহত ১৯৩৫ চনৰ পৰা ১৯৩৭ চনলৈকে এই ইংৰাজী শিক্ষাৰ মাধ্যম ৰূপে প্ৰবৰ্তন হৈছিল।

ফলত পৰীক্ষাত মাতৃভাষাৰ বাহিৰে আন বিষয়ৰ প্ৰশ্নোত্তৰ মহাবিদ্যালয় পৰ্যায়লৈকে ইংৰাজীত লিখিব লগা হোৱাত মাতৃভাষাৰ বিকাশত বাধা জন্মে। ১৯৪৮ চনত ৰাধাকৃষ্ণন শিক্ষা আয়োগে ভাষাৰ লগত শিক্ষাৰ নিবিড় সম্পৰ্কৰ

কথা গভীৰভাৱে উপলব্ধি কৰি আঞ্চলিক ভাষা উচ্চ শিক্ষাৰ মাধ্যম হিচাপে মৰ্যাদা পাব লাগে বুলি পৰামৰ্শ আগবঢ়ায়। কিন্তু ১৯৬০ চনত ভাষা আন্দোলন আৰু ১৯৭২ চনত মাধ্যম আন্দোলনে অসমৰ জাতীয় জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়। ১৯৬৭-৬৮ চনত কেন্দ্ৰীয় চৰকাৰে এক ৰাষ্ট্ৰীয় শিক্ষানীতি ঘোষণা কৰি প্ৰত্যেক ৰাজ্যৰে আঞ্চলিক ভাষাই উচ্চ শিক্ষাৰ মাধ্যম হিচাপে মৰ্যাদা পাব লাগে বুলি স্পষ্ট মত দাঙি ধৰিছিল। ১৯৮৮ চনত কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া কোঠাৰী আয়োগেও মাতৃভাষাৰ বিকাশৰ ওপৰত গুৰুত্ব দিছিল। মাতৃভাষাৰ সৰ্বাংগীণ বিকাশ হোৱাটো গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰি ১৯৫৬ চনত অৰুণাচলত হিন্দী ভাষা প্ৰয়োগ কৰিবলৈ বিচৰাত উক্ত ৰাজ্যখনৰ জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলে অসন্তুষ্টি প্ৰকাশ কৰি তদানীন্তন ৰাজ্যপালক স্মাৰকপত্ৰ দিয়াটো এইক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ। প্ৰাচীন কালৰে পৰা অৰুণাচল, নাগালেণ্ড, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আদি জনগোষ্ঠীসমূহৰ সংযোগী ভাষা ৰূপে অসমীয়া ভাষাই প্ৰাধান্য লাভ কৰি আহিছে।

মন কৰিবলগীয়া যে কাৰ্বি আংলং জিলাৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়েই অসমীয়া মাধ্যমত পঢ়া। একমাত্ৰ ডিফু চৰকাৰী মহাবিদ্যালয়খনত ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰী আছে যদিও প্ৰায়বিলাক ছাত্ৰ-ছাত্ৰী অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰা অহা। একমাত্ৰ ডিফু চৰকাৰী কলেজখনতো প্ৰায় বিলাক ছাত্ৰ-ছাত্ৰী অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পৰা অহা। মুখ্যতঃ কাৰ্বি আংলং জিলাখনৰ মানুহখিনিও অসমীয়া ভাষাটোক সংযোগী ভাষা হিচাপে ব্যৱহাৰ কৰি আহিছে। উক্ত সংযোগী ভাষাটোৰ লগত সম্পৰ্ক ৰক্ষা কৰি অহা জিলাখনৰ ছাত্ৰ-ছাত্ৰীসকল আজি অসমীয়া ভাষাটোৰ বাবেই অসম বিশ্ববিদ্যালয়ৰ পৰিবৰ্তে গুৱাহাটী নতুবা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শৰণাপন্ন হ'ব লগা হৈছে। অসমীয়া বিষয়টোৰ অবিহনে ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশত প্ৰতিবন্ধকতাই দেখা দিয়াৰ লগতে খিলঞ্জীয়া মানুহখিনিক অসমৰ মূল সুঁতিৰ পৰা আঁতৰাই নিয়াৰ থল নথকা নহয়। অসমত অসমৰ মানুহখিনিয়ে অসমীয়া আপোন মাতৃৰ নিজ মাত কথাৰে সদায় ব্যৱহাৰ কৰি থকা আৰু লিখা-পঢ়া কৰিবৰ বাবে ভাষা ভিত্তিক গঠিত অসম ৰাজ্যত এতিয়া অসমীয়া ভাষাটোক উক্ত বিশ্ববিদ্যালয়ত চৰকাৰে মৰ্যাদা দি ইয়াৰ সমষ্টি বা সংহতিৰ মিলন ক্ষেত্ৰত অসমৰ মূল সুঁতিৰ সম্প্ৰীতি আৰু সৌহাৰ্দক অধিক দৃঢ়তৰ কৰাৰ প্ৰয়োজন আছে। এইক্ষেত্ৰত 'অসমীয়া ভাষা অসমত ৰাজ্য ভাষা নহৈ মহাৰাষ্ট্ৰত হ'ব নেকি' বুলি ভাৰতৰ তদানীন্তন ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদে কোৱা কথাষাৰ স্মৰণযোগ্য।

*[৫ জুন ২০০৬]*

# বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শন

বিষ্ণুপ্ৰসাদ ৰাভা—বহুমুখী প্ৰতিভাৰ এক আঁকৰ স্বৰূপ। বিষ্ণুপ্ৰসাদ ৰাভা কি নাছিল? একেধাৰে বিপ্লৱী নায়ক, গায়ক, গীতিকাৰ, সুৰকাৰ, উদাৰ, চিত্ৰকৰ, নৃত্যবিদ, নৃতত্ত্ববিদ, বোলছবিকাৰ ইত্যাদি। মানুহজন কমিউনিষ্ট আছিল অথচ ফেনাটিক নাছিল। জনজাতি কিন্তু উগ্ৰজাতিয়তাবাদী নাছিল। সদায় 'বৰ অসম'ৰ কথাকে কৈছিল। সুৰৰ টোপোলাবোৰ বুটলি আনি নিজৰ মনকোঁহত ভৰাই লৈ সেই মনকোঁহত ৰহঘৰা, মৌচাক সাজি তাৰ পৰা নিজৰি নিজৰি ৰহঘৰা, মৌৰসৰ টোপোলাবোৰ তেওঁ বিলাই দিছিল। জনমুখী দৃষ্টিভংগীৰ বাবেই বিষ্ণুপ্ৰসাদ ৰাভাৰ এই জনপ্ৰিয়তা। বিষ্ণুপ্ৰসাদ ৰাভাৰ ব্যক্তিত্ব সমন্বয়ৰ প্ৰতীক। তেওঁৰ বহুমুখী সৃষ্টিৰাজীয়েই অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰেৰণাৰ উৎস। অসমৰ বিভিন্ন জাতিসত্তাৰ সমবিকাশ, সম অধিকাৰ, সামাজিক ন্যায় আৰু অৰ্থনৈতিক মুক্তিৰে এখন সমন্বয়াত্মক অসমীয়া সমাজ গঢ়াৰ কথা তেওঁ চিন্তা কৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাই আমাক কিনো দিলে কোৱাতকৈ বিষ্ণুপ্ৰসাদ ৰাভাই আমাক কিনো দিয়া নাই বুলিহে ইয়াৰ এক সুস্থ বিশ্লেষণ হোৱা উচিত।

বিষ্ণুপ্ৰসাদ ৰাভাৰ সৃজনশীলতাক নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে স্বৰূপাৰ্থত অসমৰ সাংস্কৃতিক বুৰঞ্জীৰ গৱেষণামূলকভাৱে পাব পৰা সমল বহুত আছে। তেওঁ মাৰ্ক্সীয় দৰ্শনত দীক্ষিত হৈ সাম্যৰ কথা চিন্তা কৰিছিল। তেওঁৰ আছিল ইতিহাসৰ দিশ নিৰ্ণয়ত গঢ় লোৱা এক বস্তুনিষ্ঠ আৰু বিজ্ঞানসন্মত দৃষ্টিভংগী। পিষ্ট-ক্লিষ্ট, নিপীড়িত, নিৰ্যাতিত, উপবাসী, কাৰাবাসী, অন্নহীন আদি শব্দৰে ৰাভাৰ ৰচনাৱলী সমৃদ্ধ। এখন শ্ৰেণীহীন সমাজ গঠন কৰাই আছিল ৰাভাৰ অভিনৱ দৰ্শন। বুৰ্জোৱা, প্ৰতিক্ৰিয়াশীল শাসক শ্ৰেণীক উচ্ছেদ কৰি নিপীড়িত, শোষিত কৃষক মজদুৰ জনসাধাৰণৰ প্ৰগতিশীল আন্তৰ্জাতিক মনোভাৱক জাতীয়তাবাদৰ ভেটিত প্ৰতিষ্ঠা কৰাটোৱে ৰাভাৰ কৰ্মজীৱনৰ নিদৰ্শন স্বৰূপ আছিল। এইক্ষেত্ৰত তেওঁ আৰ্থ-সামাজিক পৰিবৰ্তন জনতাৰ সংস্কৃতি বুলি কৈছিল। এই জনতাক সাংস্কৃতিকভাৱে ঐশ্বৰ্যশীল কৰি তুলিবলৈ তেওঁ সমাজত বৈপ্লৱিক চেতনাই গা কৰি উঠিব লাগিব বুলি আহ্বান জনাইছিল। এহাতে ষ্টেনগান আৰু আনখন হাতৰে ক্ষুৰধাৰ লেখনিৰে ৰাভাই সংহতি আৰু বিদ্ৰোহৰ আঁত ধৰিছিল। অৰ্থাৎ এফালে অমানবীয়তাৰ বিৰুদ্ধে পুঞ্জীভূত ক্ষোভ আৰু আনফালে সৃষ্টিৰ স্বপ্ন!

## বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন দৰ্শন

বিষ্ণুপ্ৰসাদ ৰাভাৰ মতে খোৱা, পিন্ধা আৰু থকা এই তিনিটা মানুহৰ প্ৰধানত মৌলিক সমস্যা। যাৰ কাৰণে ৰাজনীতি, অৰ্থনীতি আদিৰ জন্ম। মুখ্যতঃ এই তিনিটা সমস্যা সমাধান কৰিব নোৱাৰিলে ৰাজনীতি অৰ্থহীন। অৰ্থনৈতিক স্বাধীনতা লাভ কৰিব নোৱাৰা ভাৰতবৰ্ষৰ স্বাধীনতা সেইবাবেই 'ইয়ে আজাদী ঝুথা হ্যায়' বুলি বিষ্ণুপ্ৰসাদ ৰাভাই প্ৰতিপন্ন কৰি কৈছে। সম্প্ৰতি অসমৰ প্ৰায়বোৰ জনগোষ্ঠী, অনুষ্ঠান, প্ৰতিষ্ঠান আদিয়ে ৰাজনৈতিক মতবাদক বাদ দি হ'লেও বিষ্ণুপ্ৰসাদ ৰাভাক আঁকোৱালি লোৱা দেখা গৈছে। ১৯৬২ চনত চীন-ভাৰত সংঘৰ্ষত চীনাপন্থী বুলি গ্ৰেপ্তাৰ কৰি কঁকালত গৰু বন্ধা পঘা লগাই তেজপুৰ চহৰৰ ৰাজপথেদি যি চৰকাৰে বিষ্ণুপ্ৰসাদ ৰাভাক গৰু টনা দি টানি লৈ গৈ ছয়মাহ কাল উৰিষ্যাৰ জেলত বন্দী কৰি ৰাখিবলৈ কুণ্ঠাবোধ কৰা নাছিল, আজি সেই চৰকাৰে বিষ্ণুপ্ৰসাদ ৰাভা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালন কৰিবলৈ লোৱা দেখা গৈছে।

পলমকৈ হ'লেও বিষ্ণুপ্ৰসাদ ৰাভাক চিনিবলৈ আৰু তেওঁৰ আদৰ্শৰ লগত পৰিচিত হ'বলৈ চেষ্টা কৰাটো অসমৰ বাবেই শুভলক্ষণ বুলি ক'ব লাগিব। কিন্তু সাম্প্ৰতিক সময়ত বিষ্ণুপ্ৰসাদ ৰাভাৰ সৃষ্টিশীলতাকলৈ ৰাজ্যখনৰ বিভিন্ন দৃষ্টিকোণে যি টনা-আঁজোৰা চলোৱা আৰম্ভ কৰিছে, সেইটো ধৃষ্টতা স্বৰূপ হৈ পৰিছে। সমাজতন্ত্ৰত বিশ্বাসী বিপ্লৱী বিষ্ণুপ্ৰসাদ ৰাভাক হাতত ষ্টেনগান লৈ যুঁজাৰ কাৰণেই ৰাভাৰ আদৰ্শক পেটি-বুৰ্জোৱা আখ্যা দি প্ৰকৃত মূল্যায়নেৰে স্মৰণ কৰা নুবুজায়। বিষ্ণুপ্ৰসাদ ৰাভাৰ ব্যক্তিগত অভিজ্ঞতা আৰু উপলব্ধিৰ লগত সমসাময়িক সাম্যবাদী দলৰ অনুসৃত নীতিৰ বিৰোধ উপেক্ষা কৰিব নোৱাৰি। ভাৰতবৰ্ষৰ সাম্যবাদী আন্দোলনৰ কমৰেড ৰাভাই ৰুচ বিপ্লৱত লু-চুনৰ দৰে সমুজ্জ্বল চৰিত্ৰই বিশিষ্ট কৰিব নোৱাৰিলে যদিও ভাৰতীয় সাম্যবাদী আন্দোলনত বিষ্ণুপ্ৰসাদ ৰাভাই দি থৈ যোৱা সেই বিশিষ্ট প্ৰতিভা উত্তৰ পুৰুষৰ বাবে চিৰদিন প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

উল্লেখ্য যে প্ৰতিক্ৰিয়াশীল বিদেশী চৰকাৰে প্ৰদান কৰা পৈত্ৰিক সম্পত্তি এশ বিঘা মাটি অকাতৰে কপৰ্দকহীনভাবে ৰাইজৰ বাবেই এৰি দিয়া মহান সত্ত্বা বিষ্ণুপ্ৰসাদ ৰাভা এক তুলনাহীন ব্যক্তিত্ব। শ শ বিঘা মাটি অধিগ্ৰহণ কৰি সাম্যবাদী আদৰ্শৰে বিষ্ণুপ্ৰসাদ ৰাভাক পূজা কৰা সতীৰ্থ আজি আমাৰ সমাজত অনেকজন আছে। কিন্তু বিষ্ণুপ্ৰসাদ ৰাভাৰ এই ত্যাগ আৰু আদৰ্শৰ অনুগামী বৰ্তমান কেইজন ওলাব তাত সন্দেহ আছে। এইক্ষেত্ৰত বিষ্ণুপ্ৰসাদ ৰাভাৰ আদৰ্শ শিৰোগত কৰি আদৰ্শগত সংগ্ৰাম কেনেদৰে আগুৱাই নিব সেইটোত আজিও নতুন পুৰুষে চিন্তা কৰাৰ অৱকাশ নথকা নহয়। আমি পাহৰা উচিত নহয় যে ৰাভাৰ বিপ্লৱী দৰ্শনেই সংগ্ৰাম আৰু সংহতিৰ পথ। এই পথেৰে বিষ্ণুপ্ৰসাদ ৰাভাৰ চিন্তাধাৰা আৰু আদৰ্শৰ সুস্থ বিশ্লেষণ হওক।

*[১১ জুন ২০০৬]*

# কবিসকলৰ সামাজিক দায়বদ্ধতা

(এক)

কবিয়ে কবিতা নিলিখি নোৱাৰে। কবিতা হ'ল কবি প্ৰাণৰ তীব্ৰ অনুভূতি প্ৰকাশ। তীব্ৰ অনুভূতিবশতঃ কথা কোৱা গাঁৱলীয়া মানুহৰ মাতো আনকি সুন্দৰ কবিতা হয় বুলি ৱৰ্ডচৱৰ্থে কৈছে। কবি সমাজৰ অতীব সচেতন বিন্দু। এই বিন্দুত সমাজৰ মানসিক বৃদ্ধি নিৰ্ণীত হয়। কবি স্বৰূপ প্ৰকৃতিয়েই হ'ল তেওঁ সকলোতে জীৱন্ত। কবিতাৰ সংজ্ঞা দিবলৈ গৈ মেথ্যু আৰ্নল্ডে সেয়ে কৈছে— Poetry is the criticism of life. আৰু অতিশয় চেতনা চঞ্চল হোৱাৰ বাবেই কবিসকল 'Social barometer' স্বৰূপ। 'Social barometer' স্বৰূপ কবিসকলক শ্যেলীয়ে এবাৰ কৈছিল— Poets are the unrecognized legislators of mankind.

কিছুমানে কয়— As civilization advances, poetry declines. চিদনিৰ মতে কবিয়ে কাব্যত পৃথিবীৰ হুবহু প্ৰতিচ্ছবি তুলি নধৰে। তেওঁ এখন আদৰ্শ পৃথিবীৰ কথাহে কয়। এই আদৰ্শ পাঠকে গ্ৰহণ কৰে। নতুন কবিতা ভিত্তি নতুন তাৎপৰ্যৰ ওপৰত প্ৰতিস্থাপিত। অকল ৰচনা পদ্ধতিয়ে নতুনত্ব প্ৰদান নকৰে। এইক্ষেত্ৰত শ্যেলীয়ে কোৱা কথাষাৰ তাৎপৰ্যপূৰ্ণ— The idea first the world next. মিল্টনে কৈছিল— Poetry should be simple, Sensuous and sublime. ইংৰাজ কবি জন কীটচে কৈছিল— Poetry should please us by a fine excess. মানুহৰ হৃদয়ক বস্তু আৰু পদাৰ্থৰ লগত ভাবাৰ্থত দ্ৰবীভূত কৰিব পৰা শক্তিকণ হ'ল কবিতাৰ ৰস। ৰসে অন্তৰৰ সুখ-দুখৰ আনন্দ জন্মায়। জন্ কীটচে সেয়ে হয়তো শ্যেলীক কৈছিল— কবিয়ে বিষয়বস্তুৰ প্ৰত্যেকটো ফাঁকতে যিমান পাৰি সিমান ৰস ভৰাই দি ওপচাই পেলাব লাগে। সেই বুলিয়েই নৈতিকতাৰ লগত সম্পৰ্ক বিহীনভাৱে কেৱল ৰস সৃষ্টি কৰাই কবিৰ উদ্দেশ্য হ'ব নোৱাৰে। এই সম্পৰ্কে ইংৰাজ সাহিত্যিক জি. কে. চেষ্টাৰটনৰ ভাষাত—

**There must always be a moral said for any great aesthetic growth. The principle of Art for Arts sake is very good principle, of it means that there is a vital distinction between the earth and the *tree that has its roots in the earth, but it is a very bad principle if it means that the tree could grow just as well with its roots* in air.**

শব্দ-নির্বাচন আৰু বিন্যাসৰ ওপৰত কাব্যৰ সাৰ্থকতা নির্ভৰ কৰে। কিন্তু মানুহৰ অর্থ-প্রতীতি জন্মে কাব্য পাঠ কৰাৰ পাছতহে। সেয়েহে কবিৰাজ জগন্নাথে শব্দক মুখ্য আৰু অৰ্থক গৌন কৰি কৈছে— মেনীয়ার্থ প্রতিপাদকঃ শব্দঃ কাব্যম। আধুনিক কবিৰ কবিতাত শব্দ, উপমা, ভাষা আদিত আধ্যাত্মিক প্রতীতি জন্মাব পৰা গঢ়তা বা ধ্বনি প্ৰায় কমে দেখা যায়। আধুনিক কবিৰ শক্তি, ঘটনাৰ বর্ণনা কিম্বা যুক্তিৰ সংলগ্নতাৰ ওপৰত নির্ভৰ নকৰে। যিকোনো স্তৰতে ইয়াৰ যুক্তি স্বয়ং সম্পূর্ণ। আজিৰ যুগ সংগ্রামৰ যুগ। সস্তীয়া ভাবপ্ৰৱণতাৰ যুগ নহয়। আজিৰ পাঠকক লাগে ভাবৰ গভীৰতা। শব্দৰ ইন্দ্ৰজাল নিষ্প্রয়োজন। এই ঠাই আজি অধিকাৰ কৰিছে যুক্তিৰ সত্যতা। কল্পনাৰ ৰহণো এই ক্ষেত্ৰত নিষ্প্রয়োজন। আধুনিক কবিতাক্ষেত্ৰ যুক্তিবাদ আৰু বোধিত্বৰ পূজামণ্ডপ। বুদ্ধিমত্তা, বিদ্যা আৰু সংক্ষিপ্ত ন্যাসে হ'ল আধুনিক কবিতা ৰীতিৰ বিশেষত্ব। আৰু সেয়ে হয়তো আধুনিক ইংৰাজ কবিয়ে এনে কবিতাৰ সূত্ৰ 'ভাষাৰ সুপ্ত সম্ভাৱনা আবিষ্কাৰ' বুলি কৈছে। এই কাব্যক লৈ একো একোটা জাতি গর্বিত নোহোৱাও নথকা নহয়। এজন ইংৰাজ সমালোচকৰ ভাষাত— By nothing is England so great as by her poetry আৰু সেয়ে কাব্যক উচ্চ আসন দি কার্লাইলে কৈছে— Indian Empire or no Indian Empire, we cannot do without Shakespeare.

লী হান্টে কৈছে— Poetry is a passion for beauty because u' office is to exalt and refine by means of pleasure and because beauty is nothing but the lovelist form of pleasure. জন কীট্‌চৰ মতে— A thing of beauty is joy forever. কথাষাৰ সত্য। কবিতাও তেনে এটি সৌন্দর্যশালী বস্তু। কবিতাৰ অনুসন্ধান নিৰূপিত হয় সৌন্দৰ্যৰ মাজেৰে। ই সৌন্দৰ্য পিছে কল্পনাৰে সৃষ্টি। কলেৰিজৰ মতে— কবিতাৰ বিপৰীত বস্তুটো গদ্য নহয়, বিজ্ঞানহে। যিহেতু বিজ্ঞানত কবিতাৰ দৰে সক্ৰিয় কল্পনাৰ স্থান নাই। সৌন্দৰ্যৰ মাজেৰে কবিতাৰ সত্যানুসন্ধান নিৰূপিত হয় বাবেই আৰু এই কথাষাৰৰ তাৎপর্য বুজোতাসকলক জন কীট্‌চে সেয়ে কৈছে— The poetry of the earth is never dead. অর্থাৎ উপভোগ কৰিবৰ ক্ষমতা থকালোকৰ কাৰণে পৃথিৱীত কবিতাৰ অভাব কেতিয়াও নহয়— এয়া ধ্ৰুৱসত্য!

(দুই)

কিতাপ মেলিয়েই আধুনিক কবিতাৰ আধুনিকত্বৰ সীমা নিৰ্ণয় কৰিব নোৱাৰি। নদীৰ দৰে গতিশীল সাহিত্যই মডার্ণ বা আধুনিক বুলি বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰে কৈছে। বহু কেইজন কবিয়ে অপ্ৰসাৰিত গতিৰ নতুন গতিপথকেই আধুনিক বুলি

কৈছে। ড° বাণীকান্ত কাকতিৰ মতে দেশ আৰু জাতিৰ মাজত আন্তৰ্জাতিক সমিল-মিলৰ ফলত যি এটা নতুনত্বৰ সৃষ্টি হয় আগৰ তুলনাত তাকেই আধুনিক বোলা হয়।

আধুনিক কবিতাৰ জন্মস্থান ইউৰোপ। শ্যেলী, কীটচ্ তেওঁলোকৰ যুগত আধুনিক আছিল। বিংশ শতিকাৰ প্ৰথম দুই দশকত এজ্ৰা পাউণ্ড, টি. এচ. এলিয়ট আদি ইংৰাজ কবিয়ে ৰোমান্তিক কবিতাৰ সৰ্বগ্ৰাসী প্ৰভাৱৰ পৰা ইংৰাজী আধুনিক কবিতাক মুক্ত কৰি গতানুগতিক যান্ত্ৰিক ভাবাৱেগৰ ঠাইত এক নতুনধৰণৰ উপলব্ধিৰ প্ৰয়াস কৰিবলৈ সক্ষম হৈছিল।

আধুনিক কবিতাত বিদ্ৰোহ, প্ৰতিবাদ, সংশয়, ক্লান্তি আৰু সন্ধান দিয়াৰ উপৰি কবিয়ে প্ৰকাশ কৰি আহিছে বিস্ময়, জাগৰণ, জীৱনৰ আনন্দ, বিশ্ব-বিধানত আস্থাৱান, চিত্তবৃত্তি, আশা আৰু নৈৰাশ্য, অন্তৰ্মুখিতা বা বহিৰ্মুখিতা, সাময়িক জীৱনৰ সংগ্ৰাম আৰু আত্মীয় জীৱনৰ তৃষ্ণা। কবিৰ সৃষ্টিশীল স্বাধীনতাই কাৰো নিৰ্দেশৰ বাবে অপেক্ষা নকৰে। জীৱনৰ বহিঃস্থ আৰু অন্তৰ্ দ্বন্দ্বই কবিৰ মানৱীয় সত্তাত যি প্ৰতিক্ৰিয়া সৃষ্টি কৰে তাৰ দ্বাৰা তেওঁ কাব্যিক ব্যক্তিত্ব আৰু মূল্যবোধৰ জন্ম দিয়ে।

কবিয়ে কবিতা কাৰ বাবে লিখে? তেওঁলোক কবিৰ কবি নে জনতাৰ কবি? জন্ম লগ্নৰে পৰা কবিতাৰ সমসাময়িকতাত কবিয়ে প্ৰত্যক্ষ কৰি আহিছে। এইক্ষেত্ৰত কবিতাৰ সৈতে কবিজনাৰ দায়বদ্ধতা এক চিৰন্তন প্ৰশ্ন। কবিতাৰ জন্ম হৈছিল স্বতঃস্ফূৰ্তভাৱে, সেই স্বতঃস্ফূৰ্ততা কবিতাৰ ধৰ্ম। এজন কবিৰ ভাষাত— শাওণৰ মেঘৰ পৰা যিদৰে বৰষুণ নামে, দুচকুৰ পৰা যিদৰে নামি আহে অশ্ৰুজল, ঠিক সেইদৰে কবিতা আপোনা-আপুনি ওলাই আহে কবিৰ হৃদয়ৰ পৰা। আপাতদৃষ্টিত চাবলৈ হ'লে স্বতঃস্ফূৰ্তভাৱে ওলাই অহা যিকোনো কথা সমাজৰ দায়বদ্ধতা বা সামাজিক দায়বদ্ধতা যে তাত থাকিব লাগিব তেনে কোনো কথা নাই। আনফালে দেখা যায় কবিতাই চিৰকাল মানুহৰ আৱেগ, অনুভূতি, আশা, অভিলাষ, উৎকণ্ঠা, উদ্বেগ আদিৰ যি বিচিত্ৰতা সেই বিচিত্ৰতা বিভিন্ন ৰূপত প্ৰতিদ্বন্দ্বিতা কৰে। মানুহৰ ভাবাৱেগক ই শুদ্ধ অনুৰণন ঘটে। প্ৰগতি স্পৃহা হৈছে মানৱ হৃদয়ৰ এক শাশ্বত আৰু চিৰন্তন ধৰ্ম। গতিকে দেখা যায় কবিতাত মানুহৰ প্ৰগতিৰ প্ৰতি এই আকুলতাৰ প্ৰতিফলনো থাকিব লাগিব।

কবিতাৰ সম্পৰ্কত ৱৰ্ডচৱৰ্থে স্পষ্টভাৱে কৈছে যে কবিতা হৈছে কবিৰ শক্তিশালী আৱেগৰ স্বতঃস্ফূৰ্ত বহিঃপ্ৰকাশ। এই আৱেগৰ প্ৰকাশ যাতে অতিৰঞ্জিত আৰু ক্ষণস্থায়ী নহয় তাৰ প্ৰতিও তেওঁ সতৰ্ক কৰি দিছিল।

কবিতাত ভাব বা আৱেগ নাথাকিব তেনে কোনো কথা নাই। টি. এছ. এলিয়টৰ

মতে কবিতা আৱেগৰ বান্ধ খুলি দিয়া বস্তু নহয়। সেয়া ব্যক্তিত্ব বিকাশ নহয়। কবিতাক স্বতন্ত্র ৰূপ দিবলৈ হ'লে কবিয়ে নিজক ব্যক্তিগত ভাবাৱেগৰ পৰা মুক্ত কৰিব লাগিব।

পাঠকৰ বোধগম্য নোহোৱাকৈ কবিয়ে তেওঁৰ ব্যক্তিগত ভাব বা আৱেগেৰে কেৱল কবিতা লেখিলে যিদৰে দুবোধ্য হোৱাৰ সম্ভাৱনা থাকে। পাঠকৰ দৃষ্টিভংগীৰে কবিয়ে কবিতা লিখিবলৈ গ'লে কবিৰ নিজস্ব দৃষ্টিভংগী জীৱন জিজ্ঞাসা হেৰাই যোৱাৰো সম্ভাৱনা থাকে। এইক্ষেত্রত কবি আৰু আধুনিক কবিতাৰ মাজত নিবিড় আত্মীয়তা আৰু অন্তৰংগতাৰ খুবেই প্রয়োজন আছে।

*[২৬ জুন ২০০৬]*

# সাহিত্যত প্ৰেম আৰু অশ্লীলতা

প্ৰেম হ'ল অনুভূতিৰ সু-প্ৰকাশ, সৌন্দৰ্যবোধৰ পৰিচায়ক, জীৱনটোক যোড়শোপাচাৰে বন্দনা কৰাৰ উপজীব্য বিষয়। প্ৰেম মূলতঃ অনুভূতি আৰু উপলব্ধিৰ বিষয়। জৰ্জ উইলিয়াম কুটিছে কৈছিল— Age is a matter of felling, not of years. অৰ্থাৎ, বৃদ্ধয়ো সৰস চিন্তাৰে নিজকে তৰুণ কৰি ৰাখিব পাৰে। আৰু জীয়াই থকাৰ সাৰ্থকতা তাতেই। মানুহ মাত্ৰেই কিবা নহয় কিবা এটাৰ প্ৰতি আকৰ্ষণ থাকে আৰু এই আকৰ্ষণৰ মূলতে হ'ল মানুহ জীয়াই থকাৰ অন্যতম আধাৰ। পৃথিৱীখনক চোৱা আৰু জীৱনটোক উপলব্ধি কৰাত এই প্ৰেমৰ গূঢ়াৰ্থ লুকাই থাকে। আৰেন ৰ'জে ক'বৰ দৰে— In the right light at the right time, everything is extraordinary,

কাজেই প্ৰেমৰ সংজ্ঞা একে আষাৰতে দিব নোৱাৰি। প্ৰেম শব্দৰ অৰ্থ মহৎ আৰু ব্যাপক। প্ৰেমৰ কথা বৰ্ণনা কৰি শেষ কৰিব পৰা নাযায়। সাহিত্যৰ ক্ষেত্ৰত এই প্ৰেমৰ স্ৰোতধাৰ প্ৰবহমান। এই প্ৰেম বা আৱেগিক আৰু অনুভূতিক কথালৈ বিভিন্ন গল্প, উপন্যাসো সৃষ্টি হৈছে। পুৰণি অসমীয়া কাব্য যেনে- কৃষ্ণ-ৰুক্মিণী, উষা-অনিৰুদ্ধ, মাধৱ-সুলোচনা, মনোহৰ-মালতী, মালিকজাদা-চাহাপৰী, দুষ্মন্ত-শকুন্তলা, চন্দ্ৰকেতু-কামালতা আদি নায়ক-নায়িকাৰ প্ৰণয় পাৰস্পৰিক আদান-প্ৰদানৰ ভেটিত বিৰচিত। আকৌ, যুৱক-যুৱতীৰ যৌন সম্পৰ্কটো এটা কলাত্মক বিনোদন ৰূপে কাব্যত চিত্ৰিত কৰা দেখা যায়। কালিদাসৰ শৃঙ্গাৰ-তিলক, শৃঙ্গাৰষ্টক, অমৰুশতক, ভৰ্তৃহৰিৰ শৃঙ্গাৰ শতক আদি কোষকাব্য আৰু খ্ৰীষ্টিয় প্ৰথম শতিকা মানত সাতবাহন ৰজাহালৰ প্ৰাকৃত ভাষাত লিখা সাতশ শ্লোকৰ কোষকাব্য গাঁথা সপ্তশতীখনো এই শ্ৰেণীৰ। এনে কাব্যত প্ৰেমৰ লাহ-বিলাহ, ৰমণী ৰূপৰ মোহময় আকৰ্ষণ, সম্ভোগৰ আনন্দ, প্ৰথম সমাগমৰ অভিনৱ আনন্দ আদিয়ে প্ৰধান। কুমৰ হৰণ তথা পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ গীতিকাব্য বুলি পৰিগণিত হোৱা মেঘদূতত যৌনস্পৃহা বা আনুসংগিক যৌন জীৱনৰ বৰ্ণনা কম আছে নেকি?

আজি কালি যিদৰে যৌন প্ৰক্ৰিয়াক অশ্লীল বুলি ভবা হয় প্ৰাচীন ভাৰতীয়ৰ দৃষ্টিত সেয়া আছিল স্বাভাৱিক। সেয়ে বৈষ্ণৱ কবি অনন্ত কন্দলীয়ে কুমৰ হৰণ কাব্যত উষা-অনিৰুদ্ধৰ ৰতিক্ৰিয়াক মুকলিভাৱে বৰ্ণনা কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। শংকৰদেৱেও 'কীৰ্তন' পুথিৰ ৮ম খণ্ডৰ 'হৰমোহন'ৰ যোগেদি কামাতুৰ

মহাদেৱৰ কাতৰ বাণী আৰু সেই অৱস্থাত ঋষিসকলৰ উক্তিখিনি দাঙি ধৰিবলৈ গৈ আখ্যানটোৰ খাতিৰত হয়তো অশ্লীলতাৰ প্ৰয়োজনবোধ কৰিছিল। আধুনিক সাহিত্যতো ইয়াৰ ব্যতিক্ৰম ঘটা নাই। বিশ্ব সাহিত্যৰ গ্ৰন্থবোৰত সাধাৰণতে নৰ-নাৰীৰ যৌন সম্পৰ্কৰ মুক্ত বৰ্ণনাই প্ৰধান। ফৰাচী সাহিত্যত বালজাক, মোপাঁছা, জোলা আদিৰ লিখনিত যৌন সম্পৰ্কৰ মুক্ত বৰ্ণনাই স্থান অধিকাৰ কৰিছে। ৰুছ সাহিত্যৰ টলষ্টয়, এলেকাজণ্ডাৰ কুপিন, দস্টভয়েস্কী এওঁলোকৰ আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰা উপন্যাসবোৰতো যৌন জীৱনৰ বিৱৰণী পোৱা যায়। সেইদৰে সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যত এই প্ৰেম আৰু যৌন সম্পৰ্কৰ মুক্ত বৰ্ণনাই স্থান অধিকাৰ নকৰাকৈ থকা নাই। হীৰেণ ভট্টাচাৰ্যৰ কবিতাত 'কাৰ কুমাৰী কেশৰ অগাধ এন্ধাৰে ঢাকি ৰাখিছিল গোলাপ ৰঙৰ তেজ, কালি গোটেই ৰাতি মেঘে গাজিছিল, মোৰ শিৰাই শিৰাই শেষ বাৰিষাৰ তেজ' আৰু ভূপেন হাজৰিকাই 'ক'ত ৰস চুহিলো অভিজাত কুসুমৰ, বন ফুলে যাচিলে ভঁৰাল ৰসৰ... অৰণ্য ভাঙিলো ক'ত গুহা দেখিলো, ক'ত দেশ-বিদেশৰ সৰ্পিনী বশিলো' বুলি গীতেৰে কৈছে। নীলিম কুমাৰৰ 'অপ্ৰজনন' তেনে অশ্লীলধৰ্মী এটি কবিতা। কবিতাটিত কবিয়ে এই দৰে কৈছে— মোক নগ্ন হৈ নামিবলৈ দিয়া পানীত/শীতল জলত ধুবলৈ দিয়া মোৰ জননাঙ্গ/মই বগাম খেৰৰ স্তনবোৰ, বালিৰ চিক্‌মিক্‌নিত/নুশুকোৱা সকলো নাৰীকে শান্ত কৰিম/মই মোৰ তলপেটত উল্লসিত বীৰ্যৰ বাবে।

প্ৰশ্ন হয়, এই প্ৰেম আৰু যৌনতাৰ চিত্ৰণেৰে অংকিত সাহিত্যত প্ৰেম আৰু যৌন স্বাধীনতাৰ পৰা বঞ্চিত যুবক-যুৱতীক মোহাচ্ছন্ন কৰি বিপদগামী কৰা নাই? সাহিত্যত প্ৰেম আৰু যৌনতাক লৈ এচাম পাঠকক বিভ্ৰান্ত আৰু প্ৰৱঞ্চনা কৰিবলৈ চেষ্টা চলোৱা উদাহৰণ অলেখ আছে। সেয়ে নেকি এমিলজোলাৰ 'নানা', টমাছ হাৰ্ডিৰ 'জুদ দ্য অবচ্‌কিয়ৰ', লৰেন্সৰ 'উইমেন ইন লাভ', 'লেডি চাটাৰ্লিজ লাভাৰ', ডুমাৰ 'লে মিজাৰেবোল', হুইটমেনৰ 'লিভছ অব গ্ৰাছ', ৰুচোৰ 'কনফেচনচ', চুইনবাৰ্ণৰ 'পয়েমচ এণ্ড বেলাৰ্ডচ', ডান্টেৰ 'ডিভাইন কমেডি', বালজাকৰ 'ড্ৰলষ্টৰিজ', ফ্লোবেয়াৰৰ 'মাদাম বোভাৰি', আপটনচিন ক্লেয়াৰৰ 'অইল', ৰেমাৰ্কৰ 'অলকোৱায়েট অন দ্য ৱেষ্টান ফ্ৰণ্ট' আদি জগত বিখ্যাত গ্ৰন্থই অশ্লীলতাৰ দোষত বাজেয়াপ্ত হৈছিল। সেইদৰে হেভলক এলিচৰ Psychology of Sex নামৰ যৌন সম্পৰ্কীয় গৱেষণামূলক গ্ৰন্থখনো ইংলেণ্ডত অশ্লীল গ্ৰন্থ বুলি নিষিদ্ধ কৰা হৈছিল। তথাপি প্ৰেম আৰু যৌনতাক লৈ লিখা বিশ্ব বিখ্যাত অনেক গ্ৰন্থই পাঠকক অভিভূত নকৰাকৈ থকা নাই। সমগ্ৰ বিশ্বতে এনে গ্ৰন্থই এক আলোড়নৰ সূচনা কৰিছিল। যাৰ ফলত 'কিন্সে ৰিপোৰ্ট'ৰ দৰে গ্ৰন্থ হাজাৰ হাজাৰ কপি বিক্ৰী হৈ বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল।

বৰ্তমান সামাজিক ৰূপান্তৰৰ কালত সাহিত্যৰ পন্থা অপৰিহাৰ্য। সাহিত্যৰ বিবিধ দৃষ্টিভংগীৰ সহ-অৱস্থান হোৱাটো নিত্যান্ত বাঞ্ছনীয়। এই ক্ষেত্ৰত সাহিত্যত যৌন জীৱন সম্পৰ্কে মুক্ত আৰু যুক্তিপূৰ্ণ আলোচনা হোৱাটোও মুক্ত সাহিত্যৰে লক্ষণ। নগ্নতা মানেই অশ্লীল নহয়। দৃষ্টিভংগীৰ ওপৰত এই অশ্লীলতা নিৰ্ভৰ কৰে। পিকাচো বা হোৱানমিৰৰ দৰে বিশ্ববিখ্যাত শিল্পীয়ে তুলিকাৰে অঁকা অসংখ্য উলংগ ছবি আজিও সৰ্বসাধাৰণলোকে আদৰণি জনোৱা লৈ চাই এই কথা সহজে অনুমান কৰিব পাৰি। আকৌ, প্ৰাচীন মন্দিৰত যৌন সম্ভোগৰ দৃশ্য অংকিত ভাস্কৰ্যবোৰ বিষয়বস্তুৰ দৃষ্টিভংগীত অশ্লীল যদিও সাহিত্যৰ শৃঙ্গাৰ আৰু আদি ৰসৰ ব্যাখাৰে ই ধ্ৰুপদী শিল্পৰ মৰ্যাদা লাভ কৰি আহিছে। খ্ৰীষ্টীয় ষষ্ঠ শতিকালৈকে ভাস্কৰ্যবোৰত মিথুন দৃশ্যসমূহৰ বিষয়-বস্তু আছিল নৰ-নাৰীৰ সন্নিবদ্ধ ভংগীৰ ৰূপায়ণ মাত্ৰ। খ্ৰীষ্টীয় সপ্তমৰ পৰা নৱম শতাব্দীলৈকে প্ৰধানতঃ দৃঢ় আলিংগনবদ্ধ ভংগীবোৰ ৰূপায়িত হৈছে। নৱম শতিকাৰ শেষ ভাগৰ পৰা মন্দিৰবোৰৰ গাত ৰতিক্ৰিয়াৰ বাস্তৱ দৃশ্য অংকিত কৰা দেখা যায়। পৰৱৰ্তী কালত একাদশ শতিকাত নিৰ্মাণ কৰা মন্দিৰৰ এই দৃশ্যবোৰ উৎকৃষ্ট স্তৰলৈ উন্নীত হ'ব ধৰে। ভাৰতীয় শিল্প মূলতঃ লোকায়ত শিল্প আৰু ই সমগ্ৰ জাতিৰ চিত্তবিকাশৰ লেখ মাথোঁ।

অনস্বীকাৰ্য যে যৌনধৰ্মী সাহিত্যৰ নিষ্প্ৰয়োজন বোলা কথাষাৰ অবান্তৰ। যৌনধৰ্মী সাহিত্যৰো সমাজৰ প্ৰতি দায়বদ্ধতা আছে। আজিৰ বিপণত শাস্ত্ৰ মতে বিজ্ঞাপন সামগ্ৰী এবিধৰ উৎপাদন আৰু বিপণন প্ৰক্ৰিয়াৰ লগত ওতপ্ৰোতভাৱে জড়িত। বিজ্ঞাপনৰ যোগেদি যুৱতীৰ নগ্নপ্ৰায় শৰীৰৰ বিভিন্ন ভংগীমা দেখুৱাই উপভোক্তাক সামগ্ৰী বিধৰ প্ৰতি সচেতন কৰি দিয়াতে অকল দায়িত্ব শেষ হৈ নাযায়। বিজ্ঞাপনত নাৰীসকলক স্বল্প বস্ত্ৰ পিন্ধোৱাই বিজ্ঞাপনৰ গহনা লৈ নাৰী সৌন্দৰ্যৰ প্ৰতীক বুলি কৈ অশ্লীল ভংগীমাৰ প্ৰদৰ্শনৰ যুক্তিযুক্ততা থাকিব নোৱাৰে। উল্লেখ্য যে প্ৰেম আৰু যৌনতাক লৈ লিখা গ্ৰন্থৰ প্ৰতি আকৃষ্ট হোৱা মানেই এইয়া পাঠকৰ বেয়া ৰুচি বুলিব নোৱাৰি। হেভলক এলিচৰ মতে শিশুৰ বাবে যেনেকৈ ৰূপকথাৰ প্ৰয়োজন, বয়স্কসকলৰ বাবেও গতানুগতিক বা পাৰম্পৰ্যবিহীনতাৰ পৰা কিছু সকাহ পাবলৈ যৌন আবেদন থকা সাহিত্যৰ নিত্যান্ত প্ৰয়োজন। সেই কাৰণে সমাজতাত্ত্বিকসকলে সাহিত্যত যৌন জীৱনৰ বৰ্ণনাক নুই কৰা নাই আৰু সেয়ে হয়তো এই সমাজতাত্ত্বিকসকল শিক্ষাৰ পাঠ্যক্ৰমত যৌন-শিক্ষাদানৰ পক্ষপাতী। সেইবুলি লেখকৰ সংযত সৃজনশীল প্ৰেম আৰু যৌন বৰ্ণনাৰে পাঠকক আমোদ দিবলৈ গৈ তুলুঙা ভিত্তিত প্ৰেম আৰু যৌন বৰ্ণনাৰে সাহিত্যত ব্যভিচাৰ সৃষ্টি কৰাটো এক পৰিতাপৰ বিষয়। এইক্ষেত্ৰত এনে নগ্নতাক অন্যভাৱে 'চিম্বলিক' নকৰি যদি সাহিত্যৰ মাজেৰে কেৱল দাঙি ধৰিবলৈ চেষ্টা কৰা যায় তেন্তে সেই নগ্নতা অশ্লীল হ'বলৈ বাধ্য।

*[১ আগষ্ট ২০০৬]*

# ইচ্ছা মৃত্যু আৰু আইনগত অধিকাৰ

ইচ্ছা মৃত্যু, ই আত্মহত্যাৰ এক নামান্তৰ। মহাভাৰতত পিতামহ ভীষ্মই ইচ্ছামৃত্যু বৰণ কৰিছিল বুলি জনা যায়। প্ৰতিভাৱান, সুস্থ এজন ব্যক্তিয়ে ইচ্ছামৃত্যু বা আত্মহত্যা কৰিব পাৰে বুলি কোনে ভাবিব পাৰে বাৰু? ১৯৫৮ চনত 'দ্য চি'ৰ নোবেল বঁটা বিজেতা হেমিংগয়ে ১৯৬০ চনত আত্মহত্যা কৰি অসংখ্য পাঠকক স্তম্ভিত কৰাইছিল। সকলোৱে ব্যথিত হৈছিল তেওঁৰ দৰে মহান লেখকৰ এই মৰ্মান্তিক পৰিণতিত। পৃথিৱী খ্যাত আত্মহত্যাকাৰীসকলৰ ভিতৰত ভাৰ্জীনিয়া উলফ্ আছিল এখন বিখ্যাত ইংৰাজী ঔপন্যাসিক। প্ৰতিভাশালী হোৱা সত্ত্বেও ব্যক্তিগত জীৱনত তেওঁ আছিল কিছু পৰিমাণে উন্মাদ আৰু বৈচিত্ৰ্যময়। কিছুমান অদৃশ্য লোকৰ কণ্ঠস্বৰৰ উপদ্ৰৱত তেওঁ কেতিয়াও ক'তো মনোযোগ দি কাম কৰিব পৰা নাছিল। এই অদৃশ্য চিএৱৰৰ অত্যাচাৰতেই তেওঁ আত্মহত্যা কৰে ১৯৪১ চনত। সৰ্বকালৰ ইতিহাসত বিখ্যাত চৰিত্ৰৰ অধিকাৰী হিটলাৰৰ আত্মহত্যা বিষয়ৈ বিশ্ববাসীৰ মনত আজিও এক ৰহস্য হৈয়ে ৰ'ল। ১৯৪৫ চনৰ ২৯ এপ্ৰিলৰ দিনা হিটলাৰ ইভা-ব্ৰাউনৰ স'তে বিবাহ পাশত আবদ্ধ হোৱাৰ পিছদিনাখনেই বিবাহিত স্ত্ৰীসহ হিটলাৰে আত্মহত্যা কৰে। ইভা ব্ৰাউনৰ মৃত্যু হয় বিষপান কৰি আৰু দ্বিতীয় বিশ্বযুদ্ধৰ অন্যতম যুঁজাৰুজনে মৃত্যু বৰণ কৰে নিজে নিজক গুলী কৰি। এইদৰে আত্মহত্যা কৰা লোক পৃথিৱীত অনেক আছে।

আত্মহত্যাৰ প্ৰতি প্ৰবল আগ্ৰহ বঢ়া দেখা যায় বিশেষতঃ দ্বিতীয় বিশ্বযুদ্ধৰ পিচৰ পৰা। বিশ্বস্বাস্থ্য সংস্থাৰ মানসিক স্বাস্থ্য বিভাগৰ পৰিসংখ্যা অনুযায়ী সমগ্ৰ পৃথিৱীতে গড়ে প্ৰতি লক্ষত দহজনৰ মৃত্যু হয় আত্মহত্যাজনিত কাৰণত। এইয়া নথিপত্ৰৰ হিচাপতহে, বাস্তৱত এই চিত্ৰ পিছে আৰু কৰুণ। ৰিছাৰ্চ ফাউণ্ডেচন ফ'ৰ ছায়ন্স টেক্‌ন'লজি এণ্ড ইক'লজি নামৰ এক সংগঠনে প্ৰকাশ কৰা তথ্য মতে ১৯৯৭ চনৰ পৰা ২০০২ চনলৈ ভাৰতবৰ্ষত মুঠ ২৫ হাজাৰ কৃষকে আত্মহত্যা কৰিছে। ১৯৯৭ চনত ভাৰতবৰ্ষত প্ৰথমবাৰৰ বাবে ঋণগ্ৰস্ততাৰ বাবে কৃষকে আত্মহত্যাৰ পথ বাছি লৈছিল। ৰাষ্ট্ৰীয় অপৰাধ সম্পৰ্কীয় প্ৰতিবেদনে প্ৰকাশ কৰা তথ্য মতে ২০০৬ চনত আত্মহত্যা ঘটনা সংঘটিত হৈছিল ১,১৮,১১২ টা। উক্ত প্ৰতিবেদনত উল্লেখ কৰা মতে ৬,৬০৫ গৰাকী মহিলাৰ আত্মহননৰ ঘটনাসহ ১৫,৭২৫ টা আত্মহত্যাৰ ঘটনাৰে পশ্চিমবংগ শীৰ্ষত আছে। কৃষকৰ

আত্মহত্যা ঘটনাৰে মহাৰাষ্ট্ৰ তালিকাৰ দ্বিতীয় স্থানত আছে। ইয়াৰ পিছতে আছে অন্ধ্ৰপ্ৰদেশ (১৩,২৭৩), তামিলনাডু (১২,৩৮১) আৰু কৰ্ণাটক (১২,২১২)। মনোবিজ্ঞানীসকলৰ মতে, 'আত্মহত্যা আৰু আত্মহত্যা কৰাৰ প্ৰচেষ্টা' এই দুয়োটাৰ অন্তৰালত আছে একেই প্ৰৱণতা, সম্ভৱত মুক্তিৰ অন্বেষণ।

মনস্তাত্বিক বিশ্লেষকসকলৰ মতে মানুহৰ মনত আশাৰ মৃত্যু হ'লে জীৱনৰ উদ্দেশ্যৰ উপলব্ধিত তেওঁ ব্যৰ্থ হয়। আৰু জীৱনটো তেওঁৰ বাবে অসহনীয় হৈ পৰে। এইসকল মনস্তাত্বিকৰ মতে আত্মহত্যাৰ কাৰণ 'যেতিয়া জীৱনৰ লগত মানুহৰ সংঘৰ্ষ হয় আৰু তাৰ পৰা পোৱা তিক্ততাই তেওঁক সম্পূৰ্ণ গ্ৰাস কৰে, হয়তো তেতিয়াই তেওঁ জীৱনৰ পৰা পলাই যাব খোজে অৰ্থাৎ নিজৰ হত্যাৰ বাবে উন্মুখ হৈ পৰে। ইৰাইন ষ্টেন্‌জেলৰ মতে— আত্মহত্যাৰ বাবে তৎপৰ হোৱা মানুহ এজনৰ এই প্ৰৱণতা তাৰ কাৰ্যকৰীকৰণৰ বহু আগৰে পৰাই গঢ়ি উঠে। যি মুহূৰ্তত ইয়াৰ প্ৰাবল্য শীৰ্ষবিন্দুত অধিষ্ঠিত হয়, তেতিয়া মানুহজনৰ আত্মহত্যাৰ কাৰ্য সমাপন হয়।

ফৰাচী সমাজতত্ত্ববিদ ইমাইল ডাৰ্ক হেইমে আত্মহত্যাৰ প্ৰধান কাৰণ এইদৰে বৰ্ণনা কৰিছে— ইগোইষ্টিক (আত্মশ্লাঘা সম্পৰ্কীয়), এলট্ৰুইষ্টিক (পৰোপকাৰ সম্পৰ্কীয়) আৰু ফেটালিষ্টিক (অদৃষ্ট সম্পৰ্কীয়)। ইয়াৰ ইগোইষ্টিক আৰু এলট্ৰুইষ্টিক- এই দুই ধৰণৰ ব্যক্তি আৰু সমাজৰ মাজত একীকৰণ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। সমাজ আৰু ব্যক্তিৰ সেৰেঙা সম্বন্ধ আৰু প্ৰবল নিসংগতাবোধে এজন মানুহক ইগোইষ্টিক আত্মহত্যাৰ বাবে আলোড়িত কৰিব পাৰে। আনহাতে ব্যক্তিৰ সমাজৰ লগত হোৱা অত্যাধিক যোগাযোগ (সম্বন্ধ)ৰ প্ৰৱণতায়ো ব্যক্তিক আত্মহত্যাৰ বাবে ইচ্ছুক কৰি তুলিব পাৰে। এইটোক 'এলট্ৰুইষ্টিক' আত্মহত্যা বুলি কোৱা হৈছে। আকৌ 'এনোমিক' আৰু ফেটালিষ্টিক' ধৰণৰ আত্মহত্যা মানুহৰ জীৱন ধাৰণৰ ধাৰা আৰু শৃংখলাবদ্ধতাৰ ওপৰত সমৰ্পিত। অৱস্থাৰ আকস্মিক পৰিৱৰ্তন (বিশেষকৈ অৰ্থনৈতিক ক্ষেত্ৰত) সহ্য কৰিব নোৱাৰি যদি মানুহে আত্মহত্যা কৰে সেয়া এনোমিক আত্মহত্যা। শৃংখলাবদ্ধতা আৰু নিয়মানুৱৰ্তিতাৰ কঠোৰ অনুশাসনেও সেইবোৰৰ প্ৰতি উদাসীন মানুহৰ ক্ষেত্ৰত থকা আত্মহত্যাৰ বাটৰ হেঙাৰ আঁতৰাই দিয়ে। সমাজবিজ্ঞানীজনে এইধৰণৰ আত্মহত্যাক 'ফেটালিষ্টিক' আত্মহত্যা বুলি কৈছে। *(আজিৰ বাতৰি, ১৯ অক্টোবৰ, ১৯৯০)*

মন কৰিবলগীয়া যে সম্প্ৰতি দেশে দেশে আত্মহত্যাৰ সপক্ষেও জনমত গঢ়ি উঠিছে। দক্ষিণ আফ্ৰিকাৰ বিশ্ববিখ্যাত হৃদৰোগ বিশেষজ্ঞ ডাক্তৰ ক্ৰিশ্চিয়ান বাৰ্ণডে আত্মহত্যাৰ সপক্ষে এখন কিতাপ লিখিছে- A good life, a good death. দুৰাৰোগ্য সম্ভাৱনাহীন যন্ত্ৰনাদগ্ধ ৰোগীসকলৰ আত্মহত্যা বা যন্ত্ৰণাহীন

মৃত্যুৰ অধিকাৰ দিয়াত পক্ষপাতী। আমেৰিকাৰ প্ৰতিখন ৰাজ্যত মাৰ্চি কিলিং (Marcy Killing) আইনতঃ নিষিদ্ধ। চিকিৎসা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা ৰোগীৰ ক্ষেত্ৰত জোৰ কৰি চিকিৎসা কৰাটো নিষেধ। এনে আইন আমেৰিকাৰ প্ৰতিখন ৰাজ্যত আছে। ইয়াৰে এখন ৰাজ্যত ৰোগ-যন্ত্ৰণা সহ্য কৰিব নোৱাৰা ৰোগীক চিকিৎসকৰ সহায়ত এনে মৃত্যুক আইনসিদ্ধ বুলি কোৱা হৈছে। কেথলিক ধৰ্মত আছে— যদি জীৱন ধাৰণৰ যন্ত্ৰণা অত্যাধিক হয়, তেনেহ'লে মৃত্যুক বাছি ল'ব পৰা যায়। এড্ৱাৰ্ড গাৰ্টৰ মতে, ইয়াক হত্যা বুলিব নোৱাৰি। এজন ৰোগীয়ে ভেন্টিলেটৰৰ সহায় কৃত্ৰিম শ্বাস-প্ৰশ্বাসলৈ বাছি থাকিব পাৰে। এনে ৰোগীৰ মস্তিষ্কই একো কাম নকৰে— তেওঁ জীৱন্মৃত অৱস্থাত থাকে। ৰোগীৰ পৰিয়ালৰ নিৰ্দেশমতে ভেন্টিলেটৰ খুলি দিলেই ৰোগীৰ শ্বাস-প্ৰশ্বাস বন্ধ হ'ব আৰু ৰোগীৰ মৃত্যু হ'ব। ইয়াক হত্যা কোৱা ঠিক নহয়। ক'ব পৰা যায় ৰোগীক মৰিব দিয়া হৈছে।

সমাজ বিজ্ঞানীসকলে আত্মঘাতী প্ৰৱণতাক তিনিটা ভাগত ভাগ কৰিব খোজে— অকৃত্ৰিম ইচ্ছা, কৃত্ৰিম ইচ্ছা আৰু মধ্যম ইচ্ছা। অকৃত্ৰিম ইচ্ছাৰ প্ৰৱণতা মানুহ এজনৰ মনত আত্মহত্যাৰ সুন্দৰ আৰু সুস্পষ্ট কাৰণ জীপাল হৈ থাকে আৰু তেওঁ আত্মজাহৰ সাংঘাতিক পন্থা অৱলম্বন কৰে যাক 'চিৰিয়াচ এটেম্পট' বুলি কোৱা হয়। কৃত্ৰিম ইচ্ছাৰ ক্ষেত্ৰত সংশ্লিষ্ট ব্যক্তিগৰাকী তেওঁৰ আত্মহত্যাৰ সম্পৰ্কত নিজেও সুস্পষ্ট নহয় ফলত তেওঁৰ আত্মজাহৰ চেষ্টা বৰা এটা সাংঘাতিক নহয়। আনহাতে মধ্যম ইচ্ছা হ'ল এনে অৱস্থাপ্ৰাপ্ত ব্যক্তি এজনৰ আত্মহত্যা সফল হ'বও পাৰে, অথবা নহ'বও পাৰে।

মৃত্যু অধিকাৰৰ প্ৰতি দাবী জনোৱা ভাৰতবৰ্ষৰ অন্যতম ব্যক্তি হ'ল মহাত্মা গান্ধীৰ একনিষ্ঠ অনুচাৰীগণৰ সত্যাগ্ৰহী গোপাল মাওলিক তেওঁ দুবছৰ ধৰি সেই সময়ৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ সৈতে মৃত্যু অধিকাৰৰ দাবী জনাই পত্ৰ বিনিময় কৰিছিল। বৃদ্ধ বয়সত জীৱন যেতিয়া অৰ্থহীন, সমাজ বা মানুহৰ কাৰণে একো কৰিবলৈ বা দিবলৈ নাথাকে, কেৱল মাত্ৰ জৈৱিক অৰ্থত বাছি থাকে— এই অস্বস্তিকৰ অৱস্থাৰ পৰা মুক্তিৰ বাবে আত্মহত্যাক আইনগত অধিকাৰ হিচাপে স্বীকৃতি দিয়াৰ উদ্দেশ্যেই গোপাল মাওলিকে পাৰ্লমেন্টত বিল উত্থাপনৰ অনুৰোধ কৰিছিল। কিন্তু চৰকাৰৰ তৰফৰ পৰা এই আবেদন আশানুৰূপ নোহোৱাত যুদ্ধ, হতাশাগ্ৰস্ত এই স্বাধীনতা সংগ্ৰামী বৃদ্ধজনে ১৯৮০ চনৰ ৮ ডিচেম্বৰত আত্মহত্যা কৰে। সেই একেদিনাই মানসিকতাত তড়িৎপৃষ্ট হৈ অক্সফোৰ্ডত সাতসত্তৰ বছৰীয়া সু-বিখ্যাত স্নায়ু বিশেষজ্ঞ বিচি ৰাচেলে আত্মহত্যা কৰে। এওঁলোকৰ দাবী আছিল, জীৱন যেতিয়া অৰ্থহীন হৈ পৰে, জীয়াই থকাৰ কোনো প্ৰয়োজন নাথাকে,

তেতিয়া মৃত্যু অধিকাৰো জন্মগত অধিকাৰ।

ছুপ্রিম কৰ্টৰ ৰায়— কোনো ব্যক্তিয়ে কেনেকৈ মৰিব তাক বাছি লোৱাৰ অধিকাৰ তেওঁৰ নাই। কিন্তু তেওঁ চিকিৎসা প্রত্যাখ্যান কৰিব পাৰে। অলপতে মহাৰাষ্ট্ৰৰ বধোনা গাঁৱৰ ৩৫ জন ঋণগ্ৰস্ততা কৃষকে ইচ্ছা মৃত্যু প্ৰকাশ কৰি ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামলৈ আবেদন জনোৱা কাৰ্যই ভাৰতীয় কৃষি ব্যৱস্থাত গোলকীয় বণিক অৰ্থনীতিৰ বিপৰ্যয়ৰ কথাকে প্ৰতিপন্ন কৰি তুলিছে। উল্লেখ্য যে ইংলেণ্ডত আত্মহত্যাৰ সমৰ্থনত গঢ়ি উঠিছে এটি সংগঠন 'Exit'। দাৰুণ সমালোচনা আৰু প্ৰতিকূল পৰিস্থিতিৰ মাজেৰেও Exitৰ সদস্যসকল আত্মহত্যাৰ সপক্ষে তেওঁলোকৰ বক্তব্য দাঙি ধৰিছে। সেইবুলি তেওঁলোকে সকলোকে আত্মহত্যা কৰিবলে কোৱা নাই। বৰঞ্চ আত্মহত্যাকাৰীসকলক এই মাৰাত্মক সিদ্ধান্ত গ্ৰহণ কৰাৰ পূৰ্বে দ্বিতীয়বাৰ সুস্থ আৰু শান্ত মগজুৰে ভাবিবলৈ পৰামৰ্শ দিছে। কিন্তু সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছত তেওঁলোক কি প্ৰক্ৰিয়া বা পদ্ধতিত বিঘ্নহীন, যন্ত্ৰণাহীন ভৱনদী পাৰ হ'ব পাৰে সেই বিষয়ে জ্ঞান বা পৰামৰ্শ দিয়ে। ইংলেণ্ডত Exit যদিও খুব বিতৰ্কিত সংগঠন আৰু ইয়াৰ অস্তিত্ব সম্পৰ্কে অনেকৰ মনত ৰৈছে সন্দেহ আৰু সংশয়, তথাপি Exitৰ সপক্ষ আৰু সমৰ্থনত আথাৰ কোৱেষ্টলাৰৰ দৰে গুণি আৰু শক্তিমান লেখকসকলে আত্মহত্যাৰ সপক্ষে কলম ধৰিছে। Exitৰ বিৰুদ্ধে আইনৰ ব্যৱস্থা কৰাৰ দাবী উচ্চাৰিত হ'লেও Exitৰ মূল বক্তব্য আৰু আবেদনে কিন্তু বহু নৰ-নাৰীক আকৰ্ষণো কৰিছে।

সম্প্ৰতি দেশৰ বিভিন্ন প্ৰান্তত 'Right to die with dignity'ৰ সপক্ষে বক্তব্য দাঙি ধৰি Exitৰ জনমত গঠন কৰাত এওঁলোক ব্যস্ত। ভাৰতবৰ্ষতো এই বিষয়লৈ মুম্বাইত হেড কোৱাৰ্টাৰ এটি স্থাপন কৰা হৈছে যদিও ভাৰতবৰ্ষত এতিয়াও ইয়াৰ সপক্ষে সমৰ্থন দিয়া দেখা নাযায়। ভাৰতবৰ্ষৰ অধিকাংশ লোকেই বিশ্বাস কৰে যে মানুহ কেৱল জৈৱ জগতৰ অধিবাসীয়েই নহয় অধ্যাত্ম লোকৰো পৰিব্ৰাজক। কাজেই জীৱন যিমানেই নাৰকীয় নহওক কিয় তাৰ সাহস 'Right to die with dignity'ৰ সপক্ষে মতামত ৰাখিব পৰা নাই।

*[৭ আগষ্ট ২০০৬]*

# গোৱাৰ ঐতিহ্য আৰু পৰম্পৰা

*তোমাৰ সেউজীয়া পাহাৰৰ ঘাটলৈ বুলি*
*মেলি দিলো সুহৃদ মোৰ এখন নাও*
*ধোঁৱাবৰণীয়া সাগৰখনত পচোৱা বতাহজাকে*
*লৰাই মোৰ বুকুৰ কলিজা*
*পৰ্বতৰ টিঙত বহি তুমি জানো কথাটো মন কৰিছা।*

মোৰ এই কবিতা ফাঁকিৰে আৰব সাগৰৰ বিশাল বুকুত গোৱাৰ নাওখন মেলি তলং ভটং কৰি ঢৌবোৰৰ স'তে কথা পাতিছো হৃদয়ে হৃদয়ে-সংগোপনে। কবি দেৱকান্ত বৰুৱা থকাহ'লে ক'লোহেঁতেন 'সাগৰ দেখিছো আজি!' ইয়াৰ আগেয়ে বিশাখাপট্টনম আৰু মুম্বাইস্থ সাগৰ দেখিছো যদিও গোৱাৰ সাগৰ কিছু অনন্য।

সমুদ্ৰকন্যা গোৱা মোহময়ী আৰু প্ৰাণচঞ্চল। সাগৰৰ বিশালতাক উত্তৰ আৰু দক্ষিণমুৱাহে সেউজীয়া ধৰণীৰে দুবাহু মেলি সমুদ্ৰ তীৰৰ মসৃণ বালিৰ মাজে মাজে শংখ-শামুক, যান্ত্ৰিকতা আৰু কোৱাল ঢৌৰ বিচ্ছুৰিত জলতৰংগৰ মৰম বিচাৰি অহা সহস্ৰজনক আঁকোৱালি লয়— বিশাল বুকুত। গোৱাক গোমান্ট, গোপাকপট্টন বা গোভাপুৰী যি নামেৰে নোবোলক ই মূলতঃ চিৰবিনন্দীয়া। গোৱাৰ অঞ্জুনা, কালাংগুটে, কলভা, ডনাপলা আৰু মিৰামাৰা সদা হাস্যময়ী আৰু লাৱণ্যময়ী। বিশ্বপৰ্যটকসকলক আলফুলে আঁকোৱালি ল'বৰ বাবে এই বীচবোৰত সজাই থোৱা আছে একো একোখন বৰ্ণিল চিক্‌মিকীয়া বালিৰ শেতেলি। ৰৌদ্ৰস্নান, অনাবিল আনন্দ আৰু পৰিতৃপ্তিৰ বাবে এই মহাপয়োভৰ। তদুপৰি এক অনিৰ্বচনীয় সস্নেহ আলিংগন আৰু প্ৰকৃতিয়ে উজাৰি দিয়া সঞ্চিত সৌন্দৰ্যৰ বাবে গোৱা সকলোৰে এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠিছে। সেইবাবে হয়তো ইয়াত এতিয়া বিৰাট জনসমাগম। ফ্ৰান্স, হলেণ্ড, আমেৰিকা, ইউৰোপ, জাপান আদি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা মানুহৰ সোঁত বয়। উল্লেখ্য যে বিশ্বযুদ্ধৰ পিছত ইংলেণ্ডত ন্যুডিষ্টসকলৰ দ্বাৰা সূচনা হোৱা 'ৰৌদ্ৰস্নান' (Sun Bath)ৰ এই নব্য চেতনাবোধে লাহে লাহে বিশ্বৰ সংস্কাৰকামী ৰাষ্ট্ৰসমূহত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতবৰ্ষত ৰৌদ্ৰস্নান কৰা ঠাই দুখন হ'ল— গোৱা আৰু তামিলনাডুৰ মহাবালিপুৰম। ২০০৬ চনৰ ১৫ অক্টোবৰ তাৰিখে মুম্বাইৰ পৰা গোৱালৈ আমাক কঢ়িয়াই নিয়া মাণ্ডৱী এক্সপ্ৰেছখনতে লগ পাইছিলো ডিফুৰ দেৱাংগু শইকীয়াক

ধৰি কেইবাখনো চিনাকি মুখ। কথা পাতি জানিব পাৰিলো, ডিফু কলেজৰ প্ৰবক্তা হীৰা পেগুৰ তত্ত্বাৱধানত এটা সঁজাতি দল গোৱালৈ বুলি আহিছে। সেইদৰে আহিছে তিনিচুকীয়াৰ কলেজৰ পৰা আন এটা সঁজাতি দল। গোৱাৰ এখন হোটেলত কাৰ্বি আংলঙৰ লক্ষী বসুমতাৰীক লগ পালো। পাঁচ বছৰমান হৈছে হোটেলখনত কৰ্মসংস্থান হোৱা। আৰু লগ পাইছো হোজাই, শিলচৰ, যোৰহাট, গুৱাহাটীৰ অনেকজনক গোৱাৰ বীচ, ৰেষ্টুৰা, বাট-পথ ইত্যাদিত। এই গোৱাৰ প্ৰতি মানুহৰ আন এক আকৰ্ষণৰ মূলতে হ'ল ইয়াৰ প্ৰকৃতি আৰু জনজীৱনৰ মানৱীয় আৰু নৈতিক মূল্যবোধ। সেয়েহে আজি সাগৰৰ পাৰে পাৰে গঢ় লৈ উঠিছে গোৱাৰ সমাজ আৰু সভ্যতা।

স্মৰ্তব্য যে চাৰিশ একাৱন বছৰীয়া পৰ্তুগীজ শাসনৰ পিছত ১৯৬১ চনত স্বাধীনতা লাভ কৰা গোৱা ৰাজনৈতিক জীৱনত চৰম অৱক্ষয় ঘটিলেও যিসকল লোকে ৰাজনীতিত প্ৰৱেশ কৰিছিল তেওঁলোকে জীৱনৰ নৈতিক প্ৰমূল্যসমূহৰ কথা পাহৰি যোৱা নাছিল। আজিও উদাৰতা, সততা, নিষ্ঠা, শিষ্টাচাৰ প্ৰমুখ্যে সুস্থ জীৱন যাপনৰ বাবে প্ৰয়োজনীয় মূল্যবোধৰ ওপৰত তেওঁলোকৰ মাজত দেখিছো গভীৰ আস্থা। ৰাজনীতি কৰা এইসকললোকে তেওঁলোকৰ ব্যক্তিগত সুখ-সমৃদ্ধিৰ কথা মনত পুহি ৰাজনীতিলৈ অহা নাছিল, আহিছিল জাতিটোৰ সমাজখনৰ মংগলৰ কথা চিন্তা কৰি। তেওঁলোকৰ সমুখত ৰাখিছিল ত্যাগৰ আদৰ্শ, সেৱাৰ মানসিকতা। দুৰ্ভাগ্যক্ৰমে অসমৰ বৰ্তমান ৰাজনৈতিক নেতাসকলৰ এই মূল্যবোধৰ কথা মনলৈ আহিছে। বিশ্বাস, সমাজ, দেশ, জাতি ইত্যাদি ৰাজহুৱা সভা-সমিতিৰ উচ্চাৰণ কৰা শব্দহে, বাস্তৱ জীৱনত আমাৰ এইবোৰৰ কোনো অৰ্থ নাই। সমাজ, দেশ আৰু জাতিৰ চিন্তাই এক মুহূৰ্তৰ বাবে হ'লেও বিচলিত হৈ পৰা গোৱাবাসী আজি নিতান্তই পশ্চাদপদ, সমস্যাবহুল আৰু স্পৰ্শকাতৰ হৈয়ো এই সাংস্কৃতিক বৃত্তটোৰ ভিতৰত সকলোকে সামৰি এক সমৃদ্ধিশালী সংস্কৃতিৰে তেওঁলোকৰ আত্মপৰিচয় প্ৰতিষ্ঠা কৰিছে। গোৱাৰ মাটিকালি ৩,৭০২ বৰ্গ কিল'-মিটাৰ আৰু ইয়াৰ ২৫ শতাংশই বনাঞ্চলে আবৰা। ২০০১ চনৰ লোকপিয়ল মতে ইয়াৰ জনসংখ্যা ১৩,৪৭,৬৬৮ জন আৰু শিক্ষিতৰ হাৰ হৈছে ৮২.০১ শতাংশ। উল্লেখ্য যে ১৪৯৮ চনত আৰব সাগৰৰ জল পথেদি ভাৰতত প্ৰৱেশ কৰা ভাস্কো-ডা-গামাৰ পথকেই অনুকৰণ কৰি গোৱাত থিতাপি লৈছিল অনেক পৰ্তুগীজ। ১৯৮৭ চনৰ ৩০ মে'ত ভাৰতৰ অংগৰাজ্য হিচাপে স্বীকৃতি লাভ কৰাৰ পিছতো এই দেশৰ জলবায়ু আৰু পানীক সেৱন কৰি এই মাটিকে নিজস্ব বুলি নিঃস্বাৰ্থভাৱে গোৱাক আঁকোৱালি লৈ শিষ্ট ৰুচিবোধৰ পৰিচয় দাঙি ধৰিছে। আনফালে নিজে ভাৰতীয় হৈ নিজৰ জাতীয় পৰিচয়েৰে তেওঁলোকে

গোৱাৰ স্থায়ী বাসিন্দাৰূপে আছে। ক্ষুদ্ৰ জাতি-গোষ্ঠীসমূহৰ জাতীয় অস্তিত্বৰ প্ৰতি এইক্ষেত্ৰত কোনো ভাবুকি স্বৰূপ হৈ পৰা নাই। বিশেষকৈ অঞ্চলটোৰ অৰ্থনীতি এতিয়াও জাতীয় অৰ্থনীতিৰ নিয়ন্ত্ৰণতেই আছে।

পানাজী হ'ল গোৱাৰ ৰাজধানী। স্থানীয় লোক পানাজীক পানাজীম বোলে। দেশৰ ঔদ্যোগিক বিকাশৰ আৰু চৰকাৰৰ সবল নেতৃত্বৰ ফলত আধুনিক ঔদ্যোগীকৰণেৰে শক্তিশালী ৰূপত গা কৰি উঠিছে সম্প্ৰতি গোৱা ৰাজ্য। কাজু আৰু বেনি (মদ)ক লৈ গঢ়ি উঠিছে কেইবাটাও ক্ষুদ্ৰ উদ্যোগ। গোৱা কাজুৰ বাবে আৰু কাজুৰে বনোৱা 'ফেনী'ৰ বাবে বিখ্যাত। গোৱাত আন এবিধ নাৰিকলৰ ফুলৰ পৰা বনোৱা মদ পোৱা যায়, যাৰ নাম 'মাৰী'। ইয়াত অসংখ্য মদৰ দোকান আছে যদিও মদ খাই আমাৰ অসমৰ দৰে মাতলামি কৰা মানুহ পিছে দেখা পোৱা নগ'ল।

অতি সম্প্ৰতি মাণ্ডবী নদীৰ পাৰত ন-ঠাঁচত গঢ় লৈ উঠিছে পানাজী নগৰ। ইয়াত সাধাৰণতে কংকোনি, মাৰাঠী আৰু পৰ্তুগীজ ভাষা চলে যদিও ইংৰাজী আৰু হিন্দী ভাষা দুটাও সমানে প্ৰচলিত। পানাজীৰ নিচেই কাষত মীৰামাৰ বীচ, ৰিক্সা নতুবা খোজ কাঢ়ি যাব পাৰি। পানাজীৰ পৰা ভাস্কোলৈ বাছেৰে যাব পাৰি। দূৰত্ব কেবল ৩০ কিল'-মিটাৰ। আধাঘন্টাৰ মূৰে মূৰে বাছ চলে। ভাস্কোলৈ সোমোৱাৰ আগতে এখন ডাঙৰ নদী পোৱা যায়— 'জোৱাৰী'। সেইদৰে পানাজী সোমোৱাৰ আগতে 'মাণ্ডবী' নামৰ এখন ডাঙৰ নদী পাৰ হ'ব লাগে। এই নদীখনৰ নামেৰে মুম্বাইৰ পৰা মাৰ্গাঁৱলৈ (গোৱা) 'মাণ্ডবী এক্সপ্ৰেছ' ৰে'ল এখন চলে। আমাৰ 'কলংপাৰ' আৰু 'কপিলী' ৰে'ল দুখনৰ কথা মনত পৰে। পানাজীৰ পৰা মাত্ৰ ১৬ কিল'-মিটাৰ দূৰত গোৱাৰ সৰ্বোত্তম কলংগুট বীচ, ইয়াক বীচৰ ৰাণী বুলি কোৱা হয়। গোৱাৰ একেবাৰে উত্তৰৰ আৰু দক্ষিণৰ নিজান বীচবোৰত বেছিভাগ বিদেশীসকলহে থাকে। ভাস্কোৰ পৰা মাজোৰদা বীচলৈ ২০ কিল'-মিটাৰ। এই বীচটোলৈ যাওঁতে পথৰ দাঁতিত নাৰিকল গছেৰে আবৰা পৰ্তুগাল ডিজাইনৰ চালত খাপৰি লগোৱা সুন্দৰ ঘৰবোৰ দেখি ল'ৰালি কালতে পঢ়া 'শুৱনি আমাৰ গাঁৱখন অতি, শুৱনি গছেৰে ভৰা' এই পদ্যফাঁকি মনলৈ আহিছে।

ভাস্কোৰ পৰা বোগমাল বীচলৈ ২০-২৫ মিনিট মূৰে মূৰে বাছ চলে। ৰাস্তাৰ দুয়োকাষে ভালেমান মদৰ দোকান। 'বাৰ' নথকা ৰেষ্টুৰেন্ট ভাস্কোত বৰ কম আছে। এই বীচটোৰ একালে সৰু পাহাৰ এটা সাগৰৰ কিছু ভিতৰলৈ সোমাই যোৱা। এই বীচৰ বালিত শাৰী শাৰীকৈ পাতি থোৱা আছে বহুকেইখন কাঠৰ বেঞ্চ। ইয়াত বেছি ভাগ বিদেশী পৰ্যটকে সৰু সৰু 'ছুইমিং কষ্টিউম' পিন্ধি ৰ'দ ল'বলৈ শুই পৰে আৰু কিছুমানে ইয়াৰ বালিত দীঘল দি পৰি ৰ'দ লয়। ভাস্কোত

'গোৱা ছিপ ইয়াৰ্ড'কে ধৰি কেবাটাও জাহাজ তৈয়াৰ কৰা কাৰখানা আছে। উল্লেখ্য যে ১৪৯৮ চনৰ পৰাই গোৱা, মুম্বাই আৰু শ্ৰীলংকাৰ পইন্টডে গালেত পৰ্তুগীজ সদাগৰসকলৰ উপনিৱেশ স্থাপিত হৈছিল। পৰ্তুগীজ গোৱাৰ গৱৰ্ণৰে ১৫৪৫ চনত লিখিছিল— তেওঁলোকে ভাৰতলৈ আহিছিল এখন হাতত ক্ৰুছৰ আৰ্হি আৰু আনখন হাতত এটা কথালৈ আৰু তেওঁলোকৰ শাসনৰ প্ৰকৃত মনোভাৱ প্ৰকাশিত হৈছিল গোৱাত ৰাজপ্ৰতিনিধিৰ প্ৰসাদৰ সন্মুখত খোদিত এটা ভাস্কৰ্যৰ যোগে, এই ভাস্কৰ্য হ'ল এজন সন্ন্যাসীৰ প্ৰতিমূৰ্তি যাৰ এখন ভৰি আছিল দীঘল দি পৰি থকা এজন ভাৰতীয়ৰ ডিঙিৰ ওপৰত আৰু যাৰ হাতত আছিল ভাৰতৰফালে টো'ৱাই থকা এখন খোলা তৰোৱাল। ইয়াৰ এশ বছৰৰ পিছত ওলন্দাজবিলাকে (ডাট্‌ছ) বৰ্তমান কলকাতা মহানগৰীৰ ওচৰত বসতি কৰিছিল। আৰু পিছত ১৬০০ খ্ৰীষ্টাব্দত লণ্ডনত 'লণ্ডন ইষ্ট ইণ্ডিয়া কোম্পানী' প্ৰতিষ্ঠিত হৈছিল। তেওঁলোকৰ প্ৰথমখন জাহাজ ভাৰতলৈ যাত্ৰা কৰিছিল ১৬০১ চনত। মোগল সম্ৰাট জাহাংগীৰে ইংৰাজ সদাগৰসকলক ছুৰাটত এটা বাণিজ্য বন্দৰ প্ৰদান কৰিছিল। ১৬৩৪ চনত সম্ৰাট চাহাজাহানৰ এক অনুমতি পত্ৰৰ যোগেদি বংগদেশত প্ৰথমটো কাৰখানা স্থাপন কৰা হৈছিল। লৰ্ড পামৰেষ্টনে এটি গুৰুত্বপূৰ্ণ মন্তব্য এইদৰে আগবঢ়াইছে— প্ৰথমৰ বাসিন্দাসকলে এটা কাৰখানা আৰম্ভ কৰিলে, কাৰখানাটো দুৰ্গলৈ ৰূপান্তৰিত হ'ল, দুৰ্গটো এখন জিলালৈ আৰু জিলাখন এক প্ৰদেশলৈ সম্প্ৰসাৰিত হ'ল। স্মৰ্তব্য যে ভাৰতত ঘটা ঘটনাৱলীৰ প্ৰকৃত পৰিণতি সম্পৰ্কে ইয়েই আছিল সত্য।

পানাজীৰ পৰা ২২ কিল'-মিটাৰ দূৰৈত অৱস্থিত মংগেশী নগৰ য'ত আছে প্ৰাচীন প্ৰসিদ্ধ শ্ৰীমংগেশী মন্দিৰ। এক লোককথা মতে, এবাৰ এখন পৰ্বতত এটা বাঘ দেখি পাৰ্বতীয়ে ভীষণ ভয় কৰিছিল। ভয়ত পৰ্বতক উদ্দেশ্য কৰি পাৰ্বতীয়ে এনেদৰে কৈছিল— Trahi Mum Girisha অৰ্থাৎ O Lord of Mountain, save me বাঘৰূপী শিৱই পাৰ্বতীৰ অৱস্থা বুজি তৎক্ষণাত নিজৰ ৰূপ ধাৰণ কৰিছিল। তেতিয়াৰ পৰা শিৱৰ নাম Mum Girisha হৈ পৰে। পিছত ইয়াৰ নাম Mumgirisha বা Mangush হয়। এই মন্দিৰতে এটা সময়ত বিশ্ববিশ্ৰুত কণ্ঠশিল্পী লতা মংগেশকৰৰ পিতৃ দীননাথ মংগেশকৰে শাস্ত্ৰীয় সংগীত পৰিবেশন কৰিছিল। গোৱাৰ এই মংগেশী নামৰ ঠাইৰ পৰাই মংগেশকৰ হৈছে। মন্দিৰ দৰ্শন কৰি উঠি মন্দিৰৰ সন্মুখত কাৰ্কী (তিয়ँহ) বিক্ৰী কৰি উঠি মন্দিৰৰ এগৰাকী মহিলাক এই বিষয়ে সোধাত তেওঁ নাতিদূৰৈত থকা উত্তৰ দিশলৈ আঙুলিয়াই মংগেশকৰৰ আদি বাসস্থান দেখুৱালে। মন কৰিবলগীয়া যে শান্তদুৰ্গা, মহালক্ষ্মীকে আদি কৰি প্ৰায় ৩৬ টা সৰু-ডাঙৰ হিন্দুৰ উপাসনা মঠ-মন্দিৰ গোৱাত

আছে। একেদৰে বৰ্ন্ড গোৱা চাৰ্চ, বেচিলিকা অব্ বনজেছাছকে মুখ্য কৰি ভালেমান গীৰ্জা ইয়াত বিদ্যমান। এই বেচিলিকা অব্ বনজেছাছ গীৰ্জত সংৰক্ষিত হৈ আছে ১৫৫২ চনতে চীন দেশত মৃত্যুবৰণ কৰা ধৰ্মযাজক চেন্ট ফ্ৰেন্সিছ জেভিয়াৰৰ পবিত্ৰ মৃতদেহটো। গীৰ্জাৰ ভিতৰত ৰূপৰ আৰু আইনাৰ ভিতৰত আইনাৰে আবদ্ধ কৰি ৰখাই থোৱা আছে ফ্ৰেন্সিছৰ অপাৰ্থিৱ শৰীৰ। গীৰ্জাৰ পৰা ওলাই অহাৰ আগমুহূৰ্তত নিৰলে যেন শুই থকা ফ্ৰান্সিছৰ মুখখন আইনাৰ মাজেৰে চালো আৰু মূৰ দোঁৱালো— মৃত্যুওটো এটা শিল্প, জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।

*[২৬ অক্টোবৰ ২০০৬]*

# ৰাজনীতি আৰু মূল্যবোধ

কিতাপ পঢ়ি জানিব পৰা মতে, ৰাজনীতিৰ সৈতে শিক্ষা, বিজ্ঞান, ধৰ্ম, অৰ্থনীতি, ন্যায়শাস্ত্ৰ, সমাজশাস্ত্ৰ, মনোবিজ্ঞান, দৰ্শন, জ্যোতিষশাস্ত্ৰ, ইতিহাস আদি নানান বিষয় জড়িত আৰু ইয়াৰ প্ৰতিটো বিষয়ৰ জ্ঞান বুদ্ধি প্ৰতিটোৰ লগত অংগীভূত আৰু পৰস্পৰে পৰস্পৰৰ নিৰ্ভৰশীল। আপাততঃ সামাজিক জীৱনত দেখা যায় যে অতি নিকা নৈতিকভাৱে বৰ্তী হোৱা সৎ-সাধু প্ৰকৃতিৰ এচামলোক ৰাজনীতিৰ কুলষতাৰ পৰা সততে আঁতৰি চলে নাইবা আঁতৰে আঁতৰে থাকিব খোজে। ইয়াৰ দুটা কাৰণ- প্ৰথমটো, দুয়োপক্ষৰ মাজত মতাদৰ্শ আৰু দ্বিতীয়টো হৈছে ভাবানুভূতিৰ পাৰস্পৰিক মিল নথকা। সাধাৰণতে দেখা যায় যে ৰাজনৈতিক ক্ষেত্ৰখনত কথা আৰু কামৰ মাজত সংগতি হেৰুৱাই সৰ্বজনৰ, সকলো শ্ৰেণীৰ বাবে অহিতকৰ আৰু অমংগলদায়ক হৈ পৰে। এইক্ষেত্ৰত ৰাজনীতিক শাশ্বত সত্যৰূপে গ্ৰহণ কৰি সুনামৰ সূচনা কৰিবলৈ আগবাঢ়ি অহা ৰাজনীতিবিদসকলে অনৈতিকতাৰে কাৰ্যকৰী ৰূপদান কৰাৰ ফলস্বৰূপে সমাজত এই ৰাজনৈতিক মূল্যবোধৰ অৱক্ষয় ঘটাৰ অন্যতম কাৰণ। ইয়াৰ অন্তৰালত কৰ্তব্য, দায়িত্ব, আনুগত্য আৰু সহযোগিতা আদি সকলোবোৰে যেন আজি সম্বন্ধ নোহোৱা হৈ পৰিছে। প্ৰকৃততে, মানৱ জাতিৰ সৰ্বতোমুখী বিকাশ সাধন কৰি মানৱীয় স্থিতি সুৰক্ষিত কৰাই হৈছে ৰাজনীতি আৰু ৰাজনৈতিক গোটৰ লক্ষ্য, উদ্দেশ্য আৰু পৰম্পৰা।

প্ৰাচীন যুগত ৰাজনীতি বুলি ক'লে ৰজাৰ তথাকথিত নীতিৰ কথাকে প্ৰতিপন্ন কৰিছিল। ইয়াৰ ধাৰক আৰু বাহক আছিল ৰজা-মহাৰজাসকল। এইক্ষেত্ৰত জনসাধাৰণৰ ভূমিকা একপ্ৰকাৰ নাছিল বুলিয়ে ক'ব পাৰি বা থাকিলেও সি একেবাৰে নগণ্য আছিল। কিন্তু আধুনিক যুগত এই ৰাজনীতিৰ ৰূপ সলনি হৈ প্ৰজানীতিত পৰিণত হ'বলৈ ধৰিলে। ব্ৰিটিছ সাম্ৰাজ্যবাদীসকলে ভাৰতত ঔপনিৱেশিক মনোভাৱেৰে শাসন কৰিব লোৱাৰে পৰা দেশত নিৰ্বাচনৰ ৰাজনীতিৰ পৰোক্ষ অংশীদাৰ হোৱাৰ কিছু সুফল লাভ কৰিলে। ব্ৰিটিছ ঔপনিৱেশিকতাৰ প্ৰভাৱত একপ্ৰকাৰ জনসাধাৰণ অজ্ঞ হৈ থাকিল আৰু আনফালে অজ্ঞতাৰ কাৰণবশতঃ এই জনসাধাৰণ লেতেৰা ৰাজনীতিৰ হাথিয়াৰ স্বৰূপ হৈ পৰিল।

এই ৰাজনীতি এতিয়া ইমানেই সহজাত হৈ আহিল যে আজিৰ সমাজত ৰাজনৈতিক স্থিতিৰ বিষয়ত কোনো বিশেষ সংজ্ঞা বা সূত্ৰ নিৰ্ধাৰণ কৰাৰ প্ৰয়োজন নাই। বৰ্তমানৰ ৰাজনীতি জনবলতকৈ আত্মবলৰ প্ৰভাৱ যে বেছি প্ৰাবল্য হৈ আহিবলৈ ধৰিছে সেই কথা বহলাই নকলেও হ'ব।

স্মৰ্তব্য যে ষাঠি দশকৰ আগলৈকে যিসকল লোকে অসমৰ ৰাজনীতিত প্ৰবেশ কৰিছিল তেওঁলোকে জীৱনৰ নৈতিক প্ৰমূল্যসমূহৰ কথা কেতিয়াও পাহৰি যোৱা নাছিল। এইক্ষেত্ৰত বিমলাপ্ৰসাদ চলিহা, অমিয় কুমাৰ দাস, মহেন্দ্ৰ মোহন চৌধুৰী আৰু বিষ্ণুৰাম মেধি, খৰছিং তেৰাং, ছেমছনছিং ইংতি, জয়ছিং দলৈ, ছত্ৰছিং টেৰণ আদি নেতাসকলে তেওঁলোকৰ ব্যক্তিগত সুখ-সমৃদ্ধিৰ কথা মনত পুহি ৰাজনীতিলৈ অহা নাছিল; আহিছিল জাতিটোৰ, সমাজখনৰ মংগলৰ কথা চিন্তা কৰি। আকৌ, ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে উন্নত আৰু সংস্কাৰমুখী মানৱীয় ৰুচিবোধৰ সমাজ গঠনৰ অনুকূলতাৰ জীপাল পৰশত সুকুমাৰ অনুভূতিবোৰ সদায় মুকুলিত হৈ আহিছে। গ্ৰীকৰ প্লেটো, এৰিষ্টটল, জন, ল'ক, হবচ, চক্ৰেটিছ আদি মহান ব্যক্তিসকলে জনমংগলৰ প্ৰতিটো দিশত তেওঁলোকৰ নিকা নৈষ্ঠিক অবদান, নিষ্কলুষ সেৱাৰ মনোবৃত্তি কাহানিও কমা নাছিল। স্বৰাজোত্তৰ ভাৰতবৰ্ষত মহাত্মা গান্ধী, লালবাহাদুৰ শাস্ত্ৰী, ৰাজেন্দ্ৰ প্ৰসাদ, জয়প্ৰকাশ নাৰায়ণ আদি জননেতাসকলক আজিৰ জনতাই পাহৰি যোৱা নাই।

বৰঞ্চ, সততা আৰু নৈতিকতাত লাগি থাকি ক্ষমতা লাভৰ পথ বন্ধ কৰে, পক্ষপাতী নহয় বুলি আজিৰ ৰাজনীতিকসকলে দাবী কৰাৰ সৎ-সাহসকণ কেইজনে গোটাব পাৰিব তাত সন্দেহ আছে। প্ৰকৃতাৰ্থত, এইসকলৰ ধাৰণা যে সামূহিক স্বাৰ্থ ব্যক্তি স্বাৰ্থৰ ঊৰ্ধ্বত কেতিয়াও হ'ব নোৱাৰে। ক্ষমতা লাভৰ সুৰুঙা পালেই যিকোনো আদৰ্শক নেওচিব পৰাটো বৰ্তমানৰ ৰাজনীতিত তেনেই সাধাৰণ কথা হৈ পৰিছে। সেয়ে হয়তো মহান নেতা লেনিনে এবাৰ কথা কৈছিল যে সংসদ গাহৰিৰ গঁৰাল, ইয়াত জনসাধাৰণৰ সমস্যাৰ সমাধান নহয়। উল্লেখ্য যে বিশ্বখ্যাত এই মহান নেতাজনে ১৯০৫ চনৰ নিৰ্বাচনত নিজে অংশগ্ৰহণৰ পোষকতা কৰিছিল।

পৰিবৰ্তনশীল সমাজত ৰাজনীতিৰো গতি পৰিবৰ্তন হৈ অহা দেখা যায়। যাঠিৰ দশকৰ পিচত অসমৰ ৰাজনৈতিক আৰু সামাজিক প্ৰেক্ষাপটত বিভিন্ন জনগোষ্ঠীসমূহৰ আত্মনিয়ন্ত্ৰণৰ ধাৰণা প্ৰকট হৈ পৰাৰ লগে লগে অসমত ইয়াৰ প্ৰভাৱ বিশেষভাৱে আশীৰ দশকৰ পিচত স্পষ্ট ৰূপ পৰিগ্ৰহ কৰিবলৈ ধৰে। অনস্বীকাৰ্য যে এটা জাতিৰ বা সমাজৰ আৰ্থ-সামাজিক উন্নয়নত প্ৰশাসনিক ক্ষমতা প্ৰয়োগ আৰু প্ৰশাসনিক বিধি-ব্যৱস্থাই মূল ভূমিকা পালন কৰে। তৎসত্ত্বেও,

ক্ষমতাৰ প্ৰক্ৰিয়াত দেশৰ অৰ্থনৈতিক বিকাশ আৰু পৰিপুষ্ঠি সাধনত সংকীৰ্ণ মনোভাৱে ক্ষমতা দখলৰ ৰাজনীতিৰ মূল লক্ষ্যৰে ক্ষুদ্ৰজাতীয়তাক অৱলম্বন কৰি ঠেক আঞ্চলিকতাবাদী দৃষ্টিকোণেৰে সঠিক আঞ্চলিক সমস্যাক প্ৰতিপন্ন কৰাত ব্যৰ্থ হোৱাটো সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটত এক নীতিবাচক দিশ বুলিয়ে ক'ব লাগিব। আঞ্চলিকতাবাদৰ জন্ম মূলতঃ অৰ্থনৈতিক কাৰণত হ'লেও ই দেশৰ ৰাজনৈতিক ব্যৱস্থা সমানে দায়ী। আঞ্চলিকতাবোধ কিয় আঞ্চলিকতাবাদলৈ পৰ্যবসিত হৈছে ইয়াৰ কাৰণ বিশ্লেষণ কৰাৰো থল নথকা নহয়। আঞ্চলিকতাবোধ অথবা আঞ্চলিক চেতনালুব্ধ প্ৰতিজন ৰাজনীতিক ব্যক্তি অথবা গোটে এইক্ষেত্ৰত নিজা স্থিতিৰ পুনৰ মূল্যায়নৰ প্ৰয়োজন আছে। জৰ্জ বাৰ্ণাড শ্ব'ৱে এষাৰ কথা কৈছিল যে ক্ষমতাই মানুহক অন্ধ নকৰে, অজ্ঞানীৰ হাতত ক্ষমতা পৰিলে সেই ক্ষমতাৰ অপব্যৱহাৰ হ'বলৈ বাধ্য। পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত ৰাজিনীতিৰ সৈতে জড়িত একোজন নাগৰিক হিচাপে প্ৰত্যেকেই এষাৰ কথা চিন্তা কৰা উচিত যে ৰাজনীতি হওক জীৱনৰ ব্ৰতস্বৰূপ আৰু ৰাজনীতিকসকল হওক ত্যাগ, আদৰ্শ আৰু অৰ্পিত জীৱনৰ প্ৰতীক স্বৰূপ।

*[১৮ ডিচেম্বৰ ২০০৬]*

# মূল্য বৃদ্ধি আৰু জনসাধাৰণৰ ওপৰত ইয়াৰ প্ৰভাৱ

মূল্য বৃদ্ধি সমস্যাটোৱে দেশত বৰ্তমান এক মহামাৰী ৰূপ ধাৰণ কৰিছে। বজাৰত অত্যাৱশ্যকীয় আৰু নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অত্যাধিক মূল্যবৃদ্ধিয়ে জনজীৱন কেৱল অতিষ্ঠ কৰাই নহয়, বৰঞ্চ দ্ৰব্য মূল্য উৰ্ধমুখীতাৰ ফলত জনসাধাৰণ দিশহাৰা হৈ পৰিছে। দেশত যোগান বিভাগ এটা থকাৰ পিছতো প্ৰশাসনে ইয়াৰ প্ৰতিকাৰৰ কাৰণে যথোপযুক্ত কোনো বাস্তৱ কাৰ্যকৰি ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত ই অধিক জটিলতৰ কৰি তুলিছে। সম্প্ৰতি উপভোক্তা তথা সৰ্বসাধাৰণ ৰাইজৰ বাবে এক সোচ্চাৰ আলোচনাৰ বিষয়-বস্তু হৈ পৰিছে। উল্লেখ্য যে 'গ্ৰাহক সুৰক্ষা আইন ১৯৮৬'ৰ অধীনত ৰাজ্যিক তথা জিলা পৰ্যায়ত একোখনকৈ ফ'ৰাম গঠন কৰা হৈছে। উক্ত ফ'ৰামৰ যোগেদি অত্যাৱশ্যকীয় সামগ্ৰীৰ মজুত ব্যৱস্থা, দৰ, মুক্ত বজাৰ আৰু খাদ্য সামগ্ৰীসমূহৰ যোগানৰ স্থিৰতা বজাই ৰাখিবলৈ সমগ্ৰ নিৰীক্ষণৰ ব্যৱস্থা আছে। বাস্তৱিকতে, সমগ্ৰ ৰাজ্যখনতে দুই এখনৰ বাদে তেনে কোনো ফ'ৰামৰ অস্তিত্ব দৰাচলতে দেখা পোৱা নাযায়।

ইয়াৰ বিপৰীতে বাধাহীনভাৱে মুক্ত বজাৰৰ সুযোগ লৈ গোটেই ৰাজহুৱা বিতৰণ ব্যৱস্থাটো এচাম দুৰ্নীতি পৰায়ণ বিষয়া, কৰ্মচাৰী আদি অসাধু চোৰাং ব্যৱসায়ীৰ লগত লগ লাগি প্ৰশাসন যন্ত্ৰটোকে অৰ্থ ঘটাৰ যন্ত্ৰত পৰিণত কৰিছে। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত চেনি, কেৰাচিন আদি পুতৌজনক হোৱাৰ পৰিপ্ৰেক্ষিতত দেশৰ দৰিদ্ৰ জনসাধাৰণে মুকলি বজাৰৰ পৰা চেনি, কেৰাচিন আদি ক্ৰয় কৰিবলৈ বাধ্য হৈছে। দেশৰ অধিকসংখ্যক জনসাধাৰণে মুকলি বজাৰৰ পৰা এনেবোৰ খাদ্য-সামগ্ৰী ক্ৰয় কৰিবলৈ বাধ্য হোৱাৰ পৰিপ্ৰেক্ষিতত বজাৰত বস্তুৰ মূল্য বৃদ্ধি পাইছে। এক তথ্য অনুসৰি দেশৰ দহ শতাংশলোকে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত চেনি ক্ৰয় কৰিবলৈ নাপায়। সেইদৰে দেশৰ পঁচপন্ন শতাংশ লোকে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে কেৰাচিন লাভ কৰে। অৱশ্যে অসমত এই হাৰ অধিক পুতৌজনক। ৰাজ্যখনত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ এই পুতৌজনক পৰিস্থিতিৰ সুবিধালৈ এচাম ব্যৱসায়ীয়ে মুকলি বজাৰত খাদ্য-সামগ্ৰীৰ মূল্য বৃদ্ধি কৰাৰ সুবৰ্ণ সুযোগ গ্ৰহণ কৰিছে।

ৰাজ্যখনৰ বিজুলী যোগান নিয়মিত নোহোৱাৰ সুযোগলৈ গ্ৰামীণ অঞ্চলবোৰত কেৰাচিন তেলৰ ডিপোবিলাকৰ পৰা অত্যাধিক মূল্যত ড্ৰামে ড্ৰামে চোৰাংভাৱে

বিক্ৰী হৈ আছে। আনফালে সুলভ মূল্যৰ দোকানবোৰত আঁৰি থোৱা ফলকবোৰত বস্তুৰ তালিকা অনুযায়ী ক্ৰয় কৰিব নোপোৱা বা খুচুৰা বিক্ৰী মূল্যৰ সামগ্ৰীৰ পৰিমাণৰ নাটনি দেখুৱাই পিছত অধিক দামত বিক্ৰী কৰা আদি ঘটনা নিত্য নৈমিত্তিকত পৰিণত হৈছে। ফলত, জনসাধাৰণ বিশেষকৈ গ্ৰামীণ অঞ্চলৰ কৃষক, মজদুৰ আৰু দিন হাজিৰা কৰা দাৰিদ্ৰ লোকসকলে জীৱন ধাৰণৰ ন্যূনতম প্ৰয়োজনীয় সামগ্ৰীসমূহৰ অভাৱত জীৱনৰ অস্তিত্বকেই সংকটাপন্ন কৰি তুলিছে। লগতে, বজাৰত এই অভাৱনীয়ভাৱে বৃদ্ধি পোৱা খাদ্য সামগ্ৰীৰ মূল্য নগৰত নিৰ্দিষ্ট আয়ৰ জৰিয়তে জীৱন নিৰ্বাহ কৰি অহা মধ্যবিত্ত পৰিয়ালসমূহকো অতিশয় দুৰূহ কৰি তুলিছে। এই লেখাৰ লগত সংগতি ৰাখি খাদ্য-সামগ্ৰীৰ দাম গুৱাহাটী বজাৰৰ হিচাপ মতে কেনেকৈ অভাৱনীয়ভাৱে বৃদ্ধি পাইছে তাৰ এটি আভাস তলৰ তালিকাত (কিল'-গ্ৰাম আৰু টকাৰ হিচাপত) দাঙি ধৰা হ'ল—

| সামগ্ৰীৰ নাম | ১৯৯০ | ১৯৯৫ | ২০০৭ জুলাই | বৃদ্ধিৰ হাৰ (শতকৰা হিচাপত) |
|---|---|---|---|---|
| ১) চাউল (মজলীয়া বিধৰ) | ৫.১১ | ৮.৮০ | ১২.৭০ | ১৪৪ |
| ২) মচুৰ দাইল | ৯.২৫ | ১৭.০০ | ৩৯.৫০ | ২৩২ |
| ৩) ৰহৰ দাইল | ১৬.৫০ | ২০.০০ | ৩৮.৫০ | ১৯৩ |
| ৪) চেনি | ৯.৩৫ | ১৪.৫০ | ২২.০০ | ১৯৩ |
| ৫) আলু | ২.৩৪ | ৪.০০ | ১২.০০ | ৩০০ |
| ৬) পিঁয়াজ | ২.৩৪ | ৫.০০ | ১৪.০০ | ২৮০ |
| ৭) আটা | ৪.০৪ | ৬.৫০ | ১৪.০০ | ২১৫ |
| ৮) নিমখ | ১.৬৯ | ৩.০০ | ৯.০০ | ৩০০ |
| ৯) মিঠাতেল | ২১.৭৯ | ৩৬.০০ | ৮৩.০০ | ২৩০ |
| ১০) মাংস (ছাগলীৰ) | ২৯.৭৫ | ৪৭.০০ | ১৮০.০০ | ৩৮৩ |
| ১১) মাছ (মজলীয়া) | ৪৫.০০ | ৭০.০০ | ১২০.০০ | ১৭১ |

উপৰোক্ত তালিকাখনৰ পৰা দেখা যায় যে বিগত বাৰ বছৰত (১৯৯৫-২০০৭) আলু, নিমখ, পিয়াঁজ, আটা, মাংস (ছাগলীৰ), মচুৰ দাইল আৰু চেনিৰ দাম বৃদ্ধিৰ হাৰ ক্ৰমান্বয়ে ৩০০ শতাংশ, ৩০০ শতাংশ, ২৮০ শতাংশ, ২১৫ শতাংশ, ৩৮৩ শতাংশ, ২৩২ শতাংশ আৰু ১৫২ শতাংশ। উৎপাদিত সামগ্ৰী আৰু ইয়াৰ চাহিদাৰ মাজত অসমতা স্থাপনৰ ফলস্বৰূপে উক্ত সামগ্ৰীসমূহৰ দাম বৃদ্ধি পাবলৈ ধৰে। সৰ্বভাৰতীয় ভিত্তিত কৃষি-বনুবাৰ বাবে যুগুতোৱা ভোক্তাৰ মূল্য অনুযায়ী অসমত বৰ্তমান জনসংখ্যা বৃদ্ধিৰ হাৰ আন ৰাজ্যৰ তুলনাত বহু বেছি। ইয়াৰোপৰি ৰাজ্যৰ আইন-শৃংখলা নিয়ন্ত্ৰণৰ নামত অসম চৰকাৰে কেন্দ্ৰীয়

চৰকাৰ তথা আন ৰাজ্যৰ পৰা এক বৃজন পৰিমাণৰ পুলিচ আৰু নিৰাপত্তা বাহিনী অসমলৈ আনি ভৰণ-পোষণ দিবলগীয়া হোৱাত খাদ্যৰ চাহিদা বিপুলভাৱে বৃদ্ধি পাব লাগিছে।

এক সমীক্ষা মতে— প্ৰতিবছৰে অসমত চৰকাৰখন কোনোমতে চলাই থাকিবৰ বাবে প্ৰয়োজন হয় প্ৰায় ৬,০০০ কোটি টকা। এই টকাৰ ভিতৰত সিংহভাগ খৰচ হয় (প্ৰায় শতকৰা ৭০ ভাগ) চৰকাৰে দৰমহা দিওঁতে। শতকৰা ১৬ ভাগ খৰচ হয় ধাৰৰ সুত দিওঁতে, প্ৰায় শতকৰা ৮ ভাগ খৰচ হয় প্ৰশাসনীয় কাম-কাজত।

আনপিনে, অসমৰ কৃষি আধুনিকৰণ নোহোৱা বা এই কৃষি বতৰৰ ওপৰত নিৰ্ভৰ কৰিবলগা হোৱাত ইয়াৰ উৎপাদন হ্ৰাস পোৱাৰ ফলস্বৰূপে ই খাদ্য-সামগ্ৰীৰ মূল্য বৃদ্ধিত প্ৰভাৱ পেলাইছে। ৰাজ্যখনত ক্ৰমবৰ্ধমানভাৱে চলি থকা ঘাটি বাজেটও মূল্য বৃদ্ধিৰ অন্যতম কাৰণ বুলি ক'ব লাগিব। লগতে দেশত মুদ্ৰাৰ যোগান বৃদ্ধি, জনসাধাৰণৰ আয় বৃদ্ধি, ক'লা বেপাৰীৰ ক'লা টকাৰ প্ৰভাৱ ইত্যাদি কাৰণবোৰত মূল্য বৃদ্ধিত ইন্ধন যোগোৱাৰ কাৰক হিচাপে চিহ্নিত কৰিব পাৰি। সমাজত পৰিয়ালৰ বাস্তৱ ছবি গ্ৰাহক মূল্যসূচীৰ পৰা পোৱা হয় বুলি কোৱা যায় যদিও প্ৰকৃততে ই মূল্য সূচীয়ে সৰ্বসাধাৰণক জীয়াই থকাৰ খৰচ প্ৰতিফলিত নকৰে। দেশত বাৰ্ষিক বাজেট প্ৰস্তুত কৰাৰ আগমুহূৰ্তত প্ৰতিবাৰে মুদ্ৰাস্ফীতিৰ হাৰ স্থিৰ কৰা হ'ব বুলি চৰকাৰে জনসাধৰণৰ জীৱন আৰু সমাজৰ ভাৰসাম্য ৰক্ষা কৰি জীয়াই থকাৰ প্ৰতিশ্ৰুতি দি আহিছে। এই মুদ্ৰাস্ফীতিৰ প্ৰভাৱত আজিও সৰ্বসাধাৰণ লোকে অনবৰতে হোৱা মূল্য বৃদ্ধিৰ বোজা ল'বলগীয়া হোৱাটো পৰিতাপৰ বিষয় হৈ পৰিছে। এইক্ষেত্ৰত গ্ৰাহক বা উপভোক্তাৰ সচেতনতাৰ অভাৱেও এই মূল্য বৃদ্ধিৰ অন্যতম কাৰণ।

ভাৰতৰ জনমূৰি আয় বিশ্বৰ ভিতৰত আটাইতকৈ নিম্নস্তৰৰ। ভাৰতৰ পঞ্চ বাৰ্ষিক পৰিকল্পনাবোৰত পুঁজি উচ্চ হাৰত সঞ্চয় আৰু বৃহৎ বিনিয়োগে জনগণৰ আৰ্থিক বাস্তৱতাক আজিও আশাব্যঞ্জকভাৱে প্ৰতিফলিত কৰিব পৰা নাই। সাম্প্ৰতিক বজাৰ শক্তিৰ সৰ্বগ্ৰাসী আৰু অনিয়ন্ত্ৰিত প্ৰভাৱ, লাভ আৰু লুণ্ঠনৰ নিৰ্মম প্ৰতিযোগিতাৰ পৰা জনগণৰ মৌলিক প্ৰয়োজনবোৰত অৰ্থনৈতিক ৰক্ষণাবেক্ষণ দিয়া হ'ব বুলি চৰকাৰে উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত সাফল্যৰ এক অভিলেখ কৰিও জনগণৰ এক তৃতীয়াংশক সমূলি স্পৰ্শ কৰিব পৰা নাই। এই উৎপাদন বৃদ্ধিক সাফল্যৰ একমাত্ৰ সূচক ৰূপে গণ্য কৰাৰ ফলত উদ্যোগ বা বিনিয়োগৰ সামাজিক আন্তঃক্ৰিয়াৰ ফলস্বৰূপে আজি চিহ্নিত হৈছে। আমাৰ প্ৰয়োজনীয় চাউল, মাছ, খোৱা তেলকে ধৰি প্ৰায় সকলো সামগ্ৰীৰ বাবে অন্য ৰাজ্যৰ ওপৰত নিৰ্ভৰশীল

হ'ব লগা হোৱাত বণিকগোষ্ঠীয়ে নিৰ্ধাৰণ কৰা দামতে বয়-বস্তু কিনিবলৈ বাধ্য হৈছে। তেলৰ পৰিবহন ব্যয় বৃদ্ধিকে ধৰি অসমত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য বৃদ্ধি পাব লাগিছে। ইয়াৰ উৎস স্থলত নিৰ্ধাৰণ মূল্য অধিক হোৱাৰ ফলত প্ৰকৃতাৰ্থত এই সামগ্ৰীসমূহ অসমৰ বাহিৰৰ ৰাজ্যবোৰৰ পৰা আনি চাহিদা পূৰণ কৰা হয়। গতিকে বাহিৰৰ ৰাজ্যই মূল্য বৃদ্ধি কৰিলে অসমতো সামগ্ৰীৰ মূল্য বৃদ্ধি ঘটে। চৰকাৰী সমীক্ষা মতে— ৰে'লৰ পৰিবহন ব্যয় পূৰ্বৰ তুলনাত ১১-ৰ পৰা ৩৬ শতাংশলৈ বৃদ্ধি ঘটাৰ লগতে ৰে'লৰ পৰিবহন ব্যয়ত থকা ৬ শতাংশ ৰেহাই প্ৰত্যাহাৰ কৰা, ৰে'ল কৰ্তৃপক্ষই উন্নয়নৰ নামত আৰোপ কৰা ২ শতাংশ অতিৰিক্ত কৰৰ উপৰি প্ৰতিটন সামগ্ৰীত ১০ টকাকৈ আৰোপ কৰা আস্থান কৰৰ বাবে সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছে।' *(অসমীয়া প্ৰতিদিন, ১০ আগষ্ট ২০০৭)*

যোৱা ২০০০ চনৰ ১০ মে' তাৰিখে অসমৰ তদানীন্তন মুখ্যমন্ত্ৰীয়ে বিধানসভাত দাখিল কৰা এক শ্বেত-পত্ৰত প্ৰকাশিত তথ্য অনুসৰি ১৯৮৪-৮৫ চনৰ ১,৭৩৬.১৩ কোটি টকাৰ পৰা ১৯৯৯-২০০০ চনত অসম চৰকাৰে বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা ঋণৰ পৰিমাণ ৮,৩৮৮.০৭ কোটি টকালৈ বৃদ্ধি পাইছে। অসমৰ জনসংখ্যা ২.৫০ কোটি বুলি ধৰি লৈ জনমূৰি ঋণৰ বোজা প্ৰায় ৩,৩৫০ টকা। এই সংগৃহীত ঋণৰ ৯৫ শতাংশ ব্যয় কৰা হৈছে ঋণ আৰু সুদ পৰিশোধৰ ক্ষেত্ৰত। সংগৃহীত ঋণৰ বাকী ৫ শতাংশ আন অনুৎপাদনমূলক শিতানত ব্যয় কৰা হয়। আন এক তথ্য মতে— ১৯৮৪-৮৫ চনৰ পৰা ১৯৯৭-৯৮ চনলৈ ৰাজহ আয় ১৪.৩৫ শতাংশ হাৰে বৃদ্ধি পোৱাৰ বিপৰীতে বায় বৃদ্ধি পাইছে ১৪.৮২ শতাংশ হাৰত। ৰাজ্যখনৰ সংগৃহীত ৰাজহৰ ৭২ শতাংশই দৰমহা আন অনুৎপাদনশীল শিতানত ব্যয় কৰা হয়। *(১ জুন. ২০০০, আমাৰ অসম)*

বৰ্তমান অসমত উদ্যোগত, ব্যৱসায় বাণিজ্য আদিত থলুৱা অৰ্থনীতিৰ প্ৰভাৱ বাৰুকৈয়ে পৰিলক্ষিত হোৱা দেখা যায়। ইয়াৰ মূলতঃ নিহিত হৈ আছে অসমৰ মৌলিক উৎপাদন প্ৰথাৰ। এইক্ষেত্ৰত অসমত আধুনিক কৃষক, দক্ষ ব্যৱসায়ী আৰু উদ্যোগ শ্ৰেণী গঢ়ি উঠা প্ৰয়োজন। অসমৰ আৰ্থিক বিকাশৰ প্ৰসংগটো এই দৃষ্টিভংগীৰে বিচাৰ কৰি চোৱা উচিত।

*[২৬ ডিচেম্বৰ ২০০৬]*

# প্ৰসংগ ঃ তৰোৱাল বনাম কলম

তৰোৱালতকৈ কলম যে বেছি ক্ষমতাশালী, ইয়াৰ অন্যতম উদাহৰণ ফৰাচী বিপ্লৱত পোৱা যায়। আমেৰিকাৰ স্বাধীনতা যুদ্ধৰ পিছত পৃথিৱীৰ ইতিহাসত ১৭৮৯ খ্ৰীষ্টাব্দৰ ফৰাচী বিপ্লৱে এক যুগান্তকাৰী ঘটনাৰূপে প্ৰতিপন্ন কৰিছে। ফৰাচী দেশৰ সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন সধা এই বিপ্লৱৰ মূলতে হ'ল ফ্ৰান্সৰ শাসক ৰজা ষোড়শ লুইৰ অত্যাচাৰী শাসন আৰু আনফালে তেওঁৰ পত্নী মেৰী এন্টনীট আছিল এগৰাকী বিলাসী আৰু খৰচী মহিলা। যাৰ ফলত কেৱল তেওঁৰ প্ৰসাধন, আচবাব আদিৰ বাবে বছৰি কেইবা কোটি ফৰাচী মুদ্ৰা খৰচ কৰিব লগাত পৰিছিল। তদুপৰি সেই সময়ৰ ফৰাচী সমাজ ব্যৱস্থাও বিপ্লৱৰ অন্যতম কাৰণ আছিল। গোটেই সমাজখনেই অভিজাত শ্ৰেণীৰ, যাজক সম্প্ৰদায়ৰ আৰু সাধাৰণ শ্ৰেণীৰ লোক আছিল। প্ৰথম দুটা সম্প্ৰদায়ে সন্মানীত গোষ্ঠী হিচাপে ৰজাঘৰৰ পৰা যথেষ্ট সহায় সুবিধা পাইছিল। কিন্তু, তৃতীয় শ্ৰেণীৰ জনসংখ্যাৰ শতকৰা ৯৫ ভাগৰে গঠিত তেওঁলোকৰ অৱস্থা অতিশয় দুখ লগা আছিল। এই শ্ৰেণীটোৰ ভিতৰত খেতিয়ক, মধ্যশ্ৰেণীৰ বুৰ্জোৱা, কাৰখানাৰ মজদুৰ আদি লোক আছিল। উক্ত দেশখনৰ জনসংখ্যাৰ শতকৰা ৮০ ভাগেই আছিল খেতিয়ক লোক আৰু তেওঁলোকৰ বেছিভাগৰে নিজা বুলিবলৈ এডোখৰ মাটি নাছিল। শ্ৰমিকসকলৰ ক্ষেত্ৰতো জমিদাৰৰ খেতিপথাৰত বা কল-কাৰখানাত ৰাতিপুৱাৰ পৰা ৰাতিলৈকে শ্ৰম কৰিব লগা হৈছিল। এক কথাত ক'বলৈ গ'লে প্ৰজা-জনসাধাৰণ ৰাজনৈতিক অধিকাৰৰ পৰা বঞ্চিত হৈ আছিল।

এই ৰাজনৈতিক শাসন-ব্যৱস্থা আৰু সমাজ ব্যৱস্থাৰ কটু সমালোচনা কৰিবলৈ সেই সময়ত উক্ত দেশৰ কেইবাজনো লেখক আগবাঢ়ি আহে। তেওঁলোকৰ ভিতৰত— মন্টেন, ভল্টেয়াৰ আৰু ৰুছ' আছিল অন্যতম। তেওঁলোকৰ লিখনিয়ে মানুহৰ মনোৰাজ্যত নতুন চিন্তাধাৰাৰ প্ৰৱৰ্তন কৰি এই ফৰাচী বিপ্লৱৰ পটভূমি ৰচনা কৰাত অফুৰন্তক সহায় কৰিছিল। সাধাৰণ প্ৰজাক তেওঁলোকৰ ন্যায্য দাবী আদায় কৰিবলৈ লেখকসকলৰ লেখনীয়ে প্ৰেৰণা যোগাইছিল। বৰঞ্চ, অৰ্থনীতিবিদসকলে যুক্তি দৰ্শাছিল যে প্ৰজাৰ সন্মতি সাপেক্ষেহে ৰজাই কৰ আদায় কৰিব পাৰে। ৰুছ'ৰ এইক্ষেত্ৰত মতবাদ আছিল যে মানুহ জন্মতে স্বাধীন হৈয়ে জন্মে, কিন্তু তেওঁলোকৰ হাত-ভৰি আজি শৃংখলাবদ্ধ। অৰ্থাৎ ৰুছ'ৰ যুক্তি হ'ল জনসাধাৰণৰ সন্মতিলৈহে ৰাজ্য শাসিত হোৱা উচিত। ফৰাচী সাহিত্যৰ এইগৰাকী মহান লেখকে সেই সময়ৰ সাহিত্যত প্ৰভাৱী অতি শক্তিশালী বাক্য নিক্ষেপ

কৰি এইদৰে কৈছিল যে ৰজাই যদি প্ৰজাৰ নিৰাপত্তা, অৰ্থনৈতিক স্বচ্ছলতা আদি ৰক্ষা কৰিব নোৱাৰে তেন্তে ৰজাক শাস্তি দিব পাৰি। তেওঁৰ 'সামাজিক বন্দোবস্ত' নামৰ মতবাদৰ ফলস্বৰূপে ১৭৮৯ চনত ফ্ৰান্সত তেজৰ নৈ বৈছিল। পৰিণতিত সেই দেশৰ ৰজা আৰু ৰাণী দুয়োকো মৃত্যুদণ্ড দিয়া হৈছিল। উল্লেখ্য যে সেই দেশৰ সংসদ ১৭৬ বছৰ ধৰি আহ্বান নকৰাকৈ আছিল। পিছত নেপোলিয়ন বোনাপাৰ্টৰ সময়ত ফ্ৰান্সত গণৰাজ্য প্ৰতিষ্ঠা হয়।

ইয়াৰ পৰা আমি এটা কথা স্পষ্ট হ'ব পাৰো যে সামাজিক অৱস্থা, আদৰ্শ, অভাৱ আদিৰ দ্বাৰা সাহিত্য যেনেকৈ প্ৰভাৱান্বিত হয়, সাহিত্যৰ দ্বাৰাও সমাজ, শাসনতন্ত্ৰ, চিন্তাধাৰা, আচাৰ-ব্যৱহাৰ ইত্যাদিও তেনেকৈ প্ৰভাৱান্বিত নোহোৱাকৈ নাথাকে। সাধাৰণতে শক্তিশালী সাহিত্যই ভৌগোলিক সীমা অতিক্ৰম কৰি সময় আৰু স্থান বিশেষত ইয়াৰ ফলগতি সুদূৰ প্ৰসাৰ লাভ কৰে। কিন্তু তৰোৱালৰ ক্ষেত্ৰত কোনো এখন দেশ কিম্বা এটা সময়তহে ইয়াক আৱদ্ধ হৈ থকা দেখা যায়। ১৪৫৩ খ্ৰীষ্টাব্দত অটোমান টুৰ্কীসকলৰ হাতত কনষ্টান্টিনোপলৰ পতনৰ ফলত পণ্ডিতসকলে পুৰণি গ্ৰীকগ্ৰন্থ সাহিত্যৰ সমলবোৰৰ দ্বাৰ ইউৰোপত নৱযুগৰ সূচনা কৰি এক দৃষ্টান্ত দাঙি ধৰিছে। আপাততঃ প্ৰকৃত সাহিত্যৰ ক্ষমতা অসীম। মানৱৰ এই অভূতপূৰ্ব সংকটৰ পৰিস্থিতিত সাহিত্যই পৰিত্ৰাণৰ এক বিশেষ বৰঙণি যোগাই আহিছে। বিশ্বৰ সকলো দেশৰে, সকলো সমাজৰে মানৱ জাতি জীয়াই থাকিবলৈ, এই বিষয়ে সাহিত্যই জনসাধাৰণৰ মাজত ভাবৰ বিস্তাৰ কৰি দুষ্ট, ষড়যন্ত্ৰকাৰী শক্তি বিলাকক গৰিহণা দি এটা শান্তিপূৰ্ণ সহাৱস্থানত বিশ্বাস গঢ়ি তোলাৰ চেষ্টা আজিও অব্যাহত আছে। এইক্ষেত্ৰত গ্ৰীক, চীনা, ফৰাচী, ৰুচীয় ইংৰাজী আৰু ভাৰতীয় সাহিত্যৰ গৌৰৱপূৰ্ণ অৱদান অপৰিসীম।

বহুক্ষেত্ৰত দেখা যায় যে সাহিত্য সমাজৰ বাবে উদ্দেশ্যধৰ্মী হোৱা যেন লাগিলেও এইক্ষেত্ৰত লেখকসকলে বিষয় সম্ভাৰৰ সংস্কাৰ কৰিব খোজাৰ কাৰণো নথকা নহয়। ডান্টে, চছাৰ, চাৰ্ভেন্টিছ, শ্বেইক্সপীয়েৰ, কাৰ্লাইল, আৰ্ণল্ড এইসকলৰ সাহিত্যত সমাজৰ একাংশ অভিব্যক্তি একেবাৰে নাথাকিলেও এই আটাইবিলাকৰ সাহিত্য এক উচ্চ পৰ্যায়ৰ আৰু সমাজৰ দাপোণ স্বৰূপ নহয় বুলি অস্বীকাৰ কৰিব নোৱাৰি। ফৰাচী সাহিতাৰ গণতন্ত্ৰীকৰণ প্ৰচেষ্টাৰ ফলস্বৰূপে ডিকেন্স, থেকাৰে, জৰ্জ ইলিয়ট, ৰাস্কিন, মেকলে আদিৰ লেখনীত সামাজিক বৈষম্য আৰু কু-অভ্যাসৰ চোকা সমালোচনা বিদ্যমান। মানুহ হিচাপে মানুহৰ মৰ্যাদাৰ স্বীকাৰ পোৱা যায় ৰুছ', বাণাৰ্ড, গ্ৰে, শ্যেলী আদি লেখকসকলৰ সাহিত্যত।

তদ্ৰূপ, অসমীয়া সাহিত্যৰ ক্ষেত্ৰতো ঘাইকৈ পশ্চিমীয়া সাহিত্যৰ এই ভাবধাৰাৰ দ্বাৰা বেছিকৈ অনুপ্ৰাণিত আৰু প্ৰভাৱান্বিত হোৱা দেখা যায়। ৱৰ্দচৱৰ্থ,

শ্যেলী, কালিদাস, ওমৰ খায়াম আদি বিভিন্ন সময়ৰ বিভিন্ন সাহিত্যৰ কবিসকলৰ প্ৰভাৱ ৰঘুনাথ চৌধুৰী, চন্দ্ৰকুমাৰ আগৰৱালা, যতীন্দ্ৰ নাথ দুৱৰা প্ৰমুখ্যে আজিৰ কবিসকলে অসমীয়া ভাষাত তেওঁলোকৰ কবিতা সমৃদ্ধ কৰি তুলিছে। সেইদৰে টি এচ ইলিয়টৰ প্ৰকাশভংগীত হেম বৰুৱা আৰু নৱকান্ত বৰুৱাই পাঠকৰ মনত বিস্মৃত কথা জগাই তুলি তেওঁলোকে এটা বুদ্ধিযুক্ত কবিতা সাহিত্যৰ সৃষ্টি কৰিছে। অম্বিকাগিৰি ৰায় চৌধুৰীয়ে অসমৰ ন্যায্য স্বাৰ্থ নষ্ট হ'বলৈ নিদি সংৰক্ষিণী নীতিৰে কালাঁহিলে ইংলেণ্ডত কৰাৰ দৰে বিদ্ৰূপৰ ক্ষেত্ৰত উষ্মা প্ৰকাশ কৰিছিল। মানুহৰ জীৱনক লৈয়ে সাহিত্য। মানৱীয় প্ৰমূল্যৰ সৈতে সাহিত্যৰ গভীৰ সম্পৰ্ক প্ৰতিপন্ন হৈ আহিছে। এই প্ৰমূল্যবোধৰ ভিত্তিতে লক্ষ্মীনাথ বেজবৰুৱা, মফিজুদ্দিন আহমদ হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা আদি এইসকলে সমাজ জীৱনত দৈব-দাৰ্শনিক সৃজনীমূলক তাৎপৰ্য বিচাৰি পাইছিল। অসমৰ জাতীয় চৈতন্য জগাই তোলাৰ ক্ষেত্ৰত ড° হীৰেন গোহাঁই, ড° নগেন শইকীয়া, হোমেন বৰগোহাঞিকে আদি কৰি কেইবাজনো লেখকে আজিও নিজা কাপ অব্যাহত ৰাখিছে। বৰঞ্চ, সাম্প্ৰতিক অসমৰ বাস্তৱ সমস্যাৰে জৰ্জৰিত আৰু দুখ-দুৰ্দশাগ্ৰস্ত জনজীৱনৰ প্ৰতি মানৱীয় সহানুভূতি দেখুৱাই বস্তুবাদী দৰ্শনেৰে সাহিত্য কলাক অৱলোকন কৰা দৃষ্টিভংগী এটাৰো প্ৰয়োজন নথকা নহয়। এইক্ষেত্ৰত ৰোম সম্ৰাট নিৰোৱে ৰোম নগৰ জুই লাগি এফালৰ পৰা ছাৰখাৰ্ হৈ যোৱা দেখিও নিৰ্বিকাৰ হৈ বেহেলা বজাই থকাৰ দৰে সাহিত্যৰ মাজেৰে প্ৰতিফলিত হোৱা সমাজখনৰ পিঠি দিয়াটো লেখক মাত্ৰকে দায়বদ্ধতাৰ অপৰিচায়ক বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। আকৌ, সামাজিক অৱস্থাৰ ওচৰত শিল্পী-সাহিত্যিকে নিজস্ব ত্যাগ কৰি আত্মসমৰ্পন কৰিলে তাত দৃষ্টি আৰু আত্মাৰ পংগু হোৱাটো স্বাভাৱিক। সামাজিক অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে তীক্ষ্ণ সমালোচনা কৰা আৰু শোষণ নিষ্পেষণ বিহীন সমস্বত্ববাদী সমাজ এখন লাভ কৰাৰ বিষয়ত ই গণতন্ত্ৰীকৰণৰ প্ৰচেষ্টা, স্বৰূপাৰ্থত এই সাহিত্যও আৰ্দশবাদী আৰু বাস্তৱধৰ্মী হোৱা উচিত। মন কৰিবলগীয়া যে সাহিত্য প্ৰত্যেক যুগৰে, সেই যুগৰ মানুহৰ ওচৰত পৰিচয় কৰি দিয়ে, তাৎপৰ্য ব্যাখ্যা কৰে, আনন্দ দিয়ে, মূল্যাংকন কৰে, মূলতঃ ই নিজে এটা বিশিষ্ট সৃষ্টি!

*[৩ ফেব্ৰুৱাৰী ২০০৭]*

# সাংবাদিকতা আৰু বাতৰিকাকতৰ ভূমিকা

বাতৰিকাকত স্থানিক হ'লেও, ইয়াৰ প্ৰকৃতি বিশ্বজনীন। এই কাকতসমূহৰ লক্ষ্য হ'ল মানুহৰ সমস্যা, মানুহৰে ধাৰণা গাঢ় কৰা। দৈনন্দিন ঘটনা প্ৰবাহ মূল উপজীব্য যদিও জনজীৱনৰ ক্ৰমবিৱৰ্তন, আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক পৰিৱেশ-পৰিস্থিতিৰ প্ৰতিফলন ঘটা দেখা যায়। এই কাকতসমূহে ইতিমধ্যে অনেক লেখা প্ৰকাশ কৰি ইয়াৰ সমাজতাত্ত্বিক দিশ উন্মুক্ত কৰিছে।

স্বৰাজোত্তৰকালৰ ৰাজনৈতিক প্ৰেক্ষাপটত জনজীৱনৰ মূল্যবোধৰ দুৰ্ঘোৰ পৰিৱৰ্তন ঘটাৰ লগে লগে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ বাতৰিকাকততো ইয়াৰ প্ৰভাৱ নপৰাকৈ থকা নাই। বিত্ত আৰু বৃত্তিৰে এচাম মানুহ প্ৰলোভিত হৈ পৰিছে। বিশ্বায়নৰ যুগতে বাতৰিকাকতৰ আটাইতকৈ শক্তিশালী বস্তুটো হৈছে দুৰ্নীতি। হালধীয়া সাংবাদিকতা আৰু পক্ষপাতমূলক দুষ্ট দৃষ্টিভংগীৰে দুৰ্নীতিক আৰু ভয়াবহ কৰি তুলিছে। ফলত জন অবহুৰ্ণৰ ভাষাত এনে বাতৰিকাকতক জনসাধাৰণে দাপোনৰ দৰে বিশ্বাসত ল'ব পৰা নাই। বাতৰিকাকতৰ এক পক্ষপাতমূলক আৰু ন্যস্ত স্বাৰ্থজনিত বাতৰি প্ৰচাৰে বিদ্যায়তনিক তথা সুস্থ সমাজৰ কাৰণে অম্লজান স্বৰূপ হৈ পৰিছে। তথাপি মাৰ্কটোৱেইনে কোৱাৰ দৰে পুৱা হ'লেই আমি বাতৰিকাকতখনত পাই থকা ভ্ৰষ্টতা, নীচতা, ভণ্ডামি আৰু নিষ্ঠুৰতাবোৰকে পাম বুলি আৰু সেইবোৰে সমগ্ৰ মানৱজাতিক তিলে তিলে ধ্বংসৰ পিনে ঠেলি লৈ গৈ আছে বুলি জনাৰ পিছতো আমি আগ্ৰহেৰেই পঢ়োঁ। সকলো বাতৰি মিছা নহয়, সেইদৰেই সকলো বাতৰি সঁচা নহয়।

জেফাৰছনে কৈছিল— ভেজাল পাত্ৰত ৰাখিলে সত্যও সন্দেহযুক্ত হৈ পৰে। দুৰ্নীতি নিৰ্মূলৰ ক্ষেত্ৰত বাতৰিকাকতৰ শক্তিশালী ভূমিকা আছে। বাতৰিকাকতৰ এই অন্তৰ্নিহিত শক্তিৰ প্ৰতি অটল হৈ নেপোলিয়নে কৈছিল যে এহেজাৰ বেয়'নেটতকৈ চাৰিখন বাতৰিকাকত বেছি ভয়াবহ। এখন বাতৰিকাকততে স্বয়ং এক জাতীয় চৰিত্ৰ নিৰূপণ কৰে। সত্যানুসন্ধান, দুৰ্নীতি আৰু জনচক্ষুৰ আগত দাঙি ধৰাটো বাতৰিকাকতখনৰ দায়িত্বৰ ভিতৰত পৰে। বাতৰিকাকতৰ মূল জীৱনী শক্তি হ'ল বিশ্বাসযোগ্যতা। এই বিশ্বাসযোগ্যতা কাকতখনে দিব পাৰিব লাগে।

জন্মিলেই মৃত্যুৰ চৰ্তলৈ অহা বাতৰিকাকতৰ ইতিহাসত আজি এখন কাকতৰ ৰ্ষপূৰ্তিৰ বাতৰিটোত চমৎকাৰিত্ব একো নাথাকিলেও সামাজিক মূল্য অথবা জনসাধাৰণৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰা বিষয়টোত সংবাদ জগতত ইয়াৰ স্থায়ী তথা মৌলিক মূল্যাংকনৰ সন্দৰ্ভত কাকত এখনৰ গুৰুত্ব যথেষ্ট আছে।

তৎসত্ত্বেও মুক্ত, নির্ভীক আৰু নিৰপেক্ষভাৱে শিৰোধার্য কৰি জনসাধাৰণক সেৱা আগবঢ়াই অহা এখন কাকতৰ ওপৰত সঁচা অৰ্থত বৰ্ষপূৰ্তিত অভিমত দিয়া টান।

সাধাৰণতে বাতৰিকাকত আমি কিয় পঢ়োঁ, ইয়াৰ পৰা আমাৰ কি উপকাৰ বা অপকাৰ হয় এনেবোৰ চিন্তা আহে। এই দিশত বিশিষ্ট অভিজ্ঞলোকে লেখা প্ৰবন্ধ, আলোচনা-সমালোচনা, তত্ত্বগধুৰ সম্পাদকীয় আদি কথা কোৱা নহ'লেও এই লিখাবোৰ সকলোৰে যে পঢ়া নহয় নাইবা সকলো বিষয়তে সকলোৰে ৰাপ নথকাটো স্বাভাৱিক। সচৰাচৰ কাকত এখনত প্ৰকাশ হোৱা বলিষ্ঠ প্ৰতিবাদ নোহোৱালৈ চাই কাকতখনে নিৰপেক্ষ আৰু সুস্থ সাংবাদিকতাৰ এটা গৌৰৱ কৰিব পাৰে। এখন কাকতৰ এটা ডাঙৰ আৰু তত্ত্বমূলক কথাটো হৈছে অনুসন্ধানমূলক বাতৰি আৰু ভৱিষ্যৎবাণী বা ফ'ৰকাষ্ট। বিভিন্ন কাকতত দেখা যায়, নানান বিষয়ত ফ'ৰকাষ্ট কৰে। উল্লেখ্য যে প্ৰতিটো নিৰ্বাচনৰ আগমুহূৰ্তত ইটো দলে বা সিটো দলে এইবাৰ শাসনৰ গাদী দখল কৰিব, আমুকে বা তামুকে মন্ত্ৰী-বিধায়ক হ'ব বুলি ক'ত যে বাতৰি প্ৰকাশ পায়— কিমান যে Speculation (অনুমান ভিত্তিক) কৰা হয়, আমুক-আমুক সদস্য বাদ পৰিব, আমুক-আমুক অন্তৰ্ভুক্ত কৰিব ইত্যাদি। মূৰকত দেখা যায় কথাবিলাকৰ শতকৰা এশ ভাগেই মিছা। কোনোখনে আকৌ একোটা অদ্ভুত বাতৰি দিয়ে— মন্ত্ৰী পৰিষদখন ভংগ হৈয়ে আছে, কেতিয়াবা কোনো কাকতে মন্ত্ৰী, চি.এমক কেইবাবাৰো ভঙা পতা কৰে। কেতিয়াবা বিসম্বাদীৰ কাৰ্যকলাপ লৈয়ো বিভিন্ন কাকতত বিভিন্ন বাতৰি; পঢ়ুৱৈয়ে কোনটো সঁচা আৰু কোনটো মিছা সেইটো তলকিব পৰাটো সহজ কথা নহয়। এনে বিভ্ৰান্তিকৰ বাতৰিয়ে মানুহক অযথাভাৱে উত্তেজিত, আতংকিত আৰু সন্ধিহান কৰি তোলে। সাধাৰণতে এনে বাতৰি দি কাকত এখনে প্ৰচাৰ সংখ্যা বঢ়ায়। কেতিয়াবা প্ৰচাৰ সংখ্যা বঢ়াবলৈ মননশীল কাকত এখনেও এনে কৰা দেখা যায়। দুই-এখন অৱশ্যে ব্যতিক্ৰম। যাৰ ফলত এনে কাকতৰ স্পেকুলেটিভ বাতৰিবিলাক প্ৰায়ে সঁচা হয়। এইবিলাকেই সুস্থ সাংবাদিকতাৰ এখন কাকতৰ কৃতিত্ব।

যথাৰ্থভাৱে সুস্থ বাতৰিকাকত এখনে ৰাইজক মুখৰোচক কাহিনী কোৱাতকৈ, জনসাধাৰণক অযথাভাৱে উত্তেজিত বা আৱেগিক কৰি তোলাতকৈ বস্তুনিষ্ঠ চিন্তা-চৰ্চাৰ প্ৰতিহে আকৰ্ষণ কৰা দেখা যায়। বৰ্তমান আমাৰ গাঁও-ভূঁই আদি সৰু-সুৰা ঠাইত সংঘটিত, সৰু বুলি বা গুৰুত্বহীন বুলি ভবা বাতৰি পৰিৱেশনো বাতৰিকাকতে গুৰুত্ব সহকাৰে লোৱাটো নিৰপেক্ষ সাংবাদিকতাৰ এটা বৈশিষ্ট্য বুলি ক'ব পাৰি। প্ৰতিখন বাতৰিকাকতৰ লক্ষ্য আৰু উদ্দেশ্য বা আদৰ্শ অনুসৰি বাতৰি পৰিৱেশনৰ পদ্ধতিও বেলেগ বেলেগ হয়। কাকত এখনৰ নিজস্ব সংবাদদাতাই এটা ঘটনাক নিজৰ ৰুচি-অভিৰুচি, উদ্দেশ্য বা দৃষ্টিকোণ অনুসৰি

বেলেগ বেলেগ টীকা-ভাষ্য কৰি খবৰ পৰিৱেশন কৰে। এইক্ষেত্রত বাতৰি পৰিৱেশন কৰিবলৈ গৈ কেতিয়াবা প্রকৃত ঘটনাৰ বিৱৰণতকৈ সংবাদদাতাজনে উক্ত ঘটনাৰ বিষয়ে কি ভাবে বা কি অনুমান কৰে, তাৰ ব্যাখ্যাহে অধিক দিয়ে। এইক্ষেত্রত সত্য-ন্যস্ত সাংবাদিকে কাকতৰ নীতি আৰু ৰীতি নির্ধাৰণ কৰাৰ লগতে পঢ়ুৱৈৰ ৰুচি-অভিৰুচিলৈ দৃষ্টি ৰাখি কাকতখন নির্দিষ্ট মনোগ্রাহী ৰূপত উলিয়াই সম্পাদক আৰু পঢ়ুৱৈৰ মাজৰ সম্বন্ধৰ ওচৰ আৰু নিকপকপীয়া কৰা দেখা যায়।

এখন দেশক, সমাজক, চৰকাৰক উপকাৰ কৰা বাতৰিও কাকতত প্রকাশ হৈ আহিছে। এইক্ষেত্রত দেশৰ বাট-পথৰ দুৰৱস্থা, চৰকাৰী বিভাগৰ টোগলকীকাণ্ড, প্রশ্নকাকত ফাদিল, শতাধিক যুৱক-যুৱতী ড্রাগচ্‌ৰ কবলত, ত্রিশ টকাতে দেহ বিক্রী, অঞ্চলটোৰ উন্নয়নৰ কাৰণে অহা টকা কোনো বিষয়াৰ আত্মসাৎ, দুর্নীতি, চৰকাৰী মাটি বেদখল কৰা... ইত্যাদি। এনেবিলাক বাতৰি পৰিৱেশন কৰি নিদিলে কোনেও হয়তো নাজানিলেহেঁতেন বা চৰকাৰেও ব্যৱস্থা ল'বলৈ সুযোগ নাপালেহেতেঁন। এনেকুৱা আৰু বহু উদাহৰণ আছে। এই বিলাকৰ কাৰণে বাতৰিকাকতৰ গুৰুত্ব বেছি।

এখন কাকতৰ কৃতকার্যতা নির্ভৰ কৰে কাকতখনৰ সম্পাদকীয় বিভাগৰ সকলো কার্যসূচীৰ যুটীয়া প্রচেষ্টাৰ ওপৰত। কেৱল সম্পাদকেই কাকতখনৰ উন্নতি বা উচ্চ মানদণ্ডৰ কাকত কৰো বুলি কৰিব নোৱাৰে। ইয়াৰ লগত লাগে এটা Team Spirit আৰু ছপা কাগজখন সজোৱাৰ পৰা আৰম্ভ কৰি প্রবন্ধ, বাতৰি বাছনিকে লৈ পঢ়ুৱৈৰ হাতত কাকতখন তুলি দিয়ালৈকে। বাতৰিকাকতৰ সম্পাদনা বিভাগত ইয়াৰ অভাব নহয়। কাকতৰ সম্পাদকীয়ত দেখা যায় বিষয়বস্তুৰ বৈচিত্র্য, আংগিকৰ অভিনৱত্ব, সামাজিক সচেতনতা, দেশ তথা আন্তর্জাতিক সমস্যা, ৰাজনীতি, সামাজিক, অর্থনীতি, দুর্নীতি, ভ্রষ্টাচাৰ ইত্যাদি। এইবোৰে বাতৰিকাকতৰ সৃষ্টিক স্পন্দনময় কৰি তুলিছে। সম্পাদকৰ অন্য কর্তব্য হৈছে লেখক সৃষ্টি। এইক্ষেত্রত এটা লেখকগোষ্ঠীও সৃষ্টি কৰাৰ থল আছে। বাতৰিকাকতৰ ভাষা সাৱলীল, বিশ্লেষণ সুন্দৰ আৰু লেখাত আধুনিকীকৰণত গুৰুত্ব থাকিলেও অসমীয়া ভাষাত এটা ডাঙৰ সোঁচৰা ৰোগ 'বানান ভুল'ৰ প্রতিষেধক ল'ব লগা আছে যিটো শব্দই শুদ্ধ বুলি সদায় একেটা ভুল লৈয়ে চূড়ান্ত ৰূপ পায়।

বর্তমান বাতৰিকাকতত অনুসন্ধানমূলক সাংবাদিকতাৰ উন্নতি হৈছে, কিন্তু ই দুর্নীতিৰ প্রত্যাহ্বান স্বৰূপে থিয় দিব পৰা নাই। তৎসত্ত্বেও উক্ত কাকতবোৰে দুর্নীতিগ্রস্তসকলক সমাজৰ চকুত হেয় কৰিবলৈ সক্ষম হৈছে বুলি ক'ব লাগিব। এই দৃষ্টিৰে বাতৰিকাকত এখনে লক্ষ্যত উপনীত হ'ব পাৰিব বুলি আশা কৰাৰ থল আছে।

*[১০ মার্চ ২০০৭]*

# সামাজিক মূল্যবোধ আৰু বুদ্ধিজীৱীৰ ভূমিকা

ৰুছ বিপ্লৱৰ সময়ত লেলিনে বুৰ্জোৱা আৰু সৰ্বহাৰাৰ মাজৰ একশ্ৰেণীৰ মানুহৰ নাম থৈছিল, ইন্টেলিজেন্সিয়া। ইয়াৰ পাছৰ পৰাই এই শব্দটো ইংৰাজী অভিধানৰ অন্তৰ্ভুক্ত হৈ পৰিল। অভিধান অনুসৰি 'ইন্টেলেক্‌চুৱেল' এনে এজন ব্যক্তি নিজৰ মনটো সৃষ্টিমূলক কাৰ্যত ব্যৱহাৰ কৰে, যি আৱেগ আৰু প্ৰবৃত্তিক প্ৰশ্ৰয় নিদি নিজৰ জ্ঞান-বুদ্ধিক অগ্ৰাধিকাৰ দিয়ে। সাধাৰণ অৰ্থত বিজ্ঞান, দৰ্শন, শিল্পকলাত বিশেষ খ্যাতি অৰ্জন কৰা অথবা উকীল, শিক্ষক, সাংবাদিক এইসকলক বুদ্ধিজীৱী বুলি কোৱা হয়।

বৰ্তমান যি অৰ্থত মননশীল অনুশীলনত অভ্যস্ত এইসকল লোকক বুদ্ধিজীৱী কোৱা হয়। প্ৰাচীন ভাৰতত বৌদ্ধিক সাধনা উচ্চস্তৰৰ মনীষীসকল কিন্তু বুদ্ধিজীৱী নহয়। আধুনিক সমাজ ব্যৱস্থাৰ লগত এই বুদ্ধিৰ উৎপাদনসমূহৰ চৰিত্ৰ বা ভূমিকা নিৰ্ভৰ কৰা দেখা যায়। সামগ্ৰিক দৃষ্টিকোণৰে সামাজিকভাৱে সচেতন আৰু বৌদ্ধিক চিন্তাত জড়িত মানুহ মাত্ৰেই বুদ্ধিজীৱী কোৱা হয় যদিও বাতৰি যোগনীয়াৰ মাত্ৰকে বুদ্ধিজীৱী নহয়, কিন্তু বাতৰিৰ তাৎপৰ্য বিচাৰ-বিশ্লেষণ কৰা সাংবাদিকজন এই অৰ্থত বুদ্ধিজীৱী। যদিও 'ইন্টেলিজেন্সিয়া' শব্দৰ প্ৰতিশব্দ হিচাপে 'বুদ্ধিজীৱী' সাৰ্থক নহয়; বৰঞ্চ তেওঁলোক মসীজীৱী যিটো অৰ্থত এজন সৈনিকক অসিজীৱী, এজন খেতিয়কক কৃষিজীৱী নাইবা এজন দোকানীক পণ্যজীৱী বুলি কোৱা হয়। সাধাৰণতে এই শ্ৰেণীলোকে বুদ্ধিক লৈ কাৰবাৰহে কৰে। প্ৰকৃতাৰ্থত বুদ্ধিজীৱী শব্দটো ইংৰাজী 'ইন্টেলেক্‌চুৱেল' শব্দটোৰ সমাৰ্থক। এজন সমালোচকৰ মতে এই শব্দটোৱে এনেকুৱা এমুঠি মাথোন মানুহক বুজায়, চিন্তা বোলা বস্তুটো যাৰ উপজীৱ্য, প্ৰমূল্য যাৰ অন্বেষণ, প্ৰকাশ যাৰ নিৰ্ভীকতাপূৰ্ণ আৰু ধ্যান-ধাৰণা যাৰ নিৰ্মোহ। এওঁলোকৰ চিন্তা-চৰ্চা সময় আৰু ভূগোলৰ সীমাৰ ঘেৰত বন্দী নহয়। এওঁলোকৰ জীৱনবীক্ষাত তত্ত্বকথাতকৈ সামাজিক মূল্যবোধ আৰু শুভবুদ্ধিয়ে প্ৰাধান্য লাভ কৰে।

'Chamber English Dictionry'-ত 'Intellectualism' শব্দ সন্দৰ্ভত এইদৰে লিখিছে— The doctrine that derivers all knowledge from pure reason. আৰু এইবুলিও কৈছে— The culture of the intellect.

'নীৰদ চি চৌধুৰীয়ে স্কলাৰ এক্সট্ৰা অৰ্ডিনাৰী নামৰ প্ৰখ্যাত প্ৰাচ্যতত্ত্ববিদ— পণ্ডিত ফ্ৰেডৰিখ মেক্সমূলাৰৰ জীৱনীখনত বুদ্ধিজীৱীৰ সূত্ৰ এনেদৰে দিছে— বুদ্ধিজীৱী এনেকুৱা এজন পুৰুষ অথবা নাৰী যিয়ে নেকি তেওঁৰ বৌদ্ধিক শক্তি বা ক্ষমতা প্ৰয়োগ কৰে তেওঁৰ চাৰিওফালে থকা বিশ্বখনৰ যিকোনো দিশ অথবা গোটেইবোৰ দিশৰ জ্ঞান আহৰণ কৰাত আৰু তাৰ ব্যাখ্যা কৰাত অধ্যয়ন, পৰ্যবেক্ষণ নতুবা পৰীক্ষা-নিৰীক্ষাৰ ফলস্বৰূপে তেওঁ এনেকুৱা সিদ্ধান্তলৈ আহে যি সিদ্ধান্ত তেওঁ সত্য বুলি বিশ্বাস কৰে আৰু তেওঁৰ নিজস্ব ভাবধাৰা সহযাত্ৰী মানৱলৈ সংক্ৰমিত কৰে যাতে তেওঁলোকৰ মানসলোক, জীৱনধাৰা আৰু কাম-কাজ প্ৰভাৱান্বিত কৰিব পাৰে। ড° হীৰেন গোহাঁই-এ বুদ্ধিজীৱীৰ সংজ্ঞা এইদৰে দিছে— বুদ্ধিজীৱীৰ অৰ্থ প্ৰচাৰক নহয়, অথবা ব্যৱসায়িক উদ্দেশ্যেৰে সাহিত্য-চৰ্চা কৰা বুদ্ধি বেপাৰ কৰা লোকক বুদ্ধিজীৱী বুলিব নোৱাৰি। স্বাধীনভাৱে, কাৰো আদেশ-নিৰ্দেশ অবিহনে, যি বৌদ্ধিক অনুশীলন কৰে যি প্ৰচলিত ধ্যান-ধাৰণা নিৰ্বিবাদে গ্ৰহণ নকৰি পৰীক্ষা কৰি চায়; ধ্যান-ধাৰণাৰ উদ্ভাৱন আৰু বিকাশেৰে যিসকলে সমাজৰ চেতনা আৰু সমৃদ্ধ কৰে; আমি তেনে চাম লোককহে বুদ্ধিজীৱী আখ্যা দিওঁ। *(ডেউকা, জুন, ১৯৯৩)*

ইটালীৰ প্ৰখ্যাত মাৰ্ক্সবাদী লেখক এন্টনিঅ' গ্ৰামচীৰ (১৮৯১-১৯৩৭) মতে, ইন্টেলেক্চুৱেল দুই প্ৰকাৰৰ— প্ৰচলিত ইন্টেলেক্চুৱেল আৰু জৈৱিক ইন্টেলেক্চুৱেল। প্ৰচলিত ইন্টেলেক্চুৱেলে নিজকে সমাজৰ প্ৰভাৱশালী অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা সম্পূৰ্ণ ৰূপে স্বতন্ত্ৰ বুলি গণ্য কৰে আৰু জৈৱিক ইন্টেলেক্চুৱেল সৰ্বদা শাসনাধিষ্ঠিত শ্ৰেণী, সমাজৰ প্ৰতিপত্তিশীল গ্ৰুপটোৰ সৈতে যুক্ত হৈ থাকে।

বৰ্তমান আমাৰ পৰম্পৰাগত মূল্যবোধৰ ওপৰত যিধৰণে পদাঘাত কৰা হৈছে তাৰ তুলনা নাই। পৰিৱৰ্তনশীল সমাজৰ ভিন ভিন সমস্যাৰ উদ্ভৱ হোৱাটো স্বাভাৱিক কথা। কিন্তু আমাৰ পৰম্পৰাগত চিৰন্তন মূল্যবোধসমূহ যাতে ধ্বংস কৰি পেলোৱা নহয় তাৰ প্ৰতি সতৰ্ক হোৱা প্ৰয়োজন আছে। নিজ জাতিৰ লোকসকলে নিজৰ ঐতিহ্য সন্মান কৰিব জনাৰ হেতুকে ইংৰাজ জাতি আজিও বিশ্ববাসীৰ বাবে শ্ৰদ্ধাৰ পাত্ৰ হৈ আছে। মন কৰিবলগীয়া যে লিখিত সংবিধান এখন নোহোৱাকৈয়ে সংসদীয় গণতন্ত্ৰই সেইখন দেশত প্ৰতি পাঁচ বছৰৰ অন্তত নিৰ্বাচনী প্ৰক্ৰিয়াৰ মাজেৰে চৰকাৰ গঠন কৰি সফল ৰূপত কাম কৰি আহিছে। কিন্তু আমাৰ দেশত এখন লিখিত কটকটীয়া সংবিধান লাভ কৰিও গণতান্ত্ৰিক শাসন ক্ষমতাৰ অপব্যৱহাৰ নাইবা ইয়াৰ নীতি-নিয়মসমূহ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ উদ্দেশ্যে ব্যৱহৃত হৈ আহিছে।

## সামাজিক মূল্যবোধ আৰু বুদ্ধিজীৱীৰ ভূমিকা

সমাজৰ প্ৰতিজন মানুহৰে দৃষ্টিভংগী ভিন ভিন হোৱাটো স্বাভাৱিক কথা। এইক্ষেত্ৰত যুক্তিৰে প্ৰত্যেকে নিজৰ অভিমত দাঙি ধৰাৰ লগতে প্ৰত্যেকৰে অভিমত আগ্ৰহেৰে শুনা আৰু পিছত নিজা সিদ্ধান্ত লৈ আগবঢ়াটো এখন সুস্থ সমাজৰ এক বিশেষত্ব বুলি ক'ব লাগিব। কেতিয়াবা একশ্ৰেণী সুবিধাবাদী লোকে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে সমাজৰ এই মানুহবোৰক ভাবপ্ৰৱণ কৰি তুলিবলৈ চেষ্টা নকৰাও নহয়। এইক্ষেত্ৰত ব্ৰাৰ্ট্ৰাও ৰাছেলে কোৱা কথাষাৰ স্মৰ্তব্য যে মানুহে যুক্তিৰ দ্বাৰা পৰিচালিত হোৱাতকৈ ভাবোচ্ছ্বাসত উঠি-বুৰি আত্মঘাতী পথ ল'বলৈহে ভাল পায়। ফলস্বৰূপে, এই সামাজিক মূল্যবোধৰ অবক্ষয়ৰ সুযোগ গ্ৰহণ কৰাৰ উপৰি এইসকল মানুহৰ মূৰত কঁঠাল ভাঙি ন্যস্ত স্বাৰ্থ তথা নিজ লক্ষ্য আৰু উদ্দেশ্যত তথাকথিত নেতা আৰু বৰমূৰীয়াসকল আজি সফল হ'বলৈ সক্ষম হৈছে।

সাহিত্যিক-বুদ্ধিজীৱীসকল সৃষ্টি ৰূপান্তৰৰ এবিধ উপাদান। সমাজ হৈছে তাৰ কমাৰশাল। সামাজিক মূল্যবোধ অটুট ৰখা অথবা মানৱ জাতিৰ বাবে এখন সমাজ গঢ়ি তোলাৰ বাবে বহু সময়ৰ প্ৰয়োজন হ'লেও বা হৈ উঠিলেও স্বতস্ফূৰ্তভাৱে সমাজৰ এই মৌলিক পৰিবৰ্তন নঘটে। এই দিশত জনগণইহে মুখ্যতঃ ইয়াৰ পৰিবৰ্তনৰ নেতৃত্ব সকলো সময়তে বহন কৰি আহিছে। এনেস্থলত সাহিত্যিক-বুদ্ধিজীৱীসকলৰ নিজস্ব ব্যক্তিসত্তাই যেতিয়াই পাঠকক নাইবা জনগণক শ্ৰেষ্ঠত্বৰ প্ৰভাৱ বিস্তাৰৰ উৎকণ্ঠাই দেখা দিয়ে তেতিয়াই তেওঁলোকে হতাশাত এক অস্বাভাৱিক উগুল-থুগুল সন্মুখীনতাত দুৰ্ভোগ ভোগে। এনে দোদুল্যমান অৱস্থাত সাহিত্যিক-বুদ্ধিজীৱীসকলে মানসিক স্থিৰতা হেৰুৱাই সমাজখনৰ প্ৰতি দায়িত্বহীন হৈ পৰে। আৰু যদিহে আমাৰ বুদ্ধিজীৱীসকলৰ মনলৈ এনে অৱস্থা আহিছে তেনেহ'লে সেয়া নিশ্চয় উদ্বেগৰ কাৰণ হৈছে বুলি ক'ব লাগিব। সঁচা অৰ্থত, আস্থাহীন চৰ্চা, ভ্ৰষ্ট মানসিকতা তথা সবল ব্যক্তিত্বৰ অভাৱৰ হেতু বহুতে সমাজৰ প্ৰতি থকা দায়বদ্ধতা উলাই কৰি চলে যদিও সচেতন প্ৰতিজন চিন্তাশীল ব্যক্তিমাত্ৰেই সমাজৰ প্ৰতি দায়বদ্ধতা আছে। বৰ্তমান নিম্ন পৰ্যায়লৈ পৰ্যবসিত হোৱা আমাৰ সমাজ ব্যৱস্থালৈ লক্ষ্য ৰাখি সাহিত্যিক-বুদ্ধিজীৱীসকল বিপাঙত পৰাটো স্বাভাৱিক। তৎসত্বেও ঐক্য, শান্তি, সংহতি বজাই ৰখাত এচাম সাহিত্যিক-বুদ্ধিজীৱীসকল পথ প্ৰদৰ্শকৰূপে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি অহাটো লক্ষণীয়।

আমাৰ জাতীয় সভ্যতা, সংস্কৃতি, কলা, কৃষ্টি, ভাষা, ধৰ্ম, আৰ্থিক আদি সকলো ক্ষেত্ৰতে আজি বিপন্ন হৈ পৰিছে। সমাজৰ এই নানান সমস্যাৰ মূলতঃ মধ্যবিত্ত নিম্নবিত্ত আৰু দৰিদ্ৰ সমাজক আৰ্থিক সমস্যাই জুৰুলা কৰিছে। তদুপৰি সমাজৰ নৈতিক অধঃপতন, নিৰাপত্তাহীনতা আদিৰ কথাও আহি পৰিছে। এই

সমস্যাবোৰকলৈয়ো আমাৰ বুদ্ধিজীৱীসকলে নিজস্ব ধ্যান-ধাৰণাৰ মাজেৰে সমাজখনৰ অন্তঃসাৰশূন্যতা আদি সাৰ্থকভাৱে দাঙি ধৰা উচিত। বৰ্তমান প্ৰগতিৰ লগত সংগতি ৰক্ষা কৰাৰ ক্ষেত্ৰত আৰ্থিক অধঃপতন ঘটি নিঃশেষ হৈ যাবৰ উপক্ৰম হোৱা সমাজখনৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা তেতিয়াহে প্ৰতিপন্ন কৰা হ'ব। স্বৰাজোত্তৰ কালত দেশৰ সামাজিক, অৰ্থনৈতিক আদি উন্নয়নৰ ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণ হৈ আহিছে যদিও গ্ৰামোন্নয়নৰ গতিটো মন্থৰ হোৱালৈ চাই আজিও আমাৰ দুৰৱস্থাৰ কথাকে প্ৰতীয়মান কৰি তুলিছে। এইক্ষেত্ৰত মানুহৰ নৈতিক স্খলন ঘটিবলৈ আৰম্ভ কৰাৰ লগে লগে যে সমাজৰ বৌদ্ধিক চিন্তা-চৰ্চাও ক্ৰমে কমি আহিছে সেইটো কিমাধিকম্!

*[১০ এপ্ৰিল ২০০৭]*

# টকাৰ অবমূল্যায়ন আৰু জাতীয় অৰ্থনীতি

টকাৰ অবিহনে কোনো মানুহে চলিব নোৱাৰে। জীৱনধাৰণৰ কাৰণে টকাৰ অপৰিহাৰ্যতা স্বীকাৰ কৰি লোৱা হৈছে। অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি স্বাচ্ছন্দ্য দিব পৰা সকলো বস্তু আহৰণ কৰিবলৈ টকাৰ ওপৰত নিৰ্ভৰ হ'ব লগা হয়। খোৱা-লোৱাকে ধৰি চিকিৎসা, শিক্ষা, ভ্ৰমণ আদি প্ৰয়োজনীয় দিশত টকা নহ'লে নচলে। সৰ্বজন স্বীকৃত আৰু জনপ্ৰিয় বিনিময় মাধ্যমৰূপে চিহ্নিত হোৱাৰ দিনৰে পৰা টকাই মানুহৰ স্বভাৱ-চৰিত্ৰ নিয়ন্ত্ৰণ কৰি বাস্তৱিকতে এক তাৎপৰ্যপূৰ্ণ অৰ্থ বহন কৰিছে।

টকাৰ মূল্য সদায় বস্তুৰ মূল্যৰ ওপৰত নিৰ্ধাৰিত হৈ আহিছে। পুঁজিতান্ত্ৰিক সমাজ ব্যৱস্থাত টকা অৰ্থাৎ মুদ্ৰা হৈছে পণ্য সৃষ্টিকাৰী সামাজিক শ্ৰমৰ প্ৰতিনিধি। পণ্য সৃষ্টি কৰোঁতে হোৱা নিয়োজিত শ্ৰমৰ অনুপাত অনুসৰি পণ্যৰ মূল্য স্থিৰ কৃত হয়। সেইবাবে টকা বা মুদ্ৰাক পণ্যৰ প্ৰতিনিধিস্বৰূপ গণ্য কৰা হয়। টকাৰ মূল্য কমি যোৱাৰ অৰ্থ হৈছে বস্তুৰ মূল্য বৃদ্ধি। প্ৰকৃতাৰ্থত, টকাৰ অবমূল্যায়নে দুটা কথা প্ৰতিপন্ন কৰে। প্ৰথমটো, টকাৰ মূল্য হ্ৰাস, দ্বিতীয়টো, বস্তুৰ মূল্য বৃদ্ধি। এই টকাৰ অবমূল্যায়ন প্ৰথমবাৰ পৰিলক্ষিত হয় প্ৰথম বিশ্বযুদ্ধৰ সময়ত আৰু দ্বিতীয়বাৰ ইয়াক বিৰাট ৰূপ ধাৰণ কৰা দেখা যায় দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত। প্ৰতিখন দেশৰ প্ৰতিটো অৰ্থনৈতিক সমস্যা বিশ্ববেংক, আন্তৰ্জাতিক মুদ্ৰানিধিৰ পথেৰে সমাধানৰ পথ প্ৰশস্ত কৰি অহা হৈছে। তৎসত্ত্বেও আমাৰ দেশত ১৯৯১ চনৰ পৰা আৰম্ভ কৰা নতুন অৰ্থনৈতিক নীতি প্ৰতিবছৰে প্ৰয়োগ কৰি অহাৰ পিছতো চৰকাৰৰ নীতি নিৰ্দেশনা আৰু বিত্তীয় প্ৰতিষ্ঠানে এই টকাৰ মূল্য হ্ৰাস ৰোধ কৰিব পৰা নাই। প্ৰথম বিশ্বযুদ্ধৰ সময়ত ডলাৰৰ তুলনাত টকাৰ মূল্য আছিল প্ৰায় তিনিটকা আৰু বৰ্তমান ইয়াৰ মূল্য প্ৰায় ৪৪ গুণ কমিছে।

মুদ্ৰাস্ফীতিৰ হাৰ যিয়েই নহওক কিয় জনসাধাৰণে অনবৰতে হোৱা প্ৰয়োজনীয় সামগ্ৰীসমূহৰ মূল্য বৃদ্ধিৰ বোজা ল'বলগীয়া হৈছে। মুদ্ৰাস্ফীতি হ্ৰাস পোৱা আৰু মুঠ সূচী স্থিৰভাৱে বৃদ্ধি পোৱাৰ কাৰণ হ'ল চৰকাৰে খাদ্য-শস্যৰ দাম বঢ়াই আছে আৰু বজাৰসমূহক বাধাহীনভাৱে নিত্য প্ৰয়োজনীয় প্ৰস্তুত সামগ্ৰীসমূহৰ দাম বঢ়োৱাৰ বাবে এৰি দিছে। চৰকাৰে মুদ্ৰাস্ফীতিৰ গভীৰ সমস্যাৰ

বাবে অগ্ৰাধিকাৰ ভিত্তিত সমাধান কৰা হ'ব বুলি আশ্বাস দিছে যদিও এইক্ষেত্ৰত যথোপযুক্ত পদক্ষেপ লোৱাত মন্থৰ গতিৰে আগবঢ়াৰ ফলত আৰ্থিক অৱস্থাৰ শ্ৰীবৃদ্ধি হৈ উঠা নাই। দৰাচলতে মুঠ মূল্য সূচীয়ে মানুহৰ প্ৰকৃতাৰ্থত জীয়াই থকাৰ খৰচ প্ৰতিফলিত নকৰে। যিহেতু ই গোটেই বজাৰখনকে সামৰি লয়। সাধাৰণতে গ্ৰাহক মূল্য সূচীৰ পৰাহে মানুহৰ জীয়াই থকাৰ খৰচৰ বাস্তৱ ছবিখন পোৱা যায়।

দেশৰ অৰ্থনীতিবিদসকলৰ মতে দৰিদ্ৰতা দুই ধৰণে জোখা হয়। প্ৰথমটো হ'ল সাধাৰণ মানুহৰ পক্ষে সুস্থভাৱে জীয়াই থাকিবলৈ প্ৰতিদিনে ন্যূনতম ১,৮০০ কেলৰি খাদ্য খাবলৈ পোৱাসকলক দৰিদ্ৰ সীমাৰেখাৰ উৰ্ধ্বত থকা বুলি কোৱা হয়। দ্বিতীয়টোৰ মতে এজন মানুহৰ সামাজিক জীৱনত শিক্ষা, চিকিৎসা আদিৰ প্ৰভাৱ আৰু আনফালে বিদ্যালয়ত ভৰ্তিৰ হাৰ, শিশুৰ মৃত্যুৰ হাৰ ইত্যাদি বিভিন্ন মাপকাঠিৰ জৰিয়তে হিচাপ লোৱা হয়। কিন্তু পৰিবৰ্তনশীল সমাজ ব্যৱস্থাত বৰ্তমান এই দুয়োটা পদ্ধতিৰেই দৰিদ্ৰতাৰ সংজ্ঞা আৰু পৰিমাপ নিৰ্দেশৰ সৰ্বসন্মত নীতি গ্ৰহণযোগ্য নহয়। কাৰণ কেলৰি গ্ৰহণৰ প্ৰয়োজনীয়তা সকলোৰে বাবে সকলো ক্ষেত্ৰতে সমান নহয়। জনমূৰি আয় অৰ্থনৈতিক অৱস্থাৰ প্ৰধান সূচক। অথচ সামগ্ৰিক ভিত্তিত লোৱা তথ্যৰ পৰা ধনী আৰু দুখীয়াৰ পৰিসংখ্যা পোৱা নাযায়। জনমূৰি মাহে খাদ্য সামগ্ৰীৰ ব্যয়ৰ ভিত্তিত দাৰিদ্ৰ্য সীমাৰেখাৰ সংজ্ঞা সম্পৰ্কে নিৰ্ধাৰণ কৰা হয়।

বিশ্ববেংকে দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে এক গুৰুত্বপূৰ্ণ আঁচনি গ্ৰহণ কৰিছে। উক্ত আঁচনিমতে জনমূৰি আয়ৰ ভিত্তিত দৰিদ্ৰতাৰ সংজ্ঞা নিৰ্ধাৰণ কৰা হয়। বিশ্ববেংকৰ প্ৰতিবেদন মতে যিসকলৰ বাৰ্ষিক আয় ৩৭০ ডলাৰ অৰ্থাৎ ১৪ হেজাৰতকৈ কম সেইসকলক দৰিদ্ৰ কোৱা হৈছে। যোৱা পঞ্চাশ দশকৰ অসমৰ জনমূৰি আয়ৰ গতি নিম্নগামী হোৱা দেখা যায়। এই জনমূৰি আয় নিম্নগামী হোৱাৰ মূলতে হ'ল ৰাজ্যিক আয়ৰ বৃদ্ধিৰ মন্থৰ গতি। স্বাধীনোত্তৰ কালৰ পঞ্চাশ বছৰত সৰ্বভাৰতীয় জনমূৰি আয় বছৰি ২ শতাংশ বৃদ্ধি পাই অহাৰ বিপৰীতে অসমৰ জনমূৰি আয় প্ৰকৃত মূল্যত প্ৰতিবছৰে গড়ে ১.৩ শতাংশৰো তলত থকাতো উল্লেখনীয়। ২০০৭ চনৰ মে' মাহৰ ৫ তাৰিখলৈকে চৰকাৰৰ এক তথ্য অনুসৰি দেশৰ মুদ্ৰাস্ফীতিৰ হাৰ হৈছে ৫.৪৪ শতাংশ কিন্তু বিগত বিত্তীয় বৰ্ষৰ এই একে সময়তে মুদ্ৰাস্ফীতিৰ হাৰ আছিল ৪.৩৭ শতাংশ। ভাৰতীয় অৰ্থনীতি বিষয় মৌলিক পৰিসংখ্যা তথ্য অনুযায়ী ১৯৯৫ চনত অসমৰ জনমূৰি আয় ১,৭২০ টকাৰ বিপৰীতে সৰ্বভাৰতীয় গড় আছিল ২,৪০১ টকা। সেই অনুপাতে উক্ত বছৰৰ ভাৰতৰ সমৃদ্ধিশালী ৰাজ্য পঞ্জাবৰ ক্ষেত্ৰত জনমূৰি আয় আছিল

৪,২৫২ টকা। আমাৰ ৰাজ্যিক আয়ত কৃষি খণ্ডই সৰ্বাধিক অৰিহণা যোগাই আহিছে যদিও কৃষিৰ উৎপাদনশীলতাৰ হাৰ আশাব্যঞ্জক নহয়। ইয়াৰোপৰি অতিৰিক্ত বৃদ্ধি পোৱা জনসংখ্যা, নিবনুৱা সমস্যা, বানপানী আদি সমস্যাই অসমৰ জনমূৰি আয় নিম্নগামী হোৱাত অৰিহণা যোগাইছে। লগতে অসমৰ অৰ্থনৈতিক উন্নয়ন বহু পৰিমাণে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহায্যৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হোৱাত পুঁজিৰ অভাৱত প্ৰাকৃতিক সম্পদৰাজিৰ সদ্ব্যৱহাৰৰ ক্ষেত্ৰত ৰাজ্যিক পুঁজি টনকীয়াল কৰাৰ ব্যৱস্থা ফলপ্ৰসূ হৈ নুঠাৰ অন্যতম কাৰণ বুলি ক'ব লাগিব। প্ৰাকৃতিক সম্পদৰাজিৰ সদ্ব্যৱহাৰেৰে জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰো যথেষ্ট থল আছে।

কেৱল জনমূৰি আয়েই অৰ্থনৈতিক উন্নয়নৰ মানদণ্ড নিৰ্ণীত নকৰে। দেশৰ মূল্যস্তৰেও এইক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। উদাহৰণস্বৰূপে ১৯৮৮ চনত ভাৰতবৰ্ষৰ জনমূৰি আয় যিটো সময়ত ৩৪০ ডলাৰ আছিল সেই সময়ত চীন দেশৰ জনমূৰি আয় আছিল ৩৩০ ডলাৰ। আমাৰ দেশৰ তুলনাত চীনদেশৰ আয় কম আছিল যদিও অৰ্থনৈতিক স্বচ্ছলতা কম নাছিল। সেই দেশত মূল্য বৃদ্ধিৰ স্থিৰতাই ইয়াৰ মুখ্য কাৰণ বুলি ক'ব লাগিব। বিগত আশীৰ দশকত চীন দেশৰ বছৰি মূল্য বৃদ্ধিৰ হাৰ আছিল কেৱল ০.১ শতাংশ, কিন্তু সেইসময়ৰ আমাৰ দেশৰ বৃদ্ধিৰ হাৰ হ'ল ৭.৫ শতাংশ। মূলতঃ চীন দেশৰ শ্ৰমৰ যথোচিত ব্যৱহাৰ আৰু সামাজিক সংগঠনসমূহৰ সমাজসেৱামূলক ব্যৱহাৰৰ সম্প্ৰসাৰণে সেই দেশৰ আয় অনুপাতে ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰিবলৈ সক্ষম হৈছিল। আমাৰ দেশত শ্ৰমৰ উচিত মৰ্যাদা দিয়াৰ লগতে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা সকলৰ জীৱনধাৰণৰ মান উন্নীত কৰিবৰ বাবে চৰকাৰৰ লগতে সামাজিক সংগঠনসমূহেও প্ৰকৃতাৰ্থত অগ্ৰণী ভূমিকা লোৱাৰ প্ৰয়োজন।

*[২৪ মে ২০০৭]*

# সমাজ ব্যৱস্থা আৰু শিক্ষাৰ মূল্যায়ন

ইংৰাজীত এষাৰ কথা আছে— Idle brains are devil's shop অৰ্থাৎ অকামিলা মগজু চয়তানৰ দোকান। এই প্ৰবাদটোৱে বাস্তৱিকতে শিক্ষা আহৰণ কৰাৰ পিছতো অকামিলা জীৱন-যাপন কৰিব লগা হোৱা শিক্ষা ব্যৱস্থাৰ কথাটোকে সূচাইছে। যিটো অৰ্থত শিক্ষাই জীৱন আৰু জীৱনেই শিক্ষা বুলি কোৱা হয়। প্ৰকৃতাৰ্থত মানুহৰ জীৱন যাত্ৰাৰ জ্ঞান-বুদ্ধি-কৌশলৰ দক্ষতা লাভৰ বাবেই শিক্ষাৰ আৱশ্যকতা আছে। এই শিক্ষাৰ লগত মানুহৰ জীয়াই থকাৰো মৌলিক সম্পৰ্ক আছে। এনে স্থলত শিক্ষা আৰু জীৱনৰ অংগাংগিকতা বিচ্ছিন্ন হৈ পৰা অৱস্থাৰ পটভূমিত সকলোৰে মনলৈ অহা সচৰাচৰ এটা প্ৰশ্ন, সেইটো হৈছে— শিক্ষা কিহৰ বাবে?

বৰ্তমান দেশৰ আৰ্থ-সামাজিক উন্নয়নত আমাৰ শিক্ষা ব্যৱস্থাটোৰ লগত সম্পৃক্ত হৈ থকা জটিল সমস্যাটো হৈছে শিক্ষিত নিবনুৱা সমস্যা। এশ কোটিৰ উৰ্দ্ধৰ জনসংখ্যাৰ দেশ ভাৰতবৰ্ষৰ নিবনুৱা সমস্যা বৃদ্ধিত বিশেষভাৱে অৰিহণা যোগোৱা ৰাজ্যবোৰৰ ভিতৰত অসম অন্যতম। 'অসম শ্ৰম আৰু নিয়োগ' বিভাগৰ তথ্য অনুযায়ী ২০০৬ চনত ৰাজ্যখনত পঞ্জীয়নভুক্ত শিক্ষিত নিবনুৱাৰ সংখ্যা হৈছে ১২,৩৬,৫০০জন। ইয়াৰ ভিতৰত অভিযন্তা ২,৯১৩ জন, চিকিৎসক ৪৮৭ জন, পশু চিকিৎসক ৪০৬ জন, কৃষি স্নাতক ১,১৮৩ জন, স্নাতকোত্তৰ ডিগ্ৰীধাৰী ১৫,৭৩৭ জন আৰু স্নাতক ডিগ্ৰীধাৰী ১,৮০,৬৯৯ জন আছে। ইয়াৰ উপৰি উচ্চ বা উচ্চতৰ মাধ্যমিক বিদ্যালয় শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষা নকৰাসকল আছে।

দেশত প্ৰায়োগিকভাৱে শৃংখলাবদ্ধ শিক্ষা ব্যৱস্থাৰ অভাৱেই ইয়াৰ মূল কাৰণ বুলি ক'ব লাগিব। আমাৰ দেশ স্বাধীন হোৱাৰ লগে লগে শিক্ষা সকলোৰে বাবে মুকলি কৰি দিয়া হ'ল যদিও শিক্ষাত বিভিন্ন পথ মুকলি কৰিবলৈ আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা লোৱাত তেনেকৈ গুৰুত্ব দিয়া নহ'ল। যাৰ ফলত শিক্ষা আহৰণৰ ক্ষেত্ৰত ছাত্ৰই বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰী এটা লৈ চাকৰি এটাত সোমায় বা সোমাবলৈ বাধ্য হয়। য'ত ছাত্ৰজনে আহৰণ কৰা জ্ঞানৰ সামান্যতমো প্ৰয়োজন নহয়। এইক্ষেত্ৰত শিক্ষা অকল চাকৰিৰ বাবে নহ'লেও আত্মনিৰ্ভৰশীল হ'বলৈ এই শিক্ষাৰ আৱশ্যকতা আছে। আমাৰ কৰ্মবিমুখ আৰু সহজলভ্য চাকৰিমুখী

শিক্ষাই বাস্তৱত কৰ্মমুখী শিক্ষা-সংস্কৃতিৰ পথ আজি স্তব্ধ কৰি তুলিছে।

ভাৰতবৰ্ষত ব্ৰিটিছ শাসনৰ সময়ৰে পৰা এই শিক্ষা সম্প্ৰসাৰণৰ বাবে আয়োগ, কমিটি আদি গঠন কৰি অহা হৈছে। ১৯৫২ চনত দেশীয় চৰকাৰে শিক্ষা ব্যৱস্থা আৰু ইয়াৰ পৰামৰ্শৰ বাবে মুদ্ৰালিয়াৰ আয়োগ গঠন কৰিছিল। পিছত এই শিক্ষা ব্যৱস্থাৰ সংস্কাৰ আৰু পুনৰ গঠনৰ বাবে কোঠাৰী কমিছন গঠন কৰিছিল। কেন্দ্ৰীয় চৰকাৰে ১৯৮৮-৮৯ চনৰ পৰা উক্ত কোঠাৰী কমিছনৰ শিক্ষা প্ৰৱৰ্তন কৰা দেখা যায়। এইশিক্ষাৰ মূলতে আছিল নিবনুৱা সমস্যাৰ সমাধান আৰু মানৱ সম্পদৰ সদ্ব্যৱহাৰ। ইয়াৰ দ্বাৰা কৰ্মবিমুখ আৰু চাকৰিমুখী শিক্ষাৰ অৱসান ঘটাই বৃত্তিমূলক শিক্ষাৰ জৰিয়তে স্ব-নিয়োগৰ পথত আত্মনিয়োগ কৰা। এই বৃত্তিমূলক শিক্ষাৰ সম্প্ৰসাৰণৰ যোগেদি যোৱা ২০০০ চনত দেশখনক পঁচিছ শতাংশলৈ সম্প্ৰসাৰণৰ লক্ষ্য অতিক্ৰম কৰি এইক্ষেত্ৰত তামিলনাডু, কৰ্ণাটক, ভূপাল ৰাজ্য আদিয়ে অভিলেখ স্থাপন কৰিছে। অসমত বৃত্তিমুখী শিক্ষাৰ প্ৰসাৰণৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা নোলোৱাৰ ফলত এই দিশত শোচনীয় অৱস্থাৰ সৃষ্টি হোৱাটো লক্ষণীয়। এইক্ষেত্ৰত স্বাস্থ্য, বিজ্ঞান, অভিযান্ত্ৰিক আদি দিশৰ লগতে উদ্যোগ, কাৰিকৰী, অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী-অৰ্ধচৰকাৰী সংস্থাসমূহত এই শিক্ষা ব্যৱস্থাটো আকৰ্ষণীয় কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰীভাৱে কিছুমান ব্যৱস্থা লোৱাৰ প্ৰয়োজন নথকা নহয়। দুৰ্ভাগ্যৰ বিষয় যে বৰ্তমান অসমৰ এই শিক্ষিত নিবনুৱাৰ সমস্যাটো চৰকাৰৰ বাবে ভালুকৰ সাঙী হৈ পৰিছে।

এইটো লক্ষণীয় যে বৰ্তমান বিশ্বায়নৰ যুগত জ্ঞানৰ পৰিধি দ্ৰুতগতিত পৰিবৰ্তন হ'ব ধৰিছে। ফলত দেশৰ উৎপাদন ব্যৱস্থা আৰু সমাজ ব্যৱস্থাত ইয়াৰ অবিৰাম পৰিবৰ্তন ঘটিছে। ইয়াৰ লগে লগে সমাজ-জীৱন প্ৰতিযোগিতা প্ৰধান আৰু অত্যন্ত গতিশীল হ'বলৈ বাধ্য হৈছে। মুখ্যতঃ এই গতিশীলতাৰ অবিহনে প্ৰতিযোগিতা প্ৰধান সমাজত তিষ্ঠি থকাটো অসম্ভৱ হৈ পৰিছে। উৎপাদন ব্যৱস্থাৰ টেক্‌নোল'জিকেল পৰিবৰ্তনৰ ওপৰত স্কুল পাঠ্যক্ৰমৰ আৱশ্যকতা নিৰ্ভৰ কৰিছে। টেক্‌নিকেল শিক্ষাত টেক্‌নিকৰ শিক্ষাদানেই মূল উদ্দেশ্য। এটা চাকৰি লাভৰ বা কৰ্মসংস্থানৰ বাবে আমাৰ উচ্চ শিক্ষাৰ সম্পৰ্ক গঢ় লৈ উঠিছে; এইক্ষেত্ৰত শিক্ষাৰ উদ্দেশ্য আৰু কৰ্মসংস্থানৰ সম্পৰ্কে এক স্পষ্ট ধাৰণা নথকাত আজিও শিক্ষিত নিবনুৱাৰ বৃদ্ধিৰ বাবে আমাৰ শিক্ষা ব্যৱস্থা মূলতঃ দায়ী বুলি প্ৰতিপন্ন হৈছে। বৰ্তমান দেশত ইঞ্জিনীয়াৰিং ডিগ্ৰীধাৰীৰ ক্ষেত্ৰতো নিবনুৱা সৃষ্টি হোৱা সমস্যালৈ চাই এইক্ষেত্ৰত মনলৈ অহা বিসংগতিপূৰ্ণ ধাৰণা এটা স্পষ্ট হ'ব পৰা যায়। বৰ্তমান শিক্ষাবিদসকলে উচ্চ শিক্ষাৰ উদ্দেশ্যক চাকৰি লাভ বা কৰ্মসংস্থানৰ যোগান ধৰাৰ উদ্দেশ্যৰ পৰা মুক্ত কৰি ৰখাৰ আৰু চাকৰিপ্ৰাপ্তিৰ বাবে

বিশ্ববিদ্যালয়ৰ ডিগ্ৰীক অনাৱশ্যক কৰি তোলা পৰামৰ্শ আগবঢ়াইছে। পশ্চিমীয়া দেশত কৰ্মসংস্থানৰ বিভিন্ন সমস্যাক কেন্দ্ৰ কৰি আলোচনা আৰু গৱেষণা উচ্চ শিক্ষাৰ স্তৰত কৰা হয় যদিও সেইবোৰ দেশত চাকৰিপ্ৰাপ্তিৰ অৰ্থে আমাৰ দেশৰ দৰে বিভাগীয় পৰীক্ষা দিবলৈ ডিগ্ৰীৰ আৱশ্যকতা কম বা বহুক্ষেত্ৰত নাই বুলি ক'ব পাৰি। এই সম্পৰ্কত শিক্ষাবিদসকলে কৰা মন্তব্য স্মৰ্তব্য— শিক্ষা ব্যৱস্থাৰ ওপৰত কৰ্ম ব্যৱস্থা গঢ়ি নুঠে আৰু বেকাৰ সমস্যা শিক্ষা-ব্যৱস্থাই পোনপটীয়াভাৱে বা প্ৰত্যক্ষ ৰূপে সমাধানেও কৰিব নোৱাৰে— যদিও উপযুক্ত চাৰিত্ৰিক বিকাশৰ মাজেদি এই সমস্যা সমাধানত শিক্ষা-ব্যৱস্থাই অপ্ৰত্যক্ষ ৰূপে বা আওপকীয়াকৈ বৰঙণি যোগাব পাৰে আৰু যোগোৱাও উচিত। *(বিকাশ, সমস্যা, বিশ্লেষণ আৰু শিক্ষা-সংস্কাৰ, পৃষ্ঠা-১৩০)*

১৯৮৬ চনৰ জানুৱাৰী মাহৰ ২৩ আৰু ২৪ তাৰিখে নতুন দিল্লীত অনুষ্ঠিত শিক্ষামন্ত্ৰী সন্মিলনত অসমৰ তদানীন্তন শিক্ষামন্ত্ৰী বৃন্দাবন গোস্বামীয়ে নতুন শিক্ষা নীতি সম্পৰ্কত দাঙি ধৰা এষাৰ সাৰগৰ্ভ বক্তব্য আছিল এনেধৰণৰ— (ক) প্ৰকৃতাৰ্থত শিক্ষা হৈছে জীৱন প্ৰস্তুতিকৰণ; (খ) সাহস আৰু দৃঢ়তাৰে জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ ডেকাচামক উপযুক্ত শিক্ষাৰে প্ৰস্তুত কৰি তোলা; (গ) এই শিক্ষাৰ জৰিয়তে ডেকাচামে তেওঁলোকৰ কল্পনা বাস্তৱায়িত কৰাৰ সুবিধা পাব; (ঘ) এই শিক্ষা সামাজিক পৰিবৰ্তন আৰু বিকাশ সাধনৰ এক অস্ত্ৰ স্বৰূপ হ'ব। দুৰ্ভাগ্যজনকভাৱে বাস্তৱত অসমত ইয়াৰ একোটোৱেই সম্ভৱ হৈ উঠা দেখা নগ'ল। ইয়াৰ পৰা অদূৰ ভৱিষ্যতে অসমত দেখা দিব পৰা দুটা কথা স্পষ্ট হ'ব পাৰি— প্ৰথম, স্ব-নিয়োগত অভ্যস্ত হ'ব নোৱাৰা আৰু দ্বিতীয়তে, অৰ্ধশিক্ষিত হৈ ৰোৱা।

*[২৮ মে ২০০৭]*

# অশান্ত অসমত শান্তিৰ সন্ধান

মধ্যযুগৰ অসমৰ এটা বিশেষত্ব আছিল যে স্বাধীন ৰাজ্য হিচাপে ৰাষ্ট্ৰ ক্ষমতা থকা কামৰূপ, কমতা আৰু আহোম ৰাজ্যৰ ৰজা-প্ৰজাসকলে অসমৰ সামাজিক জীৱনৰ সভ্যতা-সংস্কৃতিৰ ভেঁটি সংস্থাপনৰ কামত এটা বিশিষ্ট গঢ় দি যাওঁতে নিজে আগবাঢ়ি যোৱাৰ পথ সদা নিষ্কণ্ট কৰি ৰাখিছিল। নিঃসন্দেহে সেই যুগত অবিসম্বাদী চিন্তা-নায়ক শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ আৰু তেওঁৰ প্ৰৱৰ্তিত নববৈষ্ণৱ ধৰ্মৰ জোৱাৰৰ ঢৌৱে দেশত এক চিন্তা-চৰ্চাৰ বাতাবৰণ সৃষ্টি কৰিছিল। অসম দেশৰ বুৰঞ্জীত সাম্প্ৰতিক কালৰ অসমৰ সামাজিক জীৱনৰ উবলি যাব ধৰা ভেঁটিটোত সেই সময়ত এনে দুৰ্যোগৰ মুহূৰ্ত কেতিয়াও সংঘটিত হোৱাগৈ নাছিল। কিন্তু অসম আৰু অসমৰ সামাজিক জীৱনৰ বাবে চৰম দুৰ্যোগ আৰু বিপৰ্যয় নামি আহে অষ্টাদশ শতিকাৰ শেষ আৰু উনবিংশ শতিকাৰ প্ৰাৰম্ভিক সময়ছোৱাৰ পৰা। আহোম ৰাজত্ব (১১২৮-১৮২৬খৃঃ)ৰ শেষৰ ফালে আহোমসকলে সেই সময়ত পূৰ্বৰ শৌৰ্য-বীৰ্য একেবাৰে হেৰুৱাই পেলোৱাৰ উপৰি ভোগ-বিলাসত মত্ত হৈ উচ্চকাংক্ষী ডা-ডাঙৰীয়া তথা পাত্ৰ-মন্ত্ৰী স্বৈৰচাৰীত বৃদ্ধি পাইছিল। স্বৰূপাৰ্থত, দেশৰ সৰ্বময়কৰ্তাসকলে সেই সময়ত দেশপ্ৰেমৰ বিসৰ্জন দিছিল। যাৰফলত প্ৰবল প্ৰতাপী দিল্লীৰ মোগল আৰু ৰামসিংহৰ ৰাজপুত শক্তিক শৰাইঘাটৰ ৰণত পৰাস্ত কৰা আহোমে ইংৰাজ শক্তিৰ ওচৰত শৰণাপন্ন হ'বলগীয়া হৈছিল।

১৮২৪ চনত অসমৰ শত্ৰু মানক খেদিবলৈ ইংৰাজৰ লগলৈ শান্তি-শৃংখলা ঘূৰাই অনাৰ নামত অসমীয়া জাতিৰ কংকাল চিৰকালৰ বাবে ভাঙি পেলাইছিল। ইয়াৰ আগত সমগ্ৰ দেশজুৰি নানান দুৰ্ভিক্ষই দেখা দিছিল যদিও এনেদৰে দেশ উচ্ছন যোৱা নাছিল। অসমৰ জাতীয় জীৱনৰ সংকটাবস্থাৰ পূৰ্বাভাস দেখা গৈছিল গৌৰীনাথ সিংহৰ দিনত মোৱামৰীয়াৰ উপদ্ৰৱৰ সময়ত। আহোমৰ শাসনকালতেই মহাপৰাক্ৰমী মোগলসকলে সোতৰবাৰ পৰ্যন্ত অসম আক্ৰমণ কৰিও অহা বাটেৰে বিফল মনোৰথ হৈ ঘূৰি যাব লগা হৈছিল। সেই সময়ত অসমলৈ অহা ইংৰাজ চাহাব কেপ্তেইন ওৱেলচে অসমৰ এৰাবাৰী কিছুমান জনশূন্যত পৰিণত হোৱা দেখিবলৈ পোৱাটো উল্লেখনীয়। কিন্তু মিৰজুমলাৰ অসম আক্ৰমণৰ সময় (১৬৬২-৬৩খৃঃ)ত একেখন অসমলৈ অহা মুছলমান ঐতিহাসিক চাহাবুদ্দিনে

দেৱৰ গাঁৱৰ পৰা ৰংপুৰলৈ বিয়পি থকা গাঁৱবোৰৰ সোণালী শস্য আৰু ফল-মূলৰ বাগিচাৰে ভৰা অঞ্চল জনাকীৰ্ণ আছিল। আহোমসকলে এই দেশলৈ আহি এই দেশৰ শস্য-শ্যামলা, সুজলা-সুফলা ৰূপ দেখি উল্লসিত হৈ দেশখনৰে নাম দিছিল 'মুঙ-ভূঙ-ছুম-খাম' অৰ্থাৎ সোণৰ বাগিচাৰ দেশ।

ইংৰাজসকলৰ আগমণৰ ফলত দেশৰ অৰ্থনীতি আৰু সমাজ-জীৱনেও এক নতুন ৰূপ পৰিগ্ৰহ কৰিবলৈ ধৰিলে। অসমীয়া জাতিয়ে ৰাজনৈতিকভাৱে ইংৰাজৰ পদলেহনকাৰী হোৱাৰ লগতে অৰ্থনৈতিকভাৱে বিদেশীৰ ওচৰত শৰণাপন্ন হ'বলৈ বাধ্য হ'ল। ১৮২৬ চনত ইংৰাজ ৰাজত্বৰ পাতনিৰ লগে লগে দেশৰ চাকৰি-বাকৰিবোৰত বঙালীলোকৰ হাতলৈ যোৱাৰ ইতিহাস ৰচনা হ'বলৈ ধৰিলে। ১৮৫৩ চনত অসমৰ পৰিস্থিতি অধ্যয়ন কৰিবলৈ অহা মিঃ মফাট মিলচ্ চাহাবে যুগুত কৰা প্ৰতিবেদনত বঙালীসকলৰ স্বাৰ্থক প্ৰাধান্য দিয়াৰ কথা উল্লেখ আছে। অসমৰ জাতীয় জীৱনৰ এই জটিল সন্ধিক্ষণত কমলাকান্ত ভট্টাচাৰ্য, গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকনকে ধৰি বহু কেইজন চিন্তাবিদৰ সবল নেতৃত্বৰ ফলস্বৰূপে জাতিৰ ৰাজনৈতিক, অৰ্থনৈতিক মূলোচ্ছেদৰ লগতে অসমৰ পৰম্পৰা সাংস্কৃতিক ঐতিহ্য সেই সময়ত ৰক্ষা পৰে।

কিন্তু ১৯৪৭ চনত দেশ ৰাজনৈতিকভাৱে স্বাধীন হ'লেও স্বাধীন ভাৰতৰ প্ৰতিজন খিলঞ্জীয়া অসমীয়াৰ অৰ্থনৈতিক আৰু সামাজিক মুক্তিৰ পথটো ৰচা নহ'ল। আপাতদৃষ্টিত স্বাধীনতাৰ ৰ'দ কাঁচলিত অসমৰ অসমীয়াহে পৰাৰ বাট মুকলি হ'ল যদিও ভাৰতৰ ভাৰতীয়ই স্বৰূপাৰ্থত অসমৰ জাতীয় জীৱনৰ এটা ডাঙৰ সৰ্বনাশৰ বাটহে মুকলি কৰি দিয়া হ'ল। পৰৱৰ্তীকালত ১৯৫০ চন আৰু ১৯৭১ চনকে ধৰি আজি পৰ্যন্ত প্ৰব্ৰজনৰ অবাধগতি অব্যাহত আছে। বৰঞ্চ দেশ বিভাজনৰ সময়ত পাকিস্তানৰ সৃষ্টি হোৱাৰ লগে লগে পূববংগৰ লগত অসমৰ যোগাযোগ বিচ্ছিন্ন হোৱাই নহয় অসম ভাৰতৰ আন আন অংশৰ পৰাও বিচ্ছিন্ন হৈ পৰাৰ উপক্ৰম ঘটিল। ফলস্বৰূপে, অসমৰ সংকটকালৰ প্ৰতি কেন্দ্ৰৰ উদাসীনতা ক্ৰমাৎ স্পষ্ট হ'বলৈ ধৰিলে।

১৯৬২ চনত চীনা আক্ৰমণৰ সময়ত দেশৰ প্ৰতিৰক্ষাৰ নামত অসমক ত্যাগৰ আয়োজন কৰি প্ৰতিকাৰৰ ব্যৱস্থা কৰা হ'ল। পৰৱৰ্তীকালত অৱহেলিত এই অসমক ভাৰতৰ এটা অংগ হিচাপে ল'লেও মূলতঃ এখন উপনিবেশ হিচাপেহে ধাৰণা ওপজিব লোৱা দেখা গ'ল। দেশত শোষণ-বঞ্চনাৰ পৰিৱেশ বৰ্তি থকাৰ বাবেই জনগোষ্ঠীসমূহৰ মাজত উদ্ভৱ হোৱা অসন্তুষ্টিয়ে বিদ্ৰোহৰ পৰ্যায়লৈ ৰূপান্তৰ ঘটিছে। এই পৰ্যায়ৰ সময়োচিত চিন্তাৰ দীনতা আৰু সময়োপযোগী ৰাজনৈতিক সদিচ্ছাৰ অভাৱৰ কাৰণত বৰ্তমান আমাৰ সামাজিক

পৰিৱেশটোকে ধূসৰিত কৰি পেলাইছে।

১৭৫৭ চনৰ ২৩ জুনত হোৱা পলাচী যুদ্ধৰ পিছত মাত্র এশ বছৰৰ ভিতৰত ব্রিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সমগ্র ভাৰতবৰ্ষ নিজৰ হাতলৈ নিছিল। ১৮৫৭ চনৰ ২ আগষ্টত ব্রিটিছ পাৰ্লিয়ামেন্টত ভাৰত আইন গৃহীত হোৱাৰ ফলত ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিলুপ্তি ঘটিছিল। ইয়াৰ দ্বাৰা সমগ্র ভাৰতবৰ্ষ ইংলেণ্ডৰ ৰাণী ভিক্টোৰিয়াৰ সাম্রাজ্যৰ এটা অংশত অন্তৰ্ভুক্ত হৈছিল। তেতিয়াৰ পৰা ৰাজনৈতিক সংহতকৰণ আৰু অৰ্থনৈতিক শোষণ, উভয়ৰ কাৰণে ব্রিটিছে কাম কৰিছিল। ভাৰতীয় জনগণে ইয়াৰ আগত কেইবাবাৰো বিদ্রোহ ঘোষণা কৰিছিল যদিও এক জাতীয় বিপ্লৱৰ ৰূপ ল'ব পৰা নাছিল। ব্রিটিছৰ বিৰুদ্ধে ভাৰতীয় জনগণৰ বিদ্রোহৰ পৰিণতিত ১৮৫৭-৫৮ চনত চিপাহী যুদ্ধ হৈছিল। এই যুদ্ধত ভাৰত পৰাজয় বৰণ কৰিছিল যদিও ইয়াৰ দ্বাৰা ভাৰতীয় জনগণে এক ঐক্যবদ্ধ সংগ্রাম গঢ়ি তুলিছিল। মাৰ্ক্স আৰু এঙ্গেলছে এই চিপাহী যুদ্ধক প্রথম ভাৰতীয় স্বাধীনতাৰ যুদ্ধ বুলি বৰ্ণনা কৰিছে। ১৯১৯ চনত উত্তৰ-পূবৰ জনজাতীয় লোকসকলৰ কোনো এটা অঞ্চল 'পশ্চাৎপদ অঞ্চল' বুলি ঘোষণা কৰি নিজৰ চক্রান্তবোৰৰ নিৰ্দিষ্ট ৰূপ দিবলৈ ব্রিটিছ গৱৰ্ণৰ জেনেৰেলৰ ওপৰত ক্ষমতা প্রদান কৰা হৈছিল। আনকি ১৯৩৫ চনৰ আইনৰ ব্যৱস্থা কৰি জনজাতীয় অঞ্চলবিলাকক 'বহিৰ্ভূত অঞ্চল' অথবা 'আংশিকভাবে বহিৰ্ভূত অঞ্চল' বুলি ঘোষণা কৰিছিল। ইয়াৰ দ্বাৰা ভাৰতীয় জাতীয় আন্দোলনত জনজাতীয় লোকসকলক উক্ত দুই ক্ষেত্রত সম্পূৰ্ণ আঁচুতীয়া কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছিল।

ব্রিটিছৰ শাসন কালত জনজাতীয় অঞ্চলবিলাকত সামগ্রিক অৰ্থনৈতিক বিকাশৰ ক্ষেত্রত কৃপনালিৰ এক নীতি অনুসৰণ কৰা দেখা যায়। প্রথমতে, ভাৰতৰ আন অংশৰ ৰাজনৈতিক বিকাশৰ মূল সুঁতিৰ লগত জনজাতীয় লোকসকলক সংস্পৰ্শৰ বাহিৰ ৰখা। দ্বিতীয়তে, খ্রীষ্টিয়ান মিছনাৰীসকলে তেওঁলোকৰ ইচ্ছানুযায়ী জনজাতীয় সমাজখন পৰিবৰ্তন কৰিবলৈ সুযোগ সুবিধা কৰি লৈছিল। তৃতীয়তে, ব্রিটিছে জনজাতীয় সমাজৰ আমূল পৰিবৰ্তনৰ কাৰণে এক আকাংক্ষাৰ মনোভাব গঢ়ি তুলিছিল যদিও ইয়াৰ কাৰণে অৰ্থনৈতিক সমলৰ যোগান ধৰা নাছিল। ফলত জনজাতীয়সকলৰ মনত ক্রমান্বয়ে নৈৰাশ্যৰ ভাব গঢ় লৈ উঠাত বিশেষ উদগনি যোগাইছিল।

সাম্প্রতিক পৰিস্থিতিত দেশৰ গণতান্ত্রিক পদ্ধতি অপৰিহাৰ্য হৈ পৰিলেও অসমৰ সামাজিক আৰু নৈতিক মূল্যবোধৰ ক্রমান্বয়ে অৱক্ষয় ঘটিবলৈ আৰম্ভ কৰে। আনহাতে নিপীড়িত জাতিসত্তাৰ আত্মনিয়ন্ত্রণ আৰু অৰ্থনৈতিক শোষণৰ প্রতিবাদী উদ্গীৰণৰ ফলস্বৰূপে সম্প্রতি ৰাজ্যখনত গোষ্ঠীভিত্তিক পুনৰ বিন্যাস,

স্বায়ত্ত শাসন, সুকীয়া ৰাজ্য, সাৰ্বভৌমত্ব আদি নানা দাবী উত্থাপিত হ'ব ধৰিছে। অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত সুদীৰ্ঘকাল ধৰি নেতিবাচক আৰু নিৰাশাবাদী কাৰ্যকলাপেও এই সমস্যাবিলাকৰ মূৰ দাঙি উঠাত ইন্ধন যোগাইছে। আনপিনে, দেশত ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে দেখুৱাই অহা উদাসীনতাৰ ফলত অসমত জনগোষ্ঠীসমূহৰ আত্মপ্ৰতিষ্ঠাৰ সপোন বাস্তৱায়িত কৰি তোলাত সফলতা লাভ কৰিব পৰা নাই।

ইয়াগুৱা সন্ধিয়ে অসমত ঔপনিৱেশিক ব্ৰিটিছ শাসকসকলে প্ৰয়োগ কৰা প্ৰশাসনিক ব্যৱস্থাবোৰৰ জৰিয়তে ভৌগোলিক অৱস্থানভেদে শাসন পদ্ধতিৰ বিকেন্দ্ৰীকৰণ আৰু ইয়াৰ ভূখণ্ডত উন্মেষিত গোষ্ঠীদ্বন্দ্বৰ উদ্ভৱ হোৱা ধাৰণা এটি সম্প্ৰতি তাৎপৰ্যপূৰ্ণ বিষয়ৰূপে চিহ্নিত হৈছে। অসমৰ ইতিহাসৰ ক্ৰমবিকাশৰ লগত সম্পৰ্ক অটুট ৰাখি এই গভীৰ সংকটৰ পৰা উদ্ধাৰ কৰিব নোৱাৰাৰ ফলস্বৰূপে জাতীয় নিপীড়নৰ বিৰুদ্ধে এই সংগ্ৰাম অব্যাহত থকাটো মন কৰিবলগীয়া। এক সুষম ভৌগোলিক অৱস্থানত কোনো এটা জনগোষ্ঠীয়েই সংস্থাপিত নোহোৱা ইয়াৰ ভূখণ্ডত ৰাজনৈতিক আৰু আৰ্থ-সামাজিক উন্নয়নৰ দিশত সৃষ্টি কৰা বৈষম্যতাই এক জাতিতত্ত্ব গঠনৰ কাঠামোত আঘাত হানিছে। অসমৰ ইতিহাসৰ পটভূমিত গঢ় লোৱা একোটা অঞ্চলৰ এই স্বাধীনচিতীয়া ক্ষুদ্ৰ জাতিসমূহে স্বকীয় অস্তিত্ব ৰক্ষা কৰি বৰ্তমান আত্মনিয়ন্ত্ৰণৰ দ্বাৰা নিজৰ ভৱিষ্যৎ নিজে ৰচনা কৰিবলৈকো উদ্যত হৈছে। অতি সম্প্ৰতি দেশৰ অৰ্থনৈতিক বিকল্পই অসমৰ জাতীয় স্বতন্ত্ৰক কেৱল সূচীত কৰাই নহয়, ই আঞ্চলিক স্বতন্ত্ৰবোধৰো জন্ম দি স্বতন্ত্ৰ ৰাজনৈতিক গাঁথনি আৰু ক্ষমতা দখলৰ দ্বাৰা প্ৰত্যেক জাতিসত্তাই নিজকে প্ৰতিপন্ন কৰি তুলিছে।

অসমৰ জনসাধাৰণৰ এই দুখ-দুৰ্দশা আৰু নানাধৰণৰ সমস্যা বৰ্তমান অসমৰ দুৰৱস্থাৰ কাৰণৰূপে চিহ্নিত হৈছে। এইক্ষেত্ৰত অৰ্থনৈতিক বিকাশ, ৰাজনৈতিক বঞ্চনাবোধ, ভাষাই সৃষ্টি কৰা মানসিক দূৰত্ব, সংস্কৃতিগত বিভিন্ন উপলব্ধি আৰু সংস্কৃতিৰ স্বতন্ত্ৰতা গ্ৰাসৰ আশংকা, ক্ষুদ্ৰ জাতিসত্তাৰ বিলুপ্তিৰ আশংকা আদিয়ে মুখ্য কাৰকৰূপে প্ৰতিপন্ন কৰিছে। অসমৰ জাতীয় জীৱনৰ সুদৃঢ় ভেটি ৰচনাত নিজস্বতা আৰু স্বকীয় বৈশিষ্ট্যৰে ইয়াৰ সামাজিক জীৱনৰ ইতিবাচক চিন্তা-চৰ্চা কৰাৰো প্ৰয়োজনীয়তা আছে।

*[৫ জুন ২০০৭]*

# খোৱা পানীৰ অভাৱ আৰু ফ্লুৰাইডৰ প্ৰভাৱ

পানী জীৱৰ প্ৰাণ। জীৱ বিজ্ঞানীসকলৰ ধাৰণা যে সম্ভৱতঃ ৰাসায়নিক বিক্ৰিয়াৰ ফলত পানীৰ অণুৰ পৰাই জীৱৰ উৎপত্তি হৈছিল। অম্লজানৰ পিছতে জীৱন-ধাৰণৰ প্ৰয়োজনীয় প্ৰধান মৌলিক উপাদন হ'ল পানী। 'বিশ্ব স্বাস্থ্য সংস্থা'ৰ সমীক্ষা মতে জনমূৰি পানীৰ প্ৰয়োজনীয়তা বিশ্বৰ গড় নিৰিখত প্ৰতিদিনে ১৩৫ লিটাৰ। খোৱা পানীকণৰ বাদেও সাধাৰণতে চাৰিটা প্ৰধান উদ্দেশ্যত পানীৰ প্ৰয়োজন হয়— (ক) ঘৰুৱা কাম-কাজৰ বাবে, (খ) অগ্নি-নিৰ্বাপন আৰু কৃত্ৰিম সন্তৰণ জলাজয়ৰ নিচিনা ৰাজহুৱা প্ৰয়োজন পূৰণৰ কাৰণে, (গ) ঔদ্যোগিক কল-কাৰখানাত ব্যৱহাৰৰ কাৰণে আৰু (ঘ) কৃষি ক্ষেত্ৰত ব্যৱহাৰৰ কাৰণে। মূলতঃ এই পানী আমি তিনিটা উৎসৰ পৰা পাও— বৰষুণৰ পানী, ভূপৃষ্ঠৰ পানী আৰু ভূগৰ্ভৰ পানী। প্ৰকৃতাৰ্থত বৰষুণেই পানীৰ প্ৰধান উৎস। কেন্দ্ৰীয় ভূগৰ্ভ জল প্ৰাধিকাৰীৰ (Central Ground Water Authority) তথ্য মতে ভূগৰ্ভৰ পৰা আহৰণ কৰা পানী গ্ৰামীণ অঞ্চলত খোৱাৰ যোগান ধৰা হয় ৮৫ শতাংশ আৰু নগৰ অঞ্চলত হৈছে ৫৫ শতাংশ। ভূপৃষ্ঠৰ পানীৰ উৎস হৈছে— নৈ, জান, জুৰি, বিল, পুখুৰী ইত্যাদি। কিন্তু এইবোৰৰ বেছিভাগে মূল-মূত্ৰ, জাবৰ ইত্যাদিৰে প্ৰদূষিত হোৱাৰ ফলত মুখ্যতঃ খোৱা পানীৰ কাৰণে ভূগৰ্ভৰ পানীৰ ওপৰত সৰ্বাধিক নিৰ্ভৰ কৰিবলগীয়া হয়।

ভাৰত চৰকাৰৰ কুৰি দফীয়া আঁচনিসমূহৰ ভিতৰত এক গুৰুত্বপূৰ্ণ আৰু জৰুৰী অন্তৰ্ভুক্তি সেইটো হৈছে খোৱা পানীৰ যোগান সুনিশ্চিত কৰা। ১৯৭২-৭৩ চনত আমাৰ দেশত পোনপ্ৰথমবাৰৰ বাবে গ্ৰামীণ অঞ্চলত খোৱা পানীৰ যোগান আঁচনিখন প্ৰবৰ্তন কৰা হয়। পিছত এইখন আঁচনি পুনৰ প্ৰবৰ্তন কৰে ১৯৭৭-৭৮ চনত। ১৯৮৩ চনত ৰাষ্ট্ৰীয় খোৱা পানী নিগম নামেৰে প্ৰতিষ্ঠানটোৱে দেশৰ গ্ৰামীণ অঞ্চলত খোৱা পানীৰ যোগান ধৰে। বৰ্তমান উক্ত আঁচনিখন ৰাজীৱ গান্ধী সোঁৱৰণী নিগম নামেৰে দেশৰ গ্ৰামীণ অঞ্চলত খোৱা পানীৰ যোগান ধৰি আছে। প্ৰায়বোৰ পঞ্চবাৰ্ষিক পৰিকল্পনাতেই খোৱা পানীৰ যোগান সুনিশ্চিত কৰাৰ ব্যৱস্থা লোৱা হৈছে যদিও অঞ্চলবোৰত এমাইলৰ ভিতৰত খোৱা পানীৰ কোনো উৎস নথকাটো তাৎপৰ্যপূৰ্ণ ৰূপে বিবেচিত হৈছে। দেশৰ তথ্য আৰু কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ৰ এক বিশেষজ্ঞ সমিতিয়ে প্ৰকাশ কৰা প্ৰতিবেদনখনৰ মতে '১৯৮৫

চনত এমাইল দূৰত্বটো খোৱা পানীৰ ব্যৱস্থা নথকা, বিশুদ্ধ খোৱা পানীৰ কোনো উৎস নথকা গাঁও আছিল ৭৫০ খন। পৰিকল্পনা আয়োগে সাময়িকভাৱে চলোৱা এক সমীক্ষাত এই কথা প্ৰকাশ যে এমাইলৰ ভিতৰত কোনো খোৱা পানীৰ উৎস নথকা গাঁৱৰ সংখ্যা হ'ল ৬৫ হাজাৰখন; অৰ্থাৎ বৃদ্ধি হাৰ বছৰি গড়ে ৪,৫৮৯ খন।' *(আমাৰ অসম, ২২ অক্টোবৰ, ২০০০)*

মানৱ শৰীৰৰ বাবে নিত্য ব্যৱহাৰ্য খোৱা পানীকণৰ বাবে হাবাথুৰী খাব লগা হোৱা বিষয়টো আজিৰ বিজ্ঞানৰ যুগত আশ্চৰ্যজনকেই নহয়; দুৰ্ভাগ্যজনক বুলিয়ে ক'ব লাগিব। বিশুদ্ধ আৰু নিৰ্মল পানী মানৱ শৰীৰৰ অপৰিহাৰ্য উপাদান। টাইফয়েদ, গ্ৰহণী, কলেৰা আদি দূষিত পানী ব্যৱহাৰ কৰাৰ ফলত সাধাৰণতে হোৱা ৰোগ। পানীৰ পৰা ৭০% ৰোগে আমাৰ শৰীৰত স্থিতি লয়। এক সমীক্ষা মতে ভাৰত, বাংলাদেশ প্ৰমুখ্যে এচিয়া আৰু আফ্ৰিকা মহাদেশত বাস কৰা প্ৰায় পঞ্চাছ কোটি মানুহে প্ৰতি বছৰে দূষিত পানী ব্যৱহাৰ কৰি নানা ৰোগত পৰে। অকল মানুহৰ অসাৱধানতা আৰু অজ্ঞতাৰ বাবেই পানী দূষিত নহয়। কেতিয়াবা চৰকাৰৰ আঁচনিমূলক আৰু উন্নয়নমূলক কামৰ বিসংগতিৰ ফলতো পানী দূষিত হ'ব পাৰে। বিহাৰৰ 'স্বাহদল'ৰ কাগজ উদ্যোগ, লক্ষ্ণৌৰ মদৰ ভাটিবোৰ ইয়াৰ জ্বলন্ত উদাহৰণ। ১৯৮৬ চনত লক্ষ্ণৌৰ গোমাটি নদীৰ পানী মদৰ ভাটি বৰ্জিত পদাৰ্থ এলডিহাইড্ৰৰ দ্বাৰা প্ৰদূষিত হৈছিল। পানী প্ৰদূষণৰ মূলতেই হ'ল বীজাণু আৰু ৰাসায়নিক অপদ্ৰব্য। ৰাষ্ট্ৰসংঘ আৰু বিশ্ববেংকে প্ৰকাশ কৰা এক সমীক্ষা মতে, অপৰিশোধিত পানী ব্যৱহাৰ কৰাৰ ফলত লগ দিয়া বেমাৰৰ বাবেই সমগ্ৰ বিশ্বত দিনে দহ হাজাৰ মানুহে মৃত্যুবৰণ কৰিবলগীয়া হয়। ("An estimated 10,000 people die everyday from water related diseases in a relentless global calamity. These deaths and many more causes of Sickness are available if all the people bad sustained access to safe drinking water and sanitation services"– UN-World Bank Report)

উল্লেখ্য যে 'আইৰণ-চালফাইড অৱ অক্সিজেড্ৰাইজেচনৰ ফলত পানী আৰ্চেনিকযুক্ত হয়। বিজ্ঞানীসকলৰ মতে, ভূপৃষ্ঠৰ পানী ভাগৰ ব্যাপক নিষ্কাশনৰ ফলত তলিৰ শিলাস্তৰত থকা আইৰণ-চালফাইড যেতিয়া বায়ুৰ সংস্পৰ্শলৈ আহে তেতিয়া বিক্ৰিয়াৰ দ্বাৰা অক্সিজেনে চালফাইডৰ পৰা আৰ্চেনিক অক্সাইড প্ৰস্তুত কৰে আৰু সেয়াই পানীত মিহলি হয়।

ব্যুৰ' অৱ ইণ্ডিয়ান ষ্টেণ্ডাৰ্ডৰ মতে খোৱা পানীত আৰ্চেনিকৰ পৰিমাণ প্ৰতি লিটাৰত ০.০৫ মিলিগ্ৰামতকৈ বেছি হ'লে ই খোৱাৰ অনুপযোগী হৈ পৰে।

আমেৰিকাৰ কালিফোৰ্ণিয়া বিশ্ববিদ্যালয়ৰ এপিডমিঅলজিষ্ট ডাঃ এলান এইচ স্মিথৰ মতে আৰ্চেনিকৰ প্ৰভাৱে মানুহৰ 'গেষ্ট ইন্ টেষ্টিনেল ডিজ অৰ্ডাৰ' কৰাৰ উপৰি যকৃত আৰু ছালৰ কেন্সাৰ হোৱাত ইন্ধন যোগায়। 'অসমৰ ডাঃ বি. বৰুৱা কেন্সাৰ ইন্সটিটিউট'ৰ পৰা পোৱা তথ্য অনুসৰি উক্ত চিকিৎসালয়ত চিনাক্ত হোৱা কেন্সাৰ ৰোগীৰ সংখ্যা এনেধৰণৰ— ১৯৯০-৯১ চনত ২,৫৩৮ জন, ১৯৯১-৯২ চনত ২,৭০৯ জন, ১৯৯২-৯৩ চনত ২,৬৪৫ জন, ১৯৯৩-৯৪ চনত ২,৮০০ জন, ১৯৯৪-৯৫ চনত ৩,২৯৮ জন, ১৯৯৫-৯৬ চনত ৩,৪৪০ জন আৰু ১৯৯৬-৯৭ চনত ৩,৮৩২ জন।'

মন কৰিবলগীয়া যে আৰ্চেনিকৰ প্ৰভাৱতেই যে কেন্সাৰ ৰোগীৰ সংখ্যা বৃদ্ধি হৈছে তাক উলাই কৰিব নোৱাৰি। এই আৰ্চেনিক 'ফ্ল'ৰাইড'ৰ লগতো মিশ্ৰিত অৱস্থাত পোৱা যায়। ফ্ল'ৰাইড হ'ল আৰ্চেনিকৰ পিছতেই সৰ্বাধিক বিষাক্ত ৰাসায়নিক দ্ৰব্য। ভূগৰ্ভস্থ পানীত বিষাক্ত ফ্ল'ৰাইডৰ পৰিমাণ বৃদ্ধি পোৱাৰ ফলত হাইড্ৰ'ফ্লৰিচ ৰোগে একপ্ৰকাৰ মহামাৰীৰ ৰূপ ধাৰণ কৰে। ডিফুৰ ৰাজ্যিক জনস্বাস্থ্য বিভাগে আজি কেইবছৰমানৰ আগতে প্ৰকাশ কৰা এক তথ্য অনুসৰি কাৰ্বি আংলং জিলাৰ টেকেলাংজুন গাঁৱত প্ৰাথমিকভাৱে ২,৩০০ জন লোকৰ ওপৰত চলোৱা পৰীক্ষা মতে ইয়াৰ ৬০০ জন লোক হাইড্ৰ'ফ্লৰিচত আক্ৰান্ত। এই ৰোগত আক্ৰান্ত ৰোগীসকলক দাঁতৰ ৰোগ, ৰক্তচাপ আদিত ভোগাৰ উপৰি বিষ আৰু জড়তা বৃদ্ধ অকামিলা হৈ জীৱন পংগু হৈ পৰা দেখা গৈছিল। গাঁৱখনত ফ্ল'ৰাইযুক্ত দমকল চিনাক্ত কৰাৰ সংখ্যা হ'ল ৮৫ টা। উক্ত জিলাখনৰ প্ৰায়বিলাক দমকলৰ পানীৰ প্ৰতি লিটাৰত ৫ৰ পৰা ১৪ মিলিগ্ৰাম পৰ্যন্ত ফ্ল'ৰাইড পোৱা গৈছে। কোনো কোনো অঞ্চলত এই পৰিমাণ লিটাৰত ২৩ মিলিগ্ৰাম পৰ্যন্ত পোৱা দৃষ্টান্ত আছে। উল্লেখ্য যে খোৱা পানীত ফ্ল'ৰাইডৰ অনুমোদিত জোখ হ'ল লিটাৰে প্ৰতি কেৱল ১.২ মিলিগ্ৰাম।

চিকিৎসা বিজ্ঞানৰ মতে ফ্ল'ৰাইড হৈছে ফ্লৰিণ নামৰ হেল'জেন বৰ্গৰ এক শক্তিশালী আৰু ক্ষয়কাৰী মৌলৰ আয়নিক অৱস্থা। ই অতি ক্ষয়কাৰক হ'লেও উপযুক্ত পৰিমাণৰ ফ্ল'ৰাইডে দাঁতৰ গঠন আৰু বৃদ্ধিত বিশেষভাৱে সহায় কৰে। ইয়াৰ অভাৱত দাঁতৰ কেৰিছ' বা দাঁত পোকে খোৱা ৰোগে দেখা দিয়ে। আনহাতে, ফ্ল'ৰাইডৰ পৰিমাণ বেছি হ'লে ডেন্টেল ফ্ল'ৰচিছ নাইবা স্কেলিটেল ফ্ল'ৰচিছ ৰোগে দেখা দিয়ে। ডেন্টেল ফ্ল'ৰচিছ ৰোগে দাঁত হালধীয়া বা ক'লা বং কৰাৰ উপৰি ই ফুটা আৰু দুৰ্বল কৰি পেলায়। আনহাতে স্কেলিটেল ফ্ল'ৰচিছ ৰোগে কংকালৰ বিষ আৰু আঁঠু বেঁকা কৰি পেলোৱাৰ লগতে অকাল বাৰ্ধক্য মাতি আনি মৃত্যু ঘটাব পাৰে।

ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ তত্ত্বাৱধানত প্ৰতিখন ৰাজ্যত জলদূষণ ৰোধ কৰাৰ কাৰণে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। এই জলদূষণ ৰোধ কৰিবৰ বাবে ১৯৭৪ চনত এখন আইনও সংসদত অনুমোদন হয় (Water Pre-vention and Control of Pollution Act)। কিন্তু ইয়াৰ দ্বাৰা বিশেষ কোনো ফলপ্ৰসূ হৈ উঠা দেখা নগ'ল। এক তথ্য অনুসৰি ১৯৯০ চনৰ পৰা ১৯৯৯ চনলৈ অসমত কেৱল খোৱাপানীৰ পৰা হোৱা ৰোগত মৃত্যু সংখ্যা হ'ল ২,৭০,৭৮০ জন। পৰিতাপৰ কথা যে আমাৰ দেশৰ গ্ৰামাঞ্চলৰ পানী যোগানৰ ক্ষেত্ৰত চৰকাৰী প্ৰকল্পবোৰে বিশেষ প্ৰাধান্য লাভ কৰিব পৰা নাই। চৰকাৰে হাতত লোৱা প্ৰকল্পসমূহৰ খতিয়ান এনেধৰণৰ— '১৯৬৬-৬৯ চনত ১২০ টাৰ ভিতৰত ৪০ টা, ১৯৭৮-৮০ চনত ২৩৫ টাৰ ভিতৰত ৬৩ টা (পূৰ্বৰ অসমাপ্ত চাৰিকুৰি প্ৰকল্প সাঙুৰি), ১৯৯০-৯২ চনত ২৭৮ টাৰ ভিতৰত ১২০ টা (পূৰ্বতে অসমাপ্ত হৈ থকা ১৭২টা প্ৰকল্প), ১৯৯৮-৯৯ চনত ২৯২ টাৰ ভিতৰত ১৫৮ টা (পূৰ্বৰ অসমাপ্ত প্ৰকল্পকে ধৰি) প্ৰকল্পহে কেৱল সম্পূৰ্ণ হৈ উঠিছে। (*ইণ্ডিয়া টুডে, ২২ জুন, ১৯৯৮*)

চৰকাৰে বিশুদ্ধ খোৱা পানীৰ ক্ষেত্ৰত পানীত আৰ্চেনিকৰ অৱস্থিতি নিৰ্ণয় কৰাৰ লগতে ইয়াক ব্যৱহাৰৰ উপযোগী কৰি তুলিব পৰাকৈ চৰকাৰৰ সংশ্লিষ্ট বিভাগসমূহে কেইবাটাও পৰামৰ্শ আগবঢ়াইছে— (ক) লো আৰু এলুমিনিয়াম চল্ট ব্যৱহাৰৰ দ্বাৰা আৰ্চেনিক শুহি গেডলৈ ৰূপান্তৰিত কৰা, (খ) ৰিভাৰ্চ অ'চম'চিচ প্ৰক্ৰিয়া প্ৰয়োগ কৰা আৰু (গ) পটাচিয়াম পাৰমেংগেনেটেৰে অক্সিডাইজেচন কৰি তাৰ পিছত মেংগানিজ গ্ৰীণচেণ্ড আৰু আইৰণ-অক্সাইডেৰে আবৃত্ত চেণ্ড ব্যৱহাৰ কৰি পৰিশোধ কৰা। ইয়াৰোপৰি বিশেষজ্ঞসকলে বিশুদ্ধ খোৱাপানী সহজে পাব পৰাকৈ দুইধৰণেৰে পৰিশোধনৰ পৰামৰ্শ আগবঢ়াইছে— (ক) নিষ্কাশন প্ৰক্ৰিয়াৰ দ্বাৰা আৰু (খ) বাষ্পবিশেষ (Chlorination)ৰ জৰিয়তে। মন কৰিবলগীয়া যে বালিৰ ফিল্টাৰৰ জৰিয়তে পানী পৰিশোধন কৰাটো এটা সহজ উপায়। এনেধৰণৰ সহজলভ্য আঁচনিৰ জৰিয়তে পানীৰ পৰা হ'ব লগা এই ভয়াৱহ পৰিস্থিতিত অন্ততঃ নিজকে বিপদমুক্ত কৰিব পাৰি। এই পদ্ধতিৰে প্ৰথমে ১৮০৪ চনত স্কটলেণ্ডত পানী পৰিশোধ কৰাৰ কথা জনা যায়। এই প্ৰক্ৰিয়া পিছলৈ লণ্ডনকে ধৰি সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ উঠে। এই খোৱা পানী টোপাৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ ক্ষেত্ৰত সকলোৰে নৈতিক দায়িত্ব আছে। চৰকাৰে এইক্ষেত্ৰত মনোনিৱেশ কৰা উচিত।

*[১৮ জুন ২০০৭]*

# প্ৰসংগ ঃ গীত আৰু গান

গীত আৰু গানৰ মাজত কিছু পাৰ্থক্য আছে। শব্দ সংগঠন, বিশেষ ছন্দ থকা আৰু সুৰ লগাই গোৱা অৰ্থপূৰ্ণ কবিত্ব ধৰ্মীক গীত বোলা উচিত। গান বুলিলে সুৰ লগাই গোৱা শব্দ ৰাশিক বুজিব লাগিব। অৰ্থাৎ অৰ্থহীন চিঞৰ-বাখৰো যদি সুৰ লগাই গোৱা হয় তাক আমি গান বুলিব পাৰো। কিন্তু গীত হ'বলৈ হ'লে বিশেষ অৰ্থপূৰ্ণ হ'ব লাগিব। গীতৰ শব্দ, সুৰ স্বৰৰ প্ৰকাশ আৰু পৰিৱেশনৰ অভিনৱত্বই এক অৰ্থবহ অভিব্যঞ্জনা দান কৰে। গীতৰ এটা গঠন থাকে সেইটো হৈছে সুৰ। শব্দবোৰে সুৰৰ সমস্ত অনুশাসন নীৰবে নিৰুত্তৰে মানি লয় আৰু সেই সুৰে শব্দৰ ব্যঞ্জনা কাঢ়ি লৈ গীতৰ মাজত নিজেই ব্যঞ্জনাময় হৈ পৰে। যিজনৰ অন্তৰত সুৰ নাই তেওঁ গীতিকাৰ হ'ব নোৱাৰে। গীতিকাৰৰ লগত সুৰকাৰৰ সম্পৰ্ক নিবিড়। গীতৰ লগত সুৰৰ ব্যঞ্জনা বিৰাজমান। আত্মা আৰু শৰীৰৰ লগত সম্পৰ্ক। গীতৰ সুৰ আৰু স্বৰ সম্পৰ্কে ব্যুৎপত্তি জ্ঞান নাথাকিলে কেতিয়াও কোনো গীতে গীতি-সাহিত্যত প্ৰসাৰ লাভ কৰিব নোৱাৰে। কণ্ঠ মাধুৰ্যয়েও গীতৰ সুৰ সমৃদ্ধ কৰি তোলে। সুৰৰ ন্যায্যতা, কণ্ঠৰ সাবলীলতা, সাংগীতিক নীতি ৰক্ষা আধুনিক গীত তথা গায়কৰ পক্ষেও গুৰুত্বপূৰ্ণ। কেৱল গীতিকাৰ আৰু গায়কৰ ওপৰত গুৰুত্ব দিয়াৰ ফলস্বৰূপে গীত সৃষ্টিৰ মূল ব্যক্তি সুৰকাৰজন লুকাই থাকিলে সেই গীতৰ সম্যক বিচাৰ কৰা নহয়। স্বৰূপাৰ্থত শিল্পী মনৰ ব্যক্তিমাত্ৰকে গীতৰ বৈশিষ্ট্য প্ৰতিপন্ন কৰাৰ সেইটোৱেই যথেষ্ট বুলি ক'ব লাগিব।

এই গীত কেতিয়া ক'ত কেনেকৈ কোনে প্ৰথমে সৃষ্টি কৰিলে তাক জনা নগ'লেও এসময়ত মুকলি আকাশৰ তলৰ বহল পথাৰ, হাবি-বননি, নৈ, নিজৰা আদিত যে ইয়াৰ প্ৰাণ পাই উঠিছিল সেইটো সৰ্বজনবিদিত। ইয়াৰ পটভূমিত লোক-জীৱনৰ অভিজ্ঞতাৰ ফচল স্বৰূপে ফকৰা-যোজনাৰ দৰে লোক-সাহিত্যৰ জন্ম হৈছিল। অতিশয় সৰল আৰু চিত্ৰধৰ্মী হোৱাৰ উপৰি এইবিলাক সংগীতৰ দৰে সুললিল। জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, ৰীতি-নীতি, কৰ্ম-অভিজ্ঞতা আদি ৰসাল ভাবাবে এইবোৰৰ মাজত অন্তৰ্নিহিত হৈ থাকে। অনাখৰী দিনৰ পৰা মানুহৰ মাজত মালিতা, বনগীত, বিহুগীত, নিচুকনি, আইনাম, বিয়ানাম, সুৱচনীৰ নাম, দেহবিচাৰ গীত, টোকাৰী গীত, বাৰমাহী গীত, ওজা-পালি,

বনঘোষা, লোকগীত আদিয়ে স্বাধীনভাৱে বিচৰণ কৰি এক মনস্তত্ত্বৰ পৰিচয় দাঙি ধৰিছে। এইবিলাকৰ গীত-পদৰ সুকীয়া সুৰ আৰু এই সুৰ সকলোৰে অন্তৰ পৰশা। এনে গীতৰ ৰচনা আৰু সুৰ মূৰ্ছনাই সমাজৰ সকলো শ্ৰেণীৰ লোকক আকৃষ্ট কৰে। এই গীতধৰ্মী কবিতাবোৰৰ সচৰাচৰ কাব্যিক সৌন্দৰ্যৰ উপৰি ভাবপ্ৰকাশত আন্তৰিকতা আৰু গভীৰ উপলব্ধিত ইয়াৰ সাংগীতিক মূল্য অপৰিসীম। প্ৰাচীন পণ্ডিতসকলে নৃত্য-গীত-বাদ্য এই তিনিবিধ কলাক একত্ৰে মিলন ঘটাই সংগীতৰ অৰ্থ বুজাইছিল। ব্যুৎপত্তিগত অৰ্থত এই সংগীতক গীত বুলি কোৱা হয়।

অসমৰ সংগীতৰ ধাৰাবাহিকতাৰ বিচাৰৰ প্ৰসংগত এইটো স্পষ্ট কৰি ক'ব পাৰি যে শংকৰ-মাধৱৰ গীতি-সাহিত্যই ভাৰতীয় গীতি-সাহিত্যৰ সুদৃঢ় ভেটি স্থাপন কৰি গৈছে। অসমৰ সংগীত জগতত জাতীয়তাবাদী চিন্তাধাৰাৰ প্ৰকাশ জোনাকী যুগৰ পৰা আৰম্ভ হোৱা দেখা যায়। সেই যুগৰ বাঁহী, উষা, চেতনা আদি আলোচনীবোৰে জাতীয় চেতনাৰ প্ৰসাৰ আৰু প্ৰচাৰত বিশেষ অৰিহণা যোগাইছিল। এইক্ষেত্ৰত অম্বিকাগিৰি ৰায়চৌধুৰী, পাৰ্বতী প্ৰসাদ বৰুৱা, নলিনীবালা দেৱী, প্ৰসন্নলাল চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আদি স্বনামধন্য ব্যক্তিসকলে দেশপ্ৰেমত উদ্বুদ্ধ হৈ জাতীয় একতাক বিষয়বস্তু হিচাপেলৈ গীত লিখিছিল। পৰবৰ্তীকালত ভূপেন হাজৰিকা, পুৰুষোত্তম দাস, ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত, নিৰ্মলপ্ৰভা বৰদলৈ, কীৰ্তিকমল ভূঞা প্ৰমুখ্যে কেইজনে গীতৰ সৃষ্টি কৰাৰ উপৰি সুৰ আৰু কণ্ঠই প্ৰাণ পাই উঠিছিল। বিশেষকৈ ১৯৪৮ চনত গুৱাহাটীত অনাতাঁৰ কেন্দ্ৰ স্থাপন, ১৯৮৫ চনত দূৰদৰ্শন কেন্দ্ৰ স্থাপন আদিৰ দ্বাৰা অসমত অসমীয়া গীতৰ প্ৰসাৰৰ ক্ষেত্ৰত এক নতুন পৰিমণ্ডল সৃষ্টি কৰা দেখা যায়। ১৯৩৫ চনত 'জয়মতী' কথাছবি নিৰ্মাণৰ সময়ৰ পৰা কথাছবিৰ প্ৰয়োজনত বহুত গীতিকাৰৰ লগতে গীতবো জন্ম হৈছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই থলুৱা সুৰৰ উপৰি ৰচনাৰাজিৰ মাজেদি ব্যক্তি অনুভূতিৰ স্বাতন্ত্ৰ্য ৰূপ আৰু বিদেশী সুৰৰ সংযোজনেৰে অসমীয়া আধুনিক সংগীত জগতত নতুন বোৱতী সুঁতি সৃষ্টি কৰি থৈ গৈছে। আধুনিক শব্দ প্ৰয়োগেৰে আধুনিক গীতি কবিসকলৰ দুজনমানে নান্দনিক দিশত এক বলিষ্ঠ ৰূপ দিয়াটো উল্লেখনীয়।

সাম্প্ৰতিক কালত মিশ্ৰ সুৰ আৰু কল্পনাৰ মহিমামণ্ডিত প্ৰকাশে জাতীয় সংস্কৃতিৰ ৰূপটো ৰহস্যাত্মকভাৱে জনসাধাৰণৰ কাষ চাপি নিজস্ব সংস্কৃতিৰ প্ৰতি এই গীতবোৰে ক্ৰমান্বয়ে আওকণীয়া হৈ পৰাটো পৰিতাপৰ বিষয়। আধুনিক গীতি কবিসকলে নান্দনিক দিশত আগবাঢ়িছে যদিও আধুনিক শব্দ প্ৰয়োগ আৰু ব্যৱহাৰত অপৰিমাৰ্জিত হোৱাৰ ফলত আধুনিক অসমীয়া গীতক তেনে বলিষ্ঠ ৰূপ দিব পৰা নাই। জ্যোতি-বিষ্ণুৰ গীতৰ যি বৰ্ণাঢ্য চেতনা প্ৰকাশ পাইছে তাত

এটি সুকীয়া আসন আছে। ভূপেন হাজৰিকাৰ গীতে অসমৰ জনজীৱনত প্ৰভাৱান্বিত নকৰাকৈ থকা নাই। প্ৰকৃতিৰ জীৱন ধাৰাৰ লগত বৰ্তমানৰ জীৱন ধাৰাৰ কিছু পৰিবৰ্তন হৈছে যদিও এইক্ষেত্ৰত বৰ্তমান শিল্পীসকলৰ দুই এজনৰ শব্দ গাঁথনি ৰচনাৰ পশ্চাদ পৰিকল্পনা অভিনৱ বুলি ক'ব লাগিব। অসমৰ আঞ্চলিক সুৰবোৰত সোমাই থকা মাৰ্গীয় সুৰত সাংস্কৃতিক বৈচিত্ৰতা এই গীতবোৰত পোৱা যায়।

অসমৰ সংগীত জগতখন এতিয়া কেছেট কালচাৰে আগুৰি ধৰিছে। অডিঅ' কেছেট, কমপেক্ট ডিস্ক আদিৰে উপচি পৰা বৰ্তমান সংগীত জগতখনে সমাজত সকলোকে আকৰ্ষিত কৰি তুলিছে। ইয়াৰ দ্বাৰা অসমীয়া সংগীত জগতত দুটা স্থিতি পৰিলক্ষিত হোৱা দেখা যায়। প্ৰথমতে, অসমীয়া সংগীতে এটা নতুন পৰ্যায়ত পদাৰ্পণ কৰিছে আৰু দ্বিতীয়তে, সংগীতক পেচা হিচাপে গ্ৰহণ কৰা অসমীয়া শিল্পীসকলৰ জীৱিকাৰ পথ সুনিশ্চিত কৰিব পাৰিছে। এনে পৰ্যায়ত অসমৰ থলুৱা সুৰৰ আলমত আধুনিক গীতৰ সুৰ ৰচনা কৰা সুৰকাৰসকলে আমাৰ সংগীতক বিস্তৃত জগতখনৰ সৈতে পৰিচয় কৰাই দি অসমীয়া সংগীতৰ ভৱিষ্যৎ সুনিশ্চিত কৰাৰো অৱকাশ আছে। বৰ্তমান আমাৰ সমাজত সৃষ্টি হোৱা অসংখ্য গীতৰ মাজত সুশ্ৰাব্য গীতৰ সংখ্যা তেনেই নগণ্য। কেৱল সুৰৰ স্বাৰ্থত ৰচিত অথচ কোনো 'মেচেচ' নোহোৱা এনে গীতত ইয়াৰ সম্পূৰ্ণতা বিচাৰি পোৱা নাযায়। শেহতীয়াভাৱে, গীতৰ কথা, সুৰ, সংগীত আদিৰ কোনো বৈশিষ্ট্য নথকা ভাবসাম্যহীন এই গান (Gun?)বোৰে অসমৰ সাংস্কৃতিক জগতৰ বাবে এক ভয়াবহ প্ৰদূষণৰ ইংগিত বহন কৰাটো তাৎপৰ্যপূৰ্ণ।

সম্প্ৰতি বজাৰত মূলতঃ দুইধৰণৰ কেছেট দেখা যায়— ৰি-মিক্স আৰু ৰি-মেক। 'ৰি-মিক্স' হ'ল গীত এটিৰ মূল সংগীতাংশৰ সালসলনি কৰি মূল শিল্পীজনৰ কণ্ঠত অথবা আন এজন শিল্পীৰ কণ্ঠত নতুনকৈ বাণীবদ্ধ কৰা। আনফালে 'ৰি-মেক' হ'ল হেৰাই যাবলৈ ধৰা গীত এটিৰ মূল সংগীতাংশৰ সালসলনি নকৰাকৈ পুৰণি শিল্পীজনৰ হতুৱাই নতুবা এজন নতুন কণ্ঠশিল্পীৰ হতুৱাই নতুনকৈ বাণীবদ্ধ কৰা। আধুনিক গীতৰ বৈশিষ্ট্য হ'ল সংস্কাৰমুক্ত হোৱা। হেৰাই যাবলৈ ধৰা পুৰণি গীতসমূহক জীয়াই ৰখাৰ বাবে 'ৰি-মেক' ব্যৱস্থা এক উত্তম প্ৰচেষ্টা। কিন্তু থলুৱা সংগীতৰ ৰক্ষণশীলতাৰ নামত আধুনিকীকৰণ কৰি আমাৰ থলুৱা সংস্কৃতিক বিপথে পৰিচালিত কৰাটো কোনোপধ্যে শুভ লক্ষণ নহয়। উল্লেখ্য যে হিন্দী 'কাদম্বৰী' ছবিত বিহুনামৰ সুৰ শুনিবলৈ পোৱা যায়। কটক ৰেডিঅ'ৰ পৰা বনগীতৰ অনুকৰণত ৰচা গান কেতিয়াবা প্ৰচাৰিত হয়।

অতি সম্প্ৰতি অসমৰ বজাৰত আধুনিক বিহুসুৰীয়া গীতৰ (বিহুগীত?)

ভালেমান কেছেট উলিওৱা পৰিলক্ষিত হৈছে। আধুনিক গীতৰ ৰচক সুৰকাৰ শিল্পী কিছুমানে ব্যৱসায়ীক আত্মস্বাৰ্থ পূৰণৰ তাগিদাত বিহুগীতৰ কেছেটৰ নামত আধুনিক গীত (বিহুসুৰীয়া) সন্নিবিষ্ট কৰি নিজ নাম প্ৰচাৰ কৰাত ধূম উঠিছে। ইয়াৰ অধিকাংশ কেছেটত এই শিল্পীসকলে থলুৱা সংগীতৰ প্ৰতি আকৃষ্ট হৈ সেই সুৰৰ আধাৰত আধুনিক গীতৰ সুৰ সৃষ্টি কৰিছে। এই কেছেটসমূহত সন্নিবিষ্ট প্ৰায় বিলাক গীত দৰাচলতে বিহুগীতৰ আধাৰত ৰচিত আধুনিক গীতহে। এই আধুনিক গীতক যাতে থলুৱা সংগীতলৈ পৰ্যবসিত কৰা নহয় তাৰ প্ৰতি আধুনিক শিল্পীসকলৰ দায়বদ্ধতাৰ প্ৰশ্ন জড়িত হৈ আছে। মূলতঃ এই গীতৰ সাংগীতিক আৰু কাব্যিক ৰূপক উপযুক্ত বিচাৰ বিশ্লেষণেৰে নিঃসৃত কৰিব পৰা নহ'লে অসমীয়া সংস্কৃতিৰ ৰূপটো সংগীতৰ মাজত থাকি জনগণৰ মাজত বিৰূপ প্ৰতিক্ৰিয়া কৰাৰ সম্ভাৱনাই অধিক। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ভাষাত 'আধুনিক গীত কলা সম্মত আৰু উদ্দেশ্যধৰ্মী কৰাবৰ বাবে এটা প্ৰচেষ্টা শিল্পীসকলৰ মাজত লক্ষ্য কৰা যায়। সমাজৰ পৰিচালক আৰু বিপ্লৱীসকলে আধুনিক গীতক বিশেষকৈ উদ্দেশ্যধৰ্মী কৰিব খোজে। কিন্তু এটা কথা মনত ৰখা দৰকাৰ। সমাজতত্ত্বৰ দৃষ্টিৰ পৰা মানৱ সমাজৰ যি সনাতন মানৱীয় লক্ষ্য তাকহে উদ্দেশ্য ৰূপে গ্ৰহণ কৰাটো বিধেয়। কলাধৰ্মিতা বিসৰ্জন দি আধুনিক গীতে যদি কেৱল শ্ল'গান বা সাময়িক কাৰ্যসূচী প্ৰচাৰ কৰিবলৈ বিচাৰে তেন্তে ই প্ৰচাৰধৰ্মী আৰু আবেদনৰহিত হৈ পৰাৰ সম্ভাৱনা।' *(ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি, পৃষ্ঠা-১০৬)*

*[২৫ জুন ২০০৭]*

# বন্ধ-দুষ্কৃতি আৰু জাতীয় অৰ্থনীতি

বন্ধ বা ধৰ্মঘট— দেশ এখনত প্ৰাপ্য আদায়ৰ হেতু প্ৰতিবাদৰ সহজ আৰু সুদূৰ প্ৰসাৰী পন্থা। এনে বন্ধৰ দ্বাৰা বন্ধৰ উদ্যোক্তা, দল আৰু সংগঠনকাৰীসকলে বন্ধৰ কাৰণ অৰ্থাৎ বিষয়বস্তু উপস্থাপনৰ উদ্দেশ্য আগত ৰাখি নিজৰ স্থিতিকো সবলভাৱে প্ৰতিপন্ন কৰি তুলিবলৈ সততে উদ্যোগ লোৱা দেখা যায়। সম্প্ৰতি এনে বন্ধ বা ধৰ্মঘটে ইয়াৰ ব্যৱহাৰিক তাৎপৰ্য কিমান বহন কৰিব পাৰিছে সেইটো বিচাৰ্যৰ বিষয়। প্ৰকৃতাৰ্থত বৰ্তমান জটিল পৰিৱেশত এনে বন্ধৰ মূল্যাংকনৰ প্ৰতি দেশৰ জনসাধাৰণে দায়িত্ব আৰু গুৰুত্ব সমানে নলয়। অনস্বীকাৰ্য যে অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাত ইন্ধন যোগোৱা অন্যতম কাৰক হৈছে 'বন্ধ-দুষ্কৃতি'। বন্ধ বা ধৰ্মঘটৰ ফলত দেশৰ জাতীয় অৰ্থনীতিত প্ৰভাৱ পেলোৱাৰ প্ৰতি লক্ষ্য ৰাখি সম্প্ৰতি আন্তৰ্জাতিক মুদ্ৰানিধিয়েও ইয়াৰ সংস্কাৰৰ বাবে নতুন আঁচনি গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। এই বন্ধ দুষ্কৃতিৰ ফলত বিশেষকৈ বিদ্যায়তনিক দিশত ছাত্ৰ-ছাত্ৰীৰ লগতে কৃষক-বণুৱাসকল বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈ আহিছে। অলপতে 'ফাইনা' নামৰ সংস্থাটোৱে যুগুত কৰা সমীক্ষাত প্ৰকাশ পাইছে যে বন্ধৰ ফলত প্ৰতিবছৰে অসমৰ ৯০০ কোটি টকাৰ লোকচান হৈ আহিছে।

'ফাইনা'ৰ হিচাপ মতে ২০০১-০২ বৰ্ষত বন্ধৰ ফলত মুঠ ঘৰুৱা উৎপাদনত ক্ষতি হয় ৯৫০.০৮ কোটি টকা। ২০০৪-০৫ বৰ্ষটোত ১৪৭৩.৯৩ কোটি টকা লোকচান হোৱাৰ বিপৰীতে ২০০৬-০৭ বৰ্ষত বিভিন্ন বন্ধৰ ফলত ক্ষতি হয় ৬,১৮৪.৮৯ কোটি টকা।

বন্ধ-ধৰ্মঘট-পথ অৱৰোধ আদিৰ জাতীয় অৰ্থনৈতিক গাঁথনিৰ লগত ওতপ্ৰোত সম্পৰ্ক আছে। এটা বন্ধ বা ধৰ্মঘটে জাতীয় অৰ্থনৈতিক গাঁথনিৰ মৌলিক দিশত বিশেষকৈ ইয়াৰ শ্ৰম বিভাজন, বিশেষীকৰণ, ইয়াৰ উৎপাদন, বিতৰণ আৰু ভোগ ব্যৱস্থাত পৰিবৰ্তন আনে। এনে বন্ধই স্থবিৰ কৰি তোলে সমগ্ৰ উৎপাদন প্ৰক্ৰিয়া। কেঁচামাল আৰু উদ্যোগত উৎপাদিত সামগ্ৰী সৰবৰাহত বাধা আহি পৰাত উৎপাদন ব্যয় আৰু বজাৰ মূল্য বৃদ্ধি পায়। দেশব্যাপি বন্ধৰ ফলত সাময়িকভাৱে যোগাযোগ বিচ্ছিন্ন হৈ পৰে, স্কুল-কলেজ, ব্যৱসায়-বাণিজ্য, অফিচ-কাছাৰীৰ গতি স্থবিৰ হোৱাৰ লগতে সাধাৰণ জনজীৱন স্তব্ধ হৈ পৰে।

ধৰ্মঘটৰ সংজ্ঞা এনেদৰে দিয়া হৈছে— Strike, a wide veriety of act of collective work stoppage, running from brich political demonstrations to economic struggle over terms of collective agreement that last for several months. (New Palgrame-A Dictionary of Economic)

এই বন্ধ আৰু ধৰ্মঘটৰ এক দীঘলীয়া ইতিহাস আছে। ১৭৪০ চনত নিউয়ৰ্ক চহৰত ধৰ্মঘট গা কৰি উঠিছিল। এই ধৰ্মঘটত নিউয়ৰ্ক চহৰৰ বেকাৰীসকলে মজুৰি বৰ্ধনৰ প্ৰতিবাদত উৎপাদন কাৰ্যৰ পৰা বিৰত আছিল। ব্ৰিটেইনত ১৯২৬ চনত কয়লাখনিৰ কৰ্মীসকলে এক ব্যাপক ধৰ্মঘট গঢ়ি তুলিছিল উৎপাদন কাৰ্যত সিহঁতৰ কঠোৰ জীৱন ধাৰণৰ প্ৰতিকাৰৰ বাবে। ভাৰতবৰ্ষত বিশেষকৈ স্বাধীনতা আন্দোলনৰ অংশ হিচাপে ধৰ্মঘট আৰু বন্ধ চলিছিল। মুম্বাইৰ বস্ত্ৰ উদ্যোগবিলাক (১৯০৫-০৮)ত বিজুলী-বাতি যোগানৰ দাবীকলৈ এক ধৰ্মঘট হৈছিল। ইতিহাসত সৰ্ববৃহৎ ধৰ্মঘট সংঘটিত হৈছিল জামছেদপুৰৰ 'টিছকো'ত, ১৯২৮ চনত। এই ধৰ্মঘট ছমাহ পৰ্যন্ত চলিছিল। অসমতো এই বন্ধৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী, স্বৰাজোত্তৰ কালত ১৯৬২ চনত ভাষা আন্দোলন, ১৯৭২ চনত মাধ্যম আন্দোলন আৰু ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা বিদেশী বহিষ্কাৰ আন্দোলনৰ ফলত এই বন্ধ আৰু ধৰ্মঘট আন্দোলনৰ মুখ্য পন্থা স্বৰূপ হৈ পৰিছিল। পৰৱৰ্তীকালত অসমৰ বিভিন্ন সংগঠনে বিভিন্ন দাবীৰ প্ৰতিবাদত বন্ধ বা ধৰ্মঘটৰ কাৰ্যসূচী পালন কৰি আহিছে। বিগত ২০০৫ বৰ্ষত প্ৰায় দুশ দিন স্কুল-কলেজকে ধৰি অফিচ-কৰ্ট-কছাৰী বন্ধ থকা কাৰ্যই কাৰ্বি আংলং জিলাত এক অভিলেখ সৃষ্টি কৰিছে। উল্লেখ্য যে পশ্চিমীয়া দেশবোৰত এই ধৰ্মঘট সুদূৰ প্ৰসাৰী নহয়। এনে এলানি বন্ধ বা ধৰ্মঘটে কি অৰ্থ বহন কৰে আৰু ইয়াৰ মৌলিকতা কোনখিনিত বা ই কিমান যুক্তিযুক্ততা সেইটো চিন্তনীয় বিষয়।

সাম্প্ৰতিক অসমত অষ্টোপাছৰ দৰে ছানি ধৰা বন্ধ-দুষ্কৃতিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ অসমৰ বিশিষ্ট শিল্পী আৰু বুদ্ধিজীৱীসকলে যোৱা ২০০৬ চনৰ সংবাদ মাধ্যমত প্ৰকাশিত এক গোহাৰিযোগে অসমবাসীলৈ এটি বিনম্ৰ আবেদন জনাই কৈছে যে বিগত দিনৰ অৰ্থনৈতিক অনগ্ৰসৰতা আৰু জড়াগ্ৰস্ত উন্নয়নমূলক অৱস্থাৰ পৰা গা-জোকাৰি অসমে প্ৰকৃতাৰ্থত প্ৰগতিৰ পথত দ্ৰুতগতিৰে খোজ ল'বলৈ হ'লে প্ৰথমেই নাকচ কৰিব লাগিব বন্ধ-দুষ্কৃতি আৰু এই দুষ্কৃতি নিৰ্মূল কৰাৰ শক্তিশালী অস্ত্ৰ হ'ব জনমত গঠন কৰি বাইজে কৰা সৰব প্ৰতিবাদৰ কাৰ্যসূচী। উল্লেখ্য যে অসমৰ উন্নয়নৰ স্বাৰ্থতেই ৰাজ্যখনৰ বিভিন্ন দল-সংগঠনে বন্ধ দিয়া কাৰ্য পৰিহাৰ কৰা উচিত। এইক্ষেত্ৰত 'বন্ধ' বিষয়টোৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি সদৌ অসম ছাত্ৰ সন্থাই নিজৰ স্থিতি পৰিষ্কাৰ কৰি 'জাতীয় সমস্যাসমূহ

সমাধানৰ ক্ষেত্ৰত অহিংস আন্দোলনৰ আন কাৰ্যসূচীৰ প্ৰতি চৰকাৰে কোনো সঁহাৰি নিদিয়াৰ ফলতেই বন্ধৰ দৰে কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হোৱা' বুলি কোৱা কথাষাৰে এইক্ষেত্ৰত বিশেষ তাৎপৰ্য বহন কৰিছে। ৰাজ্যখনত বিভিন্ন দল-সংগঠনে সত্যাগ্ৰহ, ধৰ্মঘট আদি শান্তিপূৰ্ণভাৱে আৰু গণতান্ত্ৰিকভাৱে গ্ৰহণ কৰা আন্দোলনৰ কাৰ্যসূচীৰ প্ৰতি সন্মান জনোৱাত চৰকাৰৰো নৈতিক দায়িত্ব আছে। এই বন্ধ বা ধৰ্মঘট ইয়াৰ বিষয় আৰু পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। এনে বন্ধৰ ইতিবাচক বা নেতিবাচক আৰু কেতিয়াবা দুয়োটাই সংপৃক্ত হৈ থাকে। বন্ধ বা ধৰ্মঘটৰ ব্যৱহাৰিক তাৎপৰ্যৰ প্ৰতি লক্ষ্য ৰাখি ১৯৯৭ চনত কেৰেলা আৰু ২০০৪ চনত কলকাতা উচ্চ ন্যায়ালয়ে সকলো প্ৰকাৰৰ বন্ধ অসাংবিধানক বুলি ইতিমধ্যে নিৰ্দেশ জাৰি কৰিছে যদিও আমাৰ ৰাজ্যখনত ইয়াৰ কোনো প্ৰভাৱ পৰিলক্ষিত হোৱা নাই। সাম্প্ৰতিক দেশৰ ৰাজনৈতিক প্ৰেক্ষাপটত এনে বন্ধ বা ধৰ্মঘটে ৰাজনৈতিক অভিসন্ধিৰ প্ৰতিৰূপ লোৱাটো উল্লেখনীয়। মানবীয় সম্পদ আৰু দেশৰ উন্নয়নৰ স্বাৰ্থত দল-সংগঠন-চৰকাৰ উভয়ে এই 'বন্ধ-দুষ্কৃতি' সম্পূৰ্ণৰূপে নিৰ্মূল কৰাত একাত্ম হোৱাৰ প্ৰয়োজন আছে। তদুপৰি অসম 'বন্ধ-দুষ্কৃতিৰ ৰাজ্য' বুলি ইতিমধ্যে পৰিচিত জনসাধাৰণৰ মাজত বন্ধৰ বিকল্প কাৰ্যসূচী গ্ৰহণ নাইবা বন্ধৰ কাৰ্যসূচী স্বতঃস্ফূৰ্তভাৱে প্ৰত্যাহাৰ কৰাৰ এক প্ৰৱণতা গঢ় লৈ উঠিব লাগিব। এইপৰিপ্ৰেক্ষিতত কেৱল আন্দোলনৰ বাবে আন্দোলন কৰাৰ নিৰৰ্থক যুক্তি প্ৰতিপন্ন কৰাৰ সাৰ্থকতা নিৰ্ণয় কৰিব বুলি আশা কৰিব পাৰি।

*[২ জুলাই ২০০৭]*

# ভূপেন হাজৰিকাৰ গীত আৰু ইয়াৰ মূল্যায়ন

'বহু বিশ্লেষণ, বহু বিতৰ্কৰে স্নাত ড° ভূপেন হাজৰিকা। এনে আলোচনা-বিলোচনাৰ মূলতে আছে শিল্পীজনাৰ সৃষ্টিকৰ্মৰ সৈতে সমসাময়িক সচেতন মানুহৰ একাত্মবোধৰ পৰিচয়।' জীৱন থাকোঁতে শিল্পীজনাৰ জীৱন ব্যাখ্যা ভিন্নজনে ভিন্ন ব্যাখ্যা কৰিব লাগিছে। ভূপেন হাজৰিকাৰ গীত যে পপচং নহয় সেইটো বহু সমালোচকে স্বীকাৰ কৰিছে। ত্ৰিপিকেল পপচং বুলি যিটো কোৱা হয় সেয়াও ভূপেন হাজৰিকাৰ গীতত পৰিস্ফুট নহয়। ভূপেন হাজৰিকাই নিজস্ব বৈশিষ্ট্যৰে এটা বস্তু তৈয়াৰ কৰে সেইটো হ'ল 'ভূপেন চং' অৰ্থাৎ 'ভূপেন্দ্ৰ সংগীত'। গণশিল্পী হেমাংগ বিশ্বাসে ভূপেন হাজৰিকাৰ গীতক 'ভূপেন চং' আৰু 'ভূপেন সংগীত' বুলি স্বীকৃতি দি থৈছে।

গীতৰ হেজাৰ শ্ৰোতাক নমস্কাৰ কৰি শ্ৰোতাক গীতৰ অলংকাৰ বুলি ভাবি বিশ্বৰ বিভিন্ন প্ৰান্তত যাযাবৰী হৈ গান গাই ফুৰা সংগীত জগতৰ বিশ্ববিশ্ৰুত এটি নাম ভূপেন হাজৰিকা। নামেই যাৰ পৰিচয় আৰু পৰিচয়েই যাৰ জীৱন দৰ্শনৰ অবিকল অভিব্যক্তি। 'গীত গাই কঁপাম দিগন্ত' বুলি মনৰ ভাব প্ৰকাশ কৰি ভূপেন হাজৰিকাই সঁচাকৈয়ে গানেৰে দিগন্ত কঁপাই ভৌগোলিক জ্ঞানৰ পৰিধি চেৰাই লুইতৰ পৰা মিচিচিপি হৈ ভল্গালৈ, অটোৱাৰ পৰা অষ্ট্ৰিয়া হৈ পেৰিচলৈ, ইলোৰাৰ পৰা চিকাগোলৈ গৈছে। গোটেই জীৱনটো সমন্বয় বুলি চিঞৰি নিউয়ৰ্ক, ফিনল্যাণ্ড, লেলিনগ্ৰেড, মস্কো, জাপান, পেৰিচ, চানফ্ৰান্সিকো আদি বহু বিদেশী ঠাইত বজ্ৰৰ কণ্ঠেৰে ধুমুহাৰ শক্তিৰে দানবৰ সমাজত 'মানুহে মানুহৰ বাবে' বুলি গীতেৰে কৈছে। ভূপেন হাজৰিকা সমন্বয়ৰ এক বিৰাট আদৰ্শ স্বৰূপ। 'বহু আস্থাহীনতাৰ বিপৰীতে এক গভীৰ আস্থাৰ গান' হোৱাটোৱে ভূপেন হাজৰিকাৰ গানৰ লক্ষ্য। জ্যোতি, বিষ্ণু, ফণী, পল ৰবচন, পিকাচো এইসকল মহান শিল্পীৰ অনুপ্ৰেৰণাৰে উদ্বুদ্ধ হোৱা ভূপেন হাজৰিকাই 'সাগৰ সংগমত কতনা সাঁতুৰিও তথাপিতো হোৱা নাই ক্লান্ত'। সাগৰত উথলি উঠা অশান্তিৰ জোৱাৰ আৰু মানৱ সমাজৰ পৰা পোৱা দানৱীয় আঘাতৰ হিল্লোল ভেদি জীৱনৰ প্ৰশান্ত সাগৰত সংঘাতবোৰেই ভূপেন হাজৰিকাক সমন্বয়ৰ অগ্ৰগতি পক্ষীৰাজত উঠি হাঁহি মুখে 'প্ৰগতিৰ নতুন দিগন্তলৈ ঢাপলি মেলোঁ' সহায় কৰিছে। বিশ্বৰ বিভিন্ন প্ৰান্তত যাযাবৰী হৈ গীত গাই ফুৰোতে ভূপেন হাজৰিকাই কেতিয়াবা 'মাৰ্কটোৱেইনৰ

সমাধিত বহি গৰ্কীৰ কথা কৈছে', কেতিয়াবা 'লুইতৰ পৰা মিচিচিপি হৈ ভল্গাৰ ৰূপ চাইছে' আৰু কেতিয়াবা 'অটোৱাৰ পৰা অষ্ট্ৰিয়াহৈ পেৰিচক সাবটি লৈছে।'

ড° ভূপেন হাজৰিকাৰ গীতৰ ৰচনাত শব্দৰ অপূৰ্ব প্ৰয়োগ, সুৰৰ ইন্দ্ৰজাল, উচ্চাৰণৰ স্পষ্টতা আৰু কণ্ঠৰ মোহনীয়তাৰ উপৰি তেখেতৰ গীতত দুটি সবল অংগ পৰিস্ফুট হোৱা দেখা যায়। এক, মানৱতাবাদ আৰু আনটো দেশাত্মবোধ। ১৯৬২ চনত সাম্ৰাজ্যবাদী চীনৰ নিৰ্লজ্জ আক্ৰমণৰ বিৰুদ্ধে নিজ মাতৃৰ শৌৰ্যবীৰ্যৰ উমান দাঙি দৰি গাইছে— পঞ্চশীলকে ক্ৰাস বুলি হাঁহিলি/বিশাল এচিয়াৰ সংহতি নাশিলি/তোৰ গৰ্ব খৰ্ব হ'ব দম্ভ তৰ্ক যাব/ভাৰত সিংহ আজি জাগ্ৰত হয়। লুইতৰ পাৰত ভূপেন হাজৰিকাৰ জন্ম আৰু সেয়ে হয়তো লুইতৰ পাৰৰ মানুহখিনি তেখেতৰ বৰপ্ৰিয়। এই লুইতক উল্লেখ কৰি তেখেতে কেইবাটাও গীত গাইছে। লুইপৰীয়া মানুহবোৰৰ মাজত মানৱতাহীন ব্যৱহাৰ, নৈতিকতাবিহীন আচৰণ আদিৰ বিৰুদ্ধে সমাজক সকীয়াই নিদিয়াৰ বাবে লুইতকে জগৰীয়া কৰি মনৰ ক্ষোভ প্ৰকাশ কৰিছে এইদৰে— বিস্তীৰ্ণ পাৰৰে অসংখ্যজনৰে হাঁহাঁকাৰ শুনিও, নিঃশব্দে নীৰৱে বুঢ়ালুইত তুমি, বুঢ়ালুইত বোৱা কিয়? আকৌ কৈছে— জ্ঞান বিহীন নিৰক্ষৰৰ খাদ্য-বিহীন নাগৰিকৰ নেতৃবিহীনতাত নিমাত কিয়? বিদেশী শত্ৰুৰ কবলৰ পৰা স্বদেশক ৰক্ষা কৰা আৰু দেশৰ বাবে আত্মবলিদান দিয়াত ভূপেন হাজৰিকা অংগীকাৰবদ্ধ— বুকু হম হম কৰে, মোৰ আই/কোনে নিদ্ৰা হৰে মোৰ আই/ পুত্ৰহৈ মই কি মতে তৰো/ আই তোৰে হৈ মই মৰো। সাম্প্ৰতিক কালৰ বহিৰাগত প্ৰবল হেঁচাৰ বিৰুদ্ধে সচেতন হ'বলৈ অসমৰ জনতাক সকীয়াই গাইছে— আমি অসমীয়া নহও দুখীয়া/ বুলি সান্ত্বনা লভিলে নহ'ব/আজিৰ অসমীয়াই নিজক নবচালে/অসমতে মগনীয়া হ'ব। এই গীতত সংকীৰ্ণ প্ৰাদেশিকতাবাদৰ গোন্ধক উৰ্ধ্বত ৰাখি তেখেতে আকৌ কৈছে— মোৰ আইক ভাল পাও বুলিলে/ আনৰ আইক জানো ঘিণ কৰাটো বুজাব। দেশৰ সন্ধিক্ষণত তেখেতে সদায় গণতান্ত্ৰিক অধিকাৰসমূহৰ পৰা বঞ্চিত নহ'বলৈ দেশবাসীক সঁকিয়াই দি আহিছে। অন্যায়ৰ বিৰুদ্ধে যুঁজিবলৈ তেখেতৰ গীতে দেশবাসীক সাহস দি আহিছে এইদৰে— কালৰাত্ৰিৰ বুকুতে লুকাই আছেই প্ৰভাত বুজিলানে নাই/বন্ধদ্বাৰে উন্মুক্ত বায়ুক সদা কৰে ভয় বুজিলানে নাই। তেখেতৰ এই দেশপ্ৰেম দেশৰ ভৌগোলিক সীমা চেৰাই গৈ বিশ্বপ্ৰেমলৈ ৰূপান্তৰিত হৈছে। তেখেতে সগৰ্বে গীতেৰে কৈছে— জয়জয় নৱজাত বাংলাদেশ, জয় জয় মুক্তিবাহিনী/ভাৰতীয় সৈন্যৰ স'তে ৰচিলা শাৰিৰ কাহিনী। সেইদৰে গংগা আৰু পদ্মাক মাতৃস্বৰূপা বুলি গীতৰে কৈ সুখ আৰু দুখৰ বেদনা ব্যক্ত কৰিছে এইদৰে— গংগা মোৰ মা, পদ্মা মোৰ মা/মোৰ চকুলোৰ দুটি ধাৰা মেঘনা যমুনা।

গীতৰ ভাষাৰেই ভূপেন হাজৰিকাই জনসমাজক বহুতো কথা কয়— পৰিস্থিতি সাপেক্ষে বহুতো ক্ষেত্ৰত দিগ্‌দৰ্শন কৰে আৰু ৰাইজৰ মাজত গণচেতনা জগাই তুলিবলৈ প্ৰয়াস কৰে। ভূপেন হাজৰিকাক 'এটি বিশেষ মুহূৰ্তই যেতিয়া কলিজা স্পৰ্শ কৰে তেতিয়াই সি বিদ্যুৎ বেগে কাপৰ মাজেৰে একোটি গীতলৈ ৰূপান্তৰিত হৈছে'। লুইতৰ পাৰৰ কেঁচা মাটিৰ সুগন্ধৰে আমোল-মোলাই থকা গৌৰৱময় ঐতিহ্যক সৃষ্টিশীল চিন্তা আৰু গৱেষণামূলক বিশ্লেষণেৰে বৰ্ণাঢ্য অসমীয়া লোক-সংগীতক বিশ্বৰ মহাসভাত নতুন ৰূপত দিবলৈ সক্ষম হৈছে সুৰ সম্ৰাট ভূপেন হাজৰিকাই। ভূপেন হাজৰিকাই গানেৰে কেতিয়াবা চিয়াঙৰ গালং মিচিং ডেকাটি আৰু কহিমাৰে আধুনিকা ডালিমীৰ কথা কৈছে আৰু কেতিয়াবা লুইতৰ পাৰৰ অসমীয়া বিহুগীতৰ সুৰৰ লহৰ মিলি মিচিচিপি পাৰৰ আমেৰিকাৰ মহান সংগ্ৰামী শিল্পী পলৰবচনৰ 'We are on the same boat brothers' নাইবা 'আমি একেখন নাৱঁৰে যাত্ৰী' বুলি জনসমাজত উৎকট ৰূপ ধাৰণ কৰা বৰ্ণ-বৈষম্যৰ বিপৰীতে উদাত্ত কণ্ঠেৰে গাইছে; আকাশে-বতাহে 'দলদোপ হেন্দোলদোপ' হৈ মুখৰিত সুৰৰ ধ্বনিৰে জনতাৰ জীৱনক আপোন কৰি লৈ জনজীৱনৰ সুৰ আৰু উম বিচাৰি 'বিস্তীৰ্ণ পাৰৰে বুঢ়া লুইত, পদ্মা গঙ্গা আমাৰ মাক' আশ্ৰয় কৰি ৰাইন, টেমচ ঘূৰি সাগৰ সংগমত সাঁতুৰি কপিলী পাৰৰ কাণ্ডী, বৰ বৰ মানুহৰ দোলা কঢ়িয়াওঁতাৰ মৰ্মবেদনা, বহু দলিত আৰু অৱহেলিতজনৰ সৰু সৰু মনৰ সৰু সৰু সুখ-দুখবোৰ ভূপেন হাজৰিকাৰ কণ্ঠত সুৰহৈ জীপ পায়। ভূপেন হাজৰিকা বিশ্বৰ অন্যতম শ্ৰেষ্ঠ সুৰ শিল্পী, কণ্ঠশিল্পী— 'পৃথিৱীৰ অন্যতম সাংস্কৃতিক ৰাষ্ট্ৰদূত'— ১৯৭২ চনত অনুষ্ঠিত তৃতীয় আন্তৰ্জাতিক সংগীত মহাসম্মিলনত অংশগ্ৰহণ কৰি ভূয়সী প্ৰশংসা বুটলে। ১৯৭৩ চনত বাৰ্লিনত অনুষ্ঠিত আন্তৰ্জাতিক যুৱ মহোৎসৱত গীত পৰিৱেশন কৰি ইন্টাৰ্নেশ্যনেল জুৰিৰ পৰা সোণৰ পদক পাবলৈ সক্ষম হৈছিল ভূপেন হাজৰিকাই। ১৯৮০ চনত জাপানৰ বুদ্ধিজীৱী আৰু সাংস্কৃতিক গোষ্ঠী Ro-On-ৰ আমন্ত্ৰণক্ৰমে বিশ্বৰ ১২০ জন সৰ্বশ্ৰেষ্ঠ গণশিল্পীৰ উপস্থিতিত অনুষ্ঠিত টকিঅ'ৰ এখন আলোচনা চক্ৰত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ভূপেন হাজৰিকাই পৃথিৱীৰ অন্যতম সাংস্কৃতিক ৰাষ্ট্ৰদূত খ্যাতি লাভ কৰিছিল। 'যিমানেই বিলাই দিবা সিমানেই মহান হ'বা' বুলি আমাৰ সাংস্কৃতিক ধ্বজা উৰুৱাই এইজনা মহান শিল্পীৰ যাযাবৰী জীৱন যি বাটেৰে আগ নাবাঢ়ক কিয় এই আগবঢ়া বাটটোৰ নামেই হৈছে সাংস্কৃতি আৰু এই সাংস্কৃতিৰে আকৰ ড° ভূপেন হাজৰিকা।

ড° ভূপেন হাজৰিকাৰ যুগান্তকাৰী সৃষ্টি আৰু প্ৰতিভাৰ মূল্যাংকন কৰি ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখিছে— অসমত ৰেডিঅ' ষ্টেচন স্থাপন হোৱাৰ লগে

লগে অসমীয়া গীত ৰচক, সুৰ-সংযোজক, গায়কসকলৰ কাৰণে এখন দুৱাৰ মুকলি হ'ল। সুৰত, ৰচনাত মৌলিকত্ব দেখুৱাবলৈ ই সুযোগ মুকলি কৰি দিলে। এই নতুন আহ্বানত সঁহাৰি দি ৰচনা আৰু সুৰৰ অভূতপূৰ্ব বৈশিষ্ট্যৰে যুগান্তকাৰী তথা যুগোপযোগী সৃষ্টি আগবঢ়ালে ড° ভূপেন হাজৰিকাই। কথা আৰু সুৰৰ অপূৰ্ব সমন্বয়েৰে এইজনা শিল্পীয়ে অসমীয়া গীতলৈ সাৰ্থক বাস্তৱবাদ (Realism) কঢ়িয়াই আনিলে। মাছমৰীয়া, দোলাভাৰী, শিল ভাঙোতা, ৰেলগাড়ী চলাওঁতা আদিৰ নিকৰুণ জীৱনৰ ছবি অসমৰ কেঁচা মাটিত শুই থকা বাৰেবৰণীয়া সুৰৰ ৰহেনেৰে আঁকি জন হৃদয় এওঁ অসামান্য জনপ্ৰিয়তাৰে যুগমীয়াকৈ পৰশি গ'ল। পৰম্পৰাগতভাৱে চলি অহা গতানুগতিক অসমীয়া গীতৰ ভূপেন হাজৰিকাৰ এক বলিষ্ঠ Challenge দিলে বুলি একে আষাৰে ক'ব পৰা যায়। *(ৰংপুৰ, ২৯ ডিচেম্বৰ, ১৯৯২)*

কলাগুৰু বিষ্ণু ৰাভাৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী উপলক্ষে আয়োজিত এখন সাংস্কৃতিক সভাত যোৰহাটৰ বিষ্ণু-জ্যোতি সংগীত মহাবিদ্যালয়ত ভূপেন হাজৰিকাৰ গীত আৰু সুৰক 'ভূপেন্দ্ৰ সংগীত' বুলি আখ্যা দিয়াৰ পৰিপ্ৰেক্ষিতত এটি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। পৰৱৰ্তীকালত ভূপেন্দ্ৰ সংগীত কেন্দ্ৰীয় সমিতিয়ে এই ৰাজহুৱা ঘোষণা কৰি ইয়াৰ বিহিত কাৰ্যকৰী ব্যৱস্থা লৈছিল যদিও সম্প্ৰতি এইক্ষেত্ৰত একেবাৰে মৌনতা অৱলম্বন কৰা দেখা গৈছে। জীৱিত অৱস্থাতে শিল্পীজনাৰ সৃষ্টিক এনে সন্মান বা স্বীকৃতি আগবঢ়োৱা আচহুৱা যেন অনুভৱ হ'লেও সংগীত জগতৰ নতুন পুৰুষক এই মহান শিল্পীজনাৰ অৱসৰৰ পিছত দেখা দিব পৰা সম্ভাৱনীয় শূন্যতাক পূৰণ কৰাত সহায় হ'ব বুলি আশা কৰিব পাৰি।

*[৯ জুলাই ২০০৭]*

# ব্লেক মানি আৰু অৰ্থনীতিত ইয়াৰ প্ৰভাৱ

ব্লেক মানি অৰ্থাৎ ক'লা টকা বুলিলে প্ৰকৃত অৰ্থত দেশৰ অবৈধ অৰ্থ ব্যৱস্থাটোৰ কথাকে সূচায়। বৰ্তমান দেশৰ অৰ্থনীতিত ক'লাধন বা ক'লা টকাই সমান্তৰাল ভূমিকা পালন কৰি আহিছে। ফলত, গণতান্ত্ৰিক দেশ এখনৰ বাবে ভাবুকি স্বৰূপ হৈ পৰিছে। ক'লা টকাৰ এই সমান্তৰাল ব্যৱস্থাটোৱে দেশৰ সমগ্ৰ অৰ্থনৈতিক ব্যৱস্থাটো নিয়ন্ত্ৰণকাৰীৰ ভূমিকা গ্ৰহণ কৰাৰ ফলস্বৰূপে দেশৰ অৰ্থনীতিৰ ভৱিষ্যৎ ধূসৰ কৰি তুলিছে। ক'লা টকাৰ অৰ্থনৈতিক কাম-কাজ, দুৰ্নীতি আদিয়ে বৰ্তমান আৰ্থ-সামাজিক ব্যৱস্থাটোৰ স্তৰে স্তৰে এনেভাবে সোমাই পৰিছে যে ইয়াক ৰোধ কৰাৰ কোনো সহজ উপায় আজি বিচাৰি পাবলৈ নাই। দেশৰ বৈধ অৰ্থ ব্যৱস্থাটোৰ বিপৰীতে ক'লা টকা সৃষ্টি আৰু বৃদ্ধিৰ উজু উপায়েৰে ধন গোটাবলৈ যিমানবোৰ অপকৰ্ম কৰা হৈছে তাৰ বাবে সমাজত নানান বিপৰ্যয় আৰু বিশৃংখলতা উদ্ভৱ হোৱাৰ এটা কাৰণ বুলি ক'ব লাগিব। বৰ্তমান সমাজত হাড় ভঙা পৰিশ্ৰম কৰিও দুবেলা দুমুঠি পেট ভৰাই খাবলৈ নোপোৱা অথচ অসৎ পথেৰে উপাৰ্জন কৰি বা দুৰ্নীতি কৰি মৰাৰ ছাল টানি খোৱাৰ নিচিনা কামত বিবেকবান লোকে সমৰ্থন কৰাটো কিমান যুক্তিসংগত সেইটো বিচাৰ্যৰ বিষয়।

মূলতঃ ক'লা টকা অৰ্থনৈতিক অপৰাধ আৰু ইয়াৰ ফলত সমাজত জনজীৱন বিপৰ্যস্ত হয়। ক'লা টকাই মুদ্ৰাস্ফীতি আৰু দ্ৰব্য মূল্য বৃদ্ধিত সততে অৰিহণা যোগায়। অবৈধ ধন বা সম্পদৰ আধিক্যই সৰ্বসাধাৰণ মানুহক বিলাসী জীৱন-যাপনৰ প্ৰতি সহজতে আকৰ্ষিত কৰে আৰু সামাজিক আচৰণ আৰু নৈতিক চৰিত্ৰৰ অধঃপতন ঘটায়। ব্যৱসায়-বাণিজ্য আৰু ৰাজনৈতিক ক্ষেত্ৰত ক'লা ধন নাইবা অস্বাভাৱিক মুনাফা অৰ্জন আদিৰ দ্বাৰা ক্ষমতা বিস্তাৰ কৰি এক প্ৰভূত্ববাদী পৰিচয় দাঙি ধৰা দেখা যায়। ইয়াৰোপৰি বে-আইনীভাৱে টকা ছপা কৰা কাৰ্যই ক'লা টকাৰ পৰিমাণ এক বৃহৎ আকাৰ ধাৰণ কৰি সম্প্ৰতি দেশৰ অৰ্থ ব্যৱস্থাটোৰ ক্ষেত্ৰত একপ্ৰকাৰ ভাৰসাম্যহীন কৰি তোলাটো লক্ষণীয় হৈ পৰিছে।

ক'লা টকা সচৰাচৰ উৎপাদন ৰহিত কামত বিনিয়োগ নকৰি বৰঞ্চ সামগ্ৰী উৎপাদনত একেখিনিত অব্যৱহৃত হোৱাৰ ফলত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পোৱাৰ উপৰি সিয়ে মূল্যবৃদ্ধি সৃষ্টি কৰে। ক'লাটকাৰ এক বৃজন অংশ ব্যৱসায়ৰ নাটনি থকা সামগ্ৰীৰ চোৰাং মজুত কৰাত ব্যৱহৃত হোৱাৰ ফলত উক্ত সামগ্ৰী মূল্য

কৃত্ৰিম উপায়েৰে বৃদ্ধি কৰাত সহায় কৰে। ইয়াৰ দ্বাৰা কৃত্ৰিম নাটনি সৃষ্টি কৰি মুদ্ৰাস্ফীতিৰ অৱনতি ঘটায়। আনফালে অব্যৱহৃত আৰু অলসভাৱে ঘৰতে ৰখা ক'লা টকাই সামগ্ৰিক খৰচ হ্ৰাস কৰে। সম্পত্তিৰ অব্যক্ত অংশ অৰ্থাৎ আয়ৰ গুপ্ত অংশই ক'লা টকাৰ সৃষ্টি কৰে।

উল্লেখ্য যে ভাৰতীয় ৰিজাৰ্ভ বেংকে ছপা কৰি উলিওৱা নোটসমূহৰ দ্বাৰা চৰকাৰী ব্যয় আৰু বাণিজ্যিক বেংকসমূহৰ যোগে অৰ্থনীতিত প্ৰৱেশ কৰি মুদ্ৰা আয়ৰ সৃষ্টি কৰে। মুদ্ৰাৰ প্ৰচলনৰ গতি অৰ্থাৎ ক্ৰয়-বিক্ৰয়ত মুদ্ৰাৰ ব্যৱহাৰৰ সঘনতাৰ ওপৰত টকাৰ যোগানৰ অনুপাতত আয়ৰ পৰিমাণ নিৰ্ভৰ কৰে। মূলতঃ ভাৰতীয় ৰিজাৰ্ভ বেংকে ছপা কৰা মুদ্ৰা আৰু বাণিজ্যিক বেংকসমূহে সৃষ্টি কৰা আমানত মুদ্ৰা এই দুবিধ মুদ্ৰাৰ ক্ৰয়-বিক্ৰয়ত ব্যৱহৃত হয়। সাধাৰণতে মুদ্ৰাৰ বাৰ্ষিক প্ৰচলন গতি পৰিমাপ কৰি উলিয়াই মুদ্ৰাৰ বাৰ্ষিক পৰিমাণক সেই প্ৰচলন গতিৰে পূৰণ কৰি উক্ত বছৰৰ ৰাষ্ট্ৰীয় আয় উলিওৱা হয়! আমাৰ দেশত বস্তু-বিনিময়ৰ মাধ্যমত এই ৰাষ্ট্ৰীয় আয় উলিওৱা হয়। কিন্তু বস্তু-বিনিময়ৰ ক্ষেত্ৰত লেন-দেন মুদ্ৰাৰ অসাধু উপায় অৱলম্বন কৰাৰ ফলত এই মুদ্ৰাৰ শুদ্ধ পৰিমাপ পোৱা নাযায়। প্ৰকৃতাৰ্থত ৰাষ্ট্ৰীয় আয়ৰ হিচাপৰ বহিৰ্ভূত এই অংশটোৱে ক'লা টকা সৃষ্টি কৰে।

দেশত সামগ্ৰীৰ উৎপাদনৰ চাহিদাৰ তুলনাত কম হ'লে সুলভ মূল্যত ন্যায়সংগত বিতৰণ সাব্যস্ত কৰিবলৈ চৰকাৰে নিয়ন্ত্ৰণৰ ব্যৱস্থা লয়। কিন্তু চৰকাৰে মুক্ত বজাৰত এই নিয়ন্ত্ৰিত দাম প্ৰচলিত দামতকৈ নিম্ন পৰ্যায়ত ধাৰ্য কৰাৰ ফলস্বৰূপে নিয়ন্ত্ৰিত বজাৰৰ সামগ্ৰী ক'লা বজাৰত ভোক্তা আৰু বিতৰণৰ দায়িত্বত থকা উভয়শ্ৰেণী লোকক অসৎ উপায়েৰে সহজলভ্য ধন উপাৰ্জন কৰাৰ সুযোগ মুকলি কৰি দিয়ে। এইক্ষেত্ৰত উৎপাদন বৃদ্ধিত গুৰুত্ব নিদি কেৱল সামগ্ৰী নাটনিৰ বাবেহে নিয়ন্ত্ৰণ ৰোধ কৰিব যোৱাৰ ফলত দেশত ক'লা টকা বৃদ্ধি পাব ধৰিছে।

এই ক'লা ধনৰ পৰিমাণ বৃদ্ধিলৈ লক্ষ্য ৰাখি দেশৰ অৰ্থনীতিবিদসকলে ইতিমধ্যে কেইবাখনো প্ৰতিবেদন দাঙি ধৰিছে। ৰাষ্ট্ৰীয় আয় আৰু সংগৃহীত কৰাৰ তুলনামূলক অধ্যয়ন পদ্ধতিৰ এক সমীক্ষা মতে (ৱাঞ্চু কমিটি) ভাৰতত ক'লা টকাৰ পৰিমাণ আছিল এনেধৰণৰ— ১৯৫৪ চনত ৬০০ কোটি, ১৯৬১-৬২ চনত ৭০০ কোটি, ১৯৬৫-৬৬ চনত ১,০০০ কোটি, ১৯৬৮-৬৯ চনত ১,৪০০ কোটি আৰু ই জাতীয় আয়ৰ ৪ শতাংশ।

ভাৰতীয় অৰ্থনীতিবিদ ৰাংনেকাৰৰ মতে ১৯৬১-৬২, ১৯৬৫-৬৬ আৰু ১৯৬৮-৬৯ চনৰ ক'লা টকাৰ পৰিমাণ আছিল যথাক্ৰমে ১,১৫০ কোটি টকা; ২,৩৫০ কোটি টকা আৰু ২,৩৫০ কোটি টকা। ৰাংনেকাৰে উল্লেখ কৰা উক্ত হিচাপ নিৰ্ভৰযোগ্য নহয় বুলি দেশৰ কেইবাজনো অৰ্থনীতিবিদে সন্দেহ প্ৰকাশ

কৰিছে। অৰ্থনীতিবিদ আৰু গৱেষক অনিতাৰ হিচাপ মতে আমাৰ দেশত ক'লা টকাৰ পৰিমাণ এনেধৰণৰ— ১৯৫৩-৫৪ চনত ৭২৪ কোটি টকা, ১৯৬১-৬২ চনত ২,১৯৪ কোটি টকা, ১৯৭৭-৭৮ চনত ১,০১২ কোটি টকা আৰু ১৯৭৯-৮০ চনত ১২,১৬৩ কোটি টকা। এই হিচাপ মোটামুটিভাৱে গ্ৰহণযোগ্য বুলি বিবেচিত হৈছে।

আকৌ, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (আই.এম.এফ)ৰ হিচাপ অনুযায়ী ১৯৮৯-৯০ চনৰ ভাৰতৰ সমান্তৰাল অৰ্থনীতিৰ ক'লা টকাৰ পৰিমাণ চলিত মূল্যৰ হিচাপত ১,২৪,০০০ কোটি টকা। উক্ত মুদ্ৰানিধিয়ে প্ৰকাশ কৰা তথ্য মতে কেইখনমান দেশৰ আয়ৰ অংশ অনুসৰি ক'লা টকাৰ পৰিমাণ হৈছে এনেধৰণৰ— ভাৰত-৫০ শতাংশ, আমেৰিকা-২০ শতাংশ, কানাডা-২০ শতাংশ, ইটালী-১৫ শতাংশ, চুইডেন-১৫ শতাংশ, গ্ৰেটব্ৰিটেইন-১০ শতাংশ আৰু জাপান-৫ শতাংশ।

'১৯৮৫ চনত নেশ্যনেল ইনষ্টিটিউট অব পাব্লিক ফাইনেন্স এণ্ড পলিচি'য়ে প্ৰকাশ কৰা এক সমীক্ষা মতে ১৯৮৩-৮৪ চনত চোৰাংচোৰা ধনৰ পৰিমাণ আছিল ৩৭,০০০ কোটি টকা আৰু ই মুঠ ৰাষ্ট্ৰীয় আয়ৰ ২০ শতাংশতকৈ অধিক'। (অগ্ৰদূত, ১২ ছেপ্তেম্বৰ, ১৯৯৩)

ভাৰতীয় সংবিধানৰ ২৮৬ (১) (এ) (বি) অনুচ্ছেদে কৰ আৰোপ ব্যৱস্থা ৰাজ্য চৰকাৰৰ এক্তিয়াৰৰ বাহিৰত বুলি উল্লেখ কৰিছে। কেন্দ্ৰীয় বিক্ৰীকৰ আইনৰ ৪ নং ধাৰাত ৰাজ্য এখনৰ বাহিৰত হোৱা ক্ৰয়-বিক্ৰয় সম্বন্ধে এইদৰে কৈছে— যদি এখন ৰাজ্যৰ পৰা কোনো সামগ্ৰী কোনো বাণিজ্যিক প্ৰতিষ্ঠানৰ মুখ্য কাৰ্যালয়, শাখা কাৰ্যালয় বা কোনো এজেন্টলৈ স্থানান্তৰ কৰা হয় আৰু উক্ত সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় তেনে সংশ্লিষ্ট ৰাজ্যত সংঘটিত হয়, তেতিয়া তেনে প্ৰেৰক ৰাজ্যৰ কৰ কৰ্তৃপক্ষই কোনো বিক্ৰীকৰ আৰোপ কৰিব নোৱাৰে, সংশ্লিষ্ট ৰাজ্যৰ কৰ কৰ্তৃপক্ষইহে তেনে ক্ৰয়-বিক্ৰীৰ ওপৰত কৰ আৰোপৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰে। ফলত আন ৰাজ্যলৈ বিক্ৰীৰ কাৰণে প্ৰেৰণ কৰিবলগীয়া সামগ্ৰীৰ ক্ষেত্ৰত তথা আন ৰাজ্যলৈ হোৱা বিক্ৰীৰ ওপৰত প্ৰেৰক ৰাজ্য কৰ আৰোপ কাৰ্যৰ পৰা বঞ্চিত হৈ থাকিল।

অসমত উৎপাদিত চাহপাত আৰু পেট্ৰ'লজাত সামগ্ৰী অসমৰ বাহিৰলৈ বিক্ৰীৰ কাৰণে প্ৰচুৰ পৰিমাণে স্থানান্তৰিত কৰা হয়। এনেবোৰ সামগ্ৰীৰ স্থানান্তৰ কাৰ্য বহুক্ষেত্ৰত বিক্ৰী সাপেক্ষে স্থানান্তৰিত কৰা হয় যদিও ভুৱা নথিপত্ৰ প্ৰস্তুত কৰি তেনেবোৰ সামগ্ৰীৰ ওপৰত আৰোপিত কৰ আদায় নিদি ৰাজ্য চৰকাৰক প্ৰাপ্ত ৰাজহ আদায়ৰ পৰা বঞ্চিত কৰা কাৰ্য বিৰল নহয়। ভেট আইনত পেট্ৰ'লজাত সামগ্ৰীৰ ওপৰত যদি ৰাজ্যখনত কোনো কৰ আদায় নিদি

আন্তঃৰাজ্যিক বিক্ৰী ব্যতিৰেকে অসমৰ বাহিৰলৈ প্ৰেৰণ কৰা হয়, তেনে ক্ষেত্ৰত উক্ত সামগ্ৰীৰ ক্ৰয় মূল্যৰ ওপৰত টকাত ৪ পইচা হাৰে কৰ নিৰ্ধাৰণ ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়। ব্যক্তি ব্যতিৰেকে এনে প্ৰেৰণ কাৰ্যৰ ভিতৰত সামগ্ৰী স্থানান্তৰ আৰু আন্তঃৰাষ্ট্ৰীয় বিক্ৰী তথা ৰপ্তানি অন্তৰ্ভুক্ত। *(দৈনিক বাতৰি, ১৬ জুলাই-২০০৭)*

ইয়াৰ দ্বাৰা উৎপাদক আৰু আয় কৰোঁতাসকলে চৰকাৰৰ দুৰ্বল ৰাজহ নীতিৰ সুযোগ লৈ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কৰ ফাঁকি দি আহিছে। তথ্য অনুযায়ী ১৯৫৭-৫৮ চনত বিড়ালাই সম্পদ কৰ দিছিল ৫২ লাখ টকা কিন্তু ১৯৭৭-৭৮ চনত উক্ত ব্যৱসায়ী গোষ্ঠীটোৱে সম্পদ কৰ দিছিল মাত্ৰ ১২ লাখ টকা। বৰঞ্চ বিড়ালাৰ সম্পদৰ পৰিমাণ আগৰ তুলনাত যথেষ্ট বৃদ্ধি পোৱাটো উল্লেখনীয়। ইয়াৰোপৰি মুদ্ৰাস্ফীতিৰ ক্ষেত্ৰত চৰকাৰৰ অসংযত নীতি-নিৰ্ধাৰণ, কৰ প্ৰশাসনীয় দুৰ্নীতি, দুৰ্বলতা আৰু জটিলতাই বিশেষভাৱে ক'লা ধন বৃদ্ধিত প্ৰভূত বৰঙণি যোগাই আহিছে। চৰকাৰৰ এক তথ্যমতে অসমৰ যোৱা তিনি বছৰে মুঠ কৰ আদায় হৈছিল ২,৩৩২.৫৭ কোটি, ২,৭৬৯.৭৫ কোটি আৰু ৩,০৪৮.৫৪ কোটি টকা। ভাৰতীয় অৰ্থনীতিবিদ ৰাংগেকাৰৰ মতে ভাৰতবৰ্ষত ফাঁকি দিয়া কৰৰ পৰিমাণ মুঠ জাতীয় আয়ৰ ৯ শতাংশ, বৰ্তমান ভাৰতত ক'লা টকা পৰিমাণ প্ৰায় ৮০,০০০ কোটি টকা। ক'লা টকা সৃষ্টিকাৰী ব্যক্তিসকলৰ কাৰণে গড় আয় কৰৰ হাৰ ৩০ শতাংশতকৈয়ো যদি ধৰা হয় তেনেহ'লে দেখা যায় ভাৰতত বছৰি কৰ ৰাজহ লোকচানৰ পৰিমাণ ২৪,০০০ কোটি টকা; যিটো বাৰ্ষিক বাজেট ঘাটি দুগুণকৈয়ো বেছি।

সম্প্ৰতি ক'লা টকা ৰোধ কৰিবলৈ দেশত আইন-কানুনৰ প্ৰচলন আছে যদিও পৰ্যাপ্ত নহয়। আনহাতে চোৰাং ধনৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰো কোনো সহজ পন্থা নাই। বৰঞ্চ ক'লা ধন, ক্ষমতাৰ প্ৰতি লোভ আৰু তাৰ বাবে দুৰ্নীতিৰ প্ৰতি প্ৰৱণতাই ব্যক্তি ক্ষমতা লিপ্সাৰ মানসিকতাৰ সৃষ্টি কৰি আৰ্থিক অৱনতিৰ প্ৰক্ৰিয়াহে শক্তিশালী কৰি তোলাত অৰিহণা যোগাইছে। দেশত নতুন কৰ নীতিৰ প্ৰৱৰ্তনৰ দ্বাৰা কৰ ফাঁকি ৰোধ কৰাৰ বাবে সমগ্ৰ কৰ ব্যৱস্থাটো সৰল কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছে যদিও কেৱল কৰ আদায়ৰ ওপৰত ন্যস্ত থকাৰ ফলস্বৰূপে ফাঁকি দিয়া কৰৰ পৰিমাণ বৃদ্ধি পাব লাগিছে। এই কৰ আদায়ৰ ক্ষেত্ৰত জড়িত অপকৰ্মীৰ ওপৰত কঠোৰ শাস্তি প্ৰদান কৰাৰ আইনী ব্যৱস্থা লোৱাৰ প্ৰয়োজন আছে। চৰকাৰে দেশত ক'লাধন নোহোৱা কৰিবলৈ ইতিমধ্যে কেইবাখনো আঁচনি প্ৰস্তুত কৰিছে আৰু এইক্ষেত্ৰত সকলো চৰকাৰী নিয়ন্ত্ৰণ ব্যৱস্থা বাস্তৱত কটকটীয়াভাৱে পালন কৰিব পাৰিলে, একচেটিয়া ক্ষমতাৰ বিস্তাৰেৰে ক'লা টকাই কলুষিত কৰা অৰ্থ ব্যৱস্থাটোৰ পৰা মুক্ত কৰিব বুলি আশা কৰিব পাৰি।

*[১৭ জুলাই ২০০৭]*

# বিজ্ঞান আৰু সমাজৰ আন্তঃক্ৰিয়া

বিজ্ঞান হৈছে জীৱ, পদাৰ্থ আৰু শক্তিৰ সু-সংগঠিত জ্ঞান। ই জগতৰ বস্তুবিলাকৰ স্বৰূপ, গুণ আদিক সঠিকভাৱে বিচাৰ কৰা শাস্ত্ৰ বা বিদ্যা। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে মৌলিক নীতি আৰু বিশ্ব ব্ৰহ্মাণ্ডক ভালকৈ জনা আৰু কৰ্মৰ কাৰণে সুন্দৰকৈ পথ দেখুৱাই দিয়া এক অমোঘ বিদ্যা। এফালে আধ্যাত্মিক চিন্তা, লোকাচাৰ আৰু কলা-সংস্কৃতিয়ে একোখন সমাজৰ ছবি দাঙি ধৰে। আনফালে বিজ্ঞানে অন্ধ বিশ্বাস আৰু ভ্ৰান্ত ধাৰণা আদিক বিনাশী আৰু উদ্দীপনাৰে জনগণৰ মন পোহৰাই একোটা জাতিৰ আৰ্থ-সামাজিক প্ৰগতিৰ বুনিয়াদ গঢ়াত অনবদ্য অৰিহণা আগবঢাইছে। মনৰ উৎকৰ্ষ সাধন আৰু প্ৰণালীগতভাৱে জীৱনক পৰিচালিত কৰিব পৰাতহে বিজ্ঞানৰ আচল লক্ষ্য অন্তৰ্নিহিত থাকে। মানৱতাৰ প্ৰথম পদক্ষেপত আৱিষ্কৃত জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় জুই, শিল, পাথৰ, লোহাৰ হাতিয়াৰ আদি ব্যৱহাৰৰ যোগেদি বিজ্ঞানৰ প্ৰথম অংকুৰ ঘটিছিল। বৰ্তমান বিজ্ঞান বুলিলে যি এটা ধাৰণা মনলৈ আহে সেই অৰ্থত জনজীৱনৰ সৈতে জড়িত ব্যৱহাৰিক বিষয়সমূহৰ প্ৰতি আদৰ অতীজৰে পৰা আমাৰ সমাজত দেখা পোৱা যায়। প্ৰাচীন কালৰে পৰা সমাজত প্ৰচলিত জনবিশ্বাস, ফকৰা যোজনা, সাধুকথা, ডাকৰ বচন আদিত বিজ্ঞানৰ চিন্তা নিহিত হৈ আছে। ডাকৰ বচনত কৈছে- ঘন ঘন কৈ দিবা আলি, তেহে পাবা চাবা ধানৰ শালি। আকৌ, এহাত এমুঠন কলৰ পোত, তেহে চাবা কলৰ গোঠ। এনেবোৰ কথা কৃষি বিজ্ঞানীসকলেও গ্ৰহণ কৰি লৈছে। সেই দৰে স্বাস্থ্য ৰক্ষাৰ কাৰণে ডাকে কৈছে যে ভাত খাই উঠি তিনি শিলিখা, তাৰমানত ৰোগ টিলিকা।

চতুৰ্থ-ষষ্ঠ শতিকাত অসমীয়া ভাষাৰ বিজ্ঞান ধৰ্মী ডাকৰ বচনসমূহত কৃষি, স্বাস্থ্য আৰু পৰিচৰ্যা সম্পৰ্কীয় বিজ্ঞানৰ অনেক মূল্যবান কথা পোৱা যায়। মূলতঃ সাধাৰণ জনতাৰ প্ৰয়োজনীয় শিক্ষাৰ মাজেদি ইয়াৰ বিৱৰ্তন হ'ব দৰে আৰু তাৰ ওপৰত ভিত্তি কৰি বিজ্ঞান সাহিত্যৰ সৃষ্টি প্ৰক্ৰিয়া আৰম্ভ হয়। অসমীয়া ভাষাত লিখিত ৰূপত বিজ্ঞান চৰ্চাৰ আৰম্ভ হয় পঞ্চদশ শতিকাৰ পৰা। বৈষ্ণৱ যুগত ১৪৩৪ খ্ৰীষ্টাব্দত নৰনাৰায়ণৰ পৃষ্ঠপোষকতাত বকুল কায়স্থই 'কিতাপত মঞ্জুৰী' বুলি গণিতৰ পুথি এখন ৰচনা কৰিছিল। ১১৫০ খ্ৰীষ্টাব্দত ভাস্কৰাচাৰ্যই সংস্কৃত ভাষাত লীলাৱতী, বীজগণিত, গণিতাধ্যায় আৰু গোলধ্যায় এই চাৰিটা

খণ্ডত 'সিদ্ধান্ত শিৰোমণি'খন ৰচনা কৰিছিল। প্ৰধানতঃ বীজগণিত আৰু পৰিমিতিৰ এক প্ৰচীনতম নিৰ্দশন স্বৰূপ বুলি কব লাগিব। পিছত চূড়ামণি নামৰ এজন লেখকে জ্যোতিষ চৰ্চাৰ বিষয়ে 'জ্যোতিষ চূড়ামণি' আৰু ১৬৯৫ চনত কবিৰাজ চক্ৰবৰ্তীয়ে 'ভাস্বতী শাস্ত্ৰৰ কথা' নামৰ বিজ্ঞান মূলক গ্ৰন্থ এখন অসমীয়ালৈ অনুবাদ কৰে। পৰবৰ্তীকালত ১৮৪৫ খ্ৰীষ্টাব্দত 'কিতাপৰ মঞ্জুৰী' পুথিখনকে 'পদগণিত' আৰু 'লীলাৱতী' নামেৰে নেথান ব্ৰাউনে অসমৰ স্কুলত প্ৰৱৰ্তন কৰিছিল।

আধুনিক বিজ্ঞান চৰ্চা আৰু বিজ্ঞানৰ চমকবৃৎ জয়যাত্ৰা আৰম্ভ হৈছিল সপ্তদশ শতিকাৰ পৰা। ১৬৩২ চনত ইটালীয় ভাষাত ইউৰোপীয় বিজ্ঞান সাহিত্যৰ ক্ৰান্তিকাৰী পুথি গেলিলিঅ' গেলিমিৰ 'ডায়লগ' খন ৰচিত হৈছিল। এই পুথিখন দ্বাৰা গেলিলিঅ'ই বিজ্ঞান তথা বৈজ্ঞানিক চিন্তাধাৰাক জনপ্ৰিয় কৰি মানৱ চিন্তাৰ অন্যতম মুক্ত ধাৰা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ উদ্যোত হৈছিল। বিজ্ঞান আৰু প্ৰযুক্তিক মানৱ সংস্কৃতিৰ এক অংশ হিচাপে গণ্য কৰি গেলিলিঅ', ডাৰউইন, ফাৰাডে, আইনষ্টাইন, জৰ্জগোমা, ছেগান, হ'কিং, জেগাউড আদি বিখ্যাত বিজ্ঞানী সকলে সমসাময়িক বিজ্ঞান চিন্তাক সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে বোধ্যগম্য কৰাৰ চেষ্টা চলাইছিল। ইংলেণ্ডত, শিল্পবিপ্লৱৰ প্ৰাক্-কালত ৰবাৰ্ট ৰেকৰ্ডে পণ্ডিতৰ ভাষা লেটিনৰ সলনি ইংৰাজী ভাষাত গণিত পুথিখন ১৫৪০-১৬৬২ সময়ছোৱাত ছাবিছটাতকৈ অধিক তাঙৰণত প্ৰকাশ কৰিছিল। ইংলেণ্ডত ভাষাৰ ওপৰত বিজ্ঞানৰ এই প্ৰভাৱৰ প্ৰকোপে ক্ৰমাৎ সেইখন সমাজেই আধুনিক বিজ্ঞানৰো জন্ম দিছিল। প্ৰাচীন কালৰ দেশে দেশে অভ্যুত্থান হোৱা ছুমেৰীয়, বেবিলনীয়, মিছৰীয়, সিন্ধু, চীনা, গ্ৰীক, ৰোমান, বৈদিক আদি মানৱ সভ্যতাৰ মূলতে আছিল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদান। ইটালিত্ত জন্ম লাভ কৰা পুৰোহিত পেটাৰ্কে গ্ৰীচ আৰু ৰোমৰ কলা, সাহিত্য, দৰ্শন, শিল্প, কৌশল আৰু বিজ্ঞান-চৰ্চাক জাগ্ৰত কৰিছিল। দাৰ্শনিক ৰোজাৰ বেকনে পোপৰ বিৰুদ্ধে গোটেই ইউৰোপক কঁপাই তুলিছিল।

আমাৰ দেশত ১৯৫৮ চনৰ ৰাষ্ট্ৰীয় বিজ্ঞান পলিচিৰ ফলশ্ৰুতি হিচাপে তথা ভাৰতীয় সংবিধানৰ ৪২তম সংশোধনীৰ মতে বিজ্ঞানসম্মত মানসিকতাৰ অধিকাৰী হোৱাটো প্ৰতিজন ভাৰতীয় নাগৰিকৰে বুনিয়াদী কৰ্তব্য। কিন্তু ভাৰতবৰ্ষত আনুষ্ঠানিক বিজ্ঞান-চৰ্চাৰ আৰু বিজ্ঞান-সম্মত মানসিকতাৰ অধিকাৰী গঢ়ি উঠাৰ ক্ষেত্ৰত ইয়াৰ অবিহণা কিমান সেইটো চিন্তনীয় বিষয়। বৈজ্ঞানিক মানসিকতাই জীৱনবোধৰ প্ৰমূল্যসমূহৰ স্খলন নঘটায়, বৰং দৃঢ়হে কৰায়। বিজ্ঞানীসকলে অত্যন্ত সতৰ্কতাৰে সংস্কাৰ আৰু পক্ষপাতিতা দমন কৰি বৈজ্ঞানিক সত্য বা সূত্ৰ প্ৰতিষ্ঠা

কৰে। বিজ্ঞানৰ জগতত কোনো এটা সত্যক প্ৰতিষ্ঠা কৰিবলৈ এক বৈজ্ঞানিক প্ৰক্ৰিয়াৰ স্বতঃস্ফূৰ্তভাৱে আহি পৰে। বৈজ্ঞানিক মানসিকতা আয়ত্ত কৰিবলৈ বিশেষ বিজ্ঞান-শিক্ষা বা সাধাৰণ স্কুল আৰু কলেজীয়া শিক্ষাৰ তেনে কোনো বিশেষ আনুষ্ঠিকতাৰ আৱশ্যকতা নাই। আৱশ্যক মাথো প্ৰচেষ্টা আৰু সচেতনতাৰ। বৰ্তমান দেশত বিজ্ঞান শিক্ষাৰ প্ৰসাৰ বৃদ্ধি সত্ত্বেও অন্ধবিশ্বাস, আলৌকিকতা আদিয়ে সমাজত অপ-সংস্কৃতি ৰূপে গা কৰি উঠাটো পৰিতাপৰ বিষয় হৈ পৰিছে। সূৰ্যোদয়ৰ দেশ জাপানে প্ৰাচীন বিজ্ঞান ইতিহাসৰ কোনো স্বাক্ষৰ বহন কৰা নাছিল। তথাপি কুৰি শতিকাৰ শুভাৰম্ভণিৰ পৰা দেশখনে অৰ্থনৈতিক বিজ্ঞান জাগৰণৰ যি কালজয়ী ইতিহাস ৰচনা কৰিছে সি সমগ্ৰ বিশ্বৰ বাবেই সাঁথৰ হৈ পৰিছে। ইয়াৰ অন্তৰালত আছে জাতীয়তাবোধ, দেশ প্ৰেম আৰু বিদেশী বিজ্ঞান প্ৰযুক্তি কৌশলৰ মাতৃভূমিৰ পৰিৱেশৰ লগত খাপখুৱাই আদৰি লব পৰা শুদ্ধ মানসিকতা আৰু অফুৰন্ত কাৰ্মপ্ৰেৰণা। এই জাপানী তৰুণ চামৰ মাজত জাগিছিল মহাবিপ্লৱৰ জুইশিখা। বন্দুক, বাৰুদ হাতত তুলি লোৱাৰ পৰিবৰ্তে তেওঁলোকে ললে হাতুৰি, বটালী,বেল্স আদি। পশ্চিমৰ বিজ্ঞানৰ বিশেষজ্ঞৰ ছত্ৰছায়াত জাপানী তৰুণচাম প্ৰশিক্ষণেৰে নিপুন কৰ্মপটু হৈ ইলেক্ট্ৰনিক সা-সৰঞ্জামেৰে বিশ্বৰ বজাৰ ভৰাই তুলি আজি বিশ্বৰ ধনীদেশ হিচাপে সকলোকে চমক খুৱাইছে। অথচ নানা কেঁচা সামগ্ৰীৰে ভৰপুৰ অঞ্চলত গঢ় লোৱা উদ্যোগ আৰু কুটীৰ শিল্পানুষ্ঠানবোৰ সম্প্ৰতি আমাৰ দেশত মৃত্যুৰ মুখত পতিত হৈছে। ক্ষুদ্ৰ গোটবোৰ সামৰি গঠিত হোৱা বৃহৎ চীনে এতিয়া হংকঙকো সামৰি বৃহত্তম দেশ হৈ বিজ্ঞান প্ৰযুক্তি বিদ্যাই পূৰ্ণ সুযোগ গ্ৰহণ কৰি নতুন অৰ্থনৈতিক বুনিয়াদ ৰচাৰ আঁচনিৰে যিদৰে আগবাঢ়িছে সৰু সৰু দ্বীপেৰে মালা গাঁঠি বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ জাপানী সমাজে প্ৰগতিৰ সপোন ৰচিছে, সেয়া আমাৰো আদৰ্শ হোৱাটো বাঞ্ছনীয়।

*[১১ জুলাই ২০০৭]*

# মৃত্যু ঃ যৎকিঞ্চিৎ অনুভৱ

মৃত্যু! ভয়ানক এটি শব্দ। মৃত্যু ধ্রুৱ, নিশ্চিত, শাশ্বত আৰু এটা নিষ্ঠুৰ সত্য। মৃত্যু অনাকাংক্ষিত; এদিন আহিবই। মৃত্যু কি আৰু কিয় আহে জীৱনলৈ। নিঃসন্দেহে ই এটা জটিল প্ৰশ্ন। মৃত্যু কোনো কালেই স্তব্ধ নোহোৱা এক পৰিক্ৰমা। বগা কাপোৰৰ আঁৰৰে অহা নিমাত আৰু নিথৰ দেহাটি স্পৰ্শ কৰি মানুহ মাত্ৰে বুজিবলৈ চেষ্টা কৰে মৃত্যু শব্দটিৰ এই গভীৰ উপলব্ধি। মৃত্যুকলৈ জল্পনা-কল্পনা কৰি থকাটো নিৰৰ্থক বুলি জানিও মানুহৰ জীয়াই থকাৰো কিযে দুৰ্গম বাসনা। মৃত্যুৱে কাকো সুখ দিব নোৱাৰে; অন্তত সাধাৰণ জনতাক। কিন্তু কবি হৃদয় সাধাৰণ জনতাৰ মাজৰ হৈয়ো অলৌকিক কিবা এটা পদাৰ্থ। সেয়ে মৃত্যু কেতিয়াবা তেওঁলোকৰ বাবে মহান সুখৰ সোৱাদৰ আৰম্বড়পূৰ্ণ। মৃত্যু শান্তিদায়ক। মৃত্যু সুন্দৰ; মনোৰম। ই তেওঁলোকৰ বাবে কেতিয়াবা মহান দেৱতা। কাৰোবাৰ বাবে 'মৃত্যু এটা সহজ শব্দৰ নিৰ্মম অভিব্যক্তি'। কাৰোবাৰ বাবে 'মৃত্যু ধূপ-চন্দনৰ সুগন্ধিৰে ওপচা ফুলৰ সুবাস'। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছে— মৰণ : তুহু শ্যাম সমান। মৃত্যু যিমানেই অপৰিহাৰ্য বা অৱশ্যম্ভাৱী নহওক কিয়, মৰিবলৈ কাৰো হেঁপাহ নাথাকে। ৰবীন্দ্ৰনাথৰ ভাষাত— মৰিতে চাহিনা আমি সুন্দৰ ভুবন মাজে আমি বাচিবাৰে চাই। ইংৰাজ কবি ছেছিল ডে লিউইছৰ মতে— যুঁজ বাগৰ আৰু দুখ কষ্টৰ সংসাৰখনৰ ভিতৰতো জীয়াই থকাতো এটা মাদকতাপূৰ্ণ অভিযান। কবিজনাৰ ভাষাত 'আমি ভালদৰে জানো/মৃত্যু যদিও যথেষ্ট ভাল/জীয়াই থকাটো সবাতোকৈ শ্ৰেষ্ঠ।

মৃত্যুৰ পিছত এইখন পৃথিৱীতে পুৰ্নজন্ম লোৱাৰ দুৰ্বাৰ আকাংক্ষা বাৰু কাৰ নাথাকে? কবি নলিনীবালা দেৱীয়ে কবিতাৰ মাজেৰে গাইছে— মৰিলে পুনৰ আহি দুখীয়া দেশতো মোৰ, লও যেন পুনৰ জনম। এইগৰাকী কবিয়ে আকৌ গাইছে— সত্য যে তুমি শাশ্বত তুমি, কিহৰ মৃত্যু কিহৰ ভয়। মহাকবি হোমাৰেও মানুহৰ আত্মা যে চিৰন্তন সেই কথা প্ৰকাশ কৰিছে। কবি ৰাম গগৈয়ে দৃপ্ত সাহসেৰে মৃত্যুক মহীয়ান কৰিবলৈ আহ্বান জনাইছে এইদৰে— মৃত্যু যদি মানুহৰ জীয়াই থকাৰ বাবে নতুন জীৱন প্ৰভাতৰ বতা ইস্তাহাৰ আহা তেনে একেলগে বৰি লও অমিয়া মৰণ। হেম বৰুৱাই 'এখন চিঠি' কবিতাটিত কৈছে— মৃত্যুৱে

যদি অভিনন্দন জনায় সেই মৃত্যু পাৰিজাত ফুল।' লুইতৰ দৰে দুৰ্বাৰ আৰু শক্তিমন্ত থকা লুইতপৰীয়া ডেকা ল'ৰাই মৰিবলৈ কাহানিও ভয় নকৰে বুলি জ্যোতিপ্ৰসাদে কৈছে— লুইতৰ পাৰৰে আমি ডেকাল'ৰা মৰিবলৈ ভয় নাই। মৃত্যুৰ স্বৰূপ প্ৰকাশ কৰিবলৈ গৈ এগৰাকী কবিয়ে কৈছে— জানো মাথো আমি জগতৰ পিতা, মূল সকলোৰে তুমি। স্ৰজোতা পালোতা, দিওঁতা, নিওঁতা সকলো প্ৰাণী। ৱাল্ট হুইট্‌মেনে 'মৃত্যু স্নেহশীলা মাতৃ' বুলি কৈছে। নৱকান্ত বৰুৱাই 'মৃত্যু আলয়' কবিতাটিত কৈছে— কিমান পৃথক আৰু হয়তো নিষ্ঠুৰ/এফালে তোমাৰ শান্তিৰ শয্যাত অশান্ত মৃত্যু/আৰু আনফালে/তিলে তিলে দেহৰ সকলো স্নেহ শুকুৱাই দি/মৃত্যুৰ কাৰণে ৰিক্ত প্ৰশান্ত প্ৰস্তুতি। ইংৰাজ কবি ব্ৰাউনিঙৰ 'Prospice' কবিতাত মৃত্যুৰ পিছতো তেওঁ প্ৰিয়াৰ লগত মিলন আশা কৰিছে। মৃত্যুৰ সময়ত প্ৰিয়জনৰ পৰা এবাৰ মাত পোৱাৰ কামনা কৰি এজন গীতিকাৰে কৈছে— মৃত্যু জীৱনৰ সংগ্ৰামত বিচাৰি নেপালো মাত এষাৰ, আকাশী গঙ্গা বিচৰা নাই... কবি গণেশ গগৈও মৃত্যু মুহূৰ্তত প্ৰিয়াৰ লগত পৰলোকত মিলন হ'ব বুলি কল্পনা কৰিছে— নকৰিবা প্ৰিয়ে শোক/আছে যদি পৰলোক/বিনাশ নহয় যদি অবিনাশী প্ৰাণ/আজিৰ চেনেহ সুঁতি/নেযায় এনেয়ে উঠি/তোমাৰ প্ৰেমৰ প্ৰিয়ে পবা প্ৰতিদান। ইংৰাজ কবি টেনিছনে— 'ক্ৰছিং দ্য বাৰ' কবিতাত আৰু কবি নলিনীবালা দেৱীয়ে 'অতৃপ্তি' কবিতাত মৃত্যুৰ জৰিয়তে ভগৱানক চোৱাৰ, পোৱাৰ আকাংক্ষা কৰিছে। কবি ওমৰ খায়ামৰ মতে 'মৃত্যু মানৱীয় সুখ আৰু আকাংক্ষা পূৰণৰ হেঙাৰ স্বৰূপ।' তেওঁৰ মতে— মৃত্যুৰ পিছত প্ৰেমিকাৰ লগ বা মিলাৰ হেঁপাহো বাতুলতাহে মাত্ৰ। সেয়ে হয়তো তেওঁ অ' নিয়তি অন্ধ আলোকত চলে মানৱৰ জীৱন ৰথ' বুলি বক্তব্য শেষ কৰি অনিশ্চিত মৃত্যুৰ আগেয়ে জীৱন উপভোগ কৰিবলৈ খৰখেদা কৰিছে— আজিয়েই দিয়া কাইলৈ কিয়? তেওঁ অৱশ্যে মৃত্যুক সাংসাৰিক বেদনাৰ পৰা মুক্তি বুলিও নভবা নহয়। ওমৰ খায়ামৰ দৰে কবি যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাতো মৃত্যুৰ শোক গাঁথা শুনিবলৈ পোৱা যায়। পদ্মনাথ গোহাঁই বৰুৱাই ভীৰুবোৰৰ সম্পৰ্কত লৌকিক আৰু কায়িক মৃত্যু বৰণ কৰি নিশ্চহ্ন হৈ যোৱাৰ কথা ব্যক্ত কৰি কৈছে— দুগুণ মৰণ ভুগি ধূলিৰ মানুহ মিলি যাব ধূলিৰ লগত। কবি চন্দ্ৰকুমাৰ আগৰৱালায়ো 'ধূলিকণা মই' কবিতাটিত কৈছে— যিদিনাই মৰিম মই সিদিনা বাৰু জগতত কেনে হানি হ'ব; মৰিলোনে আছো এই কথাবাৰ পৃথিৱীত কিমানে জানিব। মই মৰিলেও দিন গ'লে ৰাতি হ'ব, জোন-বেলি ওলাই থাকিব; গছত ফুলিব ফুল, বতাহ বলিব নিজবাটে নক্ষত্ৰ ঘূৰিব। মৃত্যুৰ উদাৰ দৃষ্টিৰ কথা সুঁৱৰি কবি ৰত্নেশ্বৰ মহন্তদেৱে কৈছে— মৰিলেই সকলো সমান শ্মশানেই জ্বলন্ত প্ৰমাণ।

## মৃত্যু ঃ যৎকিঞ্চিৎ অনুভৱ

'জাতস্য হি ধ্রুৰ্বোমতুঃ অৰ্থাৎ জন্মিলে মৃত্যু আছেই। ইংৰাজ কবি শেলী, ছেক্সপিয়েৰৰ কবিতাতো একেই শাশ্বতবাণী শুনিবলৈ পোৱা যায়। কলংপৰীয়া কবি দেবকান্ত বৰুৱাই মৃত্যু সম্বন্ধে এনেদৰে কৈছে— স্বদেশৰ স্বাধীনতা তাৰ অৰ্থে যিটো/জীৱন উছৰ্গা কৰে, তাৰ মহাশান্তি/শেল-শূল গাত মাথো পুষ্প বৰিষণ। সেয়ে হয়তো বিশ্ববিশ্রুত কণ্ঠশিল্পী ড° ভূপেন হাজৰিকাই নিৰ্ভীক কণ্ঠে গাইছে— সেই মৃত্যু অপৰাজেয়, তেনে মৃতক নহ'লো মই কিয়? মৃত্যুৱেই জীৱনৰ অন্তিম পৰিণতি নহয়। মৃত্যুৰ মিছিলে জীৱনৰ সম্ভাবনাক নিঃশেষ কৰিব নোৱাৰে বুলি বাল্ট হুইট্‌মেনে কৈছে— All, all, for immortality/Love like the light, Silentty wrapping all... এডগাৰ এলেন পোই মৃত্যুৰ সান্ত্বনাক এইদৰে ব্যক্তি কৰিছে— Death was in the poisonous wave,/And in its gulf a fitting grave/For him who thence could/ Solace bring/ To his lone imagining,/Whose Solitary soul could make/An Eden of that dim lake মৃত্যুৰ ছন্দেৰে জীৱনক অনুভৱ কৰিব পৰা এই মানৱীয় অন্তৰ্নিহিত শক্তিৰে কবি হীৰেণ ভট্টাচাৰ্যদেৱে কৈছে— মৃত্যুওটো এটা শিল্প/জীৱনৰ কঠিন শিলত কটা/নিলোৰ্ভ ভাস্কৰ্য।

প্ৰাচীন কালৰে পৰা কবি-সাহিত্যিকসকলে মৃত্যুৰ নিষ্ঠুৰতাৰ ৰূপৰ গভীৰতম আকুতি কবিতাৰ মাজেৰে প্ৰকাশ কৰি আহিছে। ইংৰাজ কবি গ্ৰেৰ 'Elegy written in a Country church– yard', মিল্টনৰ 'Lucydas', শেলীৰ 'Adonais', বেন জনছনৰ 'To the memory of my Beloved', আৰ্ণল্ডৰ 'Regby chapel Thyrsis' আৰু 'Memorial vervses', স্পেঞ্চাৰৰ 'Aristophel', ব্ৰাউনিঙৰ 'La Saisiaz', ওৱাটছনৰ 'Wordsworth's Grave' আদি মৃত্যুৰ কল্পনাকলৈ কৰা কৰুণ অথচ বিখ্যাত কবিতা। অসমীয়া সাহিত্যতো পদ্মনাথ গোহাঁই বৰুৱাৰ 'লীলাকাব্য', বজ্ৰকান্ত বৰকাকতিৰ 'স্বৰ্গীয় চন্দ্ৰ নাথ শৰ্মা', নলিনীবালা দেৱীৰ 'পুতলী' আৰু 'অমূল্য', হিতেশ্বৰ বৰবৰুৱাৰ 'প্ৰাণৰ জিতেন' আদি এনে কৰুণ শোক-গাঁথাৰ কবিতা পঢ়িবলৈ পোৱা যায়। মৃত্যুৰ পিছত মানুহৰ কি হয়, মানৱাত্মাৰ শেষ পৰিণতি কি— এনেবোৰ প্ৰশ্নৰ উত্তৰ বৌদ্ধিক সামৰ্থ অনুসৰি বিভিন্নজনে বিভিন্নভাৱে দি আহিছে যদিও এনেবোৰ প্ৰশ্নই আমাক আজিও আলোড়িত নকৰাকৈ থকা নাই। হয়তো মৃত্যু মানৱাত্মাৰ চিৰন্তন প্ৰশ্ন হৈয়ে ৰ'ব। কবি সমীৰ তাঁতীৰ ভাবাত— এই মৃত্যুৰ পিছত মই ক'লৈ যাম নাজানো। কোনোবা মৰিশালিৰ নিৰ্জনতাত পাটী পাৰিম নে ধোঁৱাৰ শূন্যতাত বিলীন হ'ম।

*[২৫ জুলাই ২০০৭]*

# আধুনিক শিক্ষা ব্যৱস্থাৰ বিকাশ আৰু বিন্যাস

ভাৰতবৰ্ষত আধুনিক শিক্ষা ব্যৱস্থাৰ প্ৰবৰ্তন ইংৰাজৰ আমোলত হৈছিল যদিও সামন্ত যুগত ইয়াৰ প্ৰাক্ ব্যৱস্থা গঢ় লৈ উঠিছিল বুলি জনা যায়। ইয়াৰ আগৰ আদিম সাম্যবাদী সমাজত মানুহে প্ৰকৃতিৰ ঘটনা প্ৰবাহৰ পৰা নানা জ্ঞান আহৰণ কৰিছিল। সামন্তযুগীয় সমাজত জন্ম লাভ কৰা ৰাষ্ট্ৰ ব্যৱস্থাক জীয়াই ৰাখিবলৈ প্ৰথম শিক্ষা ব্যৱস্থা প্ৰতিষ্ঠা কৰা হয়। সামন্তযুগীয় ৰাষ্ট্ৰৰ ৰজা আৰু জমিদাৰসকলৰ বিৰুদ্ধে প্ৰজা-বিদ্ৰোহ দমন কৰা আৰু আনফালে চুবুৰীয়া ৰাষ্ট্ৰৰ আক্ৰমণ প্ৰতিৰোধ কৰাৰ কাৰণে সৈনিকসকলক যুদ্ধৰ কৌশল শিকোৱাৰ প্ৰয়োজন বোধ কৰিছিল। এই যুদ্ধবিদ্যাৰ উপৰি ৰাজকুলৰ আনুগত্যশীললোকক ভাববাদী নীতিশিক্ষা দিয়াৰ ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছিল। সেই সময়ত ৰাষ্ট্ৰ ব্যৱস্থাৰ স্বাৰ্থত এই ধৰ্মীয় মৌলবাদৰ তত্ত্ববোৰে সৰ্বসাধাৰণ জনতাক আকৃষ্ট কৰি শিক্ষা ব্যৱস্থাৰ বিকাশ ঘটাইছিল।

যুগৰ পৰিৱৰ্তন, পৰিৱেশ আৰু প্ৰয়োজনৰ তাগিদাত অৱধাৰিতভাৱে শিক্ষা পদ্ধতিৰো পৰিৱৰ্তন হৈছিল। ছাত্ৰই গুৰুৰ ওচৰত থাকি শিক্ষা লাভ কৰা গুৰুকুল শিক্ষা ব্যৱস্থাই আধ্যাত্মিক, নৈতিক, মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনত গুৰুত্ব লাভ কৰিবলৈ ধৰিলে। পৰৱৰ্তী পৰ্যায়ত ইয়াৰ দ্বাৰা পাঠশালা, টোল আৰু পৰিষদ— এই তিনি প্ৰকাৰৰ শিক্ষানুষ্ঠান গঢ় লৈ উঠিছিল। পাঠশালাত প্ৰাথমিক স্তৰ হিচাপে পঢ়া, লেখা আৰু গণনাৰ শিক্ষা দিয়া হৈছিল। টোলসমূহত ধৰ্মশাস্ত্ৰ, ব্যাকৰণ, কাব্য, মীমাংসা, দৰ্শন, জ্যোতিষ বিজ্ঞান আৰু নৈতিক চৰিত্ৰ বিষয়ক শিক্ষা দানেৰে সহজ জীৱন যাপনৰ বাবে অভ্যস্ত কৰি তোলা হৈছিল। পৰিষদ গঠন হৈছিল পণ্ডিত ব্ৰাহ্মণসকলকলৈ। পোনতে এনেবোৰ শিক্ষানুষ্ঠানত ধৰ্মালোচনা কৰাৰ ব্যৱস্থা কৰা হৈছিল আৰু শিক্ষা দানৰো ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ বৌদ্ধ আমোলত বৌদ্ধ বিহাৰ আৰু অষ্টম শতিকাত মোগলৰ আমোলত ইছলামীয় পঢ়াশালি মোক্তাব মাদ্ৰাছা প্ৰতিষ্ঠা কৰাৰ কথা জানিব পাৰি।

অসমত উচ্চবৰ্ণৰ প্ৰব্ৰজনৰ দিনৰে পৰা টোল শিক্ষাৰ প্ৰচলন হৈছিল। অসমৰ প্ৰথম ব্ৰাহ্মণ ৰজা বৈদ্যদেৱৰ দিনত এই টোল শিক্ষাই সামাজিক গুৰুত্ব লাভ কৰিছিল। ১১৩৮ খ্ৰীষ্টাব্দত গৌড়পাল বংশৰ ৰজা কুমাৰ পালৰ সেনাপতি

বৈদ্যদেৱে কামৰূপ জয় কৰি গড় সাজি ৰঙিয়াত ৰাজধানী পাতি ৰাজত্ব কৰিছিল। অসমত সংস্কৃত শিক্ষাৰ প্ৰচলন বৈদ্যদেৱৰ দিনৰ পৰা প্ৰাৰম্ভিকভাৱে আৰম্ভ হোৱা বুলি ঠাৱৰ কৰিব পাৰি। ১৭৫৭ চনৰ পলাচীৰ যুদ্ধৰ পৰিণতি স্বৰূপে ইংৰাজ বেপাৰী ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ যোৱাৰ পিছত স্বদেশীৰ ঠাইত ভাৰতত বিদেশী শিক্ষাৰ সূত্ৰপাত হয়। ভাৰতত ইংৰাজৰ আমোলত আধুনিক শিক্ষাৰ নামত ইংৰাজী শিক্ষাৰ প্ৰচলন হয়। পৰৱৰ্তী কালত স্বৰাজোত্তৰ ভাৰতবৰ্ষত ৰামকৃষ্ণ আয়োগ, মুদ্ৰালিয়াৰ আয়োগ আৰু কোঠাৰী আয়োগ আদি শিক্ষা আয়োগৰ দ্বাৰা শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন অনাৰ চেষ্টা চলাই থকা হৈছে।

ভাৰতীয় সংবিধান অনুসৰি ১৯৫০ চনত দেশৰ সকলো লোকৰ বাবে শিক্ষা বাধ্যতামূলক কৰা হৈছিল। সকলো লোককে সাক্ষৰ কাৰ নীতি গ্ৰহণ কৰা হৈছিল যদিও সাক্ষৰ লোকৰ সংখ্যা উৰ্ধ্বগামী দিশ বা শিক্ষাৰ প্ৰসাৰতালৈ চাই শিক্ষাৰ সুস্থিৰ পৰিৱেশ বা শিক্ষাত অগ্ৰসৰ হোৱাৰ কথা সন্তোষজনক বুলি ভাবিব নোৱাৰি। স্বাধীনতাৰ লাভৰ পিছত দেশৰ সাক্ষৰতা হাৰ আছিল এনেধৰণৰ— ১৯৫১ চনত ১৮.২ শতাংশ, ১৯৬১, ১৯৭১, ১৯৮১ চনত ৮.৫ শতাংশ, ১৯৯১ চনত ৫২.২১ শতাংশ আৰু ২০০১ চনত এই হাৰ হ'লগৈ ৬৬.৩৮ শতাংশ (পুৰুষ ৭৫.৮৬ শতাংশ আৰু মহিলা ৫৪.১৪ শতাংশ)। সেই অনুপাতে দেশত শিক্ষিতৰ হাৰ আছিল এনেধৰণৰ— ১৯৫১ চনত ৫.৯ শতাংশ, ১৯৬১ চনত ১৬.৯২ শতাংশ, ১৯৭১ চনত ১৯.১৭ শতাংশ। সেইদৰে ১৯৯১ চনত ৪৫.৫৭ শতাংশ, আৰু ২০০১ চনত এই শিক্ষিত হাৰ হ'ল ৬৮.১১ শতাংশ (পুৰুষ) আৰু ৪৮.৬৫ শতাংশ (মহিলা)।

আকৌ, অসম মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হাৰে ৰাজ্যখনৰ শিক্ষা ব্যৱস্থাটোৰ এটা বাস্তৱিক ৰূপ দাঙি ধৰা দেখা যায়। তথ্য মতে ১৯৯১ চনৰ পৰা ২০০১ চনলৈ উত্তীৰ্ণৰ হাৰ সৰ্বাধিক ৩৮.৬৯ শতাংশ আৰু সৰ্বনিম্ন ২৮.৯৪ শতাংশ। সেই মতে ৰাজ্যখনৰ ২০০৭ চনৰ উত্তীৰ্ণ হাৰ হ'ল ৫৪.৯৪ শতাংশ আৰু এই উত্তীৰ্ণ ফলাফলে বিগত দুটা দশকত সৰ্বোচ্চ বুলি পৰিগণিত হৈছে। স্মৰ্তব্য যে ২০০৬ চনত ৰাজ্যখনৰ এই উত্তীৰ্ণ হাৰ আছিল ৫৩.৫৪ শতাংশ। সেই অনুপাতে যোৱা এটা দশকত অসম মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সৰ্বোচ্চ স্থান পোৱা জিলাসমূহৰ ভিতৰত হাইলাকান্দি জিলাখনে ৫৩.৯৪ শতাংশ (২০০০) আৰু কাৰ্বি আংলং জিলাখনে ১৫.৮৫ শতাংশৰে (১৯৯১) সৰ্বনিম্ন স্থান লাভ কৰিছে।

১৯৫১ চনত লোকপিয়ল অনুসৰি কাৰ্বি আংলঙত শিক্ষিত হাৰ আছিল ১৭.৪০ শতাংশ। ২০০২ চনৰ লোকপিয়ল অনুসৰি এই জিলাখনৰ শিক্ষিতৰ

হাৰ ৫৪.৬৩ শতাংশলৈ বৃদ্ধি পায়। ২০০৭ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ উক্ত জিলাখনৰ উত্তীৰ্ণৰ হাৰ হ'ল ৩৪.৯৬ শতাংশ। উল্লেখ্য যে বিগত ২০০৬ বৰ্ষত এই হাৰ আছিল ২৬.৪৬ শতাংশ। দেশৰ সামগ্ৰিক বিকাশৰ পটভূমিত আৰু বিকাশৰ প্ৰকৃতিৰ প্ৰতি সৰ্বসাধাৰণৰ নিৰ্লিপ্ততা তথা অসচেতনাৰ বাবে কাৰ্যকৰীকৰণৰ গতি মন্থৰ হোৱাৰ্লৈ চাই দেশৰ শিক্ষাৰ মান সৰ্বাংগীণ উন্নতি নোহোৱাৰ মূল কাৰণ বুলি ক'ব লাগিব।

আমাৰ শিক্ষাবিদসকলে শিক্ষাৰ সকলোখিনি তাত্ত্বিক আৰু নীতি বিষয়ক কথাৰ বিশ্লেষণ সময়ে সময়ে দাঙি ধৰি আহিছে। শিক্ষাৰ সামগ্ৰিক দিশ সম্পৰ্কত কোঠাৰী কমিছনৰ ৰিপ'ৰ্ট, প্ৰাথমিক শিক্ষাৰ বিশদ আলোচনাৰ বাবে জাকিৰ হুছেইন কমিটিৰ ৰিপ'ৰ্ট, মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত মুদ্ৰালিয়াৰ কমিটিৰ ৰিপ'ৰ্ট আৰু বিশ্ববিদ্যালয় শিক্ষাৰ ৰাধাকৃষ্ণ কমিটিৰ ৰিপ'ৰ্টৰ কথা এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থাত তিনিটা স্তৰ আছে ঃ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ। স্কুল শিক্ষাৰ স্বয়ংসম্পূৰ্ণ উদ্দেশ্যৰ লগত উচ্চ শিক্ষাৰ বাবে প্ৰস্তুতিকাৰক উদ্দেশ্যৰ সংগতি সাধনত ব্যৰ্থ হোৱাৰ্লৈ চাই সমাজতাত্ত্বিকসকলে দুটা স্তৰৰ কথা উল্লেখ কৰিছে ঃ বাধ্যতামূলক শিক্ষা আৰু স্বপ্ৰণোদিত শিক্ষাৰ স্তৰ। বাধ্যতামূলক শিক্ষাৰ কালত স্কুল শিক্ষাৰ স্বয়ংসম্পূৰ্ণ উদ্দেশ্য আগত ৰাখি নিজৰ দৈনন্দিন জীৱনত স্বাধীনভাৱে সিদ্ধান্ত ল'ব পৰা কথা উল্লেখ কৰিছে। সাধাৰণতে আমাৰ মানসিক স্তৰৰ সামৰ্থ আৰু দৈনন্দিন জীৱনৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি স্কুলৰ পাঠ্যক্ৰম প্ৰস্তুত কৰা নহয়। বিজ্ঞানৰ ওপৰত দেশৰ উন্নতি নিৰ্ভৰ কৰে যদিও বিজ্ঞানৰ উচ্চ স্তৰত অংকৰ আৱশ্যকতা যিমান গুৰুত্বপূৰ্ণ ব্যৱহাৰিক বিজ্ঞানৰ লগত অংকৰ সম্পৰ্ক সামান্যতম। দেশৰ শিক্ষিতৰ সংখ্যা বৃদ্ধি হোৱা সত্বেও সমাজৰ দুৰ্নীতি, জড়তা, হতাশা, অসন্তুষ্টি আদিয়ে শিক্ষাৰ মান নিৰূপণ কৰাত শিক্ষা ব্যৱস্থাটোকে সন্দিহান কৰি তুলিছে। ব্যক্তিগত জীৱনৰ আৱশ্যকতা আৰু ৰাষ্ট্ৰীয় জীৱনৰ যোগ্যতাক লৈ শিক্ষাৰ মান নিৰ্ণয় কৰিব নোৱাৰি।

বৰ্তমান আমাৰ সমসাময়িক জীৱন অত্যন্ত প্ৰতিযোতিমূলক আৰু গতিশীল। এই গতিশীলতা আৰু বিষয়-বস্তু আয়ত্ত কৰাৰ পদ্ধতিত আমাৰ শিক্ষা ব্যৱস্থাৰ গুৰুত্ব নিৰ্ভৰ কৰিছে। দেশৰ উৎপাদন আৰু সমাজ ব্যৱস্থাত আমূল পৰিবৰ্তন হৈ থকাৰ ফলত শিক্ষাৰ পাঠ্যক্ৰমত আজি উৎপাদন ব্যৱস্থাৰ কাৰিকৰী কৌশলৰ পৰিবৰ্তন নিৰ্ভৰ কৰিছে। এই পৰিবৰ্তনৰ ব্যতিবেকে দেশৰ দৰিদ্ৰতা দূৰীকৰণ আৰু সামগ্ৰিক উন্নয়ন অসম্ভৱ। বৰ্তমানৰ উৎপাদন ব্যৱস্থা আন্তৰ্জাতিক ব্যৱসায়ৰ সুস্থতাৰ ওপৰত নিৰ্ভৰশীল। উৎপাদক আৰু ভোক্তাৰ সামাজিক দায়িত্ববোধৰ দ্বাৰা নৈতিক শিক্ষাৰ ভেটি স্থাপন কৰি শিক্ষাৰ মান অটুট ৰাখিব পাৰি। ভাৰতৰ

নৈতিক সমস্যা তথা দেশৰ সকলো ক্ষেত্ৰতে দুৰ্নীতি আৰু বিশৃংখলাও মূলতঃ দৰিদ্ৰতাজনিত কাৰণতে বুলি ক'ব পাৰি। শিক্ষাৰ সংস্কাৰে দাৰিদ্ৰ্য নিবাৰণৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰে। আমাৰ সমাজ জীৱনৰ নিত্যানৈমিত্তিক কৰ্মৰ মাজেদি শিক্ষা লাভ কৰিলেও দেশৰ আধুনিক শিক্ষাৰ কাৰিকুলাম গঠনত উৎপাদন পদ্ধতিৰ বিকাশ সাধন আৰু সৰ্বসাধাৰণৰ আশা-আকাংক্ষা, সমস্যা আদিৰ লগত সম্পৰ্ক ৰক্ষা কৰাত যাতে ব্যৰ্থ নহয় তালৈ লক্ষ্য ৰখা উচিত। এই বিষয়ে নতুন চিন্তা-চৰ্চা কৰাৰ আৰু জনসাধাৰণকো এই সমস্যাৰ সকলো দিশ উপলব্ধি কৰোৱাৰ প্ৰয়োজন আছে। অন্যথা আমাৰ শিক্ষাৰ অৱনতি আৰু সামাজিকভাৱে ই অপ্ৰাসংগিক হোৱাৰ সম্ভাৱনা অধিক।

*[১৩ আগষ্ট ২০০৭]*

# জ্যোতিপ্ৰসাদৰ আদৰ্শ, বিশ্বাস আৰু প্ৰমূল্যৰ ধাৰণা

## (এক) ৰাজনৈতিক দৰ্শন

ভাৰতীয় মহাজাতিৰ মুক্তি সংগ্ৰামখনত জ্যোতিপ্ৰসাদৰ অৱদান আছিল অতি চমকপদ। মহাত্মাগান্ধীৰ অহিংসা পন্থাৰে জাতিসত্তাৰ মুক্তিৰ চেতনাক তেওঁ প্ৰশস্ত প্ৰেক্ষাপটলৈ লৈ যাবলৈ সক্ষম হৈছিল। গণচেতনা তেওঁৰ জীৱন দৰ্শনৰ সৰ্বশ্ৰেষ্ঠ সাতসৰী অলংকাৰ স্বৰূপ। কালমাৰ্ক্স, ভল্টেয়াৰ, ৰুচো, হো-চি-মিন, পাবলো নেৰুদা, ৰুমাৰলাঁ, পল ৰবচন প্ৰমুখ্যে শিল্পী-সাহিত্যিকসকল যি অৰ্থত সামাজিক চেতনাৰ মূৰ্তমান প্ৰকাশ স্বৰূপ তেনেদৰে জ্যোতিপ্ৰসাদো অসমৰ পটভূমিত বাস্তৱবাদী জীৱনৰ ঘটনাবহুল পৰিক্ৰমাৰ প্ৰতিটো স্তৰত সামাজিক চেতনা স্ফুৰণ ঘটা দেখা যায়। জ্যোতিপ্ৰসাদে তেওঁৰ অগ্নি বৰষা গীতত, কবিতাত, সাহিত্যত মানুহৰ মুক্তিৰ সপোন দেখিছিল তেনেদৰে সেই মুক্তিৰ বাস্তৱিক সংগ্ৰামখনত তেওঁ ভয়-ভীত শূন্য সেনানীৰ দৰে অৱতীৰ্ণও হৈছিল। তেওঁ সেই সময়ত ব্ৰিটিছ অধ্যুষিত অসমৰ পটভূমিত শক্তিশালী কলমৰ সীৰলুৰে অসমৰ জাতীয় চিন্তাৰ পথাৰ চহ কৰাৰ লগত নিজেই দেশ মাতৃকাৰ মুক্তি বিচাৰি গণ-বিপ্লৱত জপিয়াই পৰিছিল। জ্যোতিপ্ৰসাদৰ কল্পনাবিলাস মনটো ইমানেই বাস্তৱবাদী হৈ উঠিছিল যে সৰ্বসাধাৰণ জনতাৰ মাজৰ পৰা পশ্চাদসৰণ নকৰি জনতাৰ মুক্তিৰ বাবেই ন ন আঁচনি চিন্তিছিল। উল্লেখ্য যে সাম্ৰাজ্যবাদী ব্ৰিটিছ প্ৰশাসনৰ ঔপনিবেশিক নিপীড়নে সেই সময়ত সমগ্ৰ ভাৰতবৰ্ষত অন্ধকাৰচ্ছন্ন পৰিবেশৰ সৃষ্টি কৰিছিল।

জাতিসত্তাৰ মুক্তিৰ সংগ্ৰামখনত দেশীয় শত্ৰুক চিনাক্ত কৰিলেও সেই কৰাল মুহূৰ্তত ঔপনিবেশিক ব্ৰিটিছ সাম্ৰাজ্যবাদক উৎখাত কৰাটোৱেই আছিল জ্যোতি চিন্তাৰ প্ৰধান লক্ষ্য। অহিংসদূত গান্ধীজীয়ে ভাৰতীয় প্ৰজাৰ নেতৃত্ব লোৱাৰ দৰে জ্যোতিপ্ৰসাদেও অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ক'ৰবাত জ্যোতিপ্ৰসাদ হিচাপে আৰু ক'ৰবাত আত্মগোপনেৰে শিল্পীগৰাকীয়ে মুক্তি সংগ্ৰামক আগুৱাই নিছিল। তেওঁ সততে জনগণৰ সংস্পৰ্শত থাকি জনতাৰ সাহসক উৎসাহিত কৰিছিল। হালোৱা, বনুৱা, শ্ৰমিক, কৃষকৰ মাজত সোমাই তেওঁ স্বদেশৰ প্ৰেমৰবাণী প্ৰচাৰ কৰিছিল, সাংস্কৃতিক উত্থানেৰে দৰিদ্ৰ জনতাৰ মুক্তিৰ সোণালী পথ ৰচনা কৰিব খুজিছিল

আৰু অৰ্থনৈতিক সমবিতৰণেৰে দুখীয়া কৃষক শ্ৰমিকৰ উকথা পঁজাবোৰত আলোক সম্পাত কৰিবলৈ তেওঁৰ নিৰ্ভীক হৃদয়ে প্ৰয়াস কৰিছিল। সমাজ চেতনাৰ তীব্ৰ তাড়নাত তেওঁ এনেদৰে কৈছিল—

*বিশ্ব বিজয়ী নৱ-জোৱান*
*বিশ্ব বিজয়ী নৱ-জোৱান*
*শক্তিশালী ভাৰতৰ*
*ওলাই আহা ওলাই আহা*
*সন্তান তুমি বিপ্লৱৰ।*

জ্যোতিপ্ৰসাদে গান্ধীজীক মহা বিপ্লৱীৰূপে গ্ৰহণ কৰিছিল। সেয়ে তেওঁ কৈছে— জীৱনৰ সকলো ক্ষেত্ৰতেই অহিংসা প্ৰয়োগ কৰিব পাৰিলে মানব সংস্কৃতিৰ পূৰ্ণ বিকাশ হ'ব। ১৯২১ চনৰ পৰা কংগ্ৰেছৰ আন্দোলনত যোগ দি স্বেচ্ছাসেবক বাহিনী গঠন কৰি অসমত বিশেষকৈ দৰং জিলাত জ্যোতিপ্ৰসাদে লোৱা ভূমিকা উল্লেখযোগ্য। চল্লিছৰ দশকত লিখা তেওঁৰ ৰচনাত অসমীয়া জাতিয়ে নব জাগৰণৰ বাণী শুনিছে। অসমীয়া ডেকা-গাভৰুৰ প্ৰাণত অসমীয়া ভাষা, অসমীয়া সংস্কৃতি, অসমৰ ঐতিহ্য আৰু অসমৰ সৌন্দৰ্যৰ প্ৰতি প্ৰবল আকৰ্ষণ জগাই তুলিবলৈ সমৰ্থ হৈছিল। একচল্লিছৰ দশকত লিখা তেওঁ লুইতৰ পাৰৰে আমি ডেকা ল'ৰা, সাজু হ'বৰে হ'ল ডেকা ল'ৰা, বিশ্ব বিজয়ী নৱ-জোৱান, জননীৰ সন্তান আদি গীতত সেই সময়ৰ কবিতাৱলীত দেশাত্মবোধৰ প্ৰাবল্য উল্লেখযোগ্য। চল্লিছৰ দশকৰ প্ৰথমাৰ্ধৰ অৰ্থাৎ ব্ৰিটিছ শাসনৰ সামৰণি পৰ্যন্ত ৰচনা কৰা তেওঁৰ গীতৰ দেশাত্মবোধৰ সাময়িক উত্তেজনা সদৃশ কম্পন, ১৯৪৭ চনৰ পিছৰ দুটা বছৰত লিখা গীতত জনজীৱনৰ সৌন্দৰ্যৰ আবহনী সুৰলৈ যেন পৰিবৰ্তিত হৈছে।

মহাত্মাৰ যি কংগ্ৰেছে স্বাধীনতা আনিছিল সেই কংগ্ৰেছে শেষত ভাৰতৰ অৰ্থনৈতিক অৱস্থাৰ পৰিবৰ্তন ঘটাব নোৱাৰাত জ্যোতিপ্ৰসাদৰ মোহ ভংগ হৈ পৰিছিল। মহাত্মাৰ আদৰ্শৰ পৰা বিচ্যুত হোৱা কংগ্ৰেছক তেওঁ কঠোৰ ভাষাৰে সমালোচনা কৰি শেষত সৰ্বসাধাৰণ প্ৰজাৰ দুখ দৰিদ্ৰতা নিৰাময়ৰ অস্ত্ৰ হিচাপে সাম্যবাদী দৰ্শনলৈ জ্যোতিপ্ৰসাদ ধাৱিত হৈছিল। ইচ্ছা কৰা হ'লে প্ৰাক্-স্বাধীনতা কালৰ ভাৰতত আৰু পৰৱৰ্তী স্বাধীন অসমত পৰিবৰ্তিত ৰাজনৈতিক পটভূমিত তথাকথিত এচাম নেতাৰ দৰে জ্যোতিপ্ৰসাদেও নিজৰ বাবে ৰাজনৈতিক সুবিধাবাদৰ আশ্ৰয় ল'ব পাৰিলেহেঁতেন। কিন্তু যাৰ বুকুত সৰ্বসাধাৰণ প্ৰজাৰ হকে অনাবিল মৰম, যাৰ জীৱন দৰ্শনত গভীৰ মানৱতাবোধৰ জলপ্ৰপাত, যাৰ আশা, আকাংক্ষাৰ মধ্যমণি দুখীয়া শ্ৰমিক কৃষক সেইগৰাকী জ্যোতিপ্ৰসাদ হৈ গ'ল সাধাৰণ জনতাৰ

সৈতে বোকাপানীৰে সংসৃষ্ট এক কাঁইটৰ মাজত। জনতাক গভীৰভাৱে ভাল পাই জনতাৰ সন্মিলিত শক্তিৰে আসুৰিক বাদক ধ্বংস কৰি এখন নতুন পৃথিৱী চাবলৈ আকাশলংঘী আশা কৰা জ্যোতিপ্ৰসাদে সেইবাবে কৈছিল—

*জনতা তোৰ প্ৰাণৰো প্ৰাণত*
*মনৰো মনত*
*শিল্পী যে মই*
*লুকাই লুকাই আছো*
*তোৰ সপোনৰ ক'ত ছবিত*
*ক'ত যে ফুল বাছো*
*লুকাই লুকাই আছো।*

১৯৪২ চনত গণ বিপ্লৱ আৰু দ্বিতীয় মহাসমৰৰ সৈতে জড়িত কেইটামান বাস্তৱ ঘটনাৰ ওপৰত লিখা 'লভিতা' জ্যোতিপ্ৰসাদৰ এখন উল্লেখযোগ্য নাটক।

হিংসা যেতিয়া অহিংসাৰে পৰাভূত কৰিব নোৱাৰি তেতিয়া হিংসাৰেই তাক পৰাভূত কৰিব লাগিব— এই বাস্তৱবোধ থকা বাবেই লভিতাই প্ৰয়োজনৰ মুহূৰ্তত গান্ধীজীৰ অহিংসাৰ মন্ত্ৰ মানি থাকিবলৈ স্পষ্টভাৱে অস্বীকাৰ কৰিছে। তেওঁ অৱশ্যে কোনো ৰাজনৈতিক দৰ্শন প্ৰকাশ কৰিবলৈ সচেতনভাৱে যত্ন নকৰি অসমীয়া ডেকা-গাভৰুৰ সবলতা-দুৰ্বলতাৰ ইংগিত দি প্ৰয়োজনীয় ল'ব পৰা আৰু ল'বলগীয়া পথৰ আভাস দিয়াৰ কথাকে পাতনিত কৈছে। জ্যোতিপ্ৰসাদে অসমৰ ৰাজনৈতিক পটভূমিত লিখা লভিতা নাটকত লভিতাৰ হতুৱাই গোপালক সম্বোধন কৰি কোৱা হৈছে— যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হ'ব নোৱাৰে। ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশত চলি থকা অন্যায়, নিয়ম কাৰণ, মূৰ্খ সমাজৰ সংকীৰ্ণ মন, নিৰপৰাধ, নিমাখিতৰ ওপৰত অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে নিজৰ সুখ সম্পদ আনকি জীৱনকো দি যি ডেকাৰ থিয় হ'বলৈ মনত বল নাই বুকুত শক্তি নাই সি আজিৰ ডেকা হ'বই নোৱাৰে। এনে উক্তিয়ে জ্যোতিপ্ৰসাদৰ ৰাজনৈতিক দৃষ্টিভংগীৰ পৰিচয়কে দাঙি ধৰে।

## (দুই) সামাজিক মূল্যবোধ

শিল্পী হৈছে সাংস্কৃতিক সম্পদৰ প্ৰদৰ্শক। জ্যোতিপ্ৰসাদে সপোনক দিঠকত পৰিণত কৰা মানুহ মাত্ৰেই শিল্পী বুলি কৈছে। নতুন বিশ্ব গঢ়িবলৈ সংস্কৃতিৰ পূৰ্ণৰূপ দিয়া মানুহ নামৰ শিল্পী প্ৰাণীটোক জগাই তোলাৰ তেওঁ সদায় গুৰুত্ব আৰোপ কৰিছিল। যি জনতাই শিল্প সংস্কৃতিৰ কবচ বান্ধি আছিহে সেই শিল্পীৰ ভূমিকা

সম্পৰ্কত জ্যোতিপ্ৰসাদে ভয়, দুৰ্বলতা, ভ্ৰান্তি গচকি দুৰ্ভগীয়া জনতাৰ মাজতে সুকুমাৰ কলাৰ অস্ত্ৰলৈ শিল্পীসকলক মোহ মুক্ত অৰ্জুনে থিয় হোৱাৰ দৰে সংগ্ৰামৰ কাৰণে থিয় হ'বলৈ আহ্বান জনাইছে। অসমীয়াৰ নিজা বৈশিষ্ট্য আৰু বিশ্বমুখী মনৰ এটা প্ৰতিবিম্ব থাকিলেহে অসমীয়া কৃষ্টি বিকাশ হোৱাটো সম্ভৱ। সমাজক প্ৰকৃত সাংস্কৃতিক জীৱন বিকাশ কৰিবলৈ দিব হ'লে মানুহৰ স্বাৰ্থপৰতা, লোভ, সংকীৰ্ণতা আৰু ক্ষমতা লিপ্সাবোৰ আঁতৰ কৰিবলৈ মানুহৰ প্ৰতিবোধ আৰু সংগ্ৰামমূলক অভিযানক জ্যোতিপ্ৰসাদে বিপ্লৱ বুলি কৈছে। তেওঁৰ মতে বিপ্লৱ সদায় সৃষ্টিমূলক আৰু সাংস্কৃতিক হ'ব লাগিব, সিহে আচল বিপ্লৱ। যি বিপ্লৱে বাটত অভিনয় নতুন সৃষ্টিৰ ঝংকাৰ নাই, গান নাই সি বিপ্লৱ নহয়। অৰ্থাৎ সি সামাজিক, নৈতিক, অৰ্থনৈতিক মুঠতে এক অভিনয় উচ্চতৰ পৰিবৰ্তিত সমাজ পাবলৈ ভূমিকা কৰে সিয়েই বিপ্লৱ।

জ্যোতিপ্ৰসাদে সংস্কৃতি শব্দটো অসমীয়া ভাষাত জনপ্ৰিয় কৰি তোলে। সংস্কৃতি বিকাশ যে দুষ্কৃতিৰ লগত সংগ্ৰামৰ মাজেদিহে সম্ভৱপৰ তাকো জ্যোতিপ্ৰসাদে বিভিন্নধৰণে ব্যাখ্যা কৰি গৈছে। দুষ্কৃতিৰ সৈতে সংস্কৃতিৰ সংঘাত অনিবাৰ্য বা চিৰন্তন হ'লেও সেই সংঘাতেই সাংস্কৃতিক জীৱনৰ বিকাশ আৰু প্ৰকাশ সৌন্দৰ্য ফুটি উঠে। জ্যোতিপ্ৰসাদৰ মতে দ্বেষ আৰু ঘৃণা শিল্পীৰ নহয়— সংস্কৃতিৰ বস্তু নহয়। শিল্পীয়েই মানুহৰ ধৰ্ম পৰিপূৰ্ণভাৱে প্ৰকাশ কৰে আৰু প্ৰতিজন মানুহৰ অন্তৰতে এক শিল্পীপ্ৰাণ লুকাই থাকে কেৱল প্ৰকাশ নাপায়। শিল্পী বুলিলে কেৱল সুকুমাৰ কলাৰ সাধকক নুবুজায়। জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ শিল্পী হ'ল স্ৰষ্টা। তেওঁৰ মতে মানুহ জীৱন শিল্পী হ'ব পাৰে, সমাজ শিল্পী হ'ব পাৰে, যীশুখ্ৰীষ্ট, বুদ্ধ, গান্ধীৰ দৰে মানৱ হৃদয়ৰ নানা সু-প্ৰাচীন ঐতিহাসিক বোধ আৰু প্ৰমূল্য, মানৱ হৃদয়ৰ নানা সম্পদ সংস্কৃতিৰ অনুশীলন আৰু প্ৰচাৰৰ যোগে জীয়াই থাকে। মানুহৰ ৰূপান্তৰ কেৱল ৰাজনৈতিক কৌশলৰ পৰাই সম্ভৱ হয় বুলি যিসকলে ভাবে সংস্কৃতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ আৰু প্ৰচাৰ যিসকলে বোধ কৰিব খোজে তেওঁলোক জ্যোতিপ্ৰসাদৰ মতে প্ৰতিক্ৰিয়াশীল। এইক্ষেত্ৰত জাতীয় প্ৰগতিবাদে সংস্কৃতিৰ স্বকীয় মৌলিকতা ৰক্ষা কৰে। আনফালে সংকীৰ্ণ প্ৰাদেশিকতাই সংস্কৃতিৰ সংকট সৃষ্টিত অবিহণা যোগায়। সংস্কৃতিৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শনৰ দ্বাৰা সংস্কৃতিৰ সংকট আঁতৰ কৰিব পাৰি। তদুপৰি সংস্কৃতিৰ সংকটৰ প্ৰকৃত চৰিত্ৰ উদ্‌ঘাটনৰ বাবে সাম্প্ৰতিক আৰ্থ-সামাজিক দৃষ্টিকোণৰে ইয়াক চোৱাৰ প্ৰয়োজন আছে।

সংস্কৃতি সমাজ জাত। সংস্কৃতিৰ লগত বাস্তৱ জীৱনৰ নিবিড় সম্পৰ্ক। সমগ্ৰ মানৱ জাতিৰ সংস্কৃতি মৌলিকভাৱে একে। সত্যক অৱলম্বন কৰি সংস্কৃতি গঢ়

লৈ উঠিছে। মানৱ জাতিৰ এই সংস্কৃতি অভিযান বাস্তৱ অৰ্থত জাতিটোৰ ইতিহাস স্বৰূপ। জ্যোতিপ্ৰসাদৰ মতে সমাজত সকলো যুগতে সকলো মানুহেই দুষ্কৃতিৰ বিৰুদ্ধে সংগ্ৰাম কৰি এই অভিযান চলাই আহিছে। আজিৰ যুগত এই অভিযানত জনতাৰ ঠাই আগশাৰীত, নতুন অভিযানত শিল্পীয়ে নিজস্ব ধৰণ আৰু ধাৰণাৰেই সক্ৰিয় অংশগ্ৰহণ কৰাৰ আৱশ্যকতা আছে। সেই বাবেই তেওঁ কৈছে যে জনতা অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক লক্ষ্যবোধ শিল্পীয়ে ওলাই কৰিব নোৱাৰে। এই জনতাক শিল্পীৰূপেদি সংস্কৃতি, এই জনতাৰ হাতত পৃথিৱীখনক দিয়া শিল্পীৰ পলিটিকচ্, এই জনতাক খাই বৈ সুস্থ-সবল হৈ শিল্পীৰূপে প্ৰকাশ হ'বলৈ সকলো বাস্তৱ সুযোগ-সুবিধা দিয়াই শিল্পীৰ অৰ্থনীতি যি সমাজত গাঁথনিত মাথোন সকলো শিল্পীৰ প্ৰকাশ বিকাশৰ সমান অধিকাৰ সুযোগ-সুবিধা, সিয়েই শিল্পীৰ সমাজনীতি। সমাজৰ ৰূপান্তৰ জগতৰ ৰূপান্তৰত যি সচেতন, সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে সিয়েই প্ৰকৃত শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ, শিল্পীৰ কাৰখানা আৰু শিল্প সংস্কৃতিৰ সম্পদৰ প্ৰদৰ্শনী। জ্যোতিপ্ৰসাদে সেয়ে কৈছে— ইয়াকো শিল্পীয়ে, আজি নিখিল পৃথিৱীৰ শিল্পীয়ে— মানুহক উপলব্ধি কৰাব লাগিব।

গতিময়তা— সংস্কৃতিৰ প্ৰধান ধৰ্ম। পৰিবৰ্তনশীল সমাজত মানুহৰ জীৱন ধাৰণ প্ৰণালীৰো পৰিবৰ্তন ঘটে। এইটো সমাজৰ মানসিক জড়তাৰ প্ৰতিফলন বুলি ক'ব লাগিব। সমাজৰ সংস্কৃতি বিৰোধী কৰ্ম এটাক সংস্কৃতিৰ সংকট বুলি গণ্য কৰা হয়। তদুপৰি সমাজৰ প্ৰজন্ম প্ৰভেদে (Generation Gap) সংস্কৃতিৰ সংকট সৃষ্টি কৰে বুলি বহুতে ক'ব খোজে। প্ৰকৃতাৰ্থত সমাজৰ মানসিক জড়তাৰ পৰিণামত সংস্কৃতিৰ ৰূপটোৰো সলনি ঘটে। সমাজৰ অপ-সংস্কৃতি বুলি যাক কোৱা হয় মূলতঃ ই সংস্কৃতিৰ ৰূপান্তৰ। বৰঞ্চ অশালীনতাইহে এই অপ-সংস্কৃতিৰ জন্ম দিয়ে। কেতিয়াবা অসুন্দৰৰ ধ্যান-ধাৰণা, অসুন্দৰৰ ৰীতি-নীতি, অসুন্দৰৰ ৰুচিবোধ সৃষ্টি কৰাৰ অভিপ্ৰায়ে ন্যস্তস্বাৰ্থসমূহে সমাজত অপ-সংস্কৃতি গঢ়ি তোলাৰ চেষ্টা কৰি থাকে। তৎসত্ত্বেও অপ-সংস্কৃতি আৰু দুষ্কৃতিয়ে সৃষ্টি কৰা সমাজৰ সকলোধৰণৰ বাধাবিঘিনিৰ বিৰুদ্ধে সুন্দৰৰ পূজাৰীসকলে সংস্কৃতিৰ বিকাশৰ পথ মুকলি কৰি আহিছে। আমাৰ সংস্কৃতিৰ উপাদানসমূহৰ স্বকীয় মৌলিকতা ৰক্ষা কৰি সমন্বয় আৰু সংহতিৰ আদৰ্শৰে বিশ্ব সংস্কৃতিৰ লগত একাত্ম হৈ এক বৰ্ণাঢ্য জাতীয় সংস্কৃতি গঢ়ি তোলাৰ ক্ষেত্ৰত সম্প্ৰতি শিল্পীসকলৰ গধুৰ দায়িত্ব আহি পৰিছে।

জ্যোতিপ্ৰসাদৰ ভাষাত আজি অসমত যি সুকীয়া সংস্কৃতি আছি উপস্থিত হৈছেহি, সেই সকলোবোৰৰে এটা সংস্কৃতি গঢ়ি তুলিবলৈ চেষ্টা হ'ব লাগে। বংগৰ নৱাগত, উত্তৰ ভাৰতৰ হিন্দুস্থানী, মাৰোৱাৰী, শিখ, নেপালী তদুপৰি দক্ষিণ ভাৰত আৰু মধ্য ভাৰতৰো অসংখ্যলোক আহি নিগাজিকৈ অসম দেশত বহিছেহি। আমাৰ

জ্যোতিপ্ৰসাদৰ আদৰ্শ, বিশ্বাস আৰু প্ৰমূল্যৰ ধাৰণা :

চাৰিওফালে আৰু আমাৰ মাজতো পৰ্বতীয়া অসমীয়াসকল নিজৰ নিজৰ বিচিত্ৰ সংস্কৃতিৰে জকমকাই আছে। আমি সকলোকে নিজৰ মাতৃভাষা, দোৱান, সংস্কৃতি এৰি আমাৰ মহাপুৰুষীয়া সংস্কৃতি যাক আমি অসমীয়াত ৰূপান্তৰিত কৰিব খুজিছো— সেই পুৰণি সংস্কৃতিলৈ নিজৰবোৰ এৰিবলৈ কোৱাটো মহাপুৰুষ শংকৰদেৱৰ সমন্বয় নীতিৰ ফালৰ পৰাও অসংগত। নতুনৰ পোহৰত আমাৰো পুৰণি সংস্কৃতি কিছু এৰিব লাগিব, সেইদৰে আনসকলেও এৰিব লাগিব তেওঁলোকে লগত লৈ অহা পুৰণি সংস্কৃতি। এই পূৰ্ব ভাৰতীয় সমন্বয়, আন কথাত অসমীয়া সংস্কৃতিৰ নৱপ্ৰকাশ আমি ৰচনা কৰিব লাগিব। আজিৰ ভাতৃঘাতী সংঘৰ্ষৰ দিনত জ্যোতিপ্ৰসাদৰ এই উক্তি সৰ্বদা আমাৰ বাবে পাথেয়।

*[৩ ডিচেম্বৰ ২০০৭]*

* * * * * * * * *